# ১৯৯৩-৯৪

# মঙলদৈয়ান




শর্মা

আন্তৰিক শ্ৰদ্ধাৰে

মাননীয়/মাননীয়া

শ্ৰীযুত/শ্ৰীযুতা..........................................................................

..........................................................................................

..........................................................................লৈ আগবঢ়ালো।

সম্পাদক,

মঙলদৈয়ান

১৯৯৩ ৯৪ চন

# মঙ্গলদৈয়ান

## মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

একত্রিংশ সংখ্যা

ইং ১৯৯৩-৯৪ চন

# MANGALDAIAN

## MANGALDAI COLLEGE MAGAZINE

VOL XXXI

1993-94


তত্বাবধায়ক অধ্যাপক

ডিম্বেশ্বৰ বৰুৱা এম, এ.

সম্পাদক

লক্ষ্যধৰ শৰ্ম্মা

## সম্পাদনা সমিতি


- পৃষ্ঠপোষক
  শিৱকান্ত শৰ্ম্মা (অধ্যক্ষ)
- সভানেত্ৰী
  উষা বৰা (অধ্যাপিকা)
- উপদেষ্টা মণ্ডলী
  ইদ্ৰিছ আলি (অধ্যাপক)
  বিচিত্ৰ কুমাৰ মেধি ( ,, )
  প্ৰণৱ কুমাৰ শৰ্ম্মা ( ,, )
  শচীন চহৰীয়া ( ,, )
  পৰেশ শৰ্ম্মা ( ,, )
  মণিমুগ্ধ বৰঠাকুৰ ( ,, )
  মতিৰাম মেধি ( ,, )
  ঘনকান্ত বৰুৱা (হিচাপ পৰীক্ষক)
- তত্ত্বাবধায়ক
  ডিম্বেশ্বৰ বৰুৱা
- সম্পাদক
  লক্ষ্যধৰ শৰ্ম্মা
- সদস্যবৃন্দ
  ৰাজীৱ বৰুৱা
  গণেশ দত্ত
  সঞ্জীৱ কুমাৰ শৰ্ম্মা
  লক্ষ্যধৰ ডেকা
  মিনাক্ষী দেৱী
  দিলীপ কুমাৰ বৰুৱা
  যোগমায়া শৰ্ম্মা
  প্ৰণৱ কুমাৰ শইকীয়া
  প্ৰজ্বলিতা বড়া
- বেটুপাতৰ শিল্পী
  পূৰ্ণানন্দ দাস (পুলু)
- ৰেখাচিত্ৰ আৰু অঙ্গসজ্জা
  শিবানন্দ বৰা
- সহযোগী
  ৰাজীৱ শৰ্ম্মা
  ত্ৰৈলোক্য ডেকা
- মুদ্ৰন
  জ্যোতি প্ৰিণ্টাৰ্চ


## কৃতজ্ঞতা স্বীকাৰ


☐ কাৰ্য্যকালৰ সকলো সময়তে দিহা পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা মাননীয় অধ্যক্ষ শ্ৰীযুত শিৱকান্ত শৰ্মা আৰু ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীডিম্বেশ্বৰ বৰুৱা দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

☐ নিজৰ আপুৰুগীয়া সময় নষ্ট কৰিও আলোচনীৰ পাণ্ডুলিপি সমূহ পৰীক্ষা কৰি দিয়া বাবে মাননীয় শিক্ষাগুৰু অধ্যাপক শ্ৰীযুত মণিমুগ্ধ বৰঠাকুৰ, অধ্যাপক শ্ৰীযুত বিচিত্ৰ কুমাৰ মেধি, অধ্যাপক শ্ৰীযুত ইদ্ৰিছ আলি, অধ্যাপক শ্ৰীযুত ভবেশ নাৰায়ণ চৌধুৰী, অধ্যাপিকা শ্ৰীযুতা মঞ্জু কলিতা, অধ্যাপক শ্ৰীযুত মতিৰাম মেধি দেৱলৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

☐ আলোচনীৰ বিভিন্ন কামত দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয়া সভানেত্ৰী অধ্যাপিকা শ্ৰীযুতা উষা বৰা বাইদেউ, শ্ৰদ্ধেয় শিক্ষাগুৰু অধ্যাপক শ্ৰীযুত প্ৰণৱ কুমাৰ শৰ্মা, অধ্যাপক শ্ৰীযুত খগেন্দ্ৰ কুমাৰ নাথ, অধ্যাপক শ্ৰীযুত পৰেশ শৰ্মা, অধ্যাপক শ্ৰীযুত শচীন চহৰীয়া, অধ্যাপক শ্ৰীযুত গিৰীশ গোস্বামী, অধ্যাপক শ্ৰীযুত জামালুদ্দিন আহমেদ, অধ্যাপিকা শ্ৰীযুতা মৈত্ৰেয়ী শৰ্মা, গ্ৰন্থাগাৰিক শ্ৰীযুত জেহিৰ আহমেদৰ দিহা-পৰামৰ্শ সদায় মনত থাকিব।

☐ যি সকলে আলোচনীলৈ লিখনি দি মোক উৎসাহিত কৰিছিল, সেইসকল শুভাশীষ শিক্ষাগুৰু আৰু বন্ধু বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

☐ মহাবিদ্যালয়ৰ সমূহ চাৰ বাইদেউ, কৰ্মচাৰী বৃন্দ তথা জ্যোতি প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী ভাস্কৰ ফুকন দেৱ আৰু কৰ্মকৰ্তা বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জনালো।

☐ পাহৰিব নোৱাৰো মই এই সকল ব্যক্তিক- আন্তঃ মণ্ডলদৈ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰদ্ধাৰ দাদা প্ৰশান্ত কুমাৰ শৰ্মা প্ৰমুখ্যে দিহা পৰামৰ্শ আগবঢ়োৱা কল্পনা শৰ্মা বাইদেউ, হেমন্ত কুমাৰ দাস, বিনয় কুমাৰ শৰ্মা বৰুৱা, প্ৰবোধ শৰ্মা আৰু অক্ষয় কুমাৰ শৰ্মা দাদাক।

☐ বেটুপাত শিল্পী পূৰ্ণানন্দ দাসৰ লগতে ৰেখাচিত্ৰৰ শিল্পী শিবানন্দ বড়াকো মোৰ কৃতজ্ঞতা জনাইছো।

☐ মনত থাকিব এইসকল ব্যক্তিও— ভূপেন কুমাৰ নাথ, সুদৰ্শন শৰ্মা, মাধৱ ডেকা, ৰাজীৱ শৰ্মা, দীপক বৰুৱা,

ত্ৰৈলোক্য ডেকা, ক্ষীৰোদ শৰ্মা, ৰুণজুন দেৱী, নাৰায়ণ ডেকা, হাফিজ উল্লাহ, নিৰ্মালী দেৱী শৰ্মা, ভুবনেশ্বৰ, নমিতা, ধীৰাজ, নৃপেন, মুকুল, সবিতা, পাৰবিন, মিনাক্ষী, হীৰেন, জাকিৰ, মন্টু, দিলীপ, প্ৰণৱ, ৰজনী, বিপুল।

☐ মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীকেই আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰাত তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

☐ কৃতজ্ঞতা জনাইছোঁ ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াৰ লগতে আলোচনী সম্পাদনা সমিতিৰ প্ৰতিজন বিষয়ববীয়ালৈ।

তদুপৰি কৃতজ্ঞতা জ্ঞাপন কৰিছো সেই সকল জ্ঞাত-অজ্ঞাত ব্যক্তিলৈ যি সকলে মোক মোৰ কাৰ্য্যকালত তথা আলোচনী প্ৰকাশ কৰাৰ ক্ষেত্ৰত সকলো প্ৰকাৰে সহায় কৰিছিল।

—সম্পাদক

মঙলদৈয়ান

# শ্ৰদ্ধাঞ্জলি

যোৱা বছৰটোত মৃত্যুক আকোৱালি ল'ই
স্বৰ্গগামী হোৱা আমাৰ পৰম পূজনীয়
সকললৈ আমি শ্ৰদ্ধাঞ্জলি
যাছিছোঁ। লগতে তেখেত
সকলৰ বিদেহী আত্মাৰ
চিৰশান্তি কামনা
কৰিছোঁ।

সুদীৰ্ঘ কাল আমাৰ বিদ্যালয়ৰ ইংৰাজী বিভাগত মূৰব্বী অধ্যাপক হিচাবে অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰাৰ পিছত আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আতৰি যোৱা স্বৰ্গীয় অৰবিন্দ কুমাৰ সেন দেৱ ;

অসম সাহিত্য সভাৰ সভাপতি ডঃ লীলা গগৈ, সু-সাহিত্যিক ডঃ প্ৰফুল্ল দত্ত গোস্বামী, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ হৰি প্ৰসাদ বৰুৱা, তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ছৈয়দ দলিলুৰ ৰহমান আৰু জ্ঞাত-অজ্ঞাত ব্যক্তি সকললৈ।

সম্পাদনা সমিতি

সেই মৃত্যু অপৰাজেয়




মানুহৰ মুক্তি আৰু স্বদেশৰ শান্তিৰ বাবে অসীম সাহস
আৰু দুৰ্জেয় শক্তিৰে যুঁজি হাঁহি হাঁহি মৃত্যুক
আকোৱালি ল'ই প্ৰাণ বিসৰ্জন দিয়া
জ্ঞাত-অজ্ঞাত অমৰ শ্বহীদসকলক
আমি শ্ৰদ্ধাৰে সোৱঁৰিছোঁ।

—সম্পাদনা সমিতি

# অশ্ৰু অঞ্জলি

আশাৰ বত্তি জ্বলাই জীৱন উজ্বল কৰাৰ
হেপাঁহেৰে এই জ্ঞান-মন্দিৰত সাধনা কৰা
সেইসকল বিদ্যাৰ্থী-বিদ্যাৰ্থিনী,
অকালতে যাৰ জীৱন-বত্তি নুমাই গ'ল।

সম্পাদক



প্ৰতাপ কোঁৱৰ
জন্ম ঃ ১৯৬৬
মৃত্যু ঃ ১২।৭।৯৪



জগত চন্দ্ৰ ডেকা
জন্ম ঃ
মৃত্যু ঃ



প্ৰতিভা চাহা
জন্ম ঃ ৫।৮।৭৪
মৃত্যু ঃ ১৪।৭।৯৪



ইছলাম আলি
জন্ম ঃ ১৮।১২।৬৭
মৃত্যু ঃ ১৯।৭।৯৪

# মঙলদৈয়ান

# MANGALDAIAN

ডেৰ কুৰিৰো অধিক বছৰ অতিক্ৰম কৰি অহা মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন ১৯৫৮–১৯৫৯ চনৰ পৰা ১৯৯২-৯৩ চনলৈকে 'মঙলদৈ মহাবিদ্যালয় আলোচনী' নামেৰেই প্ৰকাশ হৈ আহিছে। বৰ্তমান কিছু বছৰৰ পৰা আলোচনীখনীৰ এটি স্বকীয়া নামকৰণ কৰাৰ প্ৰয়াস চলি আহিছে। মূৰকত ১৯৯২-১৯৯৩ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সভাত এই সন্দৰ্ভত উঠা প্ৰস্তাৱমৰ্মে অহা বিভিন্ন 'নাম'ৰ ভিতৰত 'মঙলদৈয়ান' নামটি ১৯৯৩-১৯৯৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাই গ্ৰহণ কৰে।

এই সংখ্যাৰ পৰা মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন 'মঙলদৈ মহাবিদ্যালয় আলোচনী' এই নামৰ পৰিবৰ্তে 'মঙলদৈয়ান' নামেৰে পুনঃ অলংকৃত কৰি প্ৰকাশ কৰা হ'ল।

নতুন নামেৰে অলংকৃত কৰি প্ৰকাশ কৰা এই সংখ্যা আলোচনী 'মঙলদৈয়ান' মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰোঁতা আৰু গঢ় দিওতা সেই চিৰস্মৰণীয় মহান ব্যক্তিসকলৰ উদ্দেশ্য উৎসৰ্গা কৰিলোঁ।

সম্পাদনা সমিতি

# তত্ত্বাবধায়কৰ এষাৰ

আমাৰ মহাবিদ্যালয়ৰ আলোচনী 'মঙলদৈয়ান' (MANGALDAIAN) বিশেষকৈ এখন সাহিত্য আলোচনী। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক প্ৰতিভা আৰু বৌদ্ধিক দিশৰ পূৰ্ণ প্ৰকাশ ঘটিব বুলিয়েই আমাৰ আশা। তত্ৰাচ আলোচনীখনত প্ৰকাশ পোৱা ভিন্নসুৰী লিখনীৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনী-প্ৰতিভা, সৌন্দৰ্য্যবোধ আৰু কলা সুলভ ভাবানুভূতিৰ প্ৰকাশক্ষম মানদণ্ড বিচাৰৰ মাপকাঠি সহৃদয় পাঠকৰ হাততহে।

মহাবিদ্যালয় আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিৰে প্ৰকাশ কৰি উলিওৱাটোহে আমাৰ সকলোৰে উদ্দেশ্য হোৱা উচিত। সেয়েহে পৈণত কিম্বা অপৈণত অভিজ্ঞতাৰে সাহিত্য ৰচনা কৰিবলৈ লোৱা নবীন লেখক-লেখিকাসকলৰ ৰচনা-পাতি আলোচনীখনত প্ৰকাশ কৰি তেওঁলোকক প্ৰেৰণা যোগোৱাহে আমাৰ আশা। আলোচনীৰ সৰ্বাঙ্গ সুন্দৰতা আশা কৰি অভিজ্ঞতা সম্পন্ন প্ৰতিষ্ঠিত লেখক-লেখিকাৰ ৰচনা আনি মহাবিদ্যালয় আলোচনীখনত প্ৰকাশ কৰাৰ চিন্তা অপ্ৰাসঙ্গিক বুলি ভাবো।

অতীতৰ পৰা বৰ্তমানলৈ মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য-চ'ৰাত ভুমুকি মাৰি স্পষ্টকৈ ক'ব পাৰি, অসমীয়া সাহিত্যৰ সৌধ নিৰ্মাণত ইয়াৰ বৰঙণি উল্লেখনীয়। সাম্প্ৰতিক কালতো মহাবিদালয়খনৰ কলা আৰু বিজ্ঞানৰ ত্ৰি-সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত বহুতো সাহিত্যিক প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰী আছে। এই ক্ষেত্ৰত আলোচনীত প্ৰকাশৰ বাবে আমাৰ হাতত পৰা যথেষ্ট সংখ্যক লিখনী, 'মহাবিদ্যালয় সপ্তাহ'ৰ সাহিত্য প্ৰতিযোগিতাত প্ৰতিযোগীৰ আশানুৰূপ অংশ গ্ৰহণ, ছাত্ৰ-একতা সভাৰ সাহিত্য বিভাগৰ পৰা প্ৰকাশিত 'প্ৰাচীৰ পত্ৰিকা', বুৰঞ্জী বিভাগৰ পৰা প্ৰকাশিত 'প্ৰাচীৰ পত্ৰিকা', প্ৰাণী বিজ্ঞান বিভাগৰ পৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'ডলফিল', আৰু ভূগোল বিভাগৰ পৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'মৌচুমী' আদি আঙুলিয়াই দেখুৱাব পৰা প্ৰমাণ। সিয়েই নহয়, ই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰচ্ছন্ন হৈ থকা সাহিত্য-প্ৰতিভা বিকশিত কৰাৰ সাৰ্থক প্ৰয়াসও। এনে সকলোবোৰ প্ৰচেষ্টাই মঙলদৈ মহাবিদ্যালয়ত সাহিত্য-সাধনাৰ পৰিবেশ অধিক সুন্দৰ কৰি তোলক ! মহাবিদ্যালয় আলোচনী 'মঙলদৈয়ান' হওঁক তাৰ প্ৰামাণ্য আলেখ্য! সাহিত্য বুৰঞ্জীত মঙলদৈ মহাবিদালয় জাজ্বল্যমান হৈ ৰওঁক।

শ্ৰীডিম্বেশ্বৰ বৰুৱা
অধ্যাপক, অসমীয়া বিভাগ

# সম্পাদকীয় কলম

সম্পাদকীয় লিখিবলৈ ওলাই বাৰে বাৰে কলম থমকি ৰয়। প্ৰতিধ্বনিত হৈ বাজি উঠে চৌদিশ অশান্ত পৰিবেশৰ কল্লোল। চাৰিওফালে মাথো সন্ত্ৰাস, ই চৰকাৰীয়েই হওঁক বা ব্যক্তিগতই হওঁক। তাৰোপৰি ভূতৰ ওপৰত দানৱৰ দৰে লগতে আছেই যুৱ মানসিকতাৰ চৰম অধঃপতন, নৈতিক স্খলন।

যি সময়ত পৃথিৱীৰ সকলো ৰাষ্ট্ৰই, সকলো মানুহে শান্তি প্ৰতিষ্ঠাৰ বাবে অহৰহ চেষ্টা চলাই আছে; যি সময়ত পৃথিৱীৰ চুকে কোনে ড্ৰাগছ জাতীয় মাদক দ্ৰব্যৰ নিৰ্মূলৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে, সেই সময়ত অসমত ঘটিছে কি?

একবিংশ শতিকাৰ দুৱাৰ দলিৰ প্ৰাক্ মুহূৰ্ত্তত ভৰি দি যি সময়ত আমি সমস্বৰে গাব লাগিছিল, বিজ্ঞানৰ মহান অৱদানৰ জয়গান, মানৱতাৰ জয়গান, সেই সময়ত গাইছো আমি এলান্ধু কলীয়া প্ৰগতিৰ জয়গান। আমি যেন নিজকে প্ৰগতিৰ উচ্ছ শিখৰলৈ এতিয়াও ধাৱমান কৰিব পৰা নাই।

"A pen is mighter than sword" দুৰ্জেয় নেপোলিয়ন বোনাপাৰ্টে যিসময়ত অস্ত্ৰৰ শক্তিৰে পৃথিৱী কপাই তুলিছিল, যি সময়ত তেওঁ কাৰো ওচৰত বশ্যতা স্বীকাৰ কৰিব লগীয়া হোৱা নাছিল, সেই সময়তে তেওঁ ভয় কৰিছিল, সন্মান কৰিছিল মেৰী ৰ'জ জোচেফাইন নামে এজনী সাধাৰণ মহিলাক। তেওঁৰনো এনে কি গুণ আছিল, যাঁৰ বাবে শিৰণত কৰিবলগীয়া হৈছিল, নেপোলিয়নৰ দৰে বিশ্বমহাবীৰ এজনে। তেওঁৰ লিখনিয়েই আছিল নেপোলিয়নৰ শক্তিতকৈয়ো ক্ষুধাৰ।

মাজে মাজে ভাৱ হয়, চিন্তাত যতি পৰে, বৰ্ত্তমান সময়ত কলমৰ প্ৰাসঙ্গিকতা নোহোৱাই হৈছে নেকি? নৈৰাশ্যৰ এই সময়তেই যেতিয়া মনলৈ আহে "ব্ৰহ্মৰ গাভৰু য়ান চান চু কি লৈ, কলমেই যাৰ দুৰ্জেয় শক্তি, তেতিয়াই মনত সাহস পাওঁ। মন আকাশৰ কলীয়া ডাৱৰ নাইকিয়া হয়।

কান্দি উঠে মন মোৰ। বৰ্তমান ক্ষয়শীল অসমীয়াৰ পংগু প্ৰায় ধ্বংস মুখী প্ৰতিচ্ছবি দেখি। নাই, দেশৰ কথা কোনেও নাভাবে, ভাবিব যেন কাৰো আহৰি নাই। নহ'লেনো দেশৰ নানা কেলেংকাৰী, খাবলৈ নাপায় বহুলোক মৃত্যুৰ মুখত পৰাৰ পাছতো, পুলিচৰ জিম্মাত নিৰীহ যুৱকৰ মৃত্যুৰ পাছতো আমাৰ মাজৰ পৰা প্ৰতিবাদৰ যি জোৱাৰ উঠিব লাগিছিল, সি ন'হল। হয়তো এদিন অসম বন্ধ। তাৰ পাছত গতানুগতিক সমাজ জীৱন।

স্বাধীনতাৰ সাতচল্লিছ বছৰৰ পাছতো অসমৰ চকুত লগাকৈ একোৱেই উন্নতি নহ'ল। দুখ লাগে মোৰ। জাপানলৈ চাওঁক- দ্বিতীয় মহাসমৰৰ বিভীষিকাৰ অন্ত নপৰোতেই ভগ্ন প্ৰায় জাপান আজি পৃথিৱীৰ ভিতৰতেই এখন সকলো দিশত সমৃদ্ধিশালী দেশ হিচাপে পৰিগণিত হৈছে। ইয়াৰ কাৰণ আপোনালোকে কি বুলি ভাবে? দুৰন্ত দেশপ্ৰেম আৰু প্ৰতিযোগিতামুলক কৰ্মৰাজিয়েই তেওঁলোকৰ উন্নতিৰ মূল।

আমাৰ অসমেও প্ৰগতিৰ শীৰ্ষবিন্দুত আৰোহণ কৰিবলৈ হ'লে প্ৰথমতে আমাৰ অতীৱ প্ৰয়োজন

হব প্ৰতিযোগী মনোভাৱৰ। প্ৰতিযোগী মনোভাৱ থাকিলেই নহব, মনত থাকিব লাগিব প্ৰতিযোগিতাত কৃতকাৰ্য্য হোৱাৰ প্ৰবল ক্ষুধা। লগতে থাকিব লাগিব জীৱনত উন্নতি কৰিবলৈ আটাইতকৈ প্ৰয়োজনীয় গুণটো যোগ্যতা অৰ্জন আৰু ধৈৰ্য্য। বৰ্তমান সময়ত বিশ্বৰ প্ৰগতিৰ চোতালত সোণৰ চকীত বহিবলৈ হ'লে আমি উপযুক্ত যোগ্যতা অৰ্জন কৰিবই লাগিব। যোগ্যতা অবিহনে প্ৰগতিৰ লগত যুঁজ দিয়াটো নিস্ফল। গতিকে ধৈৰ্য্য সহকাৰে প্ৰয়োজনীয় উপযুক্ত যোগ্যতা আহৰণ কৰিব পাৰিলেহে, আমি প্ৰগতিৰ সোণৰ জখলাৰে স্তৰে স্তৰে আগবাঢ়ি শীৰ্ষবিন্দুত উপনীত হব পাৰিম।

সাহিত্যই জাতিৰ দাপোন। ভৱিষ্যতৰ সাহিত্যিক আদিৰ সৃষ্টিৰ ক্ষেত্ৰত বিদ্যালয়-মহাবিদ্যালয় সমূহৰ আলোচনীৰ যথেষ্ট ভূমিকা আছে। মহাবিদ্যালয়ৰ মুখপত্ৰখন আমাৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ কঠিয়াতলী স্বৰূপ। আমাৰ বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰী সকলে এই আলোচনীৰ জৰিয়তে ভাষা-সাহিত্য-সংস্কৃতি আদিৰ চৰ্চা কৰি বিশ্বৰ দৰবাৰত অসমীয়াৰ নাম উজ্জ্বলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰক। তেতিয়াহে আলোচনীখনৰ সাৰ্থকতা থাকিব।

গৌৰৱ নকৰো মই। গৌৰৱৰ পাত্ৰ আপোনালোকহে। মোৰ কাৰ্য্যকালৰ দিনতেই মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ এটা স্বকীয়া নামেৰে নামাকৰণ কৰা হ'ল। আগতে এই মুখপত্ৰখনি মঙলদৈ মহাবিদ্যালয় আলোচনী নামেৰে ক্ৰমাগত ভাৱে ছপা হৈ আহিছিল। কিন্তু ২৫ আগষ্ট'৯৪' তাৰিখৰ মাননীয় শিক্ষাগুৰু ইদ্ৰিছ আলি দেৱৰ সভাপতিত্বত অনুষ্ঠিত ছাত্ৰ একতা সভা আৰু আলোচনী সম্পাদনা সমিতিৰ যুটীয়া বৈঠকত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা অহা নামৰ সংখ্যা গৰিষ্ঠতাৰ ভেটিত তথা সৰ্ব্বসন্মতি ক্ৰমে মঙলদৈ মহাবিদ্যালয় আলোচনীৰ নাম "মঙলদৈয়ান" ( MANGALDAIAN ) নামেৰে স্থায়ী নামাকৰণ কৰা হয়।

বন্ধুত্বপূৰ্ণ পাঁচকোণীয়া প্ৰতিদ্বন্দিতাৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ বিচাৰৰ মাপকাঠিত মই মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে নিৰ্ব্বাচিত হও। নিৰ্ব্বাচনী প্ৰচাৰত মই তেওঁলোকক মহাবিদালয়ৰ আলোচনীৰ উন্নতিৰ বাবে বহুতো প্ৰতিশ্ৰুতি দিছিলো যদিও তাৰ আটাইবোৰ মই ৰাখিব নোৱাৰিলো। তাৰ দোষ মই অকাতৰে স্বীকাৰ কৰিছো যদিও গৌৰৱ কৰিব পাৰো এই কাৰণেই যে আপোনালোকক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ বহুলাংশে সফল হৈছো। মোৰ প্ৰথম তথা মুখ্য প্ৰতিশ্ৰুতি আছিল মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ এটা স্বকীয়া নামেৰে নামাকৰণ কৰা। যিহেতু মোৰ কাৰ্য্যকালৰ আগলৈকে আলোচনীখনৰ কোনো এটা স্বকীয়া নাম নাছিল। কিন্তু মোৰ কাৰ্য্যকালত আলোচনীখনে এটা পূৰ্ণাঙ্গ নাম পালে।

মহাবিদ্যালয়ৰ প্ৰত্যেক জন ছাত্ৰ-ছাত্ৰীয়ে ( ভোটাধিকাৰ পোৱা ) আলোচনী পাব লাগে যদিও আপোনালোক হয়তো বহুতেই নাজানে যে আলোচনী তথা অন্যান্য বিভাগৰ শিতানলৈ নৈশ শাখাৰ ছাত্ৰ-ছাত্ৰীৰ কোনো ধন জমা নহয়। এই বিষয়ত হোৱা আলোচনা সভাত নৈশ শাখাৰ ধন বিচাৰি গৃহীত প্ৰস্তাৱৰ প্ৰতিলিপি অধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে আৰু কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হৈছিল যদিও কতৃপক্ষই তাৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা ব্যৱস্থা হাতত নললে। গতিকে মই যৎপৰোনাস্তি চেষ্টা কৰিছিলো যদিও এটা সীমিত পুঁজিৰে অসমৰ আন আন আগশাৰীৰ মহাবিদ্যালয়ৰ আলোচনীৰ দৰে আপোনালোকৰ মনত সাচ বহুৱাৰ পৰা এখন সৰ্বাঙ্গ সুন্দৰ আৰু বৰ্ধিত কলেবৰৰ আলোচনী আপোনালোকৰ হাতত তুলি দিব

পাৰিলোনে নাই, তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাতত। এইটোও উনুকিয়াই থও যে ছাত্ৰ-ছাত্ৰী তথা সুধী সমাজৰ সহায় সহযোগ অবিহনে সম্পাদক এজনে ব্যক্তিগত প্ৰচেষ্টাৰে আলোচনী এখন সুন্দৰ কৰিব নোৱাৰে। দুখৰ বিষয় ইংৰাজী শিতানৰ লিখনি তেনেই তাকৰ হোৱা বাবে এটা স্বকীয়া "ইংৰাজী শিতান" ৰাখিব নোৱাৰিলো।

শ্ৰদ্ধাভাজন মোৰ শিক্ষাগুৰু সকল আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱী সকল, আপোনালোকে মোক মোৰ প্ৰতিটো কামত যি সহায় সহযোগ আগবঢ়ালে, সি অকল প্ৰশংসনীয়েই নহয় তুলনাবিহীনো। তাৰ প্ৰতি মই আপোনাসবৰ ওচৰত চিৰ কৃতজ্ঞ।

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰই, প্ৰতিজনী ছাত্ৰীয়ে কঢ়িয়াই আনক তেওঁলোকৰ নিজস্ব প্ৰতিভাৰে অসমৰ শিক্ষা-সংস্কৃতি-ক্ৰীড়া জগতলৈ প্ৰভূত বৰঙণি। যাৰ সৃষ্টিয়েই হব উত্তৰ পুৰুষৰ আদৰ্শ তথা প্ৰেৰণা। তাৰেই কামনাৰে—

জয়তু মঙলদৈ মহাবিদ্যালয়।

সম্পাদক, মঙলদৈয়ান
১৯৯৩-৯৪ চন

# সূচীপত্র

## প্ৰবন্ধ


- অতীতৰ লগত বৰ্ত্তমানৰ বনগীত-বিহুগীত আৰু নাৰীৰ তাঁতশালখন ॥ ১ ॥ শিখাৰাণী দেৱী
- শংকৰদেৱৰ একশৰণ নামধৰ্ম আৰু সাম্প্ৰতিক কালত ইয়াৰ প্ৰসাৰ ॥ ৫ ॥ হৰেন্দ্ৰ ৰাজবংশী
- বিহঙ্গম দৃষ্টিত অভিযান্ত্ৰিক বংশতত্ত্ববিজ্ঞান ॥ ৯ ॥ কুমুদ চন্দ্ৰ শৰ্ম্মা
- দৰঙী সাঁচিপতীয়া পুথি "শিয়ালা গোসাঁইৰ বংশাৱলী" ॥ ১৩ ॥ কনক চন্দ্ৰ চহৰীয়া
- মহামিলনৰ তীৰ্থ খটৰা সত্ৰ ॥ ১৯ ॥ ভনিতা দেৱী
- নিচাজাতীয় দ্ৰব্য আৰু অসমৰ যুৱ সমাজত তাৰ প্ৰভাৱ ॥ ২০ ॥ জয়ন্ত শৰ্ম্মা
- Deserts and its impact on environment ॥ 23 ॥ Uttam Kalita


•••

## কবিতা


- ভৈৰৱ বৰুৱা, ফজলুৰ ৰহমান ফায়েজী, হীৰাজ্যোতি দাস, দিগন্ত মণি বৰুৱা, হিৰেণ বৰুৱা, মৃদুল কুমাৰ চহৰীয়া, চন্দ্ৰ কুমাৰ চহৰীয়া, নমিতা কলিতা, নিকুঞ্জ শৰ্ম্মা, শিবানন্দ বৰা, ইদ্ৰিছ আলি, প্ৰশান্ত বেজবৰুৱা, মহাদেৱ নাথ, ললিত চন্দ্ৰ ডেকা, Minakshi Sarma, Ranjit Deka, Mahananda Barua, Gitanjali Deka ১–১০


•••

## গল্প


- নিশাৰ শেষত ॥ ১ ॥ জয়া দেৱী
- আক্ৰোশ ॥ ৬ ॥ লুতফুৰ জামান
- আধাৰ শিলা ॥ ৯ ॥ অনন্ত কুমাৰ শৰ্মা
- অশান্তি ॥ ১২ ॥ জুনুমণি ডেকা
- এটা হাৰমনিয়ামৰ জ'কা ॥ ১৩ ॥ জয়ন্ত শৰ্মা


•••

## উপন্যাসিকা


- সহযাত্ৰী ॥ ১৬ ॥ টংকেশ্বৰ বৰুৱা


•••

## একাঙ্কিকা নাটক


- আমি বিচৰা বস্তুটো ॥ ২২ ; দীপক কুমাৰ গোস্বামী


•••

## মুখামুখি


- প্ৰবোধ চন্দ্ৰ গোস্বামী, খৰ্গেশ্বৰ গোস্বামী, ফজলুল কৰিম, বিনয় কুমাৰ শৰ্মা বৰুৱা, ধীৰাজ বসুমতাৰী, নমিতা বৰুৱা, ফুলেন্দ্ৰ নাথ চহৰীয়া। ১–৬
- ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন ১–১৩


•••

পাৰিলোনে নাই, তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাতত। এইটোও উনুকিয়াই থও যে ছাত্ৰ-ছাত্ৰী তথা সুধী সমাজৰ সহায় সহযোগ অবিহনে সম্পাদক এজনে ব্যক্তিগত প্ৰচেষ্টাৰে আলোচনী এখন সুন্দৰ কৰিব নোৱাৰে। দুখৰ বিষয় ইংৰাজী শিতানৰ লিখনি তেনেই তাকৰ হোৱা বাবে এটা সুকীয়া "ইংৰাজী শিতান" ৰাখিব নোৱাৰিলো।

শ্ৰদ্ধাভাজন মোৰ শিক্ষাগুৰু সকল আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱী সকল, আপোনালোকে মোক মোৰ প্ৰতিটো কামত যি সহায় সহযোগ আগবঢ়ালে, সি অকল প্ৰশংসনীয়েই নহয় তুলনাবিহীনো। তাৰ প্ৰতি মই আপোনাসবৰ ওচৰত চিৰ কৃতজ্ঞ।

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰই, প্ৰতিজনী ছাত্ৰীয়ে কঢ়িয়াই আনক তেওঁলোকৰ নিজস্ব প্ৰতিভাৰে অসমৰ শিক্ষা-সংস্কৃতি-ক্ৰীড়া জগতলৈ প্ৰভূত বৰঙণি। যাৰ সৃষ্টিয়েই হব উত্তৰ পুৰুষৰ আদৰ্শ তথা প্ৰেৰণা। তাৰেই কামনাৰে—

জয়তু মঙলদৈ মহাবিদ্যালয়।

সম্পাদক, মঙলদৈয়ান
১৯৯৩-৯৪ চন

# সূচীপত্ৰ


## প্ৰবন্ধ

- অতীতৰ লগত বৰ্ত্তমানৰ বনগীত-বিহুগীত আৰু নাৰীৰ তাঁতশালখন ॥ ১ ॥ শিখাবাণী দেৱী
- শংকৰদেৱৰ একশৰণ নামধৰ্ম আৰু সাম্প্ৰতিক কালত ইয়াৰ প্ৰসাৰ ॥ ৫ ॥ হৰেন্দ্ৰ ৰাজবংশী
- বিহঙ্গম দৃষ্টিত অভিযান্ত্ৰিক বংশতত্ত্ববিজ্ঞান ॥ ৯ ॥ কুমুদ চন্দ্ৰ শৰ্ম্মা
- দৰঙী সাঁচিপতীয়া পুথি "শিয়ালা গোসাঁইৰ বংশাৱলী" ॥ ১৩ ॥ কনক চন্দ্ৰ চহৰীয়া
- মহামিলনৰ তীৰ্থ খটৰা সত্ৰ ॥ ১৯ ॥ ভনিতা দেৱী
- নিচাজাতীয় দ্ৰব্য আৰু অসমৰ যুৱ সমাজত তাৰ প্ৰভাৱ ॥ ২০ ॥ জয়ন্ত শৰ্ম্মা
- Deserts and its impact on environment ॥ 23 ॥ Uttam Kalita

•••

## কবিতা

- ভৈৰৱ বৰুৱা, ফজলুৰ ৰহমান ফায়েজী, হীৰাজ্যোতি দাস, দিগন্ত মণি বৰুৱা, হিৰেণ বৰুৱা, মৃদুল কুমাৰ চহৰীয়া, চন্দ্ৰ কুমাৰ চহৰীয়া, নমিতা কলিতা, নিকুঞ্জ শৰ্ম্মা, শিবানন্দ বৰা, ইদ্ৰিছ আলি, প্ৰশান্ত বেজবৰুৱা, মহাদেৱ নাথ, ললিত চন্দ্ৰ ডেকা, Minakshi Sarma, Ranjit Deka, Mahananda Barua, Gitanjali Deka ১–১০

•••

## গল্প

- নিশাৰ শেষত ॥ ১ ॥ জয়া দেৱী
- আক্ৰোশ ॥ ৬ ॥ লুতফুৰ জামান
- আধাৰ শিলা ॥ ৯ ॥ অনন্ত কুমাৰ শৰ্মা
- অশান্তি ॥ ১২ ॥ জুনুমণি ডেকা
- এটা হাৰমণিয়ামৰ জঁকা ॥ ১৩ ॥ জয়ন্ত শৰ্মা

•••

## উপন্যাসিকা

- সহযাত্ৰী ॥ ১৬ ॥ টংকেশ্বৰ বৰুৱা

•••

## একাঙ্কিকা নাটক

- আমি বিচৰা বস্তুটো ॥ ২২ ॥ দীপক কুমাৰ গোস্বামী

•••

## মুখামুখি

- প্ৰবোধ চন্দ্ৰ গোস্বামী, খৰ্গেশ্বৰ গোস্বামী, ফজলুল কৰিম, বিনয় কুমাৰ শৰ্মা বৰুৱা, ধীৰাজ বসুমতাৰী, নমিতা বৰুৱা, ফুলেন্দ্ৰ নাথ চহৰীয়া। ১–৬
- ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন ১–১৩

•••

প্ৰবন্ধ

# অতীতৰ লগত বৰ্তমানৰ বনগীত বিহুগীত আৰু নাৰীৰ তাঁতশালখন

শ্ৰীশিখা ৰাণী দেৱী
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
অতিকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ বিহুৰে বিহুৱান
চেনাইকে দিবলৈ সাচোঁ।

এইদৰে আৰম্ভ হৈছে অসমীয়া গাভৰুৰ কলিজাৰ মঙহ তাঁতশালক লৈ বিভিন্ন বনগীতৰ। বিহুৱানখন মৰমৰ দীঘ দি চেনেহৰ বানীৰে বোৱা গাভৰুৰ বুকুৰ হুমুনিয়াহ লগা প্ৰেমৰ প্ৰতীক। বিহুৱানখনৰ প্ৰতিডাল সূতাতে সোমাই আছে প্ৰেমৰ কোঁহ। ই প্ৰেমৰ সজীৱ চেতনা আৰু ভাল পোৱাৰ মুক্ত প্ৰতিবিম্ব। আমি অলপ লক্ষ্য কৰিলেই দেখা পাওঁ ডেকা-গাভৰুৰ ওঠ ফালি গোৱা প্ৰতিটো বনগীততে বিভিন্নভাবে তাঁতশালখনে সাঁকোৰ কাম কৰি আছে। এই বনগীতত প্ৰতিফলিত হৈছে ডেকা-গাভৰুৰ কেঁচা যৌৱনৰ আলোৱণ আৰু সামাজিক চিত্ৰ।

"মাক নাই মাউৰা তিৰী নাই বৰলা
হাতী ধৰিবলৈ যায়।"

এয়া এখন সমাজৰ চিত্ৰ। মনৰ বলত বলীয়া হৈ হাতী ধৰিব যোৱা দুঃসাহসৰ পৰিচয়। কিন্তু নিসংগ জীৱন সাৰ্থকহীন বৰলা ভকতক কোনে বিহুৱান দিব? কোনে মৰমৰ বুটা বাচি হাঁচটি গামোচা আগবঢ়াব? এয়া অসমীয়া জীয়ৰীৰ আবেগিক ভাব।

"কাপোৰ বব নজনা গাভৰুক কোনে বিয়া কৰাব" —এই ফাঁকি কথায়ে অসমীয়া জীয়ৰীৰ তাঁতশাল প্ৰেম আৰু কৰ্মৰ নিদৰ্শন দিয়ে। অসমীয়া সমাজত প্ৰত্যেক নাৰীয়ে তাঁত বব, সূতা কাটিব জানে। তাৰে মাজতে তাঁৰ মাৰিব নজনা এজনী ওলোৱাটো বৰ পৰিতাপৰ কথা। কাপোৰ বব পৰা-নোৱাৰাতো আগতীয়াকৈ জানি ছোৱালী বিয়া কৰোৱা নিয়ম বৰ্তমানেও আমাৰ গ্ৰাম্য সমাজত বহুলভাবে দেখিবলৈ পোৱা যায়। অসমীয়া নাৰীৰ আটক ধুনীয়া 'ছাঁতে শুকোৱা মুঠিতে লুকোৱা' সুকুমাৰ কলাৰ নিদৰ্শন আৰু অতীত অসমৰ কলা ভাস্কৰ্য্যৰ ছবি তাঁতশালত বৰ্তমানেও সোনত সুৰগা বুটা হৈ ৰৈছে।

অসমীয়া জীয়ৰীৰ প্ৰাণ তাঁতশালৰ প্ৰতিটো সজুলিতে প্ৰেম-প্ৰীতি সোমাই আছে। সোমাই আছে বাৰিষাৰ দুনিবাৰ উত্তাল তৰঙ্গ সম যৌৱনৰ কামাগ্নি আৰু আছে আবহমান কালৰ মিনাকৰা কলা-কৃষ্টি-সংস্কৃতি-কৰ্ম-পটুতা, কৰ্তব্যনিষ্ঠা সুস্থ-সবল স্বাধীন মনৰ সমাজ; আৰু আছে তাঁতশালত বহা নীৰৱ প্ৰকৃতিৰ নাৰী অন্তৰৰ ব্যৰ্থতাৰ হুমুনিয়াহ। যৌৱনৰ উৎভ্ৰান্ত মনোভাৱৰ নোপোৱাক পোৱাৰ হেপাহ—

অতি চেনেহৰ মুগাৰে মহুৰা
অতি চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ চেনাইৰে বাতৰি
নেভাবি কেনেকৈ থাকো।

এৰা! তাঁতখনত বহিলেই গা-সাতখন আঠখন কৰে। অতি আপোন মাকোটো হাতৰ মুঠিতে থাকোতেই চেনাই লৈ মনত পৰে। "থেকেচি ভাঙি যাওঁ যঁতৰ"— বুলি প্ৰেমিকৰ মাতত যঁতৰ ভাঙিব ওলোৱাই প্ৰেমৰ বাটত তাঁতখনে গাভৰুক বাৰুকৈয়ে আমনি কৰে। এফালে আপোনজনৰ আহ্বান, আনফালে তাঁতখন।

"তোমাৰ মুখ খনি পূৰ্ণিমাৰ জোন যেন
সুৱলা তোমাৰ মাত,
তাঁতশালত তোমাক দেখিবৰে পৰা
পেটলৈ যোৱা নাই ভাত।"

তাঁতশালত বহি থকা গাভৰুৰ ৰূপৰ বৰ্ণনা উক্ত গীত ফাঁকিত প্ৰকাশ পাইছে। মাকোৰ চেৰে চেৰে নিটোল আঙুলি লৰে। সেয়ে,— "হাতৰে আঙুলি পাবলি পাবলি, ভৰিৰে আঙুলি ঘন"—বুলি ডেকাই দূৰতে হুমুনিয়াহ কাঢ়ে। সৰি পৰা মাকো বুটলি দিয়েই-আকৌ ডেকাই-গাভৰুৰ লগত এষাৰ প্ৰেমালাপ কৈ মনমন্দিৰত জ্বলাই আশাৰ বন্তি। গঢ়ি উঠে যৌৱনৰ অবিচ্ছেদ্য কামাগ্নি—

বৰ ঘৰৰ মুধত চেনাইৰে তাঁতশাল
দি যাও হাতী দাঁতৰ মাকো,
দুয়ো লগ হবলৈ লাগে কত বেলি
পাৰি দিয়া প্ৰেমৰে সাঁকো।

ইয়ে নিৰ্জন দুপৰীয়া অকলশৰীয়া গাভৰুৰ বুকু কঁপাই হাতৰ মাকো দৌৰাই অতি ক্ষীপ্ৰতাৰে।

কেলেই আহিলা দিনৰ দুপৰতে
লগাব নোৱাৰোঁ মাত;
তোমাৰ খতি হ'লে হাতৰ কাঠি কামি
মাৰো খতি হাতে তাঁত।

এয়া অসময়ত আমনি কৰিব অহা প্ৰেমিকক উদ্দেশ্য কৰি প্ৰেমিকাই কৈছে। প্ৰতিবিম্বিত হৈছে অসমীয়া সমাজৰ কৰ্মময় জীৱনৰ সুন্দৰ প্ৰতিচ্ছবি।

ডেকা-গাভৰুৰ প্ৰেম সদায় গোপনীয় হৈ আহিছে। এই প্ৰেম প্ৰকৃত হয় নে নহয় তাক লাজত কিম্বা ভয়ত প্ৰকাশ নকৰাৰ ফলত খুদুৱনি লাগি ৰয় মন। সেয়ে চতুৰ ডেকাই তাঁতশালৰ বৰ্ণনাৰে গাভৰুক সুধিছে—

তলৰে গৰকা ওপৰে নাচনি
তাঁতৰ চাৰি বাতি ব;
কেলেই খিনাইছ মোৰ প্ৰাণেশ্বৰী
পেটৰ কথা ভাঙি ক'।

কল্পনা প্ৰিয় অনুভূতিশীল ডেকাই গাভৰুক কোনসতে তাঁতশাল আজুৰি থাকিব দিব? সেয়ে মৰমৰ তাঁতৰ পৰা আঁতৰাই নি প্ৰেমত আৱদ্ধ কৰি ৰাখিব চেষ্টা কৰি ডেকাই আদি ৰসেৰে গাইছে—

তাঁত বাটি কৰিব নালাগে চেনাই ঐ
তোমাৰ কুমলীয়া দেহা;
জপাৰে কিংখাপ দি যাম উলিয়াই
বেহাই যাম প্ৰেমৰে বেহা।

অসমীয়া ঘঁৰুৱা শিল্পৰ উন্নতিৰ কথা বিহুগীতত আছে। তাক বিচাৰ কৰিলে অতীত শিল্পৰ নৈপুন্যতা বুজিব পাৰি। অসমীয়া শিপিনী ভাৰতৰ বিভিন্ন দেশৰ শিপিনীতকৈ গুণগ্ৰাহী আৰু সতী। অসমৰ প্ৰত্যেক শিপিনীয়ে সূতাকাটি নানা ৰঙ সানি কাপোৰ বৈছিল। এই ক্ষেত্ৰত পুৰুষগৰাকীয়েও যে হাত মিলাই সেই কথাৰ বাতৰি পাওঁ এই ফাঁকি গীতত—

মই যাওঁ গৈ মিছিমি জিলালৈ
আনি দিম ধুনীয়া তুলা,
তুমি বৈ যে লবা ৰিহাকৈ মেখেলা
মোকো বৈ দিবা চোলা।

উপৰোক্ত গীত ফাঁকিক নিপুন কৰ্ম দক্ষতাৰে বাস্তৱত ৰূপ দিয়াৰ পৰিচয় পাওঁ—

ফুল তোলা কুৰুতা গুদাম মাৰো পাঁচোতা
ব'দত তিৰে বিৰে কৰে,
চেনাইৰ মুখলৈ চাবকে নোৱাৰো
জালুক জলকীয়াই পোৰে।

সেইদৰে অসমীয়া গাভৰুৰ তাঁতশালখনৰো বিশেষ স্থান আছিল—

"বব ঘৰৰ মুধতে চেনাইবে তাঁতশালখনি"
... ... .... ...

জীয়ৰী গৰাকী মাক বাপেকৰ অতি মৰমৰ। মাক গৰাকীয়ে জীয়েকক তাঁত-সূতাত পাকৈত কৰি তোলে। এফালে যৌৱনৰ আলোড়ন, আনফালে সামাজিক বান্ধোন। গাভৰুৰ লগত সংসাৰ পাতিব বৈ থাকি ভাগৰি পৰে ডেকা। সেয়ে ডেকাই ঠাট্টাৰ সুৰত গাভৰুক সকিয়াই দিয়ে আকুল কণ্ঠেৰে —

"কাপোৰ বৈ থাকোতে যৌৱন কাল বাগৰি যায়
পকি গ'ল মুৰৰে চুলি"। বা
মাৰে দিয়ে বাপেৰে নিদিয়ে
বোৱা কটা গুণলৈ চাই,
তই গুণি পিতি চোৱা মনে কৰি
যৌৱন কাল ভটিয়াই যায়।

গাভৰুৰে তেতিয়া বেদনাতে হওঁক বা চেঙেলীয়া ডেকাক উপহাস কৰিবৰ "কতনা কাটিয়ে মৰো" "পিতাই ঐ নিদিয়া যৌৱন কালত" বুলি মনৰ ভাব প্ৰকাশ কৰিছিল যদিও বাপতি সাহোন তাঁতশাল আৰু কঠোৰ বান্ধোনৰ বাবে নিজে নিজেই দহি মৰিছিল আৰু তেনে থকা দমকা বৰ্ত্তমানেও আমাৰ সমাজত বিৰাজমান।

আন কিছুমানত দেখিবলৈ পাওঁ ডেকাই গাভৰুক তাঁতৰ পৰা আঁতৰি নিজৰ ঘৰখন শুৱনি কৰিব আহ্বান জনাইছে। তাঁত বৈ চহকী কৰিব বাধা দি ডেকাই গাভৰুৰ সহচাৰ্য্যহে বিচাৰিছে।

জীয়েক তাঁতসূতাত পাকৈত হোৱাৰ লগে লগে মাকৰ তাঁতৰ প্ৰতি কাণসাৰ নোহোৱা হয়। ফলত জীয়েকেই ঘৰখনৰ যাবতীয়া কাপোৰৰ যোগাৰ কৰিব লগা হয়। কোনো কোনো ক্ষেত্ৰত জীয়েকেই মাকক তাঁতৰ-ভাৰ নিদিয়া হয়। সেয়ে মাকেই হয়তো জীয়েকৰ নৈপুন্যতা আৰু আগ্ৰহক ঠাট্টাৰে কৈ মনৰ খঙ মাৰ নিয়াই। "মাকতকৈ জীয়েক কাঁজি ঢেকী ঠোৱাৰে বটে পাজি।" আনহাতে, নিজৰ ব্যস্ততাক উনুকিয়াই যৌৱনৰ আকুলতাত গাভৰুৰে গাই—

সৰু হৈ আছিলো উমলি আছিলো
ডাঙৰ হৈ লগালো তাঁত,
তাঁতৰে শালতে কাল ইখন লাগিলে
মোৰ ধনে লগালে মাত।

যৌৱনৰ লগে লগে উদমনা-গাভৰুৰ কামত মন নবহা হয়। তাঁতশালে আমুৱাই, চেৰেকীয়ে বিদ্ৰোহ কৰে, শলা-কাঠি নুঘুৰে, গৰকাডালে লৰিব নোখোজে, নাচনি-বোৰে না-নাচে, হাতৰ মাকো খহি পৰে। তেতিয়াই কণ্ঠ নিগৰি ওলাই আহে—

ডিঙি কুটে কুটাই আঙুলি বটিয়াই
নবও এনেকুৱা তাঁত,
ফুৰি আহোগৈ চেনাইৰে চুবুৰী
লগাই থৈ আহোগৈ মাত।

কেঁচা-যৌৱনৰ উচ্ছাস, বসন্তৰ মধুৰ আৱেশত, প্ৰকৃতিৰ মনোমোহা ৰূপত, আমৰ ডালৰ কপৌৰ সুৱাসত, বনৰীয়া বিহংগৰ মাতত কেৱল প্ৰিয়জনৰ কথাহে কাণত বাজি ৰয়। তেতিয়া "তাঁততো নবহে মন, তোলৈ যাববহে মন" 'সেওঁতা ফালি আমনি লাগে,' বা 'মঙল চাই আমনি লাগে'— বুলি গাভৰুৰে বুকুৰ হুমুনিয়াহ প্ৰকাশ কৰে।

কাপোৰ বৈ কিমান দিন থাকিব? দেউতাকৰ ঘৰত কিমান দিন কতনা কাটিব?— এয়া তাঁতত মন নবহা অধীৰা কেঁচা-গাভৰু প্ৰেমিকাৰ আবেগ।

কিনো লেটাই চেৰেকী সাজিলা পিতাই ঐ
নিদিলা সোনাৰি শালত,
কিনো দায়ে জগৰ লগালো পিতাই ঐ
নিদিয়া যৌৱন কালত।

এয়া চকুলো মচি তৎ নোপোৱা গাভৰুৰ মাক-পিতাকৰ ওপৰত কৰা বিদ্ৰোহ।

অতিকৈ মৰমৰ মুগাৰে মহুৰা
অতি মৰমৰ মাকো,
অতি মৰমৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।

ফাগুনৰ পছোৱা আঁতৰাৰ লগে লগে বহাগ আহে। মৰমৰ বিহুৱান বৈ কাটি বিহু পথাৰত চেনাইক দিব লাগে। চাৰি চকুৰ মিলনত উৎফুল্লিত হৈ উঠে ডেকা-গাভৰুৰ মন। তেতিয়া "বিহু মাৰি থাকোতে পলুৱাই

নিনিবি ভৰিব লাগিব ধন'— বুলি সমাজ ভীৰু গাভৰুৱে ডেকাক সকিয়নি বানী শুনোৱাৰ উদাহৰণো পোৱা যায়। বিহু আৰু বিহুৱান; নাৰী আৰু তাঁতৰ যি সাদৃশ্য তেনেদৰে ডেকা-গাভৰুৰ মৰম, আবেগ, প্ৰেম-প্ৰীতিৰো বিলুপ্তি দেখা নাযায়। ওবে ৰাতি সূতা কাটে, ৰাতিপুৱা তাঁতত বহে, চেনাইলৈ লাড়ু পিঠা সাজে, চিৰিপাতি মঙল চাই আমনি লাগে, চেনেহৰ যঁতৰ চেবেকী ভাঙি পদুলীলৈ দৌৰ মাৰিও প্ৰেমিকাই প্ৰেমিকলৈ বিহুৱান বোৱে। ইয়াতে প্ৰকাশ পাইছে অসমীয়া গাভৰুৰ কৰ্মময় সামাজিক জীৱনৰ চিত্ৰ।

'সেই ৰামো নাই অযোধ্যাও নাই'— এৰা আধুনিকতাই তাঁতশালৰ আৰু ডেকা-গাভৰুৰ কোমল মনো স্পৰ্শ কৰিলে। আমি হৈ পৰিলো আধুনিক। "খিতিৰ খিতিৰ কৈ তাঁত বোওতা গাভৰু নোহোৱা হ'ল। দোপৰ পাতি শুৱলা মাত শুনি' কল্পনাৰ কাবেং সাজিব ডেকাও নাই। এৰী পলু পোহা, মুগা পোহা অসমীয়াৰ পুৰণি নিয়ম আধুনিকতাই গছকিলে। মঙলদৈ-ছিপাঝাৰ অঞ্চলৰ এড়ী সূতাৰ বৰ কাপোৰ এসময়ত বৰ আদৰৰ আছিল। আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমীয়া শিপিনীয়ে পুৰস্কাৰ পোৱাতো গৌৰৱৰ কথা। পুৰণি অসমীয়া মানুহৰ জপা পেটেৰী নামৰ দুবিধ ঘৰুৱা শিল্পৰ নিদৰ্শন বৰ্তমান বিলুপ্ত। ইয়াৰ ঠাই অধিকাৰ কৰিলে ট্ৰাংক, চুটকেচ ইত্যাদিয়ে। বৰ কাপোৰৰ ঠাই ললে কলত বোৱা বিভিন্ন কাপোৰে। সেয়ে পুৰণি বনগীতত—

জপা গৰকিলে জপাৰ বৰ কাপোৰে
দেহা গৰকিলে প্ৰেমে,
সেই প্ৰেমৰ জালে দেহা লালে কালে
মাৰিও নিনিয়ে যমে।

ইয়াৰ বিপৰীতে নতুন ৰূপত গাব পৰা হ'লো—

ট্ৰাংক গৰকিলে কলৰ কাপোৰে
দেহাত থাপিলহি লাভ, (Love)
সেই লাভৰ জালে দেহা লালে কালে
মাৰিও নিনিয়া যম।

যাহক অসমীয়া তাঁতশাল আৰু বিহুৱানখনৰ আদৰ সন্মান আজিও কমা নাই। চহৰ অঞ্চলত বাস কৰা পৰিয়ালবোৰে যিকোনো প্ৰকাৰে ভমকা ফুলীয়া বিহুৱান সংগ্ৰহ কৰি ৰাখি বিহুৰ বিহুৱান প্ৰতিযোগিতাত দি বাঃ বাঃ লৈছে। আধুনিক গাভৰু জীয়েকে চৌহদত তাঁত নোহোৱাকেয়ে বৈ থোৱা বিহুৱান চতুৰ মাতৃয়ে ভাবি-ভোৱাই পৰিয়ালক উপহাৰ দি থুপুৰী ছোৱালীৰ ডিঙিত আঁৰিয়েই আছে।

কোনে দিব বিহুবে বিহুৱান
সৰুতে মৰিলে আই,— বুলি

দুখ প্ৰকাশিছিল—

সিদিনা মাউৰা ল'ৰাই যদিও – বৰ্তমান "বিহুৱান দিবলৈ নাপালে"" বুলি গাভৰুই বজাৰৰ পৰা সংগ্ৰহ কৰি ট্ৰাংকত ভৰাই চেণ্ট দি থোৱা বিহুৱান দিবলৈ "বিহুতলিৰ সোনালী সুযোগ নিবিচাৰি' বা 'অহা বিহুলৈ অপেক্ষিত নহৈ' সময়ৰ কাৰ্য সময়ত কৰাৰ উদ্দেশ্যে জাপ জাপ চিঠিৰ লগতে চেনেহৰ বিহুৱান ডাক তলিত (ডাক ঘৰত) জমা দি আধুনিক বনগীত ৰচনাত বিশেষভাবে মনোনিবেশ কৰিছে।

শেষত এইটোকে কব পাৰি যে অসমীয়া গাভৰুৰ বুকুৰ মঙহ তাঁতশালখনকলৈ ৰচিত বনগীত, বিহু গীতেৰে আমাৰ গীতৰ, ভঁড়াল বৰ চহকী। সেইদৰেই ৰচিত হৈ আহিছে পুৰণি কালৰে পৰা 'থুপুৰী বোৱাৰী' কে ধৰি বিভিন্ন সাধু কথা। তাঁতশালখন সাহিত্যৰ সাৰুৱা পথাৰ। যিয়ে যি ভাবে বীজ সিচিছে সিয়ে থন ধৰি উঠিছে লহপহকৈ। তাঁতত বোৱা বিহুৱানখনে যেনেকৈ ডেকাক প্ৰেমানন্দ দিয়ে সেইদৰে তাঁতশালখনে দিয়ে অসমীয়া নাৰীক বাৰ্দ্ধক্যৰ শুকান পৰিবেশৰ বিপৰীতে যৌৱন উত্তাল লহৰ।

( বিভিন্ন বাতৰি কাকত আৰু কিতাপৰ সহায়ত প্ৰবন্ধটো যুগুত কৰা হৈছে )

এই পৃথিৱীত যি সকল মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল তাৰ ভিতৰত অন্যতম তিনিজন মহাপুৰুষ আছিল কৃষ্টিৰ আকৰ। এজন স্বয়ং শ্ৰীকৃষ্ণ। .........এজন আছিল ইটালীৰ লিওনাৰ্দো দ্যভিন্সি। ............ আৰু এজন আছিল আমাৰ এই অসমৰে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, যাক আজিও অসমে গুৰু বুলি পূজা কৰি থাকে। মহাপুৰুষ মাধৱদেৱৰ কালজয়ী গ্ৰন্থ 'নামঘোষা'ত তেখেতে গুৰুজনাৰ বিষয়ে বৰ্ণনা কৰিছে এনেদৰে—

"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাহি নাহি নাহি
আমাৰ পৰম গুৰু॥"

# শঙ্কৰদেৱৰ একশৰণ নামধৰ্ম আৰু সাম্প্ৰতিক কালত ইয়াৰ প্ৰসাৰ ঃ

হৰেন্দ্ৰ ৰাজবংশী
স্নাতক দ্বিতীয় বৰ্ষ

বৰ্ত্তমান আমাৰ দেশৰ সামাজিক, ৰাজনৈতিক, আধ্যাত্মিক আদি সকলো ক্ষেত্ৰতে মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শ ৰাজিৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰা হৈছে। সৰ্বগুণৰ আকৰ মহাপুৰুষ জনাৰ জীৱনৰ আদৰ্শ যে বহুমুখী আৰু সাৰ্বজনীন সেই কথা কোনোৱে অস্বীকাৰ নকৰে। কিন্তু লক্ষ্য কৰিব লগীয়া বিষয় এই যে শ্ৰীমন্ত শঙ্কৰদেৱৰ সকলো অৱদানৰেই মৌলিকত্ব নিহিত হৈ আছে তেখেতৰ আধ্যাত্মিক চিন্তাৰ অন্তৰালতহে। সেই কথা পাহৰি বা স্বীকাৰ নকৰি তেখেতৰ মূল উদ্দেশ্য ধৰ্ম প্ৰচাৰৰ লগত সঙ্গতি নৰখাকৈ আন অৱদানসমূহৰ বিচাৰ বিশ্লেষণ কৰি প্ৰসংশামুখৰ হৈ গ্ৰহণযোগ্য বুলি কোৱাতো গছ এজোপাৰ গুৰি গছডালক অস্বীকাৰ কৰি ডাল-পাত সমূহৰ বৰ্ণনা কৰাৰ দৰেহে হ'ব।

নানা দেৱ-দেৱী, নানা কৰ্ম-পদ্ধতি, নানা আচাৰ-নীতি, তন্ত্ৰ-মন্ত্ৰ, যাগ-যজ্ঞ আদিৰে ছিন্ন-বিছিন্ন সম-সাময়িক অসমীয়া সমাজখনত এক সূত্ৰেৰে বান্ধিলে শঙ্কৰদেৱে তেওঁৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ জৰিয়তে। শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ বৈষ্ণৱ-ধৰ্মই অসমৰ আধ্যাত্মিক ক্ষেত্ৰত সৰ্ব ভাৰতীয় জাতীয় চৈতন্যৰ লগত সাঙোৰাই নহয়, অসমীয়াৰ মাজত সাম্য আৰু ভাতৃত্বৰ বাণী প্ৰচাৰ কৰিছে আৰু মানুহে মানুহক কৰা ঘৃণা আৰু অস্পৃশ্যতা দূৰ কৰি মানৱ সেৱাৰ আদৰ্শ দাঙি ধৰিছে। বহু দেৱতাৰ মাজত এজন প্ৰধান দেৱতাৰ সন্ধান দান, নিষ্কাম বা নিস্পৃহ ভক্তিৰ প্ৰৱৰ্ত্তন, বিশুদ্ধ হৃদয় বা বিশুদ্ধ মনেই ঈশ্বৰ-উপাসনাৰ প্ৰধান সমল আৰু ঈশ্বৰ-চিন্তাত সকলোৰে সমান অধিকাৰ, এই কেইটাই গুৰুজনাৰ আধ্যাত্মিক ক্ষেত্ৰত বিশিষ্ট দান।

মহাপুৰুষ শঙ্কৰদেৱে আমাৰ জাতীয় জীৱনত যি আন্দোলন আনি দিলে সিয়েই আমাক বহুক্ষেত্ৰত শুদ্ধ পথ দেখুৱালে। আমাৰ জাতীয় জীৱনত শঙ্কৰদেৱ এক পৰম বিস্ময়। সেই সময়ৰ অনাচাৰ, ব্যভিচাৰৰ বিৰুদ্ধে থিয় হৈ এইটো পাপ, এইটো অন্যায়, এইটো নকৰিবা, এইখিনি উচ্চাৰণ কৰিয়েই তেওঁ সন্তুষ্ট থকা নাই। বৰং তেওঁ তেনেকুৱা নেতিবাচক বাক্যাংশ উচ্চাৰণ নকৰিছিলেই। অঙ্কীয়া ভাওনা, নাটক, অভিনয় আদিৰ দ্বাৰা তেওঁ মানুহৰ সৌন্দৰ্য্য তৃষ্ণা জগাই তুলি অন্তৰ বিকশিত কৰিবলৈ চেষ্টা কৰিছিল। অন্তৰ যেতিয়া বিকশিত হ'ব, নন্দিত হ'ব, তেতিয়া মানুহে সহজে বুজিব পাৰিব—কোনটো শুদ্ধ, কোনটো অশুদ্ধ, কোনটো ভাল, কোনটো বেয়া। সেই কাৰণেই গুৰুজনাই জোৰ দিছিল মানুহৰ সাংস্কৃতিক চেতনা জগাই তুলিবলৈ। এফালে যেনেকৈ সকলোৱে তেওঁৰ ধৰ্ম গ্ৰহণ কৰিব পাৰিছিল, অন্যফালে তেওঁ ধৰ্মক কোনো এটা বিশেষ অৰ্থত আবদ্ধ নাৰাখিছিল। এইখিনিতে অন্য সংস্কাৰক সকলতকৈ শঙ্কৰ-

দেৱৰ ভূমিকা ভিন আৰু এয়ে শঙ্কৰদেৱৰ বৈশিষ্ট্য। সেই বৈশিষ্ট্যই হ'ল আমাৰ জাতীয় সংস্কৃতিৰ মেৰুদণ্ড।

অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ গুৰি ধৰোঁতা, পথ-প্ৰদৰ্শক মহান গুৰু শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ নামধৰ্মৰ গুৰিতেই হ'ল—'নাম' (নামধৰ্ম), 'দেউ' (এজনহে বিষ্ণু) উপাস্য দেৱতা), 'গুৰু' (শৰণ দিওঁতা) আৰু 'ভকত' (সৎসংগ)। এই তত্ত্ব কেইটা ভক্তি-সাধনাৰ প্ৰধান অংগ আৰু বৈষ্ণৱ ধৰ্মৰ 'চাৰিবস্তু' বুলি খ্যাত। বৈষ্ণৱ ধৰ্মৰ মূলতত্ব নানা শাস্ত্ৰ বিশেষকৈ শ্ৰীমদ্ভাগৱত পুৰাণৰ পৰা গ্ৰহণ কৰা বাবে এই ধৰ্মটো ভাগৱতী ধৰ্ম বুলিও জনাজাত। ভাগৱত পুৰাণক প্ৰসংশা কৰি শঙ্কৰ দেৱে কৈছে :

"পুৰাণ সূৰ্য্য মহা ভাগৱত।
বেদান্তৰো ইটো পৰম তত্ব।।" (কীৰ্ত্তন)

মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম গ্ৰহণৰ পথ গৃহী আৰু এই ধৰ্মৰ বিশেষ কথা হ'ল বিশিষ্ট অদ্বৈতবাদ; যাৰ অৰ্থ হ'ল কৃষ্ণই একমাত্ৰ সত্য আৰু প্ৰকৃতি পুৰুষ দুয়োৰে নিয়ন্তা মাধৱ। সেয়ে কীৰ্ত্তনতো লিখিছে—

"যতেক ব্ৰত দান যজ্ঞ কৰ্ম্ম।
সিজন্ত হৰি নামে সৱ ধৰ্ম্ম।।"

যিহেতু কৃষ্ণস্তু ভগৱান স্বয়ং। গতিকে যাগ-যজ্ঞ, দান, ব্ৰত, পূজা সমস্তকে ত্যাগ কৰি একমাত্ৰ কৃষ্ণৰ চৰণত শৰণাপন্ন হৈ ভকতি কৰাৰ কথাহে শাস্ত্ৰ সমূহে কৈ আছে। যেনে—

"কলিত কেৱল হৰি নাম মহাধৰ্ম্ম।
এহিমানে সমস্ত শাস্ত্ৰৰ তত্ব মৰ্ম্ম।।
(ভক্তি ৰত্নাকৰ)

পুনৰ কৈছে—

"আচৰি ভকতি যিটো নাম গুণ গাৱে।
সি সি জনে সমস্ত ধৰ্ম্মৰ ফল পাৱে।।"
(ভাগৱত ১২ শ স্কন্ধ)

সত্য, শৌচ, ক্ষমা আৰু দয়াযুক্ত হৈ নামধৰ্ম্ম আচৰণ কৰি ভক্তি কৰিলে অনায়াসে জীৱই ভৱসাগৰ তৰিব পাৰে। কিন্তু তৰণৰ উপায় একমাত্ৰ শৰণহে। শৰণ গ্ৰহণ নকৰাকৈ নামধৰ্ম আচৰণ কৰি জীৱই গতি পাব নোৱাৰে। ভাগৱতত লিখিছে—

"ভকতৰ বীজ শৰণেসে নিজ
প্ৰেমানন্দ তাৰ ফল।
শৰণ বিনাই ভকতি কৰয়
আৰাঁ ঘটে যেন জল।।"

সেই কাৰণেই শ্ৰীমন্ত শঙ্কৰ গুৰুজনাই জগতত নামধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে জয় জয়তে শৰণৰ ব্যৱস্থা কৰিলে। শৰণৰ মূল বস্তু গুৰু, দেৱ, নাম আৰু ভকত। একশৰণৰ ক্ষেত্ৰত সৰ্ব ধৰ্ম ত্যাগ গীতাৰ প্ৰেৰণা। মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে তেৰাৰ কীৰ্ত্তন পুথিত লেখিছে—

"দূৰতে ধৰ্ম্মক পৰিহৰি।
সিটো চিন্তে হৃদিৰূপ ধৰি॥
নিতান্তে কীৰ্ত্তন মাত্ৰ কৰে।
বৈকুণ্ঠত থাকে সিটো নৰে॥"

পৰমেশ্বৰৰ কেৱল গুণ-কীৰ্ত্তনৰ বাহিৰে অনেক ধৰ্ম আচৰণ ভাৰত ভূমিত চলি আছে। নতুন নতুন দেৱী-দেৱতাৰ আবিৰ্ভাৱ হৈয়েই আছে। বিভিন্ন কাৰ্য্যত বিভিন্ন দেৱ-দেৱতাৰ পূজা এক শৰণীয়া ক্ষেত্ৰত সদায় এক, এক হৈয়েই থাকিব। ভগৱন্ত কৃষ্ণই, অৰ্জুনক আন সৰ্ব ধৰ্ম এৰিহে এক শৰণলৈ আহিবলৈ আহ্বান কৰিছে। লগতে সুদৃঢ় বিশ্বাসটোকহে লৈ আহিবলৈ কৈছে।

"শুদ্ধ ভাবে লৈলে যিটো কৃষ্ণৰ শৰণ।
ভকতিৰ প্ৰসাদে নিৰ্ম্মল হোৱে মন।।"

গতিকে হৰিত শৰণ লৈ, শুদ্ধভাৱে শ্ৰৱণ-কীৰ্ত্তন ধৰ্ম আচৰণ কৰিলেহে ৰূপ-ৰস-শব্দৰ আসক্তি আৰু দম্ভ, অহংকাৰ, ৰাগ-দ্বেষ আদি বিকাৰ গুচিব। এয়ে গীতাৰ অষ্টাদশ অধ্যায়ৰ এক-শৰণ-মাহাত্ম্য।

মহাপুৰুষ শঙ্কৰদেৱ আছিল সমাজ সংস্কাৰক, যুগ-নায়ক, জাতিৰ পিতা আৰু যুগধৰ্ম প্ৰবৰ্ত্তক। শ্ৰেষ্ঠতম শাস্ত্ৰ শ্ৰীমদ্ভাগৱত গীতাৰ পৰা তেখেতে একশৰণ প্ৰচাৰ কৰিলে। অৰ্থাৎ— অন্য যুগৰ ধৰ্মই অন্য যুগত কাম নকৰে। কলিযুগৰ ধৰ্ম একমাত্ৰ হৰিনাম শ্ৰৱণ কীৰ্ত্তন এক শৰণহে। তাৰ বাদে অন্যান্য সকলো বিফল। কৃষ্ণ ভিন্ন অন্য দেৱতাৰ পূজা সেৱা সকলো অসাৰ। যাগ-যজ্ঞ-পূজা-পাতল, তীৰ্থ স্নানাদি কলি যুগত সকলো নিষ্ফল। গুৰুজনাৰ সিদ্ধান্ত সমূহ বিজ্ঞান সম্মত। ইয়াত অন্ধ গোড়ামীৰ স্থান নাই। মূল নীতিক

অন্ধ গোড়ামী বুলি ভৱাটো বা কোৱাটো নিতান্তই অযুক্তিকৰ। তেনে কথা কোনোবাই অজ্ঞানত প্ৰকাশ কৰিলেও শুদ্ধ পথৰ পৰা জ্ঞানীসকল কদাপি বিচলিত নহয়। তেৰাৰ প্ৰচাৰিত একশৰণ মূলনীতি (Fundamental Principle) হ'ল—

"অন্য দেৱীদেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ ॥

(ভাগৱত ২য় স্কন্ধ)

শ্ৰীমন্ত শংকৰদেৱক প্ৰকৃততে ধৰ্মগুৰু বুলি ভাবিলেও তেওঁ যে পৰম ব্ৰহ্ম ভগৱন্তৰে এক অৱতাৰ, সি স্বতঃসিদ্ধ। শ্ৰীমদ্ভাগৱত গীতাত ঈশ্বৰ কৃষ্ণই নিজমুখে প্ৰকাশ কৰিছে—

"যদা যদা হি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্ ॥
পৰিত্ৰানায় সাধুনাং বিনাশায় চ দুষ্কৃতম্।
ধৰ্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে ॥"

(গীতা)

অৰ্থাৎ যেতিয়া ধৰ্মৰ গ্লানি আৰু অধৰ্মৰ অভ্যুত্থান হ'ব, তেতিয়া সাধুৰ পৰিত্ৰাণ, দুষ্টক দমন, সন্তক পালন আৰু ধৰ্ম সংস্থাপনৰ বাবে মই যুগে যুগে অৱতাৰ ধৰো।

কৃষ্ণ অৱতাৰকে ধৰি ভগৱন্তই বিভিন্ন অৱতাৰত মূখ্যতঃ দুষ্ট দস্ত, দানৱ, অসুৰ নিধন কৰি ভূমিভাৰ খণ্ডন কৰিলে। অৰ্থাৎ—দুষ্কৃতি বিনাশী সংস্কৃতি পুনৰ প্ৰতিষ্ঠা কৰিলে। শ্ৰীমন্ত শঙ্কৰদেৱ অৱতাৰত তাতোকৈ এখোপ আগুৱাই গৈ অন্য কেইটা যুগত ধৰ্ম কৰিবলৈ অধিকাৰ নোপোৱা সকলৰো অধিকাৰ সাব্যস্ত কৰি নামধৰ্ম বিলাই দিলে। প্ৰমাণ—

"আনবাৰ অৱতাৰ ধৰন্তে ঈশ্বৰ কৃষ্ণে
খণ্ডিবাক পৃথিৱী ভাৰ।
অন্ত্যজাতি পতিতৰ তাৰণ কাৰণ হেতু
ইবাৰ ভৈলাহা অৱতাৰ ॥"

(চৰিত পুথি)

মহাপুৰুষ শঙ্কৰদেৱে এক উদাৰ, সাৰ্বজনীন ধৰ্ম আৰু সাম্য-মৈত্ৰী আৰু ভাতৃত্বৰ আদৰ্শেৰে মহান মানৱ সমাজ গঢ়াৰ যি পৰিকল্পনা হাতত লৈছিল, সি কালৰ গতিত শিথিল হৈ পৰিল। অসমীয়া জাতিৰ বাবে ই অতি দুৰ্ভাগ্য তথা পৰিতাপৰ কথা। মহাপুৰুষজনাৰ তিৰোভাৱৰ পৰৱৰ্তী কালত যিসকলৰ ওপৰত মহাপুৰুষৰ আদৰ্শ প্ৰচাৰৰ দায়িত্ব পৰিছিল, তেওঁলোকৰ অৱহেলা আৰু নিষ্ক্ৰিয়তাৰ ফলত সেই আদৰ্শ উৱলি যাবলৈ আৰম্ভ কৰিলে। অজ্ঞতা আৰু অন্ধ সংস্কাৰে মানৱ মন পুনৰ আৱৰি ধৰিলে। যি গৰাকী মহাপুৰুষে চাৰিশ বছৰ পূৰ্বে অসমীয়া জাতিক ধৰ্ম, সমাজ, সংস্কৃতি, সাহিত্য সকলো দিশতে গঢ় দি এক সৰ্বাঙ্গসুন্দৰ পৰিপূৰ্ণ জাতি হিচাবে গঠন কৰি গৈছিল, তেওঁৰ ক্ষীণ স্মৃতি মাথোন সত্ৰ-নামঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থাকিল।

সেয়ে প্ৰয়োজন হ'ল এক নতুন আন্দোলনৰ, যাক আমি নব্য শঙ্কৰদেৱ আন্দোলন আখ্যা দিব পাৰো। সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই হ'ল এই আন্দোলনৰ গুৰি ধৰোঁতা। ১৯০৯ চনৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত ওলোৱা 'বাঁহী'ৰ পাততেই এই আন্দোলনৰ সূচনা হয় বুলিব পাৰি। 'বাঁহী'ৰ যোগেদি শ্ৰীমন্ত শঙ্কৰক পুনৰ সঞ্জীৱিত কৰি নামঘৰ আৰু সত্ৰৰ সীমাবদ্ধতাৰ পৰা বাহিৰলৈ উলিয়াই আনি, তেওঁক সৰ্বভাৰতীয় প্ৰতিষ্ঠা দিবলৈ চেষ্টা কৰে। তেতিয়াৰ অসমীয়া সকলৰ ভিতৰত বোধহয় লক্ষ্মীনাথ বেজবৰুৱাই পোন প্ৰথমে মহাপুৰুষজনাৰ জীৱন কৰ্ম বাজিৰ প্ৰকৃত স্বৰূপ অনুধাৱন কৰিব পাৰিছিল, সেয়ে তেওঁ আগুৱাই গৈছিল যুগ নায়ক মহাপুৰুষজনাৰ আদৰ্শ প্ৰকাশ কৰি মৃত্যুমুখী অসমীয়া সমাজখনক পুনৰ প্ৰতিষ্ঠা কৰাৰ দৃঢ় সংকল্পেৰে। 'বাঁহী'ৰ যোগেদিয়ে কেইবাজনো শঙ্কৰদেৱৰ সমালোচক পণ্ডিতৰ আবিৰ্ভাৱ ঘটে। শঙ্কৰী ধৰ্ম সাধনা, সাহিত্য-কলা-সংস্কৃতি সম্পৰ্কে এতিয়ালৈকে কেইবা শ সৰু বৰ গ্ৰন্থ সহস্ৰাধিক প্ৰবন্ধ আৰু ইতিমধ্যে বহুকেইখন গৱেষণা গ্ৰন্থও প্ৰকাশ হৈছে। সুখৰ বিষয় সাম্প্ৰতিক কালত অসমৰ বাহিৰৰ আনকি ভাৰতৰ বাহিৰৰো কেইবাজনো পণ্ডিতে শঙ্কৰদেৱৰ অৱদানৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে আৰু গ্ৰন্থ-প্ৰবন্ধ লিখিছে। এইবিলাক হৈছে ব্যক্তিগত প্ৰচেষ্টাৰ কৰ্ম আৰু ঘাইকৈ বিদ্যায়তনিক চৰ্চা-গৱেষণাৰ অন্তৰ্গত। কিন্তু আনুষ্ঠানিক ভাবে কাম

কৰা সংগঠন বোৰৰ ভিতৰত অসমৰ জাতীয় জীৱনত সৰ্বাধিক প্ৰভাৱ পেলোৱা অনুষ্ঠান হৈছে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ। মহাপুৰুষৰ আদৰ্শ ৰাজিৰ ক্ৰম অৱনতিৰ প্ৰতি লক্ষ্য কৰি তাৰ পুনৰুত্থান নামধৰ্ম প্ৰচাৰ প্ৰসাৰ, শঙ্কৰী কলা-সংস্কৃতিৰ উদ্ধাৰ ও সংৰক্ষণ আৰু লগতে এক মহান জাতি সত্তা গঠনৰ প্ৰতিশ্ৰুতিৰে কেইবাজনো চিন্তাশীল লোকে বৰ্তমান শতিকাৰ তৃতীয় দশক মানত এক সংঘবদ্ধ প্ৰচেষ্টা আৰম্ভ কৰে। তাৰেই ফলশ্ৰুতি হিচাবে এই শতিকাৰ চতুৰ্থ দশকৰ আদি ভাগত 'শঙ্কৰ সংঘ' নাম দি এটি ধৰ্ম-সাংস্কৃতিক অনুষ্ঠানৰ জন্ম দিলে। যাক আজি 'শ্ৰীমন্ত শঙ্কৰ সংঘ' নামেৰে এটি বৃহৎ জাতীয় অনুষ্ঠানলৈ ৰূপান্তৰিত কৰা হৈছে।

শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘই ধৰ্মীয় সংস্কাৰৰ কামত ঘাইকৈ মনোনিবেশ কৰাৰ উপৰিও শঙ্কৰী সাহিত্য-কলা-সংস্কৃতিৰ বিভিন্ন দিশলৈ ইয়াৰ কাৰ্য্যসূচী সম্প্ৰসাৰিত কৰি এক জাতীয় অনুষ্ঠানত পৰিণত হৈছে। এই উদ্দেশ্যে মূল সংঘৰ উপৰিও ইয়াৰ দুটা শাখা— (১) সাহিত্য শাখা আৰু (২) সংস্কৃতি শাখা গঠন কৰা হয়। তদুপৰি সংঘৰ গৱেষণামূলক কৰ্মৰ কাৰণে দুখন গৱেষণা পৰিষদ যেনে—(১) শঙ্কৰী সাহিত্য গৱেষণা পৰিষদ আৰু (২) শঙ্কৰী সংস্কৃতি গৱেষণা পৰিষদ গঠন কৰি গৱেষণা আৰু প্ৰচাৰৰ কাম চলাই গৈছে।

ইংৰাজ সকল অসমলৈ অহাৰ সময়ত কিছুমান চতুৰ বঙালী লোকে ইংৰাজ শাসকসকলক লগাই-ভগাই অসমীয়া এটা পৃথক ভাষা নহয় ই বঙালীৰ ৰূপান্তৰহে মাথোন বুলি কৈ অসমীয়া ভাষাক অসম প্ৰান্তৰ পৰা দেশান্তৰ কৰি তাৰ ঠাইত বঙালী ভাষা প্ৰৱৰ্ত্তন কৰাৰ দৰে অনন্ত কন্দলিৰ ৰামায়ণ ৰাজিক ভাষাত অতি প্ৰাচীনতম আখ্যা দি দুষ্ট বঙালী পণ্ডিতে অনন্ত কন্দলিক বঙালী পণ্ডিত বুলি কব বিচাৰিছিল। তদুপৰি মহাপুৰুষ শঙ্কৰ গুৰুজনাকো চৈতন্য দেৱৰ শিষ্য বুলিহে বিভিন্ন ধৰণৰ অপলাপ আৰু অপপ্ৰচাৰ কৰিছিল। অৱতাৰী পুৰুষ পৰম কৃপালু গুৰু শঙ্কৰ দেৱৰ জন্ম হয় ১৪৪৯ চনত আৰু চৈতন্য দেৱৰ জন্ম হয় ১৪৮৬ চনত। শঙ্কৰ দেৱতকৈ চৈতন্য ৩৭ বছৰ সৰু। তদুপৰি শঙ্কৰ দেৱৰ মহাপুৰুষীয়া ধৰ্মৰ অভিযান যেতিয়া বহুদূৰ অগ্ৰসৰ হয়, তেতিয়া চৈতন্য মাত্ৰ ১০/১২ বছৰীয়া ল'ৰা। গতিকে এইবোৰেই প্ৰমাণ কৰে মহাপুৰুষজনাৰ শ্ৰেষ্ঠত্ব আৰু বঙালী পণ্ডিত সকলৰ তলি উদং যুক্তিৰ।

ভকতেই প্ৰকৃতাৰ্থত ভগৱন্ত। ভকতৰ সেৱাই ভগৱন্তৰ সেৱা। যি ধৰ্মত বৰ্ণাশ্ৰমৰ প্ৰাধান্য শূণ্য সিয়েই মানৱ ধৰ্ম। অসমৰ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই গুৰুজনাৰ নামধৰ্ম প্ৰচাৰৰ লগতে সাহিত্য-সংস্কৃতি প্ৰচাৰ, প্ৰসাৰ, সংৰক্ষণ ও গৱেষণাৰ ওপৰত যি বৃহৎ পদক্ষেপ ও আঁচনি হাতত লৈছে সি সঁচাকৈয়ে প্ৰসংশনীয়, আৰু অসমীয়া জাতিৰ সৌভাগ্যৰ কথা। তেনেকৈ অসমৰ প্ৰতিটো অনুষ্ঠান আৰু প্ৰতিজন অসমীয়াই আগবাঢ়ি অহা উচিত। তেতিয়াহে শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুৰ মহিমাৰে বৃহৎ অসমীয়া সমাজ এখন পুনৰ ঠন ধৰি উঠিব।

গতিকে মহান গুৰুজনাই সৃষ্টি কৰি থৈ যোৱা শঙ্কৰী কলা-সংস্কৃতি, সাহিত্য, নামধৰ্ম, দৰ্শন, মানৱতাবোধ আদিৰ ওপৰত সমীক্ষাত্মক গৱেষণা আৰম্ভ কৰি আজিৰ অসমৰ নতুন পুৰুষে ইয়াক এক প্ৰত্যাহ্বান হিচাবে গ্ৰহণ কৰক।

## সহায়ক গ্ৰন্থ


১। নামধৰ্ম, ৫৩৮ শঙ্কৰাব্দ : অধিবেশন সংখ্যা।
২। নামধৰ্ম, ৫৪১ শঙ্কৰাব্দ : অধিবেশন সংখ্যা।
৩। মাধৱদেৱৰ ভক্তি সাহিত্য— ড° পূৰ্ণানন্দ শইকীয়া।
৪। ভাষা আৰু সাহিত্য— ডঃ উপেন্দ্ৰ নাথ গোস্বামী।
৫। ঘোষামৃত— শ্ৰীশ্ৰীতীৰ্থনাথ গোস্বামী।
৬। অসমীয়া সাহিত্যত দৃষ্টিপাত— ড° হেমন্ত কুমাৰ শৰ্মা।
৭। সাহিত্যৰ জেউতি— ডঃ পৰীক্ষিত হাজৰিকা।
৮। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত— ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা।
৯। অসমীয়া সাহিত্যৰ ৰূপৰেখা— ড° মহেশ্বৰ নেওগ।

# বিহঙ্গম দৃষ্টিত—

## △ আভিযান্ত্রিক বংশতত্ত্ববিজ্ঞান △

শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা
প্ৰৱক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

আভিযান্ত্রিক বংশতত্ত্ববিজ্ঞান বা জেনেটিক প্ৰযুক্তি-বিদ্যা (Genetic Engineering) আধুনিক জীৱবিজ্ঞানৰ এক উচ্চস্তৰৰ ফলপ্ৰসু অধ্যায়। সৃষ্টিৰ ৰহস্য উদ্‌ঘাটন আৰু ইয়াৰ নিয়ন্ত্ৰণৰ কলাকৌশল আয়ত্ব এই আভিযান্ত্রিক বংশতত্ত্ববিজ্ঞানৰ মূল লক্ষ্য। জীৱৰ চৰিত্ৰ প্ৰকাশকাৰী জিনৰ ৰহস্য মানুহৰ জ্ঞানৰ পৰিসীমাৰ মাজত সোমাই পৰাৰ পিছত বিজ্ঞানাগাৰত এই জিন কেনেকৈ তৈয়াৰ কৰিব পাৰি আৰু আমাৰ প্ৰায়োগিক দিশত ইচ্ছা অনুযায়ী জীৱ-দেহত কেনেকৈ ইয়াক সংস্থাপন কৰি কামত খটুৱাব পাৰি সেই চিন্তাৰ জন্মলগ্নৰ পৰাই আভিযান্ত্রিক বংশতত্ত্ববিজ্ঞানৰ সৃষ্টি বুলি কব পাৰি।

আভিযান্ত্রিক বংশতত্ত্ব বিজ্ঞানৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে ইয়াৰ লগত জড়িত থকা উপাদানৰ বিষয়ে সম্যক আভাষ লোৱাৰ আৱশ্যকতা আছে। উদ্ভিদ আৰু প্ৰাণীৰ দেহ অসংখ্য ক্ষুদ্ৰ কোষৰ দ্বাৰা গঠিত। এই কোষৰ প্ৰতিটোৰ ভিতৰত থকা কোষকেন্দ্ৰত সূতাৰ নিচিনা কিছুমান ক্ৰম'জম থাকে। এই ক্ৰম'জমত জীৱৰ চৰিত্ৰ প্ৰকাশ কাৰী জিনবোৰ মনিৰ নিচিনা লানি লানিকৈ সংলগ্নহৈ থাকে। এই জিনক ৰাসায়নিক ভাষাত Deoxyribonucleic acid চমুকৈ DNA বুলি কোৱা হয়। DNA ৰ নিৰ্দ্দিষ্ট গঠনত কোনো পৰিবৰ্ত্তন হ'লে বা ক্ৰম'জমত থিতাপিলৈ থকা DNA ৰ অৱস্থানৰ কোনো সালসলনি হ'লেই জীৱৰ চৰিত্ৰৰ পৰিবৰ্ত্তন হয়। সেয়ে ক্ৰম'জম, ডি,এন,এ আৰু তাৰ লগৰ আনুসঙ্গিক উপাদান সমূহক লৈয়ে আভিযান্ত্রিক বংশতত্ত্ববিজ্ঞানৰ কৰ্মক্ষেত্ৰ। চমুকৈ কবলৈ হ'লে জিনৰ চিনাক্তকৰণ, ইচ্ছা অনুযায়ী জিনৰ গঠনত পৰিবৰ্ত্তন, কৃত্ৰিম উপায়ে জিনৰ সংশ্লেষণ, বা কোনো অপ্ৰয়োজনীয় জিন জীৱকোষৰ পৰা দূৰীকৰণ ইত্যাদি বিষয়বোৰৰ গবেষণা আৰু ইয়াৰ প্ৰায়োগিক দিশকলৈয়ে হ'ল আভিযান্ত্রিক বংশতত্ত্ববিজ্ঞান।

Watson আৰু Crick নামৰ বিশ্ববেণ্য বিজ্ঞানী দুজনাই প্ৰমাণ কৰি দেখুৱাইছে যে DNA হ'ল এক জটিল গঠনৰ দুই অহীয়া পলিমাৰ। এই পলিমাৰৰ সাংগঠনিক একক হ'ল Nucleotide। প্ৰতিটো Nucleotide একোটাকৈ Purine আৰু Pyrimidine নামৰ ক্ষাৰক অণু, Deoxyribose নামৰ শৰ্কৰা আৰু একোটাকৈ ফছ-ফেট অণুৰ দ্বাৰা গঠিত। Purine অণু দুবিধ Adenine আৰু Guanine। আনহাতে Pyrimidine তিনিবিধ Thymine, Cytosine আৰু Uracil। ইয়াৰে Uracil DNA ত নাথাকে। Adenine সদায় Thymine ৰ লগত আৰু Guanine সদায় Cytosine ৰ লগত যুক্ত হয়। ক্ষাৰক অণু হাইড্ৰ'জেন অণুৰ দ্বাৰা সংযুক্তহৈ থাকে। ক্ষাৰক জোৰাসমূহৰ সংযুক্তিধাৰাৰ ওপৰতে নিৰ্ভৰ কৰে নিৰ্দ্দিষ্ট প্ৰটিন সংশ্লেষণৰ কথা যিটোৱে জীৱৰ একোটাকৈ বিশেষ চৰিত্ৰ প্ৰতিফলন কৰে।

DNA অণুৰ গঠন সম্পূৰ্ণভাৱে আয়ত্ব কৰাৰ পাছত ইয়াক কৃত্ৰিম ভাবে তৈয়াৰ কৰাৰ ক্ষেত্ৰত বিজ্ঞানীসকলে মনোনিবেশ কৰে আৰু কৃত্ৰিম ভাবে Nucleotide এটাৰ পাছত এটাকৈ সংশ্লেষিত কৰি এডাল DNA পলিমাৰ আঁহ তৈয়াৰ কৰাত প্ৰথম সফলতা লাভ কৰে আমেৰিকা নিবাসী ভাৰতীয় বিজ্ঞানী ডঃ হৰগোবিন্দ খোৰানাই। বৰ্ত্তমান এই বিষয়ত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে।

এইবৰে কৃত্ৰিমভাবে জিন তৈয়াৰ কৰাৰ ক্ষেত্ৰত সাফল্য লাভ কৰাৰ পাছত বিজ্ঞানীসকলে চিন্তা কৰিলে যে DNA পলিমাৰ আঁহক খণ্ড খণ্ডকৈ কাটি ইয়াৰ পৰা কটা অংশ দূৰ কৰা বা কোনো অংশ নতুনকৈ ইয়াত কেনেকৈ সংযোজন কৰিব পৰা যায়? দেখা গ'ল যে কটা আৰু সংযোজন — এই দুই প্ৰণালী সমাধা কৰিব লগা হ'লে আকৌ — দুইবিধ ৰাসায়নিক পদাৰ্থৰ আৱশ্যক। সেয়ে ইয়াৰ সন্ধানত গবেষণা কৰি J. E. Martz আৰু R. W. Davis নামৰ বিজ্ঞানী দুজনাই Restriction Enzyme নামৰ এবিধ Enzyme আৱিস্কাৰ কৰে। ইয়াৰ দ্বাৰা DNA Polymer কাটিব পাৰি। DNA আঁহ কটাৰ পিছত তাৰ কটা মূৰ এঠাযুক্ত হয়। এই কটা মূৰৰ লগত কোনো অংশ বা নতুন অংশ জোৰা লগাবৰ বাবে বিজ্ঞানীসকলে Ligase নামৰ Enzyme বিধ ব্যৱহাৰ কৰিছে।

চিনাক্তকৰণ প্ৰক্ৰিয়াৰ পিচত আৱশ্যকীয় DNA উলিয়াই লোৱাৰ বাবে প্ৰথমে নিৰ্দ্দিষ্ট কিছু কোষাংশ কাটি আনি পৰীক্ষানলত ভৰাই তাত বিশেষ ৰাসায়নিক দ্ৰব্যৰ প্ৰয়োগ কৰি Centrifuge মেচিনত ঘূৰালে DNA আঁহ পৰীক্ষানলৰ তলত অৱস্থান কৰিব। তেতিয়া সাৱধানেৰে DNA খিনি উলিয়াই প্ৰয়োজন অনুসৰি ছেদন কাৰ্য্য কৰিব পাৰি। নিৰ্ব্বাচিত DNA পলিমাৰৰ অংশ ছেদন কৰি কোনো এক গ্ৰাহক জীৱত সংস্থাপিত কৰিবলৈ হ'লে তাক বিশেষ প্ৰণালীৰে আনিব লাগিব। কেতিয়াবা ইয়াক পোন পটীয়াকৈ গ্ৰাহক জীৱত (সকলো জীৱত নহয়) সোমাব দিব পাৰি। সাধাৰণতে বেক্টিৰ'ফাজৰ মাধ্যমেৰে গ্ৰাহক কোষত নতুন জিন সংস্থাপন কৰাৰ কৌশল লোৱা হয়। তেতিয়া-হ'লে নিৰ্ব্বাচিত নতুন জিনটো আনিবলৈ প্ৰথমে এটা বাহক (Vector) লাগে। বাহক হিচাবে Plasmid ক লোৱা হয়। Plasmid হ'ল বেক্টেৰিয়া অণুজীৱৰ কোষত থকা ক্ষুদ্ৰ আঙুঠি আকৃতিৰ DNA আৰু ই হ'ল মূল জিনৰ ওপৰঞ্চি জিনৰ মূল। এনে Plasmid ৰ একাংশ DNA কাটি অলপ আঁতৰাই খালী ঠাই কিছু সৃষ্টি কৰি তাত আৱশ্যকীয় কোনো কাটি অনা DNA আঁহ জোৰা লগাই দিয়া হয়। ই উভয়ৰে পৰিপূৰক হ'ব লাগে। এনেদৰে নতুন সংযোজিত Plasmid সৃষ্টি কৰি অন্য নিৰ্ব্বাচিত বেক্টেৰিয়াৰ কোষত সোমাব দিয়া হয় আৰু তাত সংযোজিত জিনৰ সৈতে Plasmid ৰ কলম বৃদ্ধি (Cloning) হয়। নতুন DNA সংযুক্তিৰ এনে প্ৰথাক DNA Recombinant Technology বুলি কোৱা হয়। এই ক্ষেত্ৰত Standford বিশ্ববিদ্যালয়ৰ Stanley Cohen আৰু California বিশ্ববিদ্যালয়ৰ Herbert Boyer ৰ দান অপৰিসীম।

এই কাৰ্য্যত সফলতা লাভৰ বাবে এটা আধুনিক বিজ্ঞানাগাৰৰ আৱশ্যক। তাৰোপৰি সুদক্ষ বংশতত্ত্ববিজ্ঞানীৰ দল এটাওঁ লাগিব। ইয়াত যিমান সংক্ষিপ্ত আৰু সহজকৈ এই কথা কোৱাৰ চেষ্টা কৰা হৈছে আচলতে ই সিমান সহজ নহয়। সেয়ে এই কামত সফল হ'বলৈ হ'লে প্ৰকৃত সাধনাৰ আৱশ্যক।

আভিযান্ত্ৰিক বংশতত্ত্ব বিজ্ঞানৰ কল্যাণমূলক দিশবোৰৰ ভিতৰত সেউজ বিপ্লৱ, নানাবিধ বংশগত ৰোগ নিৰাময়, জন্মৰ আগতে শাৰীৰিক ত্ৰুটী বিচ্যুতি দূৰীকৰণ, কৃত্ৰিম প্ৰজনন, কলাবৰ্দ্ধন, পৰীক্ষা নলত শিশুৰ সৃষ্টি, পৰিবেশ উন্নয়ন আদি বহু দিশৰ কথা কব পাৰি।

সেউজ বিপ্লৱৰ ক্ষেত্ৰত নতুন শস্যৰ সৃষ্টি কৰি এই বিজ্ঞানে আলোড়ন আনিছে। 'Sunbean' নামৰ নতুনকৈ সৃষ্টি কৰা কৰা উদ্ভিদ জোপা এই বিজ্ঞানৰ অৱদান। 'German Foundation for International Development' (১৯৮১) ৰ এটা সমীক্ষাত কোৱা হৈছে যে দুজোপা উদ্ভিদৰ পৰা 'Sunbean' তৈয়াৰ কৰা হৈছে। ইয়াৰে এজোপা হ'ল 'Sunflower' (Asteracene) আৰু আন জোপা হ'ল Bean (Leguminosare)। দুয়োজোপা গছ ভিন্ন গোত্ৰৰ হোৱা বাবে প্ৰচলিত প্ৰথা অনুযায়ী সংকৰণ

কৰিব নোৱাৰি। কিন্তু জিন প্ৰযুক্তিবিদ্যাৰ সহায়ত দুয়ো-জোপা উদ্ভিদৰ জিনৰ সাংগঠনিক ধৰণ অধ্যয়ন কৰি আৰু তদানুসাৰে সংযোজন কৰি 'Sunbean' নামৰ নতুন উদ্ভিদ জোপা সৃষ্টি কৰা হৈছে।

জেনেটিক প্ৰযুক্তি বিজ্ঞানৰ সহায়ত ইতিমধ্যে উদ্ভিদৰ কিছু nif gene (Nitrogen fixing gene) চিনাক্ত কৰা হৈছে। এই জিনৰ উপস্থিতিত মাহজাতীয় উদ্ভিদে, বায়ুৰ পৰা নাইট্ৰ'জেন শোষণ কৰি উদ্ভিদজোপাক সাৰৰ যোগান ধৰে। কিন্তু 'nif gene'ৰ অভাৱত উদ্ভিদে বায়ুৰ পৰা নাইট্ৰ'জেন শোষণ কৰিব নোৱাৰে। সেয়ে জিন প্ৰযুক্তি বিদ্যাৰ সহায়ত নাইট্ৰ'জেন সংস্থাপন কৰিব নোৱাৰা কিছু উদ্ভিদত 'nif gene'ৰ সংযোজন কৰি সাৰ প্ৰয়োগৰ আৱশ্যকতা নোহোৱা কৰা হৈছে।

অনাবৃষ্টিৰ বাবে আমাৰ পথাৰত ধান আদি খেতি নোহোৱা সমস্যাই আমাক প্ৰায়ে চিন্তিত কৰে। কিন্তু শুকান, শিলাময় আদি ঠাইত লাইকেন, মছ আদি উদ্ভিদ সুন্দৰভাৱে হৈ আছে। এই লাইকেন, মছ আদি উদ্ভিদৰ দেহকোষত নিশ্চয় এনে বিশেষ জিন আছে যাৰ প্ৰভাৱত শুকান ঠাইটো স্বতঃস্ফুৰ্ত্তভাৱে এই উদ্ভিদবোৰ হব ধৰিছে। এই বিশেষ জিন যদি চিনাক্ত কৰি বৈজ্ঞানিক পদ্ধতিৰে আতৰাই আনি বা অনুৰূপ জিনৰ আহিত সংশ্লেষিত কৰি কৃত্ৰিম উপায়ে ধান, ঘেহু আদি অত্যাৱশ্যকীয় উদ্ভিদত সংস্থাপন কৰিব পৰা যায়, তেনেহলে শুকান ঠাইতো ধান আদি নোহোৱাকৈ নাথাকে। এইদৰে নানাবিধ বেমাৰ প্ৰতিৰোধী উদ্ভিদ বা অধিক উৎপাদনক্ষম উদ্ভিদৰ সৃষ্টিত বংশতত্ত্ব বিজ্ঞানে এক অগ্ৰণী ভূমিকা লৈছে।

মানুহৰ বংশগত ৰোগ নিৰাময়ৰ ক্ষেত্ৰত এই বিজ্ঞানে যথেষ্ট সহায় কৰে। হিম'ফিলিয়া, বৰ্ণান্ধতা, কেশস্খলন, মধুমেহ আদি বেমাৰৰ প্ৰতিকাৰৰ ক্ষেত্ৰত ইয়াৰ দান অপ-ৰিসীম। উদাহৰণ স্বৰূপে 'হিম'ফিলিয়া' ৰোগৰ কথা কথা কব পাৰি। এই ৰোগত আক্ৰান্ত হোৱা মানুহৰ শৰীৰৰ কোনো অংশ কাটিলে তেজ বন্ধ নহয়, কাৰণ তেজ গোট মৰাৰ বাবে যিবিধ উপকৰণৰ আৱশ্যক তাৰ অভাৱ এই তেজত থাকে। গবেষণা কৰি বৈজ্ঞানিকসকলে উলিয়াইছে যে তেজ গোট মৰা গুণাংক বিধ হ'ল জিন প্ৰদত্ত। হিম'ফিলিয়া 'এ' ৰোগীৰ তেজত গুনাংক ৮ আৰু হিম'-ফিলিয়া 'বি' ৰোগীৰ তেজত গুণাংক-৯ নামৰ জিনৰ উপাংশ নাথাকে। ফলত কম আঘাততে তেজ ওলায় আৰু সহজে বন্ধ নহয়। জেনেটিক প্ৰযুক্তিবিজ্ঞানৰ সহায়ত বৰ্ত্তমান এই ৰোগৰ চিকিৎসা কৰি সমাধানৰ নতুন আশাৰ সঞ্চাৰ পোৱা গৈছে। ইতিমধ্যে ১৯৮৪ চনত ইংলণ্ডৰ দুটা বিজ্ঞান কোম্পানীয়ে গুণাংক ৮ৰ সংকেত দিয়া জিনৰ চিনাক্ত কৰি তাৰ ক্লনিং অৰ্থাৎ কলম দিয়া কামত সফলতা লাভ কৰিছে আৰু জন্মৰ আগতে কোনো ভ্ৰূণৰ গাত এই গুণাং-কৰ অভাৱ পৰীক্ষা কৰি পালে তাক বাহিৰৰ পৰা সংস্থাপন কৰাৰ ব্যৱস্থা কৰিছে। ফলত এই ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এক নতুন দিশ উন্মোচন হৈছে।

প্ৰত্যেক জীৱৰ দেহত সদায় এক নিৰ্দ্দিষ্ট সংখ্যাৰ আৰু নিৰ্দ্দিষ্ট আকাৰৰ ক্ৰম'জম থাকে। ক্ৰম'জমৰ সং-খ্যাত বা গঠনত কোনো পৰিবৰ্ত্তন হ'লে জীৱদেহত চৰিত্ৰৰ পৰিবৰ্ত্তন, নানা বিজুতিয়ে দেখা দিয়ে। নানাবিধ জন্মগত বেমাৰ বা পঙ্গু শৰীৰৰ সৃষ্টি ক্ৰম'জমৰ এনে তাৰতম্যৰ বাবে হ'ব পাৰে। ভ্ৰূনৰ আদি অৱস্থাত ক্ৰম'জম অধ্যয়ন সহজে কৰিব পৰা যায়। সেয়ে এনে অধ্যয়নত কোনো ভ্ৰূণত যদি ক্ৰম'জমৰ বিসঙ্গতি ধৰা পৰে তেনেহ'লে গৰ্ভ-পাতৰ সহায়ত দূৰ্ভগীয়া শিশুৰ জন্মত বাধা দিব পাৰি। জিন প্ৰযুক্তিবিদ্যাই ক্ৰম'জমত থিতাপি লৈ থকা কোনো অলাগতিয়াল জিন দূৰীকৰণ প্ৰক্ৰিয়াত বিশেষ ভাৱে সহায় কৰে।

কলাকৰ্ষণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত এই বিজ্ঞানে এক নতুন দিশ উন্মোচন কৰিছে। কায়িক কোষৰ (Somatic Cell) পৰা পৰীক্ষানলত অনুৰূপ উদ্ভিদৰ সৃষ্টি কৰা কথা বৰ্ত্তমান নতুন নহয়। প্ৰাণীৰ ক্ষেত্ৰতো বিজ্ঞানীসকলে এই বিষয়ত হাত দিয়া বতৰা পোৱা গৈছে। পৰীক্ষানল শিশুৰ সৃষ্টিয়ে এক ডাঙৰ অভাৱ দূৰ কৰিছে।

বৰ্ত্তমান সময়ত বিৰাজ কৰা এটা প্ৰধান সমস্যা হৈছে— প্ৰদূষণৰ সমস্যা। ঔদ্যোগিক বিকাশে প্ৰদূষণো আনিছে। কিন্তু বিনাশমুক্ত প্ৰগতিৰ অৰ্থত জীৱ-প্ৰযুক্তি-

বিজ্ঞানীসকলে মনোনিবেশ কৰিছে। এনে এজন সফল বিজ্ঞানী হ'ল আমেৰিকাৰ ইলিনইছ বিশ্ববিদ্যালয়ৰ ড° আনন্দ এম চক্ৰৱৰ্ত্তী। এখেতৰ জন্মস্থান হ'ল ভাৰতবৰ্ষ। এই বিজ্ঞানীজনাই Pseudomonous প্ৰজাতিৰ চাৰিবিধ বেক্টেৰিয়াৰ দেহৰ পৰা Plasmid সংগ্ৰহ কৰি তাৰ সংযোগ ঘটাই 'Superbug' (Pseudomonos Cepacia) নামৰ এবিধ কৃত্ৰিম বেক্টেৰিয়া নতুনকৈ তৈয়াৰ কৰিছে। এই বিধ অনুজীৱই তৈলপ্ৰদূষণ নিয়ন্ত্ৰণ কৰাত সহায় কৰে কাৰণ তেলত থকা হাইড্ৰ'কাৰ্বন এই অণুজীৱৰ খাদ্য।

বিজ্ঞানীসকলে বহুকেইবিধ প্ৰাকৃতিক অণুজীৱৰ আণুবংশিক পদাৰ্থৰ অদল-বদল কৰি উন্নত গুণবিশিষ্ট নতুন অনুজীৱ তৈয়াৰ কৰিছে যাৰ সহায়ত বিভিন্ন উদ্যোগৰ পৰা সৃষ্টি হোৱা দূষিত পদাৰ্থৰ নিৰ্মূল কৰা সম্ভৱ হৈছে।

সকলো কামৰে ভাল আৰু বেয়া দুয়োবিধ ফল থকাৰ দৰে এই বিজ্ঞানৰো কাৰ্য্যকাৰিতাত নিশ্চয় তদানুৰূপ ফলেই পোৱা যাব। বিশ্বত এদিন শান্তিৰ বাবে আনৱিক শক্তিৰ প্ৰয়োগৰ সপোন দেখা গৈছিল যদিও বৰ্ত্তমান ই এক ভয়াবহতাৰ কাৰণ হৈছে। ঠিক সেইদৰে আভিযান্ত্ৰিক বংশতত্ত্ববিজ্ঞানৰ অপপ্ৰয়োগ হ'লে ই কিছুমান ধ্বংসকাৰী ভয়ানক জীৱৰ সৃষ্টি কৰিব পাৰে। সেয়ে ইয়াৰ প্ৰায়োগিক দিশত যথেষ্ট সাৱধানতা আৰু চিন্তা চৰ্চাৰ আৱশ্যক আছে।

এই বিজ্ঞানৰ গৱেষণা আৰু অগ্ৰগতি ভাৰতবৰ্ষতকৈ পশ্চিমীয়া দেশত অবিধ। অতি তাকৰ গৱেষণা কেন্দ্ৰৰ বাহিৰে আমাৰ দেশত ই এতিয়াওঁ পুথিগত অধ্যয়নৰ মাজতেই আৱদ্ধ হৈ আছে। অৱশ্যে ইয়াৰ কাৰণ অত্যাধুনিক আহিলাৰে পূৰ্ণ বিজ্ঞানাগাৰৰ অভাৱ। ●

## ছাঁনৈ লিখা প্ৰবন্ধ

## মহৎ লোকৰ বাণী

"কথা কম কৰা, কাম বেছিকৈ কৰিবা, আনক উপদেশ কমাই দিবা, সৎলোকৰ উপদেশ শুনিবা, তোমাৰ মঙ্গল হ'ব।"

—চক্ৰেটিছ

"পৃথিৱীলৈ মানুহ নিজৰ স্বাৰ্থৰ কাৰণে পঠোৱা নাই। পৃথিৱীলৈ মানুহ আহিছে মানৱতাৰ বাবে মঙ্গল অৰ্জন কৰিবলৈ, আৰু ব্যক্তিৰ ভিতৰত থকা বৰ্ব্বৰতা খিনি নিৰ্মূল কৰিবলৈ।"

—মহাত্মা

# দৰঙী সাঁচিপতীয়া পুথি— 'শিয়ালা গোঁসাইৰ বংশাৱলী'

(গৱেষণামূলক প্ৰবন্ধ)

কনক চন্দ্ৰ চহৰীয়া
প্ৰাক্তন ছাত্ৰ,
অধ্যাপক— গুৱাহাটী কমাৰ্চ কলেজ

দৰঙী লোক সাহিত্যৰ এক জনপ্ৰিয় জনশ্ৰুতি হ'ল:— 'শিয়ালা গোঁসাইৰ কথা'। শিয়ালা গোঁসাই বা শিয়ালা পণ্ডিতৰ সাধুটো নজনা মানুহ দৰঙত নাই বুলিয়েই ক'ব পাৰি। দৰঙৰ কথা বাদ দিও এই কথা ক'ব পাৰি যে, এসময়ত অসমৰ আন আন ঠাইতো এই সাধুটোৰ প্ৰচলন আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰ-দেৱৰ সু-শিষ্য মাধৱদেৱ পুৰুষেও তেওঁৰ শিষ্য বৰ বিষ্ণু আতাক এদিন এই সাধুটো কোৱা বুলি গুৰু চৰিত কথাত উল্লেখ আছে[1]। চৰিত পুথিত থকা এই প্ৰমাণটোৰ পৰাই আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে, শিয়ালা গোঁসাইৰ সাধুটো গুৰু দুজনাৰ পূৰ্বৰ পৰাই প্ৰচলিত হৈ আছিল। শিয়ালা গোঁসাইক কেন্দ্ৰ কৰি পূৰ্বৰে পৰা প্ৰচলন হৈ অহা এই সাধুটোক দৰঙী ৰজা মৌদ্ৰ (মোদ) নাৰায়ণৰ সময়ত কবিৰাজ নামে পৰিচিত লোক এজনে কবিতা কৰি গাই ফুৰিছিল।[2] কবিৰাজে গাই ফুৰা উক্ত কবিতাটোকে ইতিমধ্যে সাঁচিপতীয়া পুথি আকাৰত পোৱা গৈছে। দৰঙৰ দেওমৰনৈ আৰু দুনী অঞ্চলৰ পৰা উদ্ধাৰ হোৱা তিনিখন সাঁচিপতীয়া পুথিৰ সহায়তে ভালেমান গুৰুত্বপূৰ্ণ কথাৰ সম্ভেদ পাবলৈ আমি সক্ষম হওঁ; এই প্ৰৱন্ধত উক্ত কথা সমূহৰে এক চমু আলচ আগবঢ়াব বিচাৰিছোঁ।

আৰম্ভনিতে উল্লেখ কৰা ভাল হ'ব, আমি বিশ্ব-বিদ্যালয়ৰ মজিয়াত পাঠ সমীক্ষাৰ (Textud Criticism) নিয়ম অনুসৰি আলোচনা কৰাৰ আগলৈকে শিয়ালা গোঁসাইৰ কাহিনী সম্বলিত এই পুথিখনৰ নাম 'শিয়ালা বৈষ্ণৱ চৰিত' বা 'শিয়ালা বৈষ্ণৱৰ চৰিত্ৰ' হিচাপেহে প্ৰচলিত আছিল। কিন্তু আমাৰ এবছৰীয়া অধ্যয়ন কৰ্মৰ অন্তত ধৰা পৰিল যে পুথিখন অকল শিয়ালা গোঁসাইৰে চৰিত কথন নহয়, ই শিয়ালা বৈষ্ণৱকে ধৰি তেওঁৰ পিতৃ পুৰুষৰ লগতে আঠ গৰাকী উত্তৰাধিকাৰীৰ এখন বংশাৱলীহে। পুথিখনৰ পদতো ইয়াৰ সাক্ষ্য এনেদৰে আছে: "ইটো বংশাৱলী কথা বৈষ্ণৱ বিপ্ৰৰ"। আমাৰ অধ্যয়ন কৰ্মত নিয়োজিত সাঁচিপতীয়া পুথি কেইখনৰো প্ৰথমটো ফলকতে ওপৰৰ ফালে লিখা আছে এনেদৰে: "সিয়ালা গোঁসাইৰ বংসাৱলি পুস্তক।" গতিকে এই পুথিখনক 'শিয়ালা গোঁসাইৰ বংশাৱলী' বুলি ক'লেহে নিশ্চয় উপযুক্ত ভাৱে নামকৰণ কৰা হ'ব; এয়া অৱশ্যে আমাৰ বিজ্ঞান সন্মত অধ্যয়ন আৰু আলোচনাৰ পৰা কৰা নিজস্ব সিদ্ধান্তহে।

পুথিখনৰ নামটোৰ নিচিনাকৈ কবি গৰাকীৰ নামটোৰ সংক্ৰান্তটো যথেষ্ট বিতৰ্ক দেখা যায়। কবি গৰাকীক পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীদেৱে 'সুচন্দাই', ডঃ মহেশ্বৰ নেওগদেৱে 'কবিৰাজ সূৰ্য্য বিপ্ৰ', বুৰঞ্জীবিদ দীনেশ্বৰ শৰ্মাদেৱে 'কবিৰাজ মিশ্ৰ', উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱে 'শিষ্ট ভট্টাচাৰ্য্য', ডিম্বেশ্বৰ নেওগদেৱে 'কবিৰাজ বিপ্ৰ', ড' সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে 'কবিৰাজ কবি' আৰু হেমচন্দ্ৰ গোস্বামীয়ে 'কবিৰাজ' আদি ভিন ভিন নামেৰে উল্লেখ কৰিছে। কিন্তু আমাৰ অধ্যয়ন কৰ্মৰ অন্তত এই কথা ধৰা পৰিল যে, পণ্ডিত হেমচন্দ্ৰ

১. গুৰু চৰিত কথা; পৃঃ ২৩২
২. "কৰিলো কবিতা আমি কিছু কথা পায়।"

গোস্বামীৰ বাহিৰে বাকীসকল পণ্ডিতে উল্লেখ কৰা নামবোৰৰ এটাও পুথিখনত উল্লেখ নাই। ড° নেওগে উল্লেখ কৰা 'কবিৰাজ'ৰ 'সূৰ্য্যবিপ্ৰ' উপাধিটোও কবিৰ জাতিৰহে পৰিচয় সূচক। এই সম্পৰ্কত কবিয়ে কাব্যখনত নিজেই এনেদৰে উল্লেখ কৰিছে:

সূৰ্য্য বিপ্ৰকুলে জন্ম আমি অধমৰ।
দৰঙ্গৰ মধ্যে গ্ৰাম চপৰাত ঘৰ॥

পণ্ডিত উপেন্দ্ৰ চন্দ্ৰ লেখাৰু দেৱে কবিক শিষ্ট ভট্টাচাৰ্য বুলি কোৱা কথাষাৰো এইখিনিতে তাৎপৰ্য্যপূৰ্ণ। 'শিশুপাল বধ কাব্যৰ ৰচক শিষ্ট ভট্টাচাৰ্যৰ সম্পৰ্কত "Assamese version of the Mahabharata" নামৰ প্ৰবন্ধত আলোচনা কৰোঁতে লেখাৰুদেৱে এনেদৰে উল্লেখ কৰিছে: Poet sista Bhattacharjya rendered the sisupala vardha of Sabhaparva in a very homely style. In Siyalgosai, another work of the poet, he says that he belonged to the Suryyavipra (সূৰ্য্যবিপ্ৰ) class and had his residence at Chopra in Darrang District.[৩] লেখাৰু দেৱে কোৱাৰ দৰে শিষ্ট ভট্টাচাৰ্য্যকে 'শিয়ালা গোঁসাইৰ বংশাৱলী' লিখা 'কবিৰাজ' বুলি সিদ্ধান্ত কৰা টান। কিয়নো 'শিষ্ট ভট্টাচাৰ্য্য' নামটো শিয়ালা গোঁসাইৰ বংশাৱলীৰ ক'তোৱেই উল্লেখ নাই। দুয়ো গৰাকী কবিৰ ভাব ভাষা আৰু জন্মস্থান একে হোৱা বাবেই বোধকৰো লেখাৰুদেৱে দুয়োজন কবিকে এজন কবি কবি পেলাইছে যেন আমাৰ অনুমান হয়। অৱশ্যে শিষ্ট ভট্টাচাৰ্য্যৰ 'শিশুপাল বধ' কাব্যখন আমি এতিয়ালৈ পোৱা নাই। দৰঙৰ এই কাব্যখন উদ্ধাৰ হ'লে এই সংক্ৰান্তত নিশ্চয় বিতংভাৱে জনা যাব।

পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীদেৱে উল্লেখ কৰা "সুচন্দাই নামটোও এইখিনিতে বিচাৰ কৰিবলগীয়া। কৈ থোৱা ভাল হব, কবিৰ নাম সুচন্দাই বুলিও কাব্যখনৰ কতো উল্লেখ নাই। বোধকৰো কাব্যখনত থকা "নামে কবিৰাজ কবি সুচন্দ সদাই" শাৰীটোৰ ওপৰত নিৰ্ভৰ কৰিয়ে শাস্ত্ৰীদেৱে কবিৰ নাম 'সুচন্দাই' কবিৰ বিচাৰিছে[৪]। এই সুচন্দাই শব্দটো কাব্যৰ বিশেষণ স্বৰূপ যেনহে লাগে। অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰ ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে উল্লেখ কৰা কবিৰাজ কবি নামটোৰ 'কবিৰাজ' অংশটোহে গ্ৰহণযোগ্য। পিছৰ 'কবি' শব্দটোৱে ব্যক্তিজনক নুবুজায় কবিকৰ্ম বা কবিতাকহে বুজাইছে যেন অনুমান হয়[৫]। আমাৰ ধাৰণা ড° শৰ্মাদেৱেও এই নামটো 'নামে কবিৰাজ কবি সুচন্দ সদাই শাৰীটোৰ পৰাই লৈছে। ওপৰত উল্লেখ কৰাৰ দৰে উক্ত শাৰীটোৰ 'কবি' শব্দটোয়ে 'কবিতাক' বুজালে বাক্যটোৰ অৰ্থ হয় এনেকুৱা: কবিৰাজৰ কবিতা সদায় সুছন্দ (সুচন্দ) যুক্ত।

গতিকে এনেধৰণৰ আলোচনাৰে আমি কবিৰ নাম হেমচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰাৰ দৰে কবিৰাজ বুলিয়ে বিবেচনা কৰিব পাৰো যদিও বুৰঞ্জীবিদ দীনেশ্বৰ শৰ্মাদেৱে উল্লেখ কৰা কবিৰাজ মিশ্ৰ উপাধিটোৰ বিষয়ে চিন্তা কৰিব লগীয়া। কিয়নো বুৰঞ্জীবিদ শৰ্মাদেৱে তেওঁৰ 'মঙলদৈ বুৰঞ্জীৰ'ৰ ১০৩ পৃষ্ঠাত স্পষ্ট ভাৱে উল্লেখ কৰিছে যে, 'কবিৰাজ মিশ্ৰ' উপাধিটো কবিজনাক দৰঙী ৰজাইহে প্ৰদান কৰিছিল। সেয়ে এইফালৰ পৰাও সিদ্ধান্ত কৰিব পাৰি যে কবিৰাজ মিশ্ৰ নামটোও কবিৰ প্ৰকৃত নহয়, ওপকৰা উপাধিহে। যা হওঁক, শৰ্মাদেৱে সততাৰে উল্লেখ কৰা এই 'মিশ্ৰ' উপাধি আৰু আনফালে শাস্ত্ৰীদেৱে কবিৰ কাব্য গুণৰ ফালে

---

৩. দৰঙ্গ স্মৃতি; পৃ: ৬৫
৪. সুচন্দাই <(সুছন্দাই)<সুচন্দ সদাই
৫. 'কবি' শব্দটোয়ে যে কবিতাকো বুজাইছিল তাৰে উদাহৰণ:
ক) 'কবি' কৰি ফুৰো মই 'কবি' সুচন্দাই।
খ) তজু মহন্তৰ ভক্তি থৈলো 'কবি' কবি।
গ) মহা মহা কবি সবে কবি কৃত্য কৈলা।

চাই চিন্তা কৰা 'সুচন্দাই' এই দুয়োটা নামকে জুকিয়াই আমি ক'ব বিচাৰিছোঁ। কবিৰাজ 'সুচন্দাই কবিৰাজ মিশ্ৰ' নামেৰেই পৰিচিত হওঁক; যি দৰে এদিন দৰঙী মনসা কবি নাৰায়ণ দেৱো 'সুকবি' নাৰায়ণ দেৱ নামে পৰিচিত হৈছিল।

আগতেই উল্লেখ কৰি অহা হৈছে যে, এই কবিৰাজৰ ঘৰ আছিল দৰঙৰ চপৰা গাওঁত। বুৰঞ্জীবিদ দীনেশ্বৰ শৰ্মা দেৱে এই গাওঁকে কবি কৰা বড়ি[৬] (কবিতা কৰা ঠাই) বুলি উল্লেখ কৰিছে। চাউল মাগি ফুৰোতে শিয়ালা গোসাঁইৰ সাধুটো কবিতা কৰি গাই ফুৰা চপৰাৰ এই গৰাকী কবিৰ সময় নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰটো নানা জনৰ নানা মত। অৱশ্যে ড° সত্যেন্দ্ৰ নাথ শৰ্মা আৰু পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীদেৱে সঠিক ভাৱেই ক'ব বিচাৰিছে যে, কবিৰ সময় খৃঃ ১৮ শ শতাব্দীৰ মাজ ভাগ। এই ক্ষেত্ৰত একেবাৰে স্পষ্ট কথাষাৰ কৈছে পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে। তেখেতে 'উষা'ত লিখা 'শিয়াল গোসাঁইৰ পুথি' নামৰ প্ৰবন্ধত এনেদৰে উল্লেখ কৰিছে • "গ্ৰন্থকাৰৰ নাম কবিৰাজ আছিল। আৰু তেওঁ জাতিত দৈৱজ্ঞ আছিল। তেওঁৰ ঘৰ চপৰা মৌজাত আছিল আৰু তেওঁ দৰঙ্গৰ ৰজা মদ্ৰ নাৰায়ণৰ দিনত এই পুথি ৰচিছিল।" পণ্ডিত গোস্বামীদেৱে কোৱা এই কথাখিনিৰ আঁৰত আছে কবিয়ে কাব্যখনত নিজেই কোৱা এই কথাখিনি:

"মৌদ্ৰ যে নাৰান ৰাজা দৰঙ্গৰ পতি।
তান ৰাজ্যে ভিক্ষা মাগি কবিত সম্প্ৰতি॥"

গতিকে কবিৰ নিজা পদসাক্ষ্যৰ সহায়তে আমি সিদ্ধান্তত উপনীত হ'ব পাৰো যে, কবিৰাজৰ সময় দৰঙ্গী ৰজা মৌদ্ৰ বা মোদ নাৰায়ণৰ সমকালীন। বিচাৰ কৰি দেখা গৈছে মৌদ্ৰ নাৰায়ণৰ সময় আছিল খৃঃ ১৭২৮-১৭৭৮ (দৰঙ্গস্মৃতি; পৃঃ ১০৫); অৰ্থাৎ অষ্টাদশ শতিকাৰ মাজভাগেই কবিৰাজৰ সময় বুলি সিদ্ধান্ত কৰিব পাৰি। এই ক্ষেত্ৰত অৱশ্যে বুৰঞ্জীবিদ দীনেশ্বৰ শৰ্মাদেৱে কবিৰ সময় দৰঙী ৰজা প্ৰেম নাৰায়ণৰ সমসাময়িক বুলি অনুমান কৰিছে[৭]। কিন্তু কোচ ৰজা সকলৰ বিষয়ে বংশাৱলী প্ৰস্তুত কৰা জগন্নাথ ভট্টাচাৰ্য্যৰ মতে প্ৰেমনাৰায়ণৰ সময় খৃঃ ১৮১১-১৮১৬ শতাব্দী[৮]। গতিকে কবিৰাজ প্ৰেমনাৰায়ণৰ সমকালীন হ'লে উনবিংশ শতিকাৰ আদি ভাগৰ লোক হ'ব। কিন্তু আমাৰ অধ্যয়ন কৰ্মৰ অন্তৰ্গত আটাইতকৈ যিখন পুৰণি সাঁচিপতীয়া পুথি সেইখন লিখাৰ সময় (নকল কৰাৰ সময়) লিপিকাৰে ১৬৮০ শক অৰ্থাৎ ১৭৫৮ খৃষ্টাব্দ বুলি স্পষ্ট ভাৱে উল্লেখ কৰি গৈছে[৯]। গতিকে কবিৰাজে ৰচনা কৰা মূল পাঠটোৰ (Ur – Text)ৰ সময় ১৭৫৮ খৃষ্টাব্দ নতুবা তাৰ আগত হ'ব লাগিব। এনে স্থলত কবিৰাজৰ সময়ো খৃঃ অষ্টাদশ শতিকাৰ মাজভাগ বা তাৰ কিছু আগত হোৱাই স্বাভাৱিক। পূৰ্বতে উল্লেখ কৰা ড° শৰ্মা আৰু পণ্ডিত শাস্ত্ৰীদেৱৰ মতো এই তথ্যইহে সমৰ্থন কৰে + আৰু মৌদ্ৰ নাৰায়ণ ৰজাৰো সময় এই ছোৱাহে। গতিকে কবিৰ সময় অষ্টাদশ শতিকাৰ মাজভাগেই হ'ব বুলি আমাৰো ধাৰণা হয়।

কবি আৰু কবিৰ সময়ৰ পিছতে এতিয়া পুথিখনৰ কাহিনী বস্তুৰ আলোচনা কৰা হওঁক। প্ৰধানতঃ দৰঙী লোক সমাজত সাধুকথা আকাৰে পূৰ্বৰে পৰা মুখে মুখে চলি অহাৰ পিছত যেতিয়া কবিৰাজে কোচৰজা মৌদ্ৰ নাৰায়ণৰ সময়ত শিয়ালা গোসাঁইৰ কাহিনী ভাগক কাব্যৰূপ দিয়ে তেতিয়াৰ পৰাই সাধুটোৰ কাহিনী ভাগেও বিস্তৃতি লাভ কৰে। সাঁচিপতীয়া কাব্যখনত পোৱা কাহিনী ভাগ চমুকৈ এনেধৰণৰ:

পুৰণি কামৰূপৰ অন্তৰ্গত দৰঙ্গ দেশৰ মধ্য ঠাই বৰাবাৰী (আজিকালি বৰদৌল গুৰি) নামে গাওঁ এখনত বৰভূঞা

৬. কবিকৰা বড়ি: ইয়াত কবি শব্দটোৱেও কবি কৰ্ম বা কবিতাকে বুজাইছে অৰ্থাৎ— কবিতা কৰা বড়ি (ঠাই)।
৭ মঙলদৈৰ বুৰঞ্জী; পৃঃ ১০৩
৮. দৰঙ্গ স্মৃতি; পৃঃ ১০৫।
৯. দেওমৰনৈৰ শ্ৰীনৰেশ্বৰ ডেকাৰ ঘৰত প্ৰাপ্ত সাঁপিতীয়া পুথি।

বংশৰ 'ধৰ্মদেৱ' নামে এজন ক্ষমতাশালী ভূঞা আছিল। জাতিত অৱশ্যে তেওঁ ব্ৰাহ্মণ (বিপ্ৰ) আছিল। এই ধৰ্মদেৱেই বৰাবাৰী গাওঁত এখনি সত্ৰ পাতি সত্ৰৰ ঈশান কোণত এটি দৌলৰ ভেটি বান্ধি বহাগ মাহৰ প্ৰথম দিনাখন সেই ভেটিত বিষ্ণুৰ বিগ্ৰহৰ পূজা অৰ্চনাৰে দেউল উৎসৱৰ আৰম্ভণি কৰে। এই দেউলটোৱে পিছলৈ বৰদেউল আৰু সত্ৰখন পোৱা সত্ৰ নামে জনাজাত হয়। দেউল পতাৰ কিছুদিন পিছত বৰাবাৰী গাওঁৰ উত্তৰে থকা ডাঁহী নামৰ গাওঁৰ ওচৰত প্ৰজাৰ সুবিধাৰ কাৰণে এটা প্ৰকাণ্ড পুখুৰী খন্দায়। পুখুৰীটো দীঘলীয়া কাৰণে পিছলৈ ই দীঘিৰ পুখুৰী নামে জনাজাত হয়। এই দীঘিৰ পুখুৰীটো বিধি অনুসাৰে মুকলি কৰিব নৌপাওঁতেই পশ্চিম দিশৰ পৰা বিশ্বসিংহ নামে ৰজা এজনে আহি ধৰ্মদেৱৰ সকলো ক্ষমতা কাঢ়ি লয়। মনৰ দুখতে তেতিয়া ভূঞাই বৰাবাৰী গাওঁৰ পৰা পালি পহৰীয়াৰ লগতে দুগৰাকী পত্নী কুন্দতৰা আৰু চান্দতৰাক লগত লৈ ভালেমান দূৰ উত্তৰ দিশে গৈ এখন অটব্য অৰণ্যৰ মাজত আশ্ৰয় লয়গৈ। কিছুদিন তাতে থকাৰ পিছত পত্নী দুগৰাকী আৰু পালি পহৰীয়া সকলক তাতে এৰি ধৰ্মদেৱ ভূঞাই পিতৃৰ পিণ্ডদান কৰাৰ উদ্দেশ্যে গঙ্গা দৰ্শন কৰিবলৈ গুচি যায়। ভূঞা গঙ্গালৈ যোৱাৰ পিছতেই ইফালে আশ্ৰমত সৰু ঘৈণীয়েক চান্দতৰাই এটি পুত্ৰ সন্তান জন্ম দিয়ে। কিন্তু চান্দতৰাৰ প্ৰসৱৰ সময়ত ডাঙৰ সতিনীয়েক নিঃসন্তানা কুন্দতৰাই পাঁচজনী বেজেনীৰ সহায়ত চল কৰি চান্দতৰাৰ চকুত কাপোৰ বান্ধি সন্তানটি হাবিৰ মাজত থকা কেতেকী গছৰ তলত পেলাই দিয়ে আৰু পিছত চকুৰ বান্ধ খুলি দি চান্দতৰাক কয় "কোনো সাই-সন্তান জন্ম পোৱা নাই, জন্ম হৈছে এটি মাংস পিণ্ড। সেয়ে পেলাই দিয়া হ'ল।" কুন্দতৰাৰ কথাকে চান্দতৰাই বিশ্বাস কৰি থাকিল। কিন্তু সিফালে নিশা শিয়ালী এজনীয়ে হাবিৰ মাজত পেলাই দিয়া মানুহৰ সন্তানটো পাই নিজৰ পোৱালীৰ লগতে ডাঙৰ কৰিবলৈ গাঁতৰ ভিতৰলৈ কামুৰি লৈ গ'ল। শিয়ালীয়ে এইদৰে গাঁতলৈ নি ডাঙৰ কৰাৰ এবছৰ পিছত এদিন গঙ্গাস্নানৰ পৰা ঘূৰি অহা ধৰ্মদেৱে হঠাৎ দৈৱাৎক্ৰমে সেই সন্তানটো উদ্ধাৰ কৰিলে। পিছত যেতিয়া গম পালে শিয়ালৰ গাঁতত ডাঙৰ হোৱা এবছৰীয়া সন্তানটো তেওঁৰেই, তেতিয়া শিশুটিক সম্বৎসৰ ভূঞা নাম দি ডাঙৰ দীঘল কৰিলে। পিতৃদত্ত নাম সম্বৎসৰ হ'লেও শিয়ালৰ গাঁতৰ পৰা উদ্ধাৰ হোৱা কাৰণে সকলোৱে শিশুটোক শিয়ালা গোঁসাই নামেৰেহে মাতিব ধৰিলে। পিছলৈ ডাঙৰ হোৱাতো শিয়ালা গোঁসাই নামেৰেই প্ৰখ্যাত হৈ পৰিল। পিতৃ ধৰ্মদেৱৰ মৃত্যুৰ পিছত শিয়ালা গোঁসাই ওৰফে সম্বৎসৰ ভূঞায়ে আশ্ৰমৰ অধিকাৰী হৈ বাপেকৰ দৰেই হৰিৰ পূজা সেৱা কৰিব ধৰিলে। ভগবানৰ পূজা-অৰ্চনা কৰি থাকোতেই কোচৰজা ৰঘুদেৱ নাৰায়ণে শিয়ালা গোঁসাইৰ মাহাত্ম্যময়ী জন্ম কাহিনী শুনি ৰাজসভালৈ তেওঁক মাতি নিয়ালে। ৰাজসভাত শিয়ালা গোঁসাইৰ জন্ম পৰিচয়ৰ লগতে মাহাত্ম্যময়ী কৰ্ম দেখি ৰজাই সন্তুষ্ট হৈ হাতী মাউতৰ হতুৱাই মাটি দান কৰিলে। পিছত অৱশ্যে হাতী মাউতে চলনা কৰাত শিয়ালা গোঁসায়ে এটা নদীত হাতী সহিতে মাউতক শাপি ভস্ম কৰিলে। ইয়াৰ কিছুদিন পিছত গোঁসায়ে বস্তাৰতী নামে কন্যা এগৰাকী বিয়া কৰাই পিতৃ আশ্ৰমতে সংসাৰ কৰি থাকিল। আশ্ৰমত থাকোতেই পূজাৰ বাবে প্ৰয়োজনীয় পানী আনিবলৈ যাওঁতে ঘৈণীয়েক বস্তাৰতীক অসুবিধাৰ সৃষ্টি কৰা এজন বঙ্গাল ব্যৱসায়ীকো (সাউদ) শিয়ালা গোঁসায়ে নদীতেই নাৱে সহিতে শাপি ভস্ম কৰে। দেৱে শাপি মাৰা এই নৈ খনেই পিছলৈ দেওমৰ নৈ (দেৱে + মাৰা + নৈ) নামে পৰিচিত হয়। বৰ্তমান গোটেই অঞ্চলটোৱেই মৰা নৈ খনৰ নামেৰেই দেওমৰনৈ হ'ল। যা হওঁক এইদৰে বোঁৱতী নদী আৰু বণিক বঙালক ভস্ম কৰাৰ পিছত পৰমানন্দ নামে পুত্ৰ এজন জন্ম দি শিয়ালা গোঁসাই স্বৰ্গগামী হয়। পুত্ৰ পৰমানন্দৰ পিছত একাদিক্ৰমে কৃষ্ণনন্দ, উমানন্দ, মহাদেৱ, নাৰায়ণদেৱ, শুকদেৱ, কামদেৱ আৰু মাধৱদেৱ বা পদ্মনাভ শিয়ালা গোঁসাইৰ বংশৰ উত্তৰাধিকাৰী হৈ নানান কাম কৰে। বংশটোৰ অষ্টম গৰাকী উত্তৰাধিকাৰী মাধৱদেৱ বা পদ্মনাভে ভাঠি দৰঙৰ এঘৰ বৈষ্ণৱৰ সুন্দৰী কন্যা এটি বিয়া কৰোৱাৰ উল্লেখেৰেই কাব্যখনৰ কাহিনী ভাগৰো অন্ত পৰিছে। অৱশ্যে ইয়াৰ মাজতে বৰাবাৰীৰ সত্ৰলৈ সন্যাসী অহা, দেওমৰনৈৰ ওচৰৰ গড়ত গৰেই ভকত মৰা, ৰাজসভালৈ যাওঁতে বাটত

শিয়ালা গোঁসায়ে বাঘৰ মূৰত মালা দিয়া, টেঁটনৰ লগত বাদ কৰা, শিয়ালা গোঁসাইৰ আশ্ৰমলৈ অন্য এক ব্ৰাহ্মণ অহা, মহাদেৱ গোঁসাইৰ দিনত দৰঙ্গত বঙ্গালৰ আক্ৰমণ হোৱা, নাৰায়ণ দেৱৰ সময়ত অৰ্জুনদেৱৰ নামে আন এগৰাকী সন্তৰ আবিৰ্ভাব হোৱা, শুকদেৱ গোঁসাইৰ দিনত নদীয়ে গতি সলাই চৰণধৰা পোৱা, আহু ধান ৰখা বুঢ়ীয়ে গোঁসাইক বস্ত্ৰদান কৰা ইত্যাদি ভালেমান সৰু সুৰা কাহিনীও কাব্যখনত সোমাই আছে।

চমুকৈ কাব্যখনৰ কাহিনীভাগ এয়ে। আমাৰ অধ্যয়ন কৰ্মত বিচাৰ কৰি এই কাহিনী ভাগক প্ৰধান ভাবে তিনিটা অংশত ভাগ কৰা হৈছে। প্ৰথম অংশত ধৰ্মদেৱ ভূঞাৰ কীৰ্তিকলাপ, দ্বিতীয় অংশত শিয়ালা গোঁসাইৰ চৰিত-কথন আৰু তৃতীয় অংশত শিয়ালা গোঁসাইৰ পুত্ৰ পৰমানন্দৰ পৰা আৰম্ভ কৰি মাধৱদেৱ বা পদ্মনাভলৈ এই আঠগৰাকী উত্তৰাধিকাৰীৰ কথা সামৰা হৈছে। কাব্য খনৰ এনেকুৱা গঠনশৈলীৰ পৰাও এই কথা পৰিষ্কাৰ হৈ পৰে যে ই এখন বংশাৱলীহে। যাহওঁক কাব্য খনৰ মাজেৰে শিয়ালা গোঁসাইৰ বংশটোৰ বৃত্তান্ত প্ৰকাশ পোৱাৰ উপৰিও তদানীন্তন কালৰ কেইটামান গুৰুত্বপূৰ্ণ আৰু মূল্যবান কথাবো উমান পোৱা গৈছে। ইয়াৰে প্ৰথম গুৰুত্বপূৰ্ণ কথাটো হ'ল কাব্যখনৰ মাজেৰে প্ৰকাশ পোৱা ঐতিহাসিক সত্যতাখিনি। সঁচা কথা, "শিয়ালা গোঁসাইৰ বংশাৱলী" পুথিখন এখন কাব্যহে, বুৰঞ্জী নহয়। কিন্তু তাৰ মাজেদিয়েই প্ৰকাশিত হোৱা কোচৰজা বিশ্বসিংহ, ৰঘুদেৱ নাৰায়ণ, ধৰ্মনাৰায়ণ, বৰাবাৰীৰ পোৱাসত্ৰ আৰু দেউল (বৰদেউল), তাঁহীৰ দীঘিৰ পুখুৰী, দেওমৰনৈৰ শিয়ালা গোঁসাইৰ আশ্ৰম (বাৰী), মানাহ নদী, কুলশী নদী, বৰ বণ থলী, সৰু বণ থলী, ভুৰাৰ গড়, চৰণ ধৰা আদিৰ ঐতিহাসিক সত্যতা আৰু বাস্তৱতা আছে।

একেদৰে ভূঞাসকলক পৰাস্ত কৰি বিশ্বসিংহই কোচ ৰাজ্য স্থাপন কৰা, আহোম স্বৰ্গদেৱে ধৰ্মনাৰায়ণক দৰঙৰ ৰজা পতা, বঙালৰ লগত দৰঙী ৰজাৰ যুদ্ধ হোৱা, ইত্যাদি কথাবোৰ ঐতিহাসিক ভাবে সত্য। ঠিক তেনেদৰে দৰঙত দেউল উৎসৱৰ আৰম্ভণি দৰঙী কোচ ৰজাই কৰা আৰু তাঁহীৰ দীঘিৰ পুখুৰীটো হৰিচয় ৰজাই খন্দোৱা বুলি লোক সমাজত যি বিশ্বাসৰ প্ৰচলন হৈ আহিছিল তাক সম্পূৰ্ণ ৰূপে অসত্য বুলি প্ৰমাণ কৰিলে এই কাব্যখনে। কাৰণ শিয়ালা গোঁসাইৰ পিতৃ ধৰ্মদেৱ ভূঞাইহে দেউলৰ আৰম্ভণি কৰি পিছত দীঘিৰ পুখুৰীটো খন্দায়। দীঘিৰ পুখুৰীৰ লগত জৰিত কমলা-কুঁৱৰীৰ গীতটো পিছত কোনো লোকে কল্পনাৰে সংযোজিত কৰি দিয়াহে। কিয়নো, লোক সংস্কৃতিৰ গৱেষক ড' বীৰেন্দ্ৰ নাথ দত্তদেৱে তেখেতৰ 'ভাষা-সাহিত্যৰ জলঙাইদি' নামৰ গ্ৰন্থত উল্লেখ কৰা মতে কমলা কুঁৱৰীৰ গীতটো আচলতে উজনি অসমৰ অন্য এটি দীঘি-পুখুৰীৰ লগত জৰিত মালিতাহে (Ballad)। গীতটোত থকা "স্বৰ্গদেউ", 'বঙহৰ দেউ' আদি শব্দয়ো সেই কথাকে সূচায়। স্পষ্ট কথা, দৰঙী ৰজাক 'স্বৰ্গদেউ' বুলি কোনোবা কমলা ৰাণীয়ে কন্দা-কতা কৰা কথাটো বিশ্বাসযোগ্য হ'ব নোৱাৰে। আনহাতে এইটো কথাও সঁচা যে, দীঘিৰ পুখুৰী খন্দাবলৈ দৰঙী ৰজা সকলৰ মাজত 'হৰিচয়' বুলি কোনো ৰজায়ে নাছিল। নিশ্চয় উজনি অসমত প্ৰচলিত কমলা কুঁৱৰীৰ গীতটো মুখ বাগৰি আহি দৰঙী লোক সমাজত সোমাই পৰে আৰু তাকেই দীঘিৰ পুখুৰীৰ লগত সাঙুৰি দি জনসাধাৰণে কমলাৰ কাহিনীক বেছি সজীৱ আৰু বিশ্বাস যোগ্য কৰি তোলে।

কাব্যখনৰ মাজেৰে প্ৰকাশ পোৱা ঐতিহাসিক কথা-খিনিৰ লগতে কাহিনী বস্তুৰ লগত জৰিত সামাজিক কথা খিনিও যথেষ্ট গুৰুত্বপূৰ্ণ। তদানীন্তন কালৰ দৰঙী সমাজ খন বৰ সুন্দৰভাবে ইয়াত প্ৰকাশ পাইছে। উদাহৰণ স্বৰূপে, দৰঙত দেউলৰ আৰম্ভণি কৰোতে পালন কৰা নিয়ম নীতি, সন্তান জন্মৰ সময়ত কৰণীয় আচাৰ-নীতি, ধাই বেজেনীৰ ব্যৱহাৰ, সন্তানৰ জাতকৰ্ম-নামকৰণ, চূড়াকৰণ, লগুণ দিয়নী, বিয়া বাৰু, মৃতকৰ শ্ৰাদ্ধ, পিণ্ডদান, গনণা কাৰ্য্য, দান-দক্ষিণা দিয়া, নাম-কীৰ্তন কৰা, ঢোল, তাল কালি আদি বাদ্যৰ ব্যৱহাৰ, যান-বাহনৰ বাবে হাতী, ঘোঁৰা, নাও আদিৰ প্ৰচলন, টকা-কড়িৰ ব্যৱহাৰ বেপাৰ বাণিজ্যৰ বাবে বিদেশী বণিকৰ আগমণ, তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলন, সন্ত মহন্তৰ লগতে সমাজৰ ঠগ-প্ৰৱঞ্চক টেঁটন আদিৰ ব্যৱহাৰ, গৃহকন্দলৰ চিত্ৰ, শাও-শপতৰ আভাস, সতিনীয়েকৰ মাজত থকা ঈৰ্ষা আৰু হিংসাকুৰীয়া স্বভাৱ, আদি ভামোন সামাজিক কথাই কাব্যখনত ঠাই পাইছে।

কাব্যখনৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হ'ল ইয়াৰ ভাষা। স্বীকাৰ কৰিব লাগিব, দৰঙীলোককথাক, দৰঙী লোক ভাষাৰে কাব্য ৰূপ দিয়া এই 'শিয়ালা গোঁসাইৰ বংশাৱলী'য়েই বোধকৰো প্ৰথম দৰঙী-লোক কাব্য। সেই ফালৰ পৰা পুথিখনৰ ভাষাতাত্বিক দিশটোৰ মূল্য বেছ গুৰুত্বপূর্ণ। কাব্যখনৰ কবি আছিল শিক্ষা দীক্ষা বিহীন। সেয়ে পুথিখনৰ ভাষাটোত লোক ভাষাৰ চাপ বিদ্যমান। সমগ্ৰ কাব্যখনৰ মাজেৰেই দৰঙী কথিত শব্দৰ লগতে জতুৱা ঠাঁচ, প্ৰবাদ-পটন্তৰ যোজনা আদিতো সংযোজন ঘটিছে। উদাহৰণ স্বৰূপে আহাচেদি, ঘাটুৱৈ, কুঁহাৰ সন্তৰ (সত্ৰ) দেও (দেৱ) দেউৰী, ফৰ্বত, স্বুৰতী, ছুৰতী, বেবুৱা, ঝাহি, তবু, শিয়ালা, ছুইঘতি, গধুলিকা, ঝিউ, আই-বাই, কাপুৰ, ভেটুৱা, বেঙ্গ, বামুণ, পঝা, বোন, ভোখ, হাথি, আদি সম্পূর্ণ দৰঙী সাঁচত গঢ়া। সেইদৰে "নাৰীৰ বিয়ান জানা পুৰুষৰ ৰণ," "পুত্ৰ ভৈলে ফল ধৰে নাৰী সকলৰ" আদি বচনো লোক সমাজৰে ভাষ্য। কাব্যখনৰ ধ্বনি তাত্বিক আৰু ৰূপতাত্বিক দিশটো দৰঙীলোক ভাষাৰ নিয়ম পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে: নৰি (নোৱাৰি) ভঠিয়াই, বুঝাই, বাঝ, কাখৰক, আদি ধ্বনিতাত্বিক বৈশিষ্ট্য। সেইদৰে আহাচেদি হাত, চায়াগুটি আদি বহুবচনান্ত আৰু নিৰ্দ্দিষ্টতা বাচক প্ৰত্যয়ৰ বিশেষ উদাহৰণ কাব্যখনত স্পষ্ট হৈ আছে। ইয়াৰ উপৰিও সমগ্ৰ কাব্যখনৰে যি বৰ্ণনাশৈলী সিও দৰঙী ভাষাৰ নিভাঁজ ৰূপত গঢ়া। আমি মাথো চমুৱাই ক'ব বিচাৰিছোঁ যে, কাব্যখনত ব্যৱহৃত দৰঙীলোক ভাষাটোৰ বাবেও পুথিখনৰ জনপ্ৰিয়তা বৃদ্ধি পাইছিল। তদানীন্তন কালৰ দৰঙী মাত কথাৰ বুজ লৱলৈ এই কাব্যখন যে গৱেষণা কৰ্মৰ বাবেও নিৰ্ভৰযোগ্য দলিল তাত তিলমানো সন্দেহ নাই।

স্বীকাৰ কৰিব লাগিব, লোক ভাষাত ৰচিত কাব্য হলেও "শিয়ালা গোঁসাইৰ বংশাৱলী" কিন্তু সাহিত্যিক গুণ বৰ্জিত নহয়। কবিৰাজে লোক ভাষাৰ মাজেৰেই উপমা, ৰূপক আদি অলংকাৰ প্ৰয়োগ কৰাৰ লগতে ৰৌদ্ৰ, ভয়ানক, অদ্ভুত, আদি ৰসবো সঞ্চাৰ কৰিবলৈ সক্ষম হৈছে। কাব্যখনৰ প্ৰতিটো অধ্যায়ৰ সামৰণিত কবিয়ে কিন্তু এক বিষ্ণু বা হৰিত চিত্ত অৰ্পন কৰি লোক সমাজক ভগৱদমুখী হবলৈহে বাৰে বাৰে আহ্বান জনাইছে। কবিয়ে শিয়ালা গোঁসাইৰ সংঘাতপূৰ্ণ জীৱনৰ অলৌকিক ঘটনাৱাজিৰ মাজেৰে দেখুৱাব বিচাৰিছে যে হৰিভক্তিয়েই পৰিত্ৰাণৰ একমাত্ৰ উপায়। গতিকে কৈ থ'ব পাৰি লোকসমাজ কাহিনীক লৈ ৰচিত হলেও শিয়ালা গোঁসাইৰ বংশাৱলী খন লোক সমাজৰ বাবেই উপাদেয় এখন বৈষ্ণৱ কাব্য আৰু ইয়াৰ মূল ৰসো ভক্তিৰসহে।

এতিয়া শিয়ালা গোঁসাইৰ সত্যতা সম্বন্ধে আলচ কৰা যাওঁক। সন্দেহ নাই 'শিয়ালা গোঁসাইৰ বংশাৱলী' এখন কাব্য। কাব্যত কল্পনাৰ সংযোজন ঘটোৱাতো স্বতসিদ্ধ কথা। সেই ফালৰ পৰা কাব্যখনৰ কাহিনী বস্তুৰ মূল নায়ক শিয়ালা গোঁসাই ওৰফে সন্যাসৰ ভূঞা কাল্পনিক চৰিত্ৰও হ'ব পাৰে। কিন্তু পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীদেৱে বেদাচাৰ্য্য বিৰচিত 'স্মৃতি ৰত্নাকৰ'[১০] নামৰ গ্ৰন্থখনৰ সহায়ত স্পষ্টভাৱে ক'ব বিচাৰিছে যে শিয়ালা গোঁসাই দশম-একাদশ শতিকাৰ পালবংশীয় পুৰন্দৰ পালৰ সমসাময়িক এগৰাকী ঐতিহাসিক ব্যক্তি। শাস্ত্ৰীদেৱৰ পণ্ডিত্যপূর্ণ এই কথাষাৰ মানিবলৈ গ'লে কিন্তু কাব্যখনত বৰ্ণিত বিশ্বসিংহ, ৰঘুদেৱ নাৰায়ণ, আদি বুৰঞ্জী প্ৰসিদ্ধ চৰিত্ৰবোৰৰ লগত কালবিভ্ৰান্তি ঘটে। শাস্ত্ৰীদেৱে এই ক্ষেত্ৰত ক'ব বিচাৰিছে যে, কবিৰাজে ৰচনা কৰা কাব্যখনৰ শিয়ালা গোঁসাই চৰিত্ৰটোৰ বাহিৰে বাকীবোৰ কল্পিত। শাস্ত্ৰীৰ মতে কবিৰাজে হেনো পুৰন্দৰ পালৰ কথা নাজানিহে ৰঘুদেৱ নাৰায়ণৰ নাম কাব্যখনত সংযোজিত কৰে। একেদৰে বিশ্বসিংহৰ নামো কল্পনাপ্ৰসূত। শাস্ত্ৰীদেৱে কিন্তু স্বীকাৰ কৰিছে যে শিয়ালা গোঁসাইৰ জন্ম মঙলদৈৰ কোনোবা এঠাইত। জয়পাল পুখুৰীৰ উদাহৰণেৰে শাস্ত্ৰীদেৱে এই কথাও কৈছে যে, পুৰন্দৰ পালৰ পাল বংশীয় ৰজাসকলে দশম একাদশ শতিকাত এই ঠাইতেই ৰাজত্ব কৰিছিল। এতিয়া প্ৰশ্ন হ'ল, বেদাচাৰ্য্যৰ "স্মৃতি ৰত্নাকৰ" গ্ৰন্থখনত থকা শিয়ালা বৈষ্ণৱ জন, আমাৰ কবিৰাজে লিখা কাব্যখনৰ শিয়ালা বৈষ্ণৱ জন হয়নে নহয়? শাস্ত্ৰীদেৱে কিন্তু আলোচনা কৰি একেজন শিয়ালা বৈষ্ণৱেই হ'ব বুলি অনুমান কৰি এনেদৰে কৈছে: "আমাৰ এই অনুমান কিমান দূৰ সঙ্গত সেইটো বিবেচনাৰ ভাৰ সুধী সকলক দিয়া হ'ল।" পণ্ডিত গৰাকীয়ে কৈ থোৱা এই মূল্যবান কথাষাৰৰ আঁত ধৰিয়েই এই বিষয়ত এতিয়া গৱেষণা হোৱাৰ প্ৰয়োজন। তেতিয়াহে নিশ্চয় শিয়ালা গোঁসাইৰ প্ৰকৃত সময় আৰু বাস্তৱতা ধৰা পৰিব। সন্দেহ নাই শিয়ালা গোঁসাইৰ সঠিক সময় উদ্ধাৰৰ লগে লগেই এই কাব্যখনে লোককাব্য গুচি বুৰঞ্জীমূলক কাব্যৰ সন্মান লাভ কৰিব। আশাকৰো এই চিন্তা আৰু চেষ্টাও কোনোবা গৱেষকৰ গৱেষণা কৰ্মৰ মাজেৰেই এদিন সত্যত পৰিণত হৈ "কনক ৰঞ্জিত এপাত কঙ্কনৰ" দৰে শিয়ালা গোঁসাইৰ বংশাৱলী খন জিলিকি থাকিব।

১০ অসম সাহিত্য সভা পত্ৰিকা: অষ্টাব্দশ বছৰ, তৃতীয় সংখ্যা।

# মহামিলনৰ তীৰ্থ খটৰা সত্ৰ

শ্ৰীভনিতা দেৱী
স্নাতক দ্বিতীয় বাৰ্ষিক।

অসমৰ ধৰ্মীয় সাংস্কৃতিক দিশক চহকী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ তথা তেৰাসবৰ শিষ্যসকলে প্ৰতিষ্ঠা কৰা সত্ৰ-সমূহৰ ভিতৰত দৰঙ জিলাৰ খটৰা সত্ৰৰ নাম নিঃসন্দেহে প্ৰণিধানযোগ্য। মাধৱদেৱৰ প্ৰিয় শিষ্য লেচাকণীয়া গোবিন্দ আতৈয়ে খটৰা সত্ৰ প্ৰতিষ্ঠা কৰিছিল মাধৱদেৱৰ পৰামৰ্শ মতে, আজিৰ পৰা কেইবাশ বছৰ আগতে। দিপীলা মৌজাৰ খটবা গাঁৱত অৱস্থিত উক্ত সত্ৰখনি প্ৰতিষ্ঠাৰ আগতে ঠাইখনি জয়াল হাবিৰে পৰিপূৰ্ণ আছিল। গোবিন্দ আতৈ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে দৰঙ অভিমুখে আহি উক্ত ঠাইখনিৰ মাজেৰে গৈ থাকোতে "দেখে মন্দুকে সৰ্প গিলি আছে তাত", এনে আশ্চৰ্য্যজনক অৰ্থাৎ বামুণ ভেকুলীয়ে সাপ গিলা দেখি আতৈয়ে বুজিলে সেই ঠাইৰ মহিমা অপাৰ! ধৰ্মৰ খুটি স্থাপনৰ বাবে উক্ত ঠাইখনি নিৰ্বাচন কৰি তেওঁ কীৰ্ত্তন ঘৰ সাজি সেই ঠাইত বাস কৰি থকা অসুৰ স্বভাৱৰ "চাৰিখট"ক ধৰ্মৰ শৰণ ভজন নিয়াবলৈ যত্ন কৰিলে যদিও তেওঁ সমূলি ব্যৰ্থ হ'ল। "তোমাত ভজিম আমি কিবা প্ৰয়োজন" আৰু "কাক সুধি খেদিলা ইয়াৰ মৃগগণ" ইত্যাদি বুলিহে তিৰস্কাৰ কৰিলে। গোবিন্দ আতৈয়ে উপায়ন্তৰ হৈ পৰামৰ্শ বিচাৰি ওচৰ চাপিল গৈ গুৰু মাধৱদেৱৰ। মাধৱদেৱে ৰাম ভাওঁনাৰ বাবে প্ৰস্তুত কৰা চাৰি মূৰ্ত্তি ক্ৰমে ৰাম, লক্ষ্মণ, সীতা, হনুমাণ আতৈক সমৰ্পণ কৰি ইয়ে তেওঁৰ কাৰ্য্য সিদ্ধি কৰিব বুলি পঠাই দিলে। সেই চাৰিমূৰ্ত্তি আতৈয়ে বৰ্ত্তমানৰ খটৰা সত্ৰলৈ আনি মূৰ্ত্তি প্ৰতিষ্ঠা কৰাৰ লগতে নানা নৃত্য-গীত কৰি চাৰিখটৰ মন হৰণ কৰিবলৈ চেষ্টা কৰিলে আৰু এনে আকৰ্ষণীয় নৃত্য-গীতত আকৰ্ষিত হৈ চাৰি খটেও গোবিন্দ আতৈৰ ওচৰত শৰণ ল'লে। আৰু সেই বাবে খটৰ অসুৰ স্বভাৱক হৰণ কৰিবলৈ সক্ষম হোৱা হেতুকে উক্ত সত্ৰখনি প্ৰথমে লোক মুখত "খটহৰা" ৰূপে পৰিচিত হ'ল আৰু পিচলৈ ইয়ে "খটৰা" ৰূপে প্ৰসিদ্ধি লাভ কৰিলে।

খটৰা সত্ৰ বৈষ্ণৱ আদৰ্শ যুক্ত সত্ৰ হ'লেও মূৰ্ত্তি থকা বাবে ই বৈষ্ণৱ-অবৈষ্ণৱ আটাইৰে মিলনৰ পবিত্ৰ তীৰ্থত পৰিণত হৈছে। ইয়াত প্ৰচলিত উৎসৱৰ ভিতৰত ভাদ আৰু আহিন মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত "পাচেতি" উৎসৱেই আটাইতকৈ উল্লেখনীয়। এই উৎসৱত অসমৰ বিভিন্ন ঠাইৰ ভিন্ন ধৰ্মৰলোকে অংশ গ্ৰহণ কৰি সম্প্ৰীতিৰ বান্ধোন কটকটীয়া কৰে। প্ৰকৃতাৰ্থত খটৰা সত্ৰ মানুহৰ ভিন্নতাক এক কৰিব পৰা এক সুমধুৰ মহাসংগীত। ★

# নিচাজাতীয় দ্ৰব্য আৰু অসমৰ যুৱ সমাজত তাৰ প্ৰভাৱ

শ্ৰীজয়ন্ত শৰ্মা (জয়)
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

সাম্প্ৰতিক সময়ত অসমত দেখা দিয়া গুৰুতৰ সমস্যাবোৰৰ ভিতৰত এটি হৈছে নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আমাৰ যুৱসমাজ ক্ৰমাৎ আসক্ত হৈ পৰাটো অন্যতম। পৃথিৱীৰ আন আন দেশৰ লগতে অসমকো নিচাজাতীয় দ্ৰব্যৰূপী কলীয়া মেঘে ছাঁনি ধৰিছে।

বৰ্তমান বিজ্ঞানৰ যুগ। বিজ্ঞানে আমাৰ পৃথিৱীখনক সকলো পিনৰ পৰাই আগবঢ়াই নিছে। কিন্তু বিজ্ঞানৰ অগ্ৰগতিয়ে সমাজখনক দ্ৰুতগতিত পৰিবৰ্তন কৰাৰ লগে লগে যুৱসমাজতো যি পৰিবৰ্তন আহিব লাগিছিল. তাৰ বিপৰীতে সম্পূৰ্ণ এক ভিন্ন বিপৰীত প্ৰতিক্ৰিয়াহে চকুত পৰিছে। সন্দেহ নাই, যুব সমাজৰ এই নৈতিক অধঃপতনৰ মূলতে হ'ল নিচাজাতীয় দ্ৰব্যবোৰ।

সাধাৰণতে নিচাজাতীয় দ্ৰব্য বুলিলে সেইবোৰকে বুজা যায়, যিবোৰ ব্যৱহাৰ কৰিলে মানুহ নিচাৰ ৰাগীত ক্ৰমাৎ মতলীয়া হৈ পৰে আৰু নিজৰ নিয়ন্ত্ৰণ হেৰুৱাই বহুতো নকৰিবলগীয়া কাম কৰে। নিচাজাতীয় দ্ৰব্যবোৰ এবাৰ সেৱন কৰিলে পিছলৈ তাক এৰিব নোৱাৰা হয়। সাধাৰণতে অতি সহজতে পোৱা বাবে যুৱচামে প্ৰথমতে মদ, ভাঙ, চাধা চিগাৰেট আদিহে ব্যৱহাৰ কৰে। ড্ৰাগচ এবিধ মাৰাত্মক নিচাজাতীয় দ্ৰব্য। কিন্তু ইয়াৰ দাম অতি বেছি আৰু সহজতে পোৱা নাযায় বাবে ধনবানলোকৰ সন্তানসকলেহে ইয়াৰ ব্যৱহাৰ কৰে। যিয়েই নহওঁক, নিচাজাতীয় দ্ৰব্যৰ সেৱনেই সামাজিক ব্যাধি। অতি দুখৰ কথা. বহু ফুলকুমলীয়া ল'ৰা কিছুমানে বৰ্তমান মদ, ভাঙ, চিগাৰেট আদি সেৱন কৰিব ধৰি নিজৰ ধ্বংস নিজে মাতি আনিছে।

ড্ৰাগচনো ক'ৰ পৰা পায়? ভাৰতৰ পূবপিনে অৱস্থিত থাইলেণ্ড, বাৰ্মা আৰু পশ্চিম দিশৰ পাকিস্তান, ইৰাণ আদি দেশৰ পৰাই ড্ৰাগচ জাতীয় দ্ৰব্যবোৰ চোৰাং ভাবে ভাৰতলৈ আহে। অসমলৈ সৰবৰাহ কৰা ড্ৰাগচবোৰ সাধাৰণতে মণিপুৰ হৈ অসমলৈ আহে। ড্ৰাগচ এনে এবিধ নিচাজাতীয় দ্ৰব্য, যাক এবাৰ ব্যৱহাৰ কৰিলে পিচলৈ ত্যাগ কৰাটো অতি কষ্টসাধ্য হৈ পৰে। যুৱসমাজত অতিকৈ জনপ্ৰিয় কেইবিধমান ড্ৰাগচ জাতীয় দ্ৰব্য হৈছে — হিৰ'ইন, কোকেইন. মাৰিজোৱানা. ব্ৰাউন চুগাৰ আদি।

যুৱসমাজত এই নিচাজাতীয় দ্ৰব্যবোৰৰ প্ৰভাৱ অতি ভয়ঙ্কৰ। পোণতে তেওঁলোকে সঙ্গদোষ নাইবা কৌতুহলতে এইবোৰ ব্যৱহাৰ কৰে। ই এনে এটা দ্ৰব্য, প্ৰথম অৱস্থাত ইয়াক ব্যৱহাৰ কৰিলে মানসিক প্ৰফুল্লতা লাভ কৰা যেন বোধ হয়। মানসিক প্ৰফুল্লতাৰ বাবে সেৱন কৰা এই নিচাজাতীয় দ্ৰব্যবোৰে পিচলৈ তেওঁলোকৰ নিয়মীয়া লগৰীয়া

হৈ পৰে আৰু ক্ৰমাৎ ধ্বংসৰ মুখলৈ আগবঢ়াই নিয়ে। এই দ্ৰব্যবোৰে মানুহৰ সহজাত মানসিক উৎকৰ্ষ সাধনত বাধাৰ সৃষ্টি কৰে। নিজৰ মৌলিক চিন্তা-চৰ্চা কৰা শক্তি ক্ৰমাৎ কমি যায়। আৰু পঢ়া-শুনা কৰিব নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হয়। তেওঁলোকে কানেৰে অনবৰতে কিবা-শুনি থাকে। চকুৰে জলক মলক দেখা যেন বোধ কৰে। তেওঁলোকৰ নিশা টোপনি নহয় আৰু নিজকে অতি ভাগৰুৱা যেন বোধ কৰে। পুষ্টিহীনতাত ভূগি নিচা-জাতীয় দ্ৰব্য সেৱনকাৰী যুৱক এজনক বেমাৰী কৰি তোলে। আৰু অতি কম বয়সতে বুঢ়া মানুহ এজনৰ নিচিনা দেখায়। শেষলৈ এনে যুৱকবোৰে মানসিক ভাবসাম্য হেৰুৱাই পেলায়। সকলোতকৈ দুখৰ কথা, দেশৰ ভৱিষ্যত স্বৰূপ এনে যুৱ শক্তিক তিল তিলকৈ মৃত্যুৰ মুখলৈ পতিত হোৱা দেখা যায়।

সাধাৰণতে অৱস্থাপন্ন ঘৰৰ যুবকচামৰ মাজতেই এইবোৰ দ্ৰব্যৰ প্ৰচলন বেছি। কিয়নো এই ড্ৰাগচজাতীয় দ্ৰব্যবোৰ ক্ৰয় কৰিবলৈ এক বৃজন পৰিমানৰ টকাৰ প্ৰয়োজন হয়। ড্ৰাগচৰ প্ৰতি আসক্তি জন্মাবলৈ প্ৰথম অৱস্থাত ব্যৱসায়ীসকলে প্ৰায় বিনামূল্যে এই দ্ৰব্যবোৰ যুৱচামৰ মাজত বিতৰণ কৰে। প্ৰথম অৱস্থাত যুৱচামে নানা অজুহাত দেখুৱাই অভিভাৱকৰ পৰা টকা সংগ্ৰহ কৰে যদিও তেওঁলোকে সদায় এইদৰে টকা সংগ্ৰহ কৰিব নোৱাৰে। তেতিয়াই তেওঁলোকে ড্ৰাগচ জাতীয় দ্ৰব্যবোৰ খাবলৈ টকা সংগ্ৰহ কৰাৰ উদ্দেশ্যে হত্যা, লুণ্ঠন, ডকাইতি আদি অসামাজিক কামবোৰ কৰিবলৈ লয়। এনে অসামাজিক কাম-কাজৰ বিৰুদ্ধে পুলিচি অনুসন্ধানত কৰায়ত্ব হোৱা বেছিভাগ লোকেই স্কুল কলেজৰ ছাত্ৰ। আনকি আজিৰ যুৱচামে নিচাজাতীয় দ্ৰব্যৰ কবলত পৰি ক্ষণিক উত্তেজনাত হিতাহিত জ্ঞান হেৰুৱাই ধৰ্ষণৰ দৰে জঘন্য প্ৰবৃত্তিতো লিপ্ত হৈছে। বৰ্তমান যিকোনো বাতৰি এখন পঢ়িলেই ইয়াৰ সত্যতা বুজিব পাৰি। গতিকে নক'লেও অতি সহজতে বুজি পাব পাৰি যে নিচাজাতীয় দ্ৰব্যবোৰে সমাজত এক বিশৃঙ্খল পৰিবেশ সৃষ্টি কৰাৰ লগে লগে দেশৰ অৰ্থনৈতিক, সামাজিক তথা ভৱিষ্যত প্ৰগতিতো বাধাৰ সৃষ্টি কৰে।

এটি বেচৰকাৰী সমীক্ষা মতে বৰ্তমান পৃথিৱীৰ যুৱকচামৰ ভিতৰত ৩৭ শতাংশ যুৱকেই নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্ত। আন এক বেচৰকাৰী সমীক্ষা মতে অসমৰ অকল গুৱাহাটীতে ১৮ শতাংশ যুৱক-যুৱতী ড্ৰাগচৰ প্ৰতি আসক্ত। এইটো এটা কম ভয়াবহ কথা নহয়। ইয়াৰ কাৰণ হিচাবে বেচৰকাৰী সন্থাটোৱে ভয়াবহ নিবনুৱা সমস্যাৰ বাবেই অসমত এনে যুৱক-যুৱতীয়ে হতাশাত ভূগি নিচাজাতীয় দ্ৰব্য ব্যৱহাৰ কৰে বুলি আঙুলিয়াই দিছে। তদুপৰি আভিজাত্যৰ মিছা বাহাদুৰি দেখুৱাই এনে দ্ৰব্যৰ সেৱনকাৰী যুৱকৰ কথা নক'লোৱেই বা।

শেহতীয়া এই সমীক্ষাই স্বাভাৱিকতে আমাৰ সমাজ তথা ভৱিষ্যত দিশলৈ আঙুলিয়াই দিছে। এনে ব্যভিচাৰে যে অকল যুৱক সম্প্ৰদায়কহে বিভ্ৰান্ত কৰি ধ্বংসৰ মুখলৈ আগবঢ়াই নিছে এনে নহয়। এনে দ্ৰব্য সেৱন কৰাৰ ফলত ব্যক্তি আৰু সমাজ জীৱন উভয়ৰে ক্ষতি সাধন হয়। সেই কথা আজিৰ যুৱ চামৰ লগতে চৰকাৰ, অভিভাৱক দেশৰ জ্যেষ্ঠ নাগৰিক, সাহিত্যিক তথা বুদ্ধি জীৱিয়েও চিন্তা কৰা উচিত। কিয়নো দেশৰ যুৱচামক এটা সৎপথ দেখুৱাবলৈ তেওঁলোকৰেই আটাইতকৈ গুৰুভাৰ বেছি। কিয়নো বৰ্তমানে যুৱচামৰ মাজত নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আকৰ্ষণে এনে এটা পৰ্য্যায়লৈ আগবাঢ়ি গৈছে যে এতিয়াই তাক বোধ কৰিব নোৱাৰিলে অদূৰ ভৱিষ্যতে তাক বোধ কৰা অসম্ভৱ হৈ পৰিব। আৰু তেতিয়াই সমাজ জীৱনত নানা অশান্তি আৰু অপ্ৰীতিকৰ অৱস্থাৰ সৃষ্টি হ'ব। এনে পটভূমিত নিচাযুক্ত যুৱ মানসিকতা নতুন দৃষ্টি-ভঙ্গীৰে বিচাৰ কৰি চোৱা সময় সমাগত। দেশৰ জ্যেষ্ঠ-বিজ্ঞ তথা চৰকাৰবো এই ক্ষেত্ৰত গুৰুদায়িত্ব আছে বাবে তেওঁলোক সকলোৱে হাতত হাত মিলাই ইয়াক এক জলন্ত জাতীয় সমস্যা হিচাবে ধৰি তাৰ সকলো দিশ চালি-জাৰি চাই লৈ নিচাজাতীয় দ্ৰব্যৰ পৰা আমাৰ যুৱচামক ৰক্ষা কৰিবলৈ আগবাঢ়ি যাব লাগিব। এইটো স্বীকাৰ্য্য যে আমাৰ চৰকাৰেই ৰাজহ বৃদ্ধিৰ নামত জধে-মধে বিলাতী মদৰ দোকানৰ অনুজ্ঞা-পত্ৰ দি পৰোক্ষভাৱে যুৱকচামক বিপথগামী

কৰি তোলাত সহায় কৰিছে। তদুপৰি দৰঙকে ধৰি কেইখনমান জিলাত মদৰ অবাধ প্ৰচলন কৰিব দি জাতীয় জীৱনৰ এক জটিল সন্ধিক্ষণত অকল্পনীয় ক্ষতি কৰিছে। গতিকে এনে এক জটিল সন্ধিক্ষণত চৰকাৰৰ কৰণীয় কি তাক চৰকাৰে নতুনকৈ ভাবিবৰ হ'ল। অভিভাৱকসকলেও ধৃতৰাষ্ট্ৰৰ দৰে পুত্ৰস্নেহত অন্ধ নহৈ বিপথে যোৱা সন্তান সকলক কঠোৰ ভাবে শাসন কৰি সৎ পথলৈ ঘূৰাই আনিবলৈ চেষ্টা কৰক। দেশৰ ধৰণীস্বৰূপ যুৱক-যুৱতীসকলক প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰাওক দেশৰ গৌৰৱৰূপে। দেশৰ তথা সমাজ জীৱনৰ কলঙ্কৰূপে নহয়। নহ'লে সময়ে আমাক এনে এটা অৱস্থালৈ আগুৱাই লৈ যাব, য'ৰ পৰা সৰ্বতোশক্তি প্ৰয়োগ কৰিও উদ্ধাৰৰ আশা মৰিমুৰ হ'ব। সকলোৱে মনত ৰাখিব লাগিব য'ত দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে আমাৰ এই বৃহৎ প্ৰতিভাৰ যুৱচামৰ ওপৰত, তাত কোনো ধৰণৰ ক্ৰুটি থকাটো বাঞ্চনীয় নহয়।

সমাজ আৰু ব্যক্তিৰ ভৱিষ্যত সুন্দৰ জীৱনৰ কথা উপলব্ধি কৰিয়েই আজিৰ যুৱচামে ভীষ্ম প্ৰতিজ্ঞা কৰি নিচাজাতীয় দ্ৰব্যৰ সেৱন একেবাৰে পৰিত্যাগ কৰিব লাগে। আজি আমাৰ অসমৰ যুৱচামে মনত ৰখা উচিত, অসমৰ সংগ্ৰামী যুবচামক বিপথে পৰিচালিত কৰি তুলিবলৈ এক সাম্ৰাজ্যবাদী চক্ৰান্তৰ এটা দলে অহৰহ চেষ্টা চলাই আছে। গতিকে সেই শক্তিয়ে অহৰহ নিচাজাতীয় দ্ৰব্যৰ কবলত পেলাই সংগ্ৰামী যুৱচামক ভৱিষ্যত তিলতিলকৈ মৰিবলৈ দিয়াৰ লগতে সংগ্ৰামী মনোভাৱ বিনষ্ট কৰিবলৈ চেষ্টা চলাই আছে। কিয়নো অসমৰ ৰাজহাড়স্বৰূপ যুৱশক্তিতকৈ তেওঁলোকৰ প্ৰয়োজন অসমৰ বিশাল প্ৰাকৃতিক সম্পদ। সেয়েহে সমস্যা জৰ্জৰিত অৱক্ষয়শীল বৰ্তমান সমাজখনৰ শোচনীয় অৱস্থাৰ অন্তৰালত থকা শক্তিসমূহক প্ৰতিহত কৰি যুৱমানসিকতাৰ চৰম বিপৰ্যয়ৰ পৰা ৰক্ষা কৰি উপযুক্ত আদৰ্শৰে ধ্বংসমুখী অসমীয়া সমাজখনক পুনৰ গঠন কৰিবলৈ বিভিন্ন জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে ৰাজ্যখনৰ সমূহ যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰী আগবাঢ়ি আহিব লাগিব। অন্যথাই ভৱিষ্যতে ৰাজ্যখনৰ চৰম সৰ্বনাশ মাতি অনা হ'ব।

সেয়েহে আহকচোন আমি সকলোৱে একেলগে নিচাজাতীয় দ্ৰব্য বাদ দিয়াৰ লগতে সকলো অন্যায়ৰ বিৰুদ্ধেও থিয় দিওঁ। আমি সকলো একগোট হ'লেহে ৰাজ্যখনত আকৌ জন্ম হব আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈৰ দৰে মহান পণ্ডিতৰ, জন্ম হ'ব লাচিত, মূলা-গাভৰুৰ দৰে মহান বীৰৰ, জন্ম হ'ব বিষ্ণুৰাভা, জ্যোতিপ্ৰসাদৰ দৰে মহান শিল্পীৰ, জন্ম হব শঙ্কৰদেৱৰ দৰে কালজয়ী মহাপুৰুষৰ। ইয়াৰ বিপৰীতে উত্তৰ পুৰুষৰ ওচৰত আজিৰ যুৱছাত্ৰই ভৱিষ্যতে জবাবদিহি হ'ব লাগিব।

—●—

## মহৎ লোকৰ বাণী

"নিজৰ শক্তিৰ ওপৰত বিশ্বাস থাকিলে, অন্য একোৱে হেয় কৰিব নোৱাৰে;
আমাৰ সদায় ভুল ধাৰণা আছে যে নিজতকৈ আনৰ শক্তি বেছি।"

—নুফিল্ড

"প্ৰত্যেকেই প্ৰত্যেকৰ অন্তৰ শুদ্ধ কৰা, আনৰ জাত-কুলৰ বিচাৰ নলবা, কিয়নো
এই জনমৰ পিছত জাত-কুলৰ কোনো সমন্ধ নাই।"

— গুৰু নানক

# DESERTS AND ITS IMPACT ON ENVIRONMENT

**Sri Uttam Kalita**
T. D. C. 2nd year

The vast area of the surface of the earth is covering with deserts. Deserts are that part of the land portion which has no water, trees and plants. There is only sand and sand covers with a vast area without having rainfall. The deserts are covered about one fifh of the total land mass of the surface of the earth. It is fearful for mankind that all deserts has been increasing in a very fast rate. The Sahara has been spreading South about 50 killometres in a year in same places. It has spread over 900,000 sq. k. m. of the land. In India also the Thar desert has been speading very fast. It is very fearful for all living beings that the world will soon become a vast desert.

There is a controversy between the people and the Scientists about deserts. Many of these deserts were once fertile lands. For six centuries, North Africa was a food producing area of the Romans. Below the sands of Sahara, there lies the rains of the great cities of the ancient times. How did the fertile lands become a desert? People says that the change of climate created deserts. On the other hand, according to the Scientists deserts were not created with the climatic-change. Scientists strongly say that man has created deserts.

Scientists believe that for food man discovered agriculture. Since then, man has been clearing the land of trees and plants. They clear new areas from time to time. In Assam it is called "Jhum" cultivation.

This process has a bad affect on land. When the cultivators move to

a new plot, the old plot becomes a waste land. Cattle eat up the grass and gradually it turns into a desert. Since long ago, we have been cutting down the forest to obtain wood for building and burning. Rain washes away the earth from the hillsides. The flood carries this earth and burried the fertile land in the plains below. When the climate become dry the whole area becomes barren. This is how man has created deserts.

It is impossible to determine actually when the beginning of the deserts were created. We can not but write that the deserts creation of the world. So we can say that man has an indirect affect on deserts creation.

Generally, deserts are located in the area about 30° North and 30° South Parallel from the equator. All most all the deserts are situated in the Western parts of the countries. For example The Sahara of Africa, the Thar of India and Mexicco of North America etc.

Deserts remain outside from rainfall for the whole year. The area which are located near the deserts have a rainfall 13 c. m. to 25 c. m. in the year. But the temperature of deserts in day time about 120° F. On the other hand in the night it falls upto 0° F.. This variation of temperature remain same for the whole year.

There are some other deserts located near the tropic of capricorn. These are the Atacama of South Africa and the great sandi deserts of Australia. There are some other deserts which are called Rain-Shadow deserts. These are located in Temperate region. There we find only scanty covering of trees, plants and rainfall but these areas are severe cold. That's why these are called Cold desert. For example—Kijilkum of mid Asia, Tackle— Macan of China, Gobi of Monglia and the great Basin of North America etc.

The dry air raises up from the low pressure belt of the equatorial region and from the low pressure belt as the Polar region and it become cold and heavy. After that the area which are situated above 30· lat. The air becomes down to the lowered atmosphere. This air again blow to the equatorial low pressure north-east trade wind and South-east trade wind. Therefore, in the Sub-Polar region the wind current remain zero and it becomes a calm region and for this allmost all the deserts are located in this region. Again the trade wind blow over the land mass and this air mass unable to carry water vapour and so deserts are created.

THE CHIEF CHARACTERISTICS OF THE DESERTS ARE :

a) Scanty rainfall and plants.

b) Unfavourable conditions for cultivation.

c) People depends upon animals, like camel.

d) Population is very rare.

e) Undevelop civilisation.

The eminent American Geo-logist. W. M. Devis has put forth an idea which is known as "Devis Arid cycle of Erossion." According to him, the rocks of the earth surface are expanded in day time due to the severe temperature. On the other hand it again contracted in the nigth. Due to this expansion and contraction rocks of the earth surface become weak and breaks into sand perticles. This is called "Mechanical Weathering."

The action of wind in desert is very strong. Various types of sand-dune are formed by the wind action. The rocks of the deserts take verious shape due to the wind current. Zeugen, Yardang and Insellbury are formed for wind action. Sometimes the wind blown up sand perticles from some areas and deposited in some other places creating a deep Basin. In deserts we find only some kind of trees which is known as "Xerophytes'. In some places green grass also grow to some extent.

Though, it is very hardship to live in deserts, there are some people who has been living by great struggle with the Nature. Though, deserts are unfavourable to live even then about 700 million people inhabitated in Semi-arid region. There are some other people whom we know as "Bedouin," Toureg and Bushman etc.

After the discovery of gold in Australian desert, there are some modern cities.

Scientists suggested us to do a few things—

i) Plantation of trees.

ii) Reforest the hills and plains to take care of the top soil.

iii) Use other fuels and donot burn wood.

iv) Donot allow cattle to destroy green grass and plants as they like.

If we could do these the enviroment would remain safe. The earth would be more pleasant. In the long run we can say that "Deserts are the gaps of the World civilisation."

—❁—

WORDS OF WISDOM

"God's great power is in the gentle breeze, not in the storm."

— Ravindranath Tagore.

# বোবা উচুপনি

* কুমাৰ ভৈৰৱ বৰুৱা
মহাবিদ্যালয় ছাত্ৰাবাস

বেদনাহত ক্ষণত
কিয় জানো মনটো,
টুলুং-ভুটুং কৰে
হতাশাই বাট আগছে।

উদাস সন্ধিয়াই কঢ়িয়াই,
ভ্ৰান্ত পথিকৰ তপত হুমুনিয়াহ
আৰু ক্লান্ত পখীৰ
লেবেজান ডেউকাৰ পেপঁনি।

ভাবিছোঁ–
প্ৰতাৰিত হিয়াখন,
তিক্ত মনটি
ক'ত থম!
তোমাৰ কোলাত;– কিম্বা
নিষ্ক্ৰিয় মৌনতাত।
তাতো যে
সিক্ত হৃদয়ৰ
বোবা-উচুপনি ।



# তোমাৰ মৃত্যুত

* ফজলুৰ ৰহমান ফায়েজী
স্নাতক ১ম বাৰ্ষিক (কলা)

তোমাৰ মৃত্যুত
প্ৰলয়ৰ আগজাননী
আৰু কিছুমান
তেজ!
প্ৰথমতে, কিছুমান ধ্বনি
পিছত বন্দুকৰ আৱাজ গুৰুম্ গুৰুম্
নিশা শিয়ালৰ হোৱা হোৱা
প্ৰভাতত, মাতৃৰ হিয়াভঙা কান্দোন
মোৰ কলিজা
মোৰ তেজ !
একেবাৰে শেষত,
মৃত ভাতৃৰ পোৱা মঙহৰ সুগোন্ধ
আৰু এক মিনিট
মৌন প্ৰাৰ্থনা ।



# সপোনটো মোৰ (কথা-কবিতা)

শ্ৰীহীৰাজ্যোতি দাস।
*স্নাতক ১ম বাৰ্ষিক (কলা)*

এদিন সপোনত দেখিছিলো——মেঘৰ আঁৰে-আঁৰে
গুণ-গুণাই গীত গাই মোৰ পোহনীয়া নীলা চৰাইটো উৰি ফুৰিছে।
তাক দেখি মোৰ বৰকৈ খং উঠি গৈছিল ! কাৰণ তাৰ মুক্তি মই
নিবিচাৰো, সি মোৰ পোহনীয়া 'সজাৰ বন্দী' চৰাই। সি মোৰ
কিয় সজা ভাঙিব ? কিয় সি মোৰ মৰমক উপেক্ষা কৰি
মুক্তি বিচাৰিব ? এয়া মই সহ্য কৰিব পৰা নাই।
মই স্বাধীনতা দিব নোখোজো। কাৰণ তাক মই
বহুত মৰম কৰোঁ। সেয়ে সি মোৰ সজা শুৱনি
কৰাটোহে মই বিচাৰো। এইবোৰকে ভাবি
'অসহ্য বেদনা'ত মই চট্‌ফটাই আছিলোঁ।
তথাপি সাৰ পোৱা নাছিলোঁ।
সাৰ পালেই ৰক্ষা এই সপোনটোৰ
পৰা, ইয়াত পোৱা সীমাহীন বেদনাৰ
পৰা।



চট্‌ফটাই চট্‌ফটাই অৱশেষত মই সাৰ পাইছিলোঁ।
আৰু ততাতৈয়াকৈ বিচনাৰ পৰা উঠি তৰা-নৰা চিঙি মোৰ
চৰাই থকা সজাটো চাইছিলোঁ গৈ। কি যে আচৰিত এই
'সপোনবোৰ'। সজাটোতেই আছিল মোৰ চৰাইটো। আগৰদৰেই
একেথৰে চাই আছিল মোলৈ, "যেন তাৰ মোৰ সতে পাতিব লগা
বহুতো গুৰুত্বপূৰ্ণ কথা আছে"। আজিও আছে সি মোৰ
সজাতে; আগৰদৰেই থাকে মোলৈ চাই।

# তোমাৰ মৰম

** শ্ৰীদিগন্ত মনি বৰুৱা*
*স্নাতক ১ম বাৰ্ষিক (কলা)*

হঠাতে হেৰাই যোৱা
তোমাৰ মৰম
এতিয়া বাৰু ক'ত বিচাৰি পাম !
অন্ধকাৰত
নে পোহৰত ?
গোলাপ ফুলৰ গন্ধত,
নে আনজনাৰ হৃদয়ত ?
তোমাৰ বিৰহত
মোৰ হৃদয়ত
বাজি উঠিল
এটি কালজয়ী নতুন মৰম।
চকুৰ পানীৰে ধোৱা মৰমী বুকুত তোমাৰ সেই মৰম এতিয়া
শ-জনৰ গভীৰ প্ৰত্যয় লৈ
বাজি আছে মোৰ হৃদয়ত।



# সময়

* শ্ৰীহিৰেণ বৰুৱা
স্নাতক ১ম বাৰ্ষিক (কলা)



ভাওনাৰ ভাৱৰীয়া যেন প্ৰতিটো বছৰ
বছৰটিও চৰিত্ৰ মাথো সেই নাটকৰ।
আহে আৰু যায়
অনিৰ্দ্দিষ্ট মাথো সময় ।
ক'তনো কথা কয়
আৰু ক'তনো শিকায়
নুবুজো আমি
নকৰে আজি ।
নুবুজিলো গভীৰাই
সিয়ে যে আমাক শিকায়
তাতেই লুকাই আছে বহু তত্ত্ব ভাগৱতৰ
গমি চালে দেখা পাওঁ, সেই মূলমন্ত্ৰৰ।
আহে আৰু যায়
অনিৰ্দ্দিষ্ট মাথো সময় ।
ভাওনাৰ সাজেৰে সজ্জিত ভাৱৰীয়াটি
তালত তাল দি নাচোন ধৰে নাচনীটি।
সময়ে বুজায়
সময়ে শিকায়।
অপেক্ষিত নতুবা অপেক্ষিতা নহয় কাৰো হ'কে
আপোন-পৰ নুবুজে একোকে।
কৰিম কৰিম সকলোকে কৰিম
গুণা-গঁঠা লাগে মনত, কোনটো কৰিম !
আহে আৰু যায়
অনিৰ্দ্দিষ্ট মাথো সময় ।

# মোৰ তেজৰ বোলেৰে

* মৃদুল কুমাৰ চহৰীয়া
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)



এতিয়া মোৰ গাৱঁৰ ৰাজ আলিত,
মৃত্যুৰ কিৰিলি পৰা
জীৱনবোৰৰ সতে মই যুঁজ কৰো ।
এতিয়া মোৰ প্ৰভুৰ ৰক্ষিত
শিয়াল-কুকুৰৰ দাঁতে,
বখলা-বখল কৰে
গাৱঁৰ মানুহৰ তেজলগা মঙহ
চকুৰ পচাৰতে
ডাঙি নিয়ে জীয়া মানুহ.......আৰু
সিহঁতৰ তেজাল স্বপ্ন !
বৈ বৈ শুনোঁ ।—
মোৰ গাঁৱৰ পানী কেঁচুৱাৰ ঘন-ঘন উশাহ !
আটাহ পাৰি কান্দে ইনাই-বিনাই
বিধ্বস্ত গাওঁ ।
মোৰ গাঁৱৰ গাভৰুৰ
স্তনত অসুৰৰ বিহদাঁতৰ ঘা !
এতিয়া —
সন্ত্ৰাসত জৰ্জ্জৰিতা মোৰ ধৰ্ষিতা ভনীৰ সতে
আলচত বহো,
বাৰচেৰা, ওৰিয়া, মোগাড়িচুৰৰ
ৰাজপথৰ কথা কওঁ,
চকুলো টোকো........কাৰণ
ময়ো যেন আজি দেখিছোঁ
টোপা-টোপে সৰিব ধৰা তেজৰ নিয়ৰ,
ক'ত ধোও গা,
ক'ত থম হাত — তেজৰ নিজৰাত ?

# ৰক্তাক্ত জীৱন

* শ্ৰীচন্দ্ৰ কুমাৰ চহৰীয়া
স্নাতক ২য় বাৰ্ষিক (কলা)

সিহঁতৰ মাজত এন্ধাৰৰ আত্মবিশ্বাস
মনৰ মাজত নাচিছে ইচাত-বিচাত কৰি
সিহঁতৰ মনৰ দাঁত গজা নাই প্ৰাণত
মাতৃৰ স্তনত কামুৰি ধেমালি কৰিবলৈ
সূক্ষ্ম আগদাঁত মাথোন চাৰিটা ।
সিহঁতে ভোকত চিঞৰে বিষত চট্‌ফটাই
মনৰ বেদনাৰ প্ৰতিবাদ নাই ।
সিহঁতে নমৰ আলোকত
সামান্য দুখত
জ্ঞানহীন আত্মাৰ দৰে
নাই তাৰ প্ৰতিবাদ
সিহঁতৰ বেদনাৰ পৰা প্ৰতিবাদলৈ
বিস্তীৰ্ণ জয়াল ৰাতিৰ গাঢ় নিস্তব্ধতা
আন্ধাকাৰৰ একা-বেকা
যানহীন প্ৰাচীৰৰ দৰে লিঙলিঙীয়া বাট ।



# মোৰ মন পথাৰত

* মিচ্ নমিতা কলিতা
উঃ মাঃ ১ম বাৰ্ষিক (কলা)

লুইতৰ সিপাৰৰ
ভূমিপুত্ৰৰ নিশাৰ
চিঞৰটো
শুনি আছোঁ;
মোৰ মন পথাৰত,
কেঁচা তেজৰ গোন্ধ।
মোৰ বুকুখন
ভাঙি-চিঙি
ভাগ-ভাগ কৰি
কলিজাটো টানি লৈ যাব খোজে ।
তেজখিনি শুহি লৈ যাব খোজে ॥
এতিয়া, তেজপিয়াহঁতক চিনাৰ সময়
এতিয়া, বগা কাপোৰেৰে
তেজবোৰ মচি দিয়াৰ সময়
এতিয়া সময়,
মোৰ ভগা-চিগা বুকুখন
শান্তিৰ বেজীটোৰে
চিলাই দিয়াৰ ।



# হে নগ্নতা!

❋ কুমাৰ নিকুঞ্জ শৰ্ম্মা
স্নাতক ১য় বাৰ্ষিক (কলা)



(১)

সিদিনা তুমি নিশ্চয় আহিবা
আহিবা তুমি হাঁহিৰ ধুমুহা তুলি
য'ত নেকি বিধ্বস্ত মোৰ প্ৰেমৰ চহৰ !
তোমাৰ হাঁহিৰ খলকনিত
টুকুৰা-টুকুৰ হোৱা মোৰ
হৃদয়ৰ অট্টালিকাটো !
প্ৰৱঞ্চনাৰ বাবে, তাকেইটো নিবলৈ আহিবা?
আন একো নাপালেও
পাবা অন্ততঃ তাৰেই ভগ্নাৱশেষ!

(২)

মৌলৈ চোৱা,–কিমান কাতৰ ভাৱে
চাই আছোঁ তোমালৈ মই,
মাথো এবাৰ হ'লেও হাঁহা শব্দে
তোমাৰ সেই হাঁহি–প্ৰৱঞ্চনাৰ !

(৩)

সিদিনা তুমি নিশ্চয় আহিবা
আহিবা সেইদিনা তুমি
এখনি উকা বগা চাদৰ পিন্ধি।
এবুকু এবুকুকৈ নিঃশব্দে ঢাকি দিবা
মোৰেই সমগ্ৰ শৰীৰ !
তুমি নিজে নিজে নগ্ন হৈ ।
আস্! তুমি হাঁহিছা ?
কি ভীষণ তোমাৰ সেই হাঁহি
নগ্নতাৰ !

# অনুভূতি

* শিবানন্দ বৰা
স্নাতক ৩য় বৰ্ষ (কলা)

তোমাৰ প্ৰতি
মোৰ
আকৰ্ষণ আছে
বিকৰ্ষণ নাই
হ'ব পাৰা তুমি
অক্ষম
হ'ব পাৰা (তুমি)
আন এজনৰ
তথাপি.....
ভাল লাগে
প্ৰতিটো কামকে তোমাৰ
ভাল লাগে মোৰ তোমাৰ হাঁহিটো ।
তোমাৰ চাঁৱণি
ভাল লাগে মোৰ
তোমাৰ মিঠা কথাবোৰ
তোমাৰ সন্নিদ্ধ
ভাল লাগে............
..... ...... জানিছানে বাৰু?

সোধা যদি কমঃ
তোমাক মোৰ বৰ ভাল লাগে।




# শব্দৰ গুণ্‌গুণনি

* ইদ্ৰিছ আলি
অধ্যাপক

মোৰ বুকুৰ মাজেৰে
পথৰুৱা আলিবাটটো
সি গৈ নৈখনৰ পাৰত ৰৈছে
একোটাহঁত দামুৰি জাপ মাৰি
চেকুৰি যায়
থৰ-যুগুতি হেৰুওৱা এজাক
গৰখীয়া গীত ......
এটোল গাভৰুৰ খিল্‌খিলনিত
সাৰ পাই উঠে পথাৰখনে
ফাট্ মেলি ওলাই আহে যৌৱনৰ কুমলীয়া কৌহ
পীৰিতিৰ ৰীতি কি বুজে সিহঁতে
কাণ পাতি ওনায়
তেও নুশুনে
ৰুৰুৱাই জ্বলি থকা শব্দৰ গুণ্‌গুণনি ..........

# || তিনিটা হাইকু কবিতা ||

** শ্ৰী প্ৰশান্ত বেজবৰুৱা*
*স্নাতক ৩য় বাৰ্ষিক(কলা)*



## (১) বেদনা

মোৰ বুকুৰ ভিতৰৰ
কলিজা ফালি
সোমাই আহিল এটি বেদনা,

এতিয়া মই
এজন ক্লান্ত নাবিকৰ দৰে
দিশহাৰা ॥

** শ্ৰী মহাদেৱ নাথ*
*উঃ মাঃ ২য় বাৰ্ষিক (বিজ্ঞান)*

## (২) অপ্ৰত্যাশিত



চাও
সূৰ্য্যটোলৈ হাতমেলাচোন......

আস !
পাহাৰখনৰ পৰা
আৰু এটা শিল যে খহি পৰিল।

** শ্ৰী ললিত চন্দ্ৰ ডেকা*
*স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)*

## (৩) বিপ্লৱ

এই মাত্ৰ গম পালোঁ
তেওঁ হেনো ইয়ালৈকো আহিব,
বুৰ্জোৱা সকলৰ
চন্দুকৰ তলা ভাঙি

মনি-মুকুটাবোৰ
সৰ্ব্বহাৰাক বিলাই
দিবলৈ।



# THE DREAMLAND

**Sri Minakshi Sarma**
T. D. C 1st year

At midnight
I dreamt a dream ......
And entered my dream land with you ;
Aha ...... !
What a calm night !
There is a glow of light ; Chimes and Songs
All around us.

The rhythm of that song
We are dancing, dancing, dancing...
And feeling tired.

At last
Don't know why I awoke,
And discovered myself lying in bed.
There is neither you,
nor any fairy with me,
Playing upon a false shadow. ★

# FRIEND

**Sri Ranjit Deka**
T. D. C 2nd year
Arts Stream

Person without friends
Can you catch my point ?

Though you have many things
yet are blind.

To all the nice things
you can see.

Through friendship
That help you.

—★—

:: WORDS OF WISDOM ::

- "God is truth and light is shadow." — Plato.
- "Little deeds of kindness, Little words of love, Help to make earth happy, Like the heaven, above" — Jalia A Garney.
- "Love is only chatter, Friends all that matter." — Gelet Burgess.

# "ARDENT LOVE"

△ **Mahananda Barua**
T. D. C 3rd year

You, the beautiful one
You, the finest one.
And your attractive face
Always with a smile.

You are so loving
I long,
to see you for ever;
I long.
to go forward with you·

I am eager to spend
the whole of my love with you.

0000

# BIZARRE THOUGHT

△ **Miss Deka Gitanjali**
T. D. C 2nd year

Leave me alone
I'm here to weep alone.

But now,
I'm happy that at last 'it' came
Though the realisation came a
little later

I can fall in love too.

Your sparking eyes-hiding a smile
Already your image locked in my
memory

Because,
Your impressive impression
always impresses me.

0000

:: WORDS OF WISDOM ::

oo "Life is long if you know how to use it"– Seneca.
oo "Love of money is the root cause of all evil."— Testament.
oo "Lost time is never gained again." — Aughey.
oo "If money goes before, always doors lie open."— Shekespeare

By— Sri Bina Devi

**গল্প**

# নিশাৰ শেষত



মিছ জয়া দেৱী
স্নাতক ৩য় বাৰ্ষিক (কলা)

**লুং**লুঙীয়া বাটটোৰে আগবাঢ়িছে অজয়। এখন হাতত ভি. আই. পি. বেগটো আৰু আনখন হাতত তিনিবেটাৰীৰ টৰ্চ এটা। শুক্লপক্ষৰ নিশা যদিও বতৰটো গোমা বাবে বাট-পথ এন্ধাৰ হৈ আছে। সেয়েহে টৰ্চ জ্বলোৱাৰ প্ৰয়োজন হৈছে। অজয়ৰ ঠাণ্ডাও লাগিছে বেচ।

চিনাকী গাঁৱৰ চিনাকী বাটটোৰে আজি সুদীৰ্ঘ এবছৰৰ মুৰত সি গাওঁখনলৈ, বন্ধুৰ ওচৰলৈ তথা তাৰ পৈতৃক ভেঁটিটোলৈ উভতিছে। গাওঁখনৰ চিনাকী গোন্ধটো পাই অতীতৰ দুই-এটা কথা তাৰ মনলৈ আহিছে। মনত পৰিছে মাক-দেউতাকলৈ, ········· বাইদেৱেকলৈ। সৰুতেইতো তাৰ মাক-দেউতাক ঢুকাল। কম কষ্টৰ মাজেৰে বাইদেৱেকে তাক ডাঙৰ-দীঘল কৰা নাই! ন'হলে হয়তো, ইমান দিনে সি কাৰোবাৰ চুৰা-পাতনিত পৰি থাকিলে হয়গৈ। বাইদেৱেকৰ যত্নতে সি পি. ইউটো পাছ কৰি মিলিটাৰী চাকৰিত সোমাল। এতিয়া অৱশ্যে বাইদেৱেকে বোৱাৰীৰ সাজত অন্য এখন ঘৰ শুৱণি কৰিলেগৈ। সি চাকৰিলৈ যোৱাৰ সময়ত সিহঁতৰ যিকন মাটি-বাৰী আছিল তাৰ দায়িত্ব নবেন খুৰাক মানে তাৰ বন্ধু দীপকৰ দেউতাকৰ হাততে দি গৈছিল। গাওঁখনত তাৰ একমাত্ৰ আপোন বুলিবলৈ বৰ্ত্তমান দীপকহঁতৰ ঘৰখনেই আছে। গতিকে, সি গাওঁলৈ আহিলে পোন-ছাটেই এইখন ঘৰ পায়হি, তাৰ থকা-মেলা, খোৱা-লোৱা সকলোবোৰ এইখন ঘৰতেই হয়গৈ। কিছুদিন আগলৈকে এইখন ঘৰৰ অৱস্থাও সিমান টনকিয়াল নাছিল। নবেন খুড়াক স্বাধীনতা আন্দোলনৰ ভলণ্টিয়াৰ আছিল। সংগ্ৰাম কৰি ফুৰোতেই তেওঁৰ জীৱনটো পাৰ হ'বৰ হৈছিল। দেশ স্বাধীন হ'ল কিন্তু তেওঁৰ নিজৰ একো এটা নহ'লগৈ। চিকিৎসাৰ অভাৱত দীপকে তাৰ মাককো অকালতে হেৰুৱালে। মেট্ৰিকৰ দেওনা পাৰ হৈও ভনীয়েক মণিকাই কলেজত নাম লিখাব নোৱাৰিলে, কেৱল আৰ্থিক অভাৱৰ বাবেই। আৰু ভায়েক বিপুল? সি দুই-তিনিবাৰকৈ মেট্ৰিক দিও পাছ কৰিব নোৱাৰিলে। হঠাতে, সিয়ো এদিন ঘৰৰ পৰা নোহোৱা হ'ল। কি হ'ল, ক'ত গ'ল কোনেও নাজানিলে। তাৰ পিছত কেতিয়াবা ৰাতি-ৰাতি ভুটুংকৈ ওলাইহি, ভনীয়েক মণিকাই কিবা খাবলৈ দিলে

নাকে-মুখে গুজি দি আকৌ কৰবালৈ গুচি যায়। ক'লৈ যায়, ক'ত থাকে সুধিলেও কাকো নকয়। আৰু দীপক? অজয়ৰ লগতে একেলগে পি, ইউটো পাছ কৰিও ইমান দিনে ঘৰতে বহি আছিল। অলপতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ চাকৰিটো পোৱাতহে যেনিবা ঘৰখনৰ অৱস্থাও অকণমান ভাললৈ অহিছে।

অজয়ে এইবাৰ এমাহৰ ছুটি লৈ আহিছে। আহোতে দীপকহঁতৰ ঘৰৰ আটাইকেইটিৰ বাবে কাপোৰ-কানিও লৈ আহিছে। খুড়াকৰ বাবে ধুতি-চোলা, দীপক আৰু বিপুলৰ কাৰণে পেণ্ট-চাৰ্ট আৰু মণিলৈ ধুনীয়া ৰঙা পাটৰ সাজ এযোৰ। আচলতে, কইনাৰ বেশত মণিজনীক সি নেদেখিলে। মণিৰ বিয়ালৈ বুলি সি ছুটি লৈ আহিছিল যদিও তাইৰ বিয়াৰ কেইদিনমান আগতেই তালৈ অহা এখন জৰুৰী টেলিগ্ৰামে তাক টানি লৈ গৈছিল, তাৰ নিজ কৰ্মক্ষেত্ৰলৈ। সি যাবলগীয়া হোৱাত গোটেই ঘৰখনে কম দুখ কৰিছিলনে! অনিচ্ছা স্বত্ত্বেও অজয় গুচি গৈছিল। মণিয়ে যে কিমান কান্দিছিল সেইদিনা! বেচেৰী মণিজনীলৈ তাৰ বেয়া লাগি গ'ল। অজয়ে কল্পনা কৰিলে, "মণিজনীক চাগে কইনাৰ সাজত কিমান ধুনীয়া লাগিছিল! এতিয়া মানে তাইৰ চাগে নোদোকা ল'ৰা এটা হৈছে। অ'—, সি পাহৰিয়েই গ'ল যে তাৰ বাবেও কিবা এটা লৈ আনিব পাৰিলেহেঁতেন। কিন্তু ··· কি আনিলেহেঁতেন বাৰু? ল'ৰা নহয় যদি ছোৱালীহে ··· ···· ···· আৰু সি ভবাৰ দৰে যদি একোৱেই হোৱা নাই? ছেঃ— মিছাকৈয়ে লাজত পৰিব লাগিলহেঁতেন। একো ননাটোৱেই চাগে ভাল হ'ল। লাগিলে ইয়াতেওটো পোৱা যাব।"

"কালি ৰাতিপুৱাতেই মণিহঁতৰ ফালে পাক এটা মাৰিব লাগিব।" —অজয়ে ভাবিলে। তাইক গৈ সি ক'ব— "চোৱা মণি, তোমাৰ বিয়াতটো মই জলপান খাবলৈ নাপালোৱেই; গতিকে বিয়াৰ জলপান এতিয়াহে খাবলৈ আহিলো।"

কুকুৰ এটাৰ ভুক-ভুকনিত অজয় সচকিত হৈ উঠিল। গোটেই বাটছোৱা এইবোৰ কথাকে ভাবি-ভাবি আহি থকা অজয়ে দীপকহঁতৰ কুকুৰটোৰ ভুকনি শুনিহে গম পালে যে, সি ইতিমধ্যেই দীপকহঁতৰ নঙলামুখ পালেহি। সি কুকুৰটোলৈ চাই হাঁহিলে। চিনাকী আলহীক দেখা পাই কুকুৰটোৱেও নেজ জোকাৰি তাৰ স্বভাৱসুলভ আতিথ্য আগবঢ়ালে। জপনাখন খুলি অজয় ভিতৰলৈ সোমাই গ'ল আৰু একেবাৰে আগফালৰ বাৰাণ্ডাত উঠিলে গৈ। অজয়ে দুৱাৰত টুকুৰিয়াই গৃহস্থক নিজৰ উপস্থিতি জনালে। "এই সময়ত নো আকৌ কোন ওলালহি?"— ভাবি-ভাবি হাতত লেমটো লৈ দীপক ওলাই আহিল।

—'আৰে অজয় তই! একেবাৰে খবৰ-বাতৰি নিদিয়াকৈ ওলালিহি যে! ভালে-ভালে আহিছটো! এই সময়ত, আহোতে চাগে বৰ কষ্ট পাইছ; নহয়নে? আৰে, থিয় হৈ ৰলি যে; ভিতৰলৈ নাহ কেলেই?"

অসময়ত অজয়ক দেখি দীপকে পাহৰিয়েই গৈছিল যে অজয় বাহিৰতেই ৰৈ আছে। এতিয়া কথাটোৰ আঁত ধৰিব পাৰি তাক ভিতৰলৈ মাতিলে। অজয় সোমাই আহিল।

— "দেউতা জুহালিৰ ওচৰতে বহি আছে। তয়ো তাতেই বহিবিগৈ ব'ল।"

দীপকে অজয়ক ভিতৰলৈ লৈ গৈ বহিবলৈ মুঢ়া এটা দিলেহি। অজয়ে মুঢ়াটো চপাই নি খুড়াকৰ ওচৰতে বহি ললে আৰু খুড়াকৰ লগত ইটো-সিটো কথা পাতিলে। অজয়ে জুইকুৰাৰ ওচৰতে হাত দুখন মেলি দি দীপকক সুধিলে—

— "বিপুলক যে দেখা নাই? সি নাই নেকি অ', দীপক? মণিৰ ভালনে বাৰু?"

— "আগতে তোৰ খবৰ কচোন; একেবাৰে মনে-মনে ওলালিহি যে?"

— "মোৰনো আৰু কি? তহঁতলৈ মনত পৰিল; আহি গ'লো। একেবাৰে এমাহৰ বাবে, বুইছ।"

— "অ, তই মুখ-হাতখিনি ধুই লচোন। মনি অ' মণি, এয়া কোন আহিছে চাচোন। আহোতে মুখ-হাত ধুবলৈ গৰম পানীও লৈ আহিবি।"

পাক-ঘৰৰ পৰা পানী এঘটি লৈ মণি ওলাই আহিল। —"আৰে, মণি দেখোন? কেতিয়া আহিছ? ৰঞ্জুনো আহিছে নেকি? নুমাব ধৰা জুইকুৰাত শুকান খৰি কেইডালমান জাপি দি অজয়ে সুধিলে। — "অজয় দা,

—"অজয় দা, আপোনাৰ ছাগে বৰ ঠাণ্ডা লাগিছে; নহয় জানো? ৰব, মই গৰম চাহ একাপ আনোগৈ।" পানীৰ ঘটিটো অজয়ৰ ওচৰতে থৈ তাই সাউতকৈ পাকঘৰত সোমালগৈ।

মণিৰ এনে আচৰণত অজয় আচৰিত হ'ল। তেতিয়াহে সি লক্ষ্য কৰিলে সকলোৰে মুখত যেন কিবা এক বিষাদৰ ছাঁ। সকলোকে যেন কিবা এক বুজাব নোৱাৰা দুখে হেঁচি ধৰিছে। এই প্ৰথম সি লক্ষ্য কৰিলে যে সকলোৰে মুখবোৰত এক উদাস উদাস ভাৱ। সি সোধা প্ৰশ্নটোৰ মণিয়ে পোন-পটীয়া উত্তৰ নিদিলে। তাইৰ মুখখন যেন একেবাৰে বাৰিষাৰ গোমা আকাশখনৰ দৰে। খুড়াক আৰু দীপকৰ মুখতো আগৰদৰে হাঁহি-মাত নাই। আগতে অজয় আহিলে গোটেই ঘৰখনে কিমান হাঁহি-স্ফূৰ্তি কৰে! অথচ আজি কি হ'ল? নিশ্চয় কিবা এটা হৈছে। সন্দেহ এটাই তাৰ মনত জুমুৰি দি ধৰিলে।

সি দীপকক সুধিয়ে পেলালে—

—"দীপক, মণিয়েচোন মই সোধা কথাৰ উত্তৰেই নিদিলে। কিবা হৈছে নেকি তহঁতৰ?"

অজয়ৰ কথা শুনি দীপকে এটা হুমুনিয়াহ পেলালে।

—"সেইবোৰ বহুত কথা অজয়!"

—"বহুত কথা? কচোন কি হৈছে?"

—"পিচত কম বাৰু।"

অজয়ে বুজিলে যে খুড়াক ওচৰত বহি থকা বাবেই দীপকে কবলৈ ইতঃস্তত: কৰিছে। কথাটো জানিবলৈ তাৰ উচপিচ লাগিল যদিও মনে মনে থাকিল। ইতিমধ্যেই মণিয়ে তাক গৰম চাহ একাপ আনি দিলে।

ভাত-পানী খাই শুবলৈ যোৱাৰ সময়ত অজয়ে দীপকক আকৌ সুধিলে—

—"তহঁতৰ কি হৈছে নকলি যে?"

দীপকে অজয়লৈ এক কৰুণ দৃষ্টিৰে চাই শেঁতা-হাঁহি মাৰি ক'লে—"নোশোৱনো কেলেই?"

—"আস্, তহঁতৰ কি হৈছে মোক ভাঙি-পাতি ক।" অধৈৰ্য্য হৈ গ'ল অজয়।

—"শুন তেনেহ'লে।"

দীপকে কৈ গ'ল—

—"সেইবোৰ তই যোৱাৰ কেইদিনমান পিচৰ কথা। মণিৰ বিয়ালৈ আৰু মাত্ৰ চাৰিদিনমান বাকী। সেইদিনা মই বজাৰলৈ গৈছিলো। দেউতা আৰু মণি ঘৰতে আছিল। বজাৰ কৰোতে মোৰ পলম হ'ল। উভতিবলৈ গাড়ী নোপোৱাত মাহীহঁতৰ ঘৰতে থাকিলো। ৰাতি বোলে বিপুল আহিছিল। কৰ্কৰা ভাত কেইটামান খাই শুচি গৈছিল। সি যোৱাৰ কিছু সময় পিছতে তাক বিচাৰি কেইবাজনো সশস্ত্ৰ সামৰিক বাহিনীৰ লোক আহি উপস্থিত। প্ৰথমতেই দেউতাক ক'লে বিপুলক উলিয়াই দিবলৈ। দেউতাই সঁচা কথাকে ক'লে যে সি এইমাত্ৰ ওলাই গৈছে, ক'লৈ গৈছে নাজানে। বিপুলক উলিয়াই দিব নোৱাৰাৰ বাবে সিহঁতে দেউতাক বাহিৰলৈ উলিয়াই আনি পাৰে-মানে মাৰিলে। দেউতা অজ্ঞান হৈ পৰি থাকিল। তাৰ পিছত পিশাচহঁতে মণিক ক'লে বিপুলক উলিয়াই দিবলৈ। তাইনো ক'ৰ পৰা তাক উলিয়াই দিব? বিপুলক নাপাই সিহঁতে মণিৰ ওপৰত চলালে পাশৱিক অত্যাচাৰ। মণি পিশাচহঁতৰ কামনাৰ বলি হ'ল অজয়"—এইখিনি কৈ দীপকে হুক-হুকাই কান্দি পেলালে। তন্ময় হৈ শুনি থকা অজয়ে তাক সান্তনা দিয়াৰ ভাষা বিচাৰি নাপালে। অলপ সুস্থ হৈ দীপকে পুনৰ আৰম্ভ কৰিলে— "পিচদিনা পুৱা মই আহি দেখো বিচনাত পৰি মণিয়ে উচুপি আছে। বাহিৰৰ বাৰাণ্ডাত নিৰ্বিকাৰ দেউতা। চোতালখনত গোটেই গাঁৱৰ মানুহবোৰ। কিন্তু সকলোবোৰেই নীৰৱ; সকলো-বোৰেই যেন বোবা হৈ গৈছে। শেষত বায়ন খুড়াই সকলোবোৰ ক'লে।"—কথাখিনি কওঁতে দীপকৰ মাতটো আবেগত থোকা-থুকি হৈ পৰিছিল।

—"জান অজয়, পিশাচবোৰক এটা এটাকৈ পিহি মাৰিবৰ মন গৈছিল। কিন্তু কি কৰিবি? উপায় জানো আছে? দেশৰ আইন জানো আমিবোৰৰ বাবে?"

—"তাৰ পিচত?"

—"তাৰ পিছদিনাই ৰঞ্জনৰ বৰদেউতাকে আহি খবৰ দিলে যে সিহঁতে মণিক বিয়া নকৰায়। কাৰণ তাই ধৰ্ষিতা, তাই কলঙ্কিতা। মোৰ মুৰত যেন আকাশী সৰগখন ভাগি

পৰিল। মণিয়ে কান্দোনত গছৰ পাত সৰালে। কিন্তু হ'লে কি হ'ব, সিহঁতে সেই তাৰিখতেই বেলেগ এজনীৰ লগত ৰঞ্জনৰ বিয়া পাতিলে। মণি ঘৰতেই থাকিল। আমাৰ আঁশাবোৰো নিৰাশাত পৰিণত হ'ল।"

— "দীপক, তই ইমান দিনে এই কথাবোৰ মোক জনোৱা নাই কিয় ?

— "তই দুখ পাবি বুলিয়েই ......... ।"

— "এইবোৰ কথা মোক নজনোৱাটো তোৰ ভুল হৈছে, দীপক।"

— "অৱশ্যে তোক জনাব লাগিছিল। স্বীকাৰ কৰিছো এয়া মোৰ ভুল হৈছে। বাৰু, এতিয়া কিমান সময় হ'ল চাচোন ?"

অজয়ে ঘড়ীটোলৈ চালে।

— "এক বাজিল।"

— "বহু ৰাতি হ'ল ; এতিয়া শুই থাক " মুৰে-গায়ে কম্বলখন মেৰিয়াই বিচনাত দীঘল দি পৰি দীপকে অজয়ক ক'লে কথাষাৰ। অজয়েও তাৰ ওচৰতে শুই পৰিল, কিন্তু সি টোপনি যাব নোৱাৰিলে।

দীপকৰ কথাবোৰ শুনি তাৰ চকুৰ পতা দুটা সেমেকি গৈছিল। চকু দুটা মুদি অজয়ে ভাবিবলৈ ধৰিলে মণিৰ কথাবোৰ। দেশত আজি কিমান মণিৰ এনে দশা হৈছে বাৰু ? হাজাৰ হাজাৰ মণিয়ে আজি এচাম বৰ্বৰ পিশাচৰ হাতত লাঞ্ছিত, অপমানিত হৈ চকুলো টুকি দিন কটোৱা নাইনে ? আৰু ৰঞ্জনহঁত, সিহঁত কাপুৰুষ নহয়নে ? কিয় সিহঁতে মণিহঁতক আশ্ৰয় দিব নোৱাৰে ? কাৰণ সিহঁত কলঙ্কিতা, ধৰ্ষিতা। কিন্তু সঁচাই জানো মণিহঁত কলঙ্কিতা ? কোনোবাই সিহঁতক এক নিৰাপদ আশ্ৰয় দিব নোৱাৰিবনে ? নে এইচাম মণিয়ে এনেকৈয়ে তিল-তিলকৈ নিঃশেষ হৈ যাব ? এয়া কি সিহঁতৰ দোষ ?

ৰঞ্জনৰ ছবিখন তাৰ ওচৰত ভাহি উঠাত সেইখনৰ ওপৰত বিতৃষ্ণা লাগি গ'ল অজয়ৰ।

— "সমাজত আজি মনুষ্যত্ব নোহোৱা হৈ গৈছে। পিশাচহঁতৰ অত্যাচাৰত দেশৰ নাৰীৰ দুৰ্দশাৰ সীমা নোহোৱা হৈছে।" — ভাবিলে অজয়ে। "আৰু বিপুলহঁত ?"

— সিহঁতৰ ওপৰতো খং উঠি গ'ল অজয়ৰ,— "হুঃ, বিপ্লৱী ; তিৰোতাৰ আঁচলৰ তলত লুকাই দেশ স্বাধীন কৰে। সঁচাই যদি বিপ্লৱেই কৰিব খুজিছ সমুখ সমৰলৈ ইমান ভয় কিয় তহঁতৰ ? এনেদৰে তিৰোতাৰ আঁচলৰ আঁৰত লুকাই কিহৰ বিপ্লৱ কৰিব খুজিছ ? আৰু তহঁতৰ এই বিপ্লৱৰেই সুযোগ লৈ পিশাচহঁতে লুটি লৈ গৈছে তিৰোতাৰ অমূল্য সম্পদ, সতীত্ব। ধন্য বিপ্লৱী বীৰ !!"

— ব্যঙ্গত তাৰ ওঠযোৰ কেকুঁৰি গ'ল।

"মণিয়েতো একো দোষ কৰা নাই, একো পাপ কৰা নাই। তেন্তে কিয় তাইৰ আজি এই অৱস্থা। কিয় ৰঞ্জনৰ দৰে শিক্ষিত ল'ৰা এজনে তাইক আকোৱালি ল'ব নোৱাৰিলে ? এয়ে নেকি সিহঁতৰ শিক্ষিত আচৰণ। নাই নাই, এনে হ'বলৈ দিব নোৱাৰি। ময়েই কিবা এটা কৰিব লাগিব। অন্ততঃ এজনী মণিকতো মই উদ্ধাৰ কৰিব পাৰিম। অ, ময়েই আকোৱালি ল'ম মণিক, ময়েই তাইক বিয়া কৰাম।"

— কথাখিনি ভাবি অজয়ৰ মনত বেচ ফৰকাল লাগি গ'ল আৰু সি টোপনিৰ কোলাত ঢলি পৰিল। সপোনত অজয়ে দেখিলে — "সি অনা ৰঙা পাটৰ সাজযোৰ পিন্ধি মণিয়ে তালৈ চাই হাঁহিছে। সেওঁতাৰ মাজত জিলিকি থকা সেন্দুৰখিনি আৰু কপালৰ সোঁমাজৰ ৰঙা সেন্দুৰৰ ফোঁটটিৰে তাইক তেতিয়া অপূৰ্ব দেখাইছিল।"

পুৱা শুই উঠি চাহ-জলপান খোৱাৰ পিচত অজয়ে দীপক আৰু খুড়াকক মাতি আনি ক'লে— "খুড়াদেউ, বেয়া নাপায় যদি কথা এটা ক'ব খোজো।"

"নকৰ'নো কেলেই।"— গহীনাই উত্তৰ দিলে নবেন খুড়াকে।

"মই......... ম....য়ে....ই.... মণিক বিয়া কৰাব খোজো।"

"তই এয়া কি কৈছ অজয় !" — দীপক আৰু খুড়াক দুয়ো প্ৰায় একেলগে চিঞৰি উঠিল।

"অ' দীপক, মণিক মই পুনৰ জীয়াই তুলিব বিচাৰো। তাইৰ জীৱনটো মই অথলে যাবলৈ দিব নোৱাৰো। তাইৰ মুখৰ হাঁহি মই মাৰ যাবলৈ দিব নোৱাৰো দীপক। তই জানো তাই সুখত থকাতো নিবিচাৰ ? কওঁক খুড়াদেউ, আপোনালোক সন্মত নে ? মোৰ ইচ্ছা আপোনালোকে

পূৰণ নকৰিবনে ?''— করুণ দৃষ্টিৰে খুড়াকৰ ফালে চাই সুধিলে অজয়ে।

''তোমাৰ ইচ্ছা পূর্ণ হওঁক। তুমি দীর্ঘায়ু হোৱা বাছা। তই মোৰ বৰ ডাঙৰ উপকাৰ কৰিলি।''— থোকা-থুকি মাতেৰে ক'লে খুড়াকে। হৃদয়ৰ একোণত ইমানদিনে বৈ ফুৰা দুখৰ বোজাটো অজয়ে আহি পাতলাই দিয়াত খুড়াকৰ দুচকুৰে আনন্দাশ্রু নিগৰি আহিছিল।

''তই মানুহ নহ'ৱ' অজয়, তই দেৱতা। তোৰ এই দেৱত্ব গুণে তোক মহীয়ান কৰি তোলক, বন্ধু।''

—ইমান সময়ে তন্ময় হৈ অজয়ৰ কথা শুনি থকা দীপকে আনন্দতে অজয়ক সাৱত মাৰি ধৰি ক'লে কথাখিনি। দীপকৰ তেতিয়া এনে লাগিছিল যেন সেয়া অজয় নহয়, অজয় নামধাৰী কোনোবা দেৱতাহে।

তেতিয়া কুঁৱলিৰ ডাঠ আৱৰণ ফালি এচেৰেঙা কোমল ৰ'দ দুয়োৰে গাত উবুৰি খাই পৰিছিলহি।

আথলৰ ভিতৰৰ পৰা সকলো কথা শুনি থকা মণিয়ে হয়তো উপলব্ধি কৰিছিল যে,— তাইৰ জীৱনলৈও পোহৰ আহিছে— ঠিক পুৱাৰ ৰঙচুৱা বেলিটোৰ দৰেই।

—ΔΔ—

## মহৎ লোকৰ বাণী

০০ ''নতুন বন্ধু আৰু পুৰণি শত্রুক বিশ্বাস নকৰিবা।''

— কেলি

০০ ''দৰিদ্ৰতাক আমি শেষ কৰিব লাগিব, নহ'লে দৰিদ্ৰতাই আমাক শেষ কৰিব।''

— ওলচান্দ নন্দী

০০ ''কাম কৰোতে সময় লোৱা। যিমানেইততাতৈয়াকৈ কৰিবা সিমানেই সময় অপচয় হ'ব।

— বেঞ্জামিন ফ্রেকলিন

০০ ''কর্ত্তব্য জ্ঞানে লোকক উদাৰ, মহৎ কৰে, এলাহে অধম কৰে।''

—সত্যনাথ বৰা

০০ যিটো সত্য তাৰ আবিষ্কাৰ আৰু যিটো ভাল তাৰ অভ্যাস দুয়োটাই দর্শনৰ মূল তথ্য।

— ভলটেয়াৰ




মহঃ লুতফুৰ জামান
স্নাতক ২য় বাৰ্ষিক

বতৰটো ক্ৰমান্বয়ে ফৰকাল হৈ আহিছে। ক'লা কজলা ডাৱৰবোৰে পলৰীয়া অশ্বাৰোহীৰ দৰে মেৰুৰ পিনে ঢাবিত হৈছে আৰু তাৰ ঠাইত চপৰা চপৰ শুকুলা মেঘেৰে আকাশ খন ভৰি পৰিছে। প্ৰকৃতিৰ বুকুত বসন্তৰ হীৰন-কিৰন! সদ্যস্নাত কুঁহিপাত বোৰত আবেলিৰ কোমল বদালি প্ৰতিফলিত হৈছে। দিমিলাৰ পাৰ খুৱাই শত-শত এজাৰ সোনাৰু ফুলিছে। মৃদু বতাহত সিহঁত হালি জালি নাচিছে; ৰাশি ৰাশি ফুল পাহি তল ভৰি সৰিছে। কিযে! প্ৰাণ চঞ্চল কৰা মনোমোহা পৰিবেশ। যেন কোনোবা সৰগৰ দেৱতাৰ বৰত কৃপাধন্য হৈ প্ৰকৃতিয়ে ধৰাত ৰঙৰ পোহাৰ মেলিছে।

কিন্তু তাৰ মনৰ কৰণিত জানো আজি বসন্ত নামিছে। তাৰ মনৰ দিগন্ত প্ৰসাৰী ক্লান্ত ফাগুণৰ অস্পষ্ট প্ৰচ্ছায়া। পাতসৰা ফাগুণৰ গছবোৰ যেন তাৰ হৃদয়ৰ সীমাহীন বেদনাৰ প্ৰতিকৃতি; আৰু সৰা পাতবোৰ যেন তাৰ বিপৰ্য্যস্ত বাসনাৰ নিঃকৰুণ স্বাক্ষৰ। সি যেন দ্বাদশীৰ অপেক্ষাৰত কোনোবা এন্ধাৰ দেশৰ পথভ্ৰষ্ট পথিক। চকু মুদিলেই সি দেখে এখন পংগু, ধ্বংসমুখী সমাজৰ প্ৰতিচ্ছবি; কান উনালেই সি শুনে শত ক্ষুধাতুৰ ৰুগ্নৰ করুণ আৰ্তনাদ; আনকি আৰ্চিৰ সন্মুখতো সি দেখে কোনোবা ৰক্তপ্লুত প্ৰেতাত্মাৰ ভয়ংকৰ প্ৰতিবিম্ব।

বহু অপেক্ষাৰ অন্তত সি এজাক বৰষুণৰ সান্নিধ্য লাভ কৰিলে। আকাশ নিগৰি নিগৰি পৰা এজাক খৰালিৰ বৰষুণ। তাৰ চন্দোময় মুকুটাৰ দৰে টোপালবোৰে পাতে-পাতে জৰ-জৰণি তুলিছিল।

ফুল কলি বোৰে নিঃৰবে অৱগাহন কৰিছিল। বৰষুণৰ পানী শুকান মাটিত পৰি মলমলীয়া গোন্ধ ওলাইছিল। এই কেচা মাটিৰ গোন্ধ তাৰ বৰ ভাল লাগে।

ইকবালৰ সৈতে সি সিদিনা কপাহতলি গাৱঁলৈ ফুৰি-বলৈ গৈছিল। পানী নিবলৈ নদীলৈ আহিছিল সেই গাভৰুজনী। তাইৰ আবেগত তৃরু তৃরুকৈ কঁপা বুকুৰ উন্মা-দনা, গোলাপী দুই অধৰত মিছিকীয়া হাঁহিৰ আভা খেলি লাজত ৰঙা পৰা তুখনি গালৰ ডিম্পলত নিবলে হেৰাই যায়।

বুজিছা অলকেশ, এইয়া বাসন্তী বৌৰ একমাত্ৰ ছোৱালী। ককাইদেউ, বাসৱ মহাজনৰ হলাৰ মিলৰ শ্ৰমিক আছিল। পিছে যোৱা মাহত বুকুৰ বিষ হৈ ঢুকাল। বৰ বেয়া লাগে বুজিছা।

কি নাম তোমাৰ ভনীটি?

শেৱালি।

নিয়ৰত তিতা শেৱালিৰ দৰেই স্নিগ্ধ আৰু পৱিত্ৰ। তাইৰ দেহৰ প্ৰতিটো অংগই তুলনাহীন ৰূপ আৰু কমনীয়তাৰ স্বাক্ষৰ বহন কৰিছে।

কিন্তু তাইৰ এই অপৰূপ ৰূপৰ জানো কিবা মূল্য

আছে। আছে জানো কিবা মূল্য তাইৰ পাহাৰীয়া নিজৰাৰ সুৰৰ দৰে অপূৰ্ব কণ্ঠৰোলৰ। শতিকাযোৰা দৰিদ্ৰতাৰ শৃংখলত তাইৰ ভুভৰি আৱদ্ধ। তাই দুখীয়া সেয়ে তাই দুৰ্ভগীয়া।

এমুঠি অন্নৰ বাবে বা এখনি বস্ত্ৰৰ বাবে হয়তো বলি হব তাইৰ কৌমাৰ্য্য কোনোবা কামুক পুৰুষৰ কামনাত। তাইৰ আশাবোৰ সৰা শেৱালিৰ পাহিৰ দৰে মৰহি যাব।

শেৱালি ইতিমধ্যে শুচি গৈছিল।

হলাৰ মিলৰ ঘচ্ ঘচ্ শব্দই তাৰ চিন্তাত যতি পেলায়। শিল বৰষুণৰ বাবে হয়তো শ্ৰমিক বোৰে ইমান সময় মিল বন্ধ ৰাখিছিল। শব্দ প্ৰদূষণ। কিমান ডেচিবলৰ শব্দৰ সৃষ্টি হৈছে বাৰু? নিশ্চয় শ্ৰবন পৰিসীমাৰ ওপৰত।

বুজিছা অলকেশ, মহাজন মানুহটো সিমান ভাল নহয়। আমাৰ হাজিৰাটোও ঠিক মতে দিব নোখোজে। ছুটি আদিৰ কথাটো কবই নোৱাৰি, একদম ডাং খাই উঠে। আৰু কি জানা সি ভাল ভাল মাইকীবোৰক বেয়া নজৰ কৰে। সি বোলে কিবা পিৰিটি কৰিব খোজে। থুই কটা! ষাঠি বছৰীয়া বৃদ্ধৰ আকৌ প্ৰেম। অলকেশে ঘৃণাত নাক কোচালে।

এবাৰ কি হ'ল জানা সেই বুঢ়ৰাম; যোৱা বছৰ কুকুৰ বিষ হৈ যে ঢুকাল। বেচেৰাই মহাজনৰ মিলৰ আৰু দোকানৰ বস্তা ডাঙিয়েই বুকুৰ বিষ কৰিলে। তাক সাহায্য দিয়া দূৰৰে কথা, পুৰণা ধাৰৰ নামত যি দুই হালিচা মাটি আছিল তাকো আত্মসাৎ কৰিলে। ভাল চিকিৎসা পালে সি কিজানি বাচিলেহেঁতেন। ৰমজানে আক্ষেপেৰে তাক কথাখিনি কৈছিল।

কিয় বাৰু এই খাটি খোৱা মানুহখিনিৰ অৱস্থাৰ উন্নতি নহয়। কিয় বাৰু তাৰ দৰে ডেকাবোৰে বঘুমলাৰ দৰে প্ৰসাৰিত মহাজনৰ কু-চক্ৰান্তৰ কথা জানিও প্ৰতিবাদ নকৰে।

মহাজনৰ ডাঙৰ ল'ৰাটো বোলে ড্ৰাগএডিক্ট। ব্যভিচাৰী বাপেকৰ ব্যভিচাৰী সন্তান হিচাপে সি হয়তো ড্ৰাগচৰ এখন সুন্দৰ বিজিনেচ গঢ়ি তুলিব। উঠি অহা চামৰ ভৱিষ্যৎ ধ্বংস কৰিবলৈ এটা ড্ৰাগচৰ সৰু মাফিয়া দলেই যথেষ্ট। কিয় বাৰু সিহঁতে প্ৰতিবাদ কৰিব নোৱাৰে। সিহঁত বাকৰুদ্ধ, নিশকটীয়া কিয়? কিয়??

আহক ৰাইজ আপোনালোকৰ পছুলিত এইয়া মই সোণৰ সোলেং লৈ ৰৈ আছো। লক্ষ্মী দেৱীৰ কৃপাধন্য হ'লে কোনে জানে আপুনি মাত্ৰ দু টকাৰ বিনিময়ত হৈ পৰিব পাৰে এক লক্ষ টকাৰ গৰাকী। আপোনাৰ ঘৰ, গাড়ী, মাটি সকলো হব, মাত্ৰ দু টকাৰ বিনিময়ত। এক লক্ষ টকা! এক লাখ টকা। ক'লা বিতচকু পিন্ধা পিছ পিনে দীঘলকৈ চুলি ৰখা ল'ৰা এটাই মাইকত এইদৰে কৈ আছিল। নিমিষতে চকটো মানুহেৰে ভৰি পৰিল। মানুহ বোৰৰ সাজ পাৰ চালেই চিনিব পৰা যায় এওঁলোক সমাজৰ নিম্ন শ্ৰেণীৰ মানুহ। টিকটৱালা ডেকাটোৱে ফটাফট টিকট বেচাত লাগিছে।

ৰমজানে বমিচাক কৈছে বুজিছা ৰমি! এদিন এন্ধাৰত কটালে একো ক্ষতি নহয়, পিচে এই দু টকাত যদি খোদাৰ ফজলে এক লাখ টকা খুটি যায়! ঘৰত ইলেকটেৰী কাৰেন জ্বলিব বুজিছা বুলি সি কেৰাচিন আনিবলৈ নিয়া টকা দুটা কঁকালৰ খোচনিত লৈ দৌৰি টিকটৱালাৰ কাষ পালেগৈ। মানুহবোৰৰ আগ্ৰহ দেখি তাৰ বৰ দুখ লাগিল। হায়! আশাত বন্দী দৰিদ্ৰ নৰ! তই হব নোৱাৰ লক্ষ টকাৰ গৰাকী। এয়াযে ঠগ প্ৰৱঞ্চনা। শোষণৰ এক আংশিক গ্ৰহণযোগ্য পথ! শুনিব জানো কোনোবাই মোৰ সাৱধান বাণী? নাই নুশুনে কাৰণ সিহঁতৰ চকুৰ পতাত নাচি আছে লক্ষ টকাৰ জিকমিকনি। ৰমজানে বোলে টিকটটো কোৰাণৰ মাজত ৰাখিব; খৰ্গেশ্বৰে হয়তো গীতাৰ মাজত ছাগে এৰা! নথৰনো কিয়! কাৰনো ইচ্ছা নাই এসাজ পেট পুৰাই খোৱাৰ, ঈদে, পূজাই এযোৰ নতুন সাজ পিন্ধাৰ।

দিগন্ত প্ৰসাৰি তমসাৰে এটি সন্ধিয়াৰ আগমণ হ এনেকুৱা সন্ধিয়াতে যেতিয়া দৈত্যৰ দৰে এন্ধাৰে দিনমনিৰ শেষ কিৰণ-নো নিঃশেষ কৰে। সি আৱেগ আৰু ভাবৰ দোমোজাত সন্ধিহীন হৈ পৰে।

অকলশৰীয়া সি বৰ বিষয়। দৰিদ্ৰ সি ৰুগীয়া মাকক ভাল চিকিৎসা দিয়াৰ সামৰ্থ্য নাই তাৰ। সি মাকৰ কাষত বহে। তুহ জুইকুৰাৰ তাপ লৈ তাৰ মাতৃ টোপনিয়াই

আছে। জাৰ হওঁক জহ হওঁক জুই কুৰাই মানুহজনীৰ সঙ্গী। নহ'লে হাপানি বেমাৰটোৱে মানুহজনীক বৰ কষ্ট দিয়ে।

কপাহতলি গাৱৰ পিনৰ পৰা উৰুলিৰ ধ্বনি বতাহত ভঁাহি আহিছে।

কাৰোবাৰ বিয়া হবলা মা?

ও, এই বাসন্তীৰ জীয়েক শেৱালীৰ; বাসৱ মহাজনৰ ডাঙৰ ল'ৰাটোৰ লগত বোলে। পিচে ল'ৰাটোহে বোলে কিবা এইডচ্ বেমাৰী। ডাক্তৰে বোলে মাত্ৰ তিনি মাহহে সময় দিছে। বেচেৰী ছোৱালীজনীলৈ বেয়াহে লাগে।

শেৱালিৰ বিয়া এটা এইডচ্ ৰোগীৰ লগত! যাৰ আয়ুস মাত্ৰ তিনিমাহ! তাৰ পিছত তাইৰ কি হব? হয়তো লম্পট মহাজনৰ কামনাৰ বলি হব লাগিব! সি আৰু ভাৱিব নোৱাৰে।

আকাশত প্ৰচণ্ড ঢেৰেকণীৰ শব্দ হৈছে হো-হোৱাই বতাহ বলিছে। এজাক শিল বৰষুণ আহিব। তাৰ মাতৃয়ে তুহ জুইকুৰাত শুকান খৰি এচলা জাপি দিলে। জুইকুৰা লাহে লাহে জ্বলি উঠিল।

হঠাৎ সি থিয় হ'ল। তুহজুইৰ ক্ষীণ পোহৰত তাৰ ৰক্তিম মুখখন এজন বীৰৰ দৰে দেখাইছিল। প্ৰচণ্ড শিল বৰষুণৰ মাজৰেই সি কপাহ তলিৰ পিনে বাট পোনালে। এইখন বিয়া নহয়, প্ৰতাৰণা আৰু অত্যাচাৰৰ এক নিদৰ্শন।

সি এই বিয়া হব দিব নোৱাৰে। লাগিলে সিয়েই শেৱালিক বিবাহ কৰিব।

## মহৎ লোকৰ বাণী

"ভাল বিচৰাটো দানবীয়, ভাল হোৱাটো মানবীয়, ভাল কৰাটো স্বৰ্গীয়।"


—জ্বেমচ্ মাৰ্টিন

"তুমি যদি যশস্যাৰ কথা ভাবা তেনেহ'লে ভাল সংগৰ লগ লোৱা, নহ'লে অকলে থকাই ভাল।"

—ৱাশ্বিংটন

"অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ "কেটেলগ" যাদুঘৰ নহয়। নিৰ্ব্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেঁচা সঁজুলি গঢ়ি পিটি ললেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়।"

—৺কৃষ্ণ কান্ত সন্দিকৈ




শ্ৰীঅনন্ত কুমাৰ শৰ্মা

স্নাতক ৩য় বাৰ্ষিক (কলা)


নিঃছিদ্ৰ প্ৰহৰীৰ মাজে মাজে দলটো আগবাঢ়িল। বিদেশী পৰ্য্যটকৰ দল। চাৰিজনীয়া দলটোত আছে ইংলেণ্ড, আমেৰিকা, ৰাছিয়া আৰু জাৰ্মানীৰ আগশাৰীৰ বুদ্ধিজীৱি চাৰিজন।

এচ. দেশপাণ্ডেই পৰ্যাটক দলটোক আদৰণি জনালে। ৰাষ্ট্ৰসংঘত কাম কৰাৰ দিনৰে চিনাকি তেওঁৰ। ‘‘আমাৰ ফাষ্ট প্ৰগ্ৰেম আধাৰশিলাৰ যাদুঘৰ চোৱা’’— অভ্যাগত দলটোৰ কোনোবা এজনে মাত লগালে। দেশপাণ্ডেই— প্ৰতিনিধি দলটোক সহায়ৰ হাত আগবঢ়ালে।

তলিৰ পৰা ওপৰলৈ চকুৰে মনিব নোৱাৰা এটা কেৱা মহলীয়া বিৰাট দালান। সমগ্ৰ পথছোৱাত ব্যাপক তালাচী। জোতা-মোজাটো বাদেই আনকি হাত-ঘড়ীও তালৈ নিব দিয়া নহয়। কেমেৰা কেইটা নিব নোৱাৰি পৰ্য্যটক দলটোৱে কিছু দুঃখ অনুভৱ কৰিলে।

আধাৰশিলাবোৰৰ নিৰাপত্তাৰ খাতিৰতেই এইবোৰ কৰিবলৈ বাধ্য হৈছোঁ। আপোনালোকে শুনিছেই ছাগে দেশখনত সন্ত্ৰাসবাদীৰ যিহে উৎপাত।’’— দেশপাণ্ডেই গুৰু-গম্ভীৰ স্বৰেৰে উত্তৰ দিলে।

‘‘সচাঁকৈয়ে লাখ লাখ আধাৰশিলাৰ এইখন এখন বিতোপন যাদুঘৰ। দুকুৰি পাঁচ বছৰতে ভাৰতে বহুখিনি প্ৰগতি লাভ কৰিলে। – আমি থকাৰ দিনতটো এইবোৰ একোৱেই নাছিল।’’ – বৃটিছ পৰ্য্যটক চাৰ জৰ্জ এলবাৰ্টে অতীত ৰোমন্থন কৰিলে।

‘‘কিন্তু প্ৰত্যেকটো আধাৰশিলাৰ চৌপাশে ইমানবোৰ ব্লেককেট কিয়? বাহিৰতো ইমান পহৰা ........ ........ ........।’’

জাৰ্মান পৰ্য্যটক মিউটুকে প্ৰশ্ন কৰিলে।

"প্ৰত্যেকটো আধাৰশিলাৰ লগত দেশৰ ইমুৰৰ পৰা সিমূৰলৈ আবেগবোৰ জড়িত হৈ আছে। এইবোৰৰ সামান্য হানি বিঘিনী হলেও দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিব। সেয়েহে এনে ব্যৱস্থা।" — দেশপাণ্ডেই অকনো খোকোজা নলগাকৈ ক'লে।

এটা সৰু কোঠাত কেবাখনো বিশ্ববিদ্যালয় আৰু গবেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা দেখি আমেৰিকান পৰ্য্যটক এল. গিলী আচৰিত হ'ল। "ইয়াত পাঠদান অথবা গবেষণা কৰা সম্ভবনে?

"নাই, নাই— ইয়াত পঢ়োৱা নহয় অথবা গবেষণা কৰিবলৈও দিয়া নহয়। এতিয়া আৰু পঢ়িবলৈ অথবা গৱেষণা কৰিবলৈ নিৰ্দিষ্ট অনুষ্ঠানৰ প্ৰয়োজন নাই। ভাৰতত এয়া Open University আৰু Open research centre ৰ শুভ আৰম্ভণি।" দেশ পাণ্ডেৰ মন্তব্য শুনি প্ৰতিনিধি দলটোৱে ভাৰতৰ এই নৱ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰিলে।

"এটা কথা সোধো· বেয়া নাপাব নিশ্চয়?"

"নাই, নাই কিয় বেয়া পাম, এটা নহয় অসংখ্য কথা সোধক। ভাৰতত বাক্ স্বাধীনতা সকলোকে প্ৰদান কৰা হৈছে।"

"আপোনালোকৰ দেশখন যদি ভৱিষ্যতে কিবা কাৰণত ভাগি ছিগি টুকুৰা টুকুৰ হৈ যায়, তেতিয়াহ'লে এই আধাৰশিলাবোৰ প্ৰত্যেকৰে মাজত ভগাই দিয়া হবনে?" — ৰাছিয়াৰ পৰ্য্যটক আন্দ্ৰে ৰাক্‌চীয়ে গভীৰ উৎকণ্ঠাৰে প্ৰশ্ন কৰিলে।

"সেইটো অৱশ্যে আমি এতিয়াও চিন্তা কৰিব লগা হোৱা নাই। কিয়নো আভ্যন্তৰীন প্ৰাদেশিকতাবাদী বিদ্ৰোহ দমন কৰিবলৈ আমাৰ মাজত এটা বিৰাট সশস্ত্ৰ বাহিনী আছে। সৌ পিনে চাওঁক-চোন।"— দেশপাণ্ডেই আঙুলী টোৱালে—

ভাৰতীয় শান্তিৰক্ষী বাহিনীৰ কৃতিত্বৰ অসংখ্য ছবি কেবাটাও কোঠাত সমতনে ৰখা হৈছে। কিছুমানক ইলেক্‌ট্ৰিক শ্বক দিয়া হৈছে। কিছুমানৰ মৃত দেহৰ ওপৰত 'সন্ত্ৰাসবাদী' নামৰ ফলক এখন ওলোমাই ৰখা হৈছে। কাষত ধৰ্ষিতা নাবালিকা কিছুমানৰ হৃদয় বিদাৰক কান্দোন। দূৰৈত শ্ৰীলংকা, মালদ্বীপ আদিত সৈন্যবাহিনীয়ে দেখুৱা কৃতিত্বৰ ছবি। সন্মুখত অশোক চক্ৰ, পৰমবীৰ চক্ৰ আদিৰ মেডেল পিন্ধিবলৈ কিছুমান সৈনিকে কৰা হেতা-ওপৰা।

"আচৰিত! কেনে আচৰিত। জালিৱানাবাগৰ হত্যা-কাণ্ডৰ বাবে সমগ্ৰ বিশ্বই আমাক গহৰিণা দিছিল। অথচ সেইখন স্বাধীন ভাৰততে ·········।" ইংলেণ্ডৰ পৰ্য্যটকজন এক প্ৰকাৰ চিঞৰিয়েই উঠিল।

"আপুনি আচলতে কথাটো ভালদৰে বুজিবলৈ চেষ্টাই কৰা নাই। এইবোৰ আমাৰ দেশৰ আভ্যন্তৰীণ কথা। তেতিয়া জানো আমি পৰাধীন নাছিলো? কিয় আপুনি জানো নাজানে, চীনত কিদৰে হাজাৰ-বিজাৰ ছাত্ৰক ··· । আজিৰ এই সংকটময় সন্ধিক্ষণত জানো মহাত্মা গান্ধীৰ অহিংস নীতি প্ৰচাৰ কৰিলে চলিব?" — দেশপাণ্ডেই কিছু উত্তেজিত ভাবেই উত্তৰ দিলে।

ধূপ-ধুনা-নৈবদ্য তথা দামী-দামী চেন্টৰ গোন্ধেৰে আমোলিত মহলাটো পাই – দলটোৱে ভূমুকিয়াই চালে। গীতা-কোৰাণ-বাইবেল প্ৰভৃতি বিভিন্ন ধৰ্মৰ ধৰ্মগ্ৰন্থ লৈ কিছুমান পুৰোহিত শ্ৰেণীৰ লোক গদ্-গদ্ স্বৰেৰে সৰ্বধৰ্ম প্ৰাৰ্থনা কৰাত ব্যস্ত। চৌপাশে পৰ্ব্বত সদৃশ ভগা-চিগা আধাৰ শিলাৰ ধ্বংস স্তূপ।

"আধাৰশিলাৰ ওচৰত সৰ্বধৰ্ম প্ৰাৰ্থনা?" — আটাই-কেইজন পৰ্য্যটকে কৌতুহলেৰে চালে।

"এইবোৰ আধাৰশিলাৰ শেষকৃত্য সমাপন কৰিব বিচৰা হৈছে। নিতৌ এইদৰে লাখ-লাখ পুৰণি আধাৰ-শিলাক সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্য্যাদাৰে শেষ কৃত্য সমাপন কৰা হয়।"

পৰ্য্যটক দলটো একেবাৰে তলৰ মহলাটো পালেহি। মহলাটোত অসংখ্য মানুহৰ সমাগম।

"ইয়াত ভৱিষ্যতৰ আধাৰশিলাবোৰৰ পৰিকল্পনা কৰা হয় আৰু আধাৰশিলাৰ ড্ৰাফ্ট বনোৱা হয়।" — দেশ পাণ্ডেই চমুকৈ ক'লে।

"Assam Ocean"— ৰ ড্ৰাফ্টখন দেখি প্ৰতিনিধি দলটো আচৰিত হ'ল। "ইমান কেইখন সাগৰ থাকোতে

আৰু এখন মহাসাগৰ কেলেই ?"

"এয়া বানপানী নিয়ন্ত্ৰণৰ অভিনৱ প্ৰচেষ্টা। ব্ৰহ্মপুত্ৰ বৰাকৰ বৰ্দ্ধিত পানীসমূহ ইয়াত জমা ৰখা হ'ব।"

"বালিৰ প্ৰাচীৰৰ দৰে সেইখন আকৌ কিহৰ প্ৰাচীৰ ? আৰু তাৰ কাষতেই যে মানুহবোৰ মৰি পচি আছে ?" জাৰ্মানীৰ পৰ্য্যটক জন আচৰিত হ'ল।

"সেইখন ভাৰতৰ সীমান্ত অঞ্চলৰ প্ৰাচীৰ। গোটেই প্ৰাচীৰখনতে বিদ্যুত প্ৰবাহিত হৈ আছে। অবৈধ অনু-প্ৰবেশকাৰীসকলৰ সেইখন অতিক্ৰম কৰিবলৈ চেষ্টা কৰোতে মৃত্যু হৈছে। আপোনালোকে ছাগে অসমত বিশ্ব কঁপাই তোলা বিদেশী বহিষ্কৰণ আন্দোলনৰ কথা শুনিছে ?"

"এৰা, কিন্তু এই তিনিঘণ্টাৰ ভিতৰতে দেখোন চাৰিবাৰ লাইন কাট অফ হ'ল। গতিকে প্ৰাচীৰখনে কাম কৰিবনে ?"

সেইবাবেই এতিয়াই এইবোৰ কাৰ্য্যকৰী কৰা হোৱা নাই। সম্পূৰ্ণ পৰীক্ষামূলক অৱস্থাতে আছে।

পৰ্য্যটক দলটোৱে কাষৰ ছবিখনত কেইজনমান মন্ত্ৰীয়ে ঘোঁৰাগাড়ীৰ আধাৰশিলা স্থাপন কৰা দেখি আচৰিত হ'ল— "আজি দুহেজাৰ চনৰ মানৱ সভ্যতাৰ এই চৰম মুহূৰ্ত্তত ৰেল, এৰোপ্লেন এৰি ঘোঁৰাগাড়ী আক' কেলেই— ?"

"ইন্ধনৰ নাটনি আঁতৰাবৰ এয়া এক নৱ প্ৰচেষ্টা। সমগ্ৰ বিশ্বই যেতিয়া ইন্ধন-ইন্ধন বুলি আস্ফালন কৰি ফুৰিব তেতিয়া ভাৰতে ঘোঁৰাগাড়ীৰে দিগ্বীজয় কৰিব।"— দেশ-পাণ্ডেৰ উত্তৰত কিন্তু পৰ্য্যটক দলটো থৰ লাগি চাই ৰ'ল। আমেৰিকাৰ পৰ্য্যটকজনে এটা দীঘলীয়া হুমুনিয়াহ কাঢ়িলে। হয়তো তেল উৎপাদনকাৰী আৰব দেশসমূহৰ প্ৰতি সহানুভূতিৰ অনুকম্পাত।

★

## মহৎ লোকৰ বাণী

০০ "নাৰীসকল দুৰ্বল জাতি বুলি কোৱাটো অপমানজনক। ই নাৰীৰ প্ৰতি পুৰুষৰ অন্যায় শক্তিৰ দ্বাৰা যদি জঘন্য শক্তিক বুজাব খোজে তেন্তে নাৰী প্ৰকৃততে পুৰুষৰে—এই বিষয়ত কম শক্তিশালী সঁচা। কিন্তু শক্তিক যদি আমি নৈতিক শক্তি বুলি বিবেচনা কৰো তেনে-হ'লে নাৰী পুৰুষতকৈ বহুগুণে শ্ৰেষ্ঠ।"

—গান্ধীজী

০০ "যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা ; আৰু ওচৰ চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যেতিয়া তুমি পৃথিৱী এৰি যোৱা তেতিয়া যেন তুমি হাঁহি যাব পাৰা, আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।"

— হেমচন্দ্ৰ গোস্বামী

সংগ্ৰাহক—শ্ৰীজগৎ চন্দ্ৰ নাথ ভাৰত




শ্রীজুনুমণি ডেকা
স্নাতক ৩য় বৰ্ষ

টিউচনটো কৰি আহোঁগে বুলি অজিতে চাইকেলখন লৈ বাহিৰ ওলাল। সিহঁতৰ ঘৰৰ সন্মুখতে Girls' Hostel খন। সি দেখিলে ছোৱালীবোৰ দুজনী দুজনীকৈ ৰিক্সাত Town লৈ ওলাই গৈছে। তাৰ মনত পৰি গ'ল আজি বৃহস্পতিবাৰ দেখোন, তাকোতো আজি টকা দিয়াৰ কথা ৰশ্মিতাহঁতে। তাৰ অশান্তি লাগি থকা মনটোত কিছু ভাল লাগিল কাৰণ কাইলৈ সি College Admission লব পাৰিব। সি চাইকেলত উঠি আগবাঢ়িল ৰশ্মিতাহঁতৰ ঘৰলৈ। হঠাৎ তাৰ ওচৰেৰে ৰিক্সাত পাৰ হৈ গ'ল দুজনী ছোৱালী। সদায় দেখি অহা বাবে সি চিনি পালে সেই দুজনী Hostel ৰ নিবাসী বুলি। সি এনেয়ে ৰিক্সাখন অনুসৰণ কৰি আগবাঢ়িল। ৰিক্সাখনৰ পৰা ৰীতা আৰু স্বপ্নাৰ কথাবোৰ তাৰ কাণত বাজিব ধৰিলে।

........ "Hostel খনৰ কি হৈছে স্বপ্না? সকলোৰে দেখোন গৰম চাহ। মুখত দিলেই পুৰি মাৰিব। ক'ত অভাৱ-সমস্যাৰে আমিবোৰ আছো। খাবলৈ পানী নাই ভাত ভালদৰে নাৰান্ধে এইবোৰ বাদেই দিছো। এই নতুন মখাক যে এইদৰে হোষ্টেলত সুমুৱাই দিছে এবাৰ পৰিচালনা কমিটিয়ে ভাবিছেনে? আৰু ইহঁত কি বস্তু অ'?—

এৰা ভাই, নতুন হৈ সিহঁতে পুৰণি খিনিক একো Respect তেই নকৰে। একোৱেই নাজানে নেকি; কৈ উঠিল স্বপ্নাই।

হুমুনিয়া এটা কাঢ়ি ৰীতাই ক'লে, অহা যোৱাৰ সুবিধা থকাহেঁতেন ঘৰলৈকে গুছি গ'লো হয়। প্ৰথম Hostel লৈ আহোতে কি যে ধুনীয়া পঢ়া-শুনাৰ এক শান্তিৰ পৰিবেশ আছিল............

ৰীতাৰ কথাত বাধা দি স্বপ্নাই কৈ উঠিল, আৰে ভাই Hostel ৰ কথা বাদ দে পৰিস্থিতিৰ লগত মিলিবলৈ চেষ্টা কৰচোন। জগতখনলৈ মুৰ তুলি চা তই, কৰবাত শান্তিৰ সুখৰ জিলিঙনি দেখা নেকি, এনেকুৱা অশান্তিবোৰক সহজভাৱে লছোন "

....... হঠাৎ দুয়োজনী ৰিক্সাৰ পৰা নামি গ'ল। চহৰৰ জন সমুদ্ৰত তাইহঁত লীন হ'ল। ময়ো চাইকেলখন গন্তব্য স্থানলৈ ঘূৰালো। মোৰ চিন্তাত খেলি-মেলি লাগি গ'ল। ইমান দুখৰ, ইমান অশান্তিৰ জীৱন এটা কটাইছো। পূৰা গধূলি টিউচন কৰি পঢ়িব লগা হৈছে। সেয়ে Hostel ৰ ছোৱালীবোৰ দেখিলে মোৰ ঈৰ্ষা হয়, কিমান সুখী সিহঁত! কি ধুনীয়াকৈ কোনো অভাৱ নোহোৱাকৈ শান্তিৰে পঢ়া-শুনা কৰিব পাৰে। আনন্দ মনেৰে হাঁহিব পাৰে।

কিন্তু ক'তা; তাহাঁতৰ কথা বতৰাই দেখোন বেলেগহে বুজালে। তাৰ মানে অশান্তিৰ বতাহে তাইহঁতকো স্পৰ্শ কৰিছে নেকি?? △




( ১৯৯৩ চনৰ ১ লা মাৰ্চত ডুমনীচকীৰ পথ দুৰ্ঘটনাত মৃত্যু বৰণ কৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ বি, এ, ২য় বাৰ্ষিকৰ ছাত্ৰ মহেশ শৰ্মাৰ পৱিত্ৰ স্মৃতিত)

শ্ৰীজয়ন্ত শৰ্মা
উঃ মাঃ ২য় বৰ্ষ (কলা)

ৰঞ্জিতাক ধমকি দিয়াৰ বাবে মোৰ মনত দুখ নোপোৱাও নহয়। এনেকুৱা দোষ অকল যে তাইৰহে আছে এনে নহয়। নগৰকেন্দ্ৰীক মধ্যবিত্তীয় শ্ৰেণীৰ প্ৰতিনিধি স্বৰূপ তাই। তাইৰ নামৰ লগত সংযোজিত হৈ আছে উচ্চ-শিক্ষাৰ দলীল এজাপ।

গাওঁখনিলৈ বদলি হৈ আহিবৰ মাথোন দুসপ্তাহহে হৈছে। ইয়াৰ আগতে নগৰত আছিলো। ৰঞ্জিতাৰ আপত্তি তাতেই— "ল'ৰা-ছোৱালী হালক উপযুক্ত কৰিবলৈ ইংলিছ মিডিয়ামৰ স্কুল ক'তা? নাই পৰিষ্কাৰ বাট-পথ; কেৱল বোকা আৰু পানী। বিজুলীৰ লাইন আছে কিন্তু কাৰেণ্ট নাই। সমাজ আছে, কিন্তু একবিংশ শতিকাৰ সংস্কৃতিবান সমাজ নাই। এইবোৰ গাঁৱত মানুহ থাকেনে?

ৰঞ্জিতাক বাৰে বাৰে বুজাব খুজিও ৰৈ গৈছিলো মই। কি যে অবুজন তাই? বোকাত গজা পদুমৰ সুবাস বোকা নগচকিলে জানো পাব? তথাপিও চেষ্টা কৰিছিলো যুক্তি আৰু আহিঁৰে।

ৰৰিগাওঁ। মৰনৈৰ পলসত নতুনকৈ জী উঠিছে গাওঁখনি। দেৱে-মৰানৈ খনি এতিয়া দেৱে-পূজা-নৈ হৈছে। বছৰৰ ছটামাহ বানে গৰকিলেও মানে এৰা দিয়া নাই গাওঁখনি। বিৰাট বিৰাট বকুল-ঢোপগছ কেইজোপাই এতিয়াও যেন নতুন প্ৰজন্মক সঁকিয়াই দিয়ে—দিয়া আৰু নিয়াৰ সুমধুৰ সমন্বয়।

"চাচোন চা, এই বুঢ়াজনৰ কাণ্ড? এই হাৰমনিয়ামৰ জঁকাটোত তেওঁ বাৰু পাইছে কি? কিবা পাগল যেনহে পাওঁ।"

"নাই, নাই; তেনেকৈ নকবি চোন। হয়তো কিবা

ৰহস্যও থাকিব পাৰে।”

'ৰহস্য !'

'এৰা, অসম্ভৱ নহয়।'

ৰজিতাৰ মনত খু-দুৱনি আৰু বাঢ়িল। কিহৰ ৰহস্য এটা হাৰমণিয়ামৰ জঁকাত? নভবা-নিচিন্তাকৈ কথাষাৰ কোৱা বাবে নিজকে ময়ো ধিক্কাৰ দিলো।

গাওঁখনিৰ একমাত্ৰ সাংস্কৃতিক কেন্দ্ৰ 'মিলন সংঘ'টিৰ মাজত আমাৰ এই আলচ। অনন্ত ককাই তেতিয়াও হাৰমণিয়ামৰ জঁকাটোত হাত বুলাই আত্মবিভোৰ হৈ গুণগুণাই আছিল—

“মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নির্লোভ ভাস্কর্য।”

কেইটামান লঠঙা আঙুলিৰ ছাবৰ বাহিৰে জঁকাটোত হয়তো আন একোৱেই নাছিল। গতিকে বাজিব কিহৰ পৰা? ওচৰতে আছে কেবাটাও নতুন নতুন হাৰমণিয়াম, বৃদ্ধৰ সেইবোৰলৈ ভ্ৰুক্ষেপেই নাই। অনুসন্ধিৎসু মনটোৱে মোকো বৰকৈ আমনি কৰিব ধৰিলে। কিন্তু বৃদ্ধক মাতিবলৈ সাহস গোটাব নোৱাৰিলো।

এটা সময়ত ধৰালৈ সন্ধ্যা নামি আহিল। বৃদ্ধয়ো চকুৰ প্লাৱনত তিতি যোৱা হাৰমনিয়ামৰ জঁকাটোত চুমা এটা খাই আওজাই থলে আলমাৰীৰ ভিতৰ কোঠাত।

'ককা!'

'ওঁ' – ককা যেন বাস্তৱলৈ উভতি আহিল।

'কথা এটা সোধো, বেয়া পাব নেকি?”

'নাই, নাই, কিয় বেয়া পাম। সোধা ...।'

'ককা! এই যে হাৰমণিয়ামৰ ......।'

ককাই এটা হুমুনিয়াহ কাঢ়িলে। হয়তো এই হুমুনিয়াহত বুকুৰ কোনোবা এটা চুকত আৱদ্ধ বেজাৰৰ থুপ এটা কুণ্ডলী পকাই ওলাই আহিছিল।

'বুজিছোঁ, বোপা বুজিছোঁ। সকলো বুজিছোঁ। এয়া এক বন্ধুত্বৰ প্ৰেমৰ চানেকি। ব'লা সৌ ঢোপজোপাৰ শিপাতে বহো। ভঙা হিয়াখনিকে অলপ শাঁত পেলাই লওঁ।'

ৰজিতা আৰু মই এটি গুপ্ত ৰহস্য উদ্‌ঘাটনৰ আশাত বৃদ্ধৰ লগতে বহি পৰিলো। এন্ধাৰৰ ফাঁকে ফাঁকে বৃদ্ধৰ চকুহাল সেমেকা যেন অনুভৱ কৰিলো।

“মানুহজনৰ নাম সম্ভৱ সহদেৱ শৰ্মা। গাঁও বা অঞ্চলটোত গানৰ মাষ্টৰ বুলিলেহে সকলোৱে জানে। ভাওনা নাটক আদি সাংস্কৃতিক অনুষ্ঠানত তেওঁ নাথাকিলেই নহয়। হাৰমনিয়ামত তেওঁ যেতিয়া ৰাগ তানে সা-ৰে-গা-মা-পা-সভাস্থলী কাঁহ পৰি জীন যায়।

চাৰি-পাঁচটিমান ল'ৰা-ছোৱালীৰে তেওঁৰ এখন সুখৰ সংসাৰ। কিন্তু সংস্কৃতি সংস্কৃতি বুলিলে জানো পেটৰ ভোক এৰা দিব? অভাৱে তেওঁৰ সংসাৰতো বিধি পথালি দিলে। অভাৱৰ তাড়নাতে চহৰৰ নাতি দূৰৰ এচুকত আৰম্ভ কৰিলে এখনি সৰু গেলামালৰ দোকান। লাহে লাহে দোকানৰ পৰিসৰ বৃদ্ধি হ'ল। কিন্তু... ..।

থোকা-থুকি মাতেৰে বৈ গ'ল অনন্ত বৃদ্ধ। হয়তো আবেগে বাট ভেটী ধৰিলে।

'কি কিন্তু ককা!'

'কণা-বিধাতাই সিহঁতৰ সুখ চাব নোৱাৰিলে। এদিন হঠাতে গানৰ মাষ্টৰ ঢুকাল।'

'ঢুকাল? তাৰ পিছত?'

'তাৰ পিছত পৰিয়ালটোলৈ নামি আহিল আকৌ দুখৰ বন্যা। অভাৱৰ তাড়ণাত নাবালক বৰপুত্ৰই স্কুলৰ ফলিপুথি সামৰি গৃহস্থীৰ দায়িত্ব ললে। সহায়ক হৈ পৰিল সৰু ভাইটি মহেশ। দোকানখনে আকৌ জীপ পালে। ড্ৰয়িং ৰুমত সজাই থোৱা দেউতাকৰ দিনীয়া কষ্টোপাৰ্জিত হাৰমনিয়ামটোৱেই আকৌ সাৰ পালে মহেশৰ আঙুলিৰ মৃদু পৰশত।'

'মাষ্টৰৰ পুতেক মাষ্টৰ হ'বই। বাপেকতকৈ পুতেক এখোপ চৰা হ'ব যেনহে পাওঁ।'—

গাঁওত নানা জল্পনা-কল্পনা চলিল। একেশটা বসন্ত মহেশে হেলাৰঙে পাৰ কৰিলে। অতিক্ৰম কৰিলে এখন স্কুলৰ পাছত আনখন স্কুলৰ শিক্ষাৰ জেওৰাবোৰ। বুকুত অদম্য সাহস। কণ্ঠত মৃত সঞ্জীৱনী ৰাগিনী—

“সৰু সৰু শেৱালিৰ সুবাস জানো নাই ...।” 'কিন্তু....।'

—বৃদ্ধ আকৌ বৈ গ'ল। কণ্ঠৰ পৰা মাত নোলোৱা হ'ল।

'কি কিন্তু ককা ?

'বিধাতাই ঘৰখনক আকৌ পঙ্গু কৰিলে।'

'পঙ্গু কৰিলে ? কেনেকৈ ??

বৃদ্ধ আকৌ বাস্তৱলৈ উভতি আহিল। মুখৰ খহটা গালখনিৰ পৰা চকুপানীৰ কৰালবোৰ আকৌ এবাৰ মচি দিলে।

'সিদিনা আছিল ১৯৯৩ চনৰ পহিলা মাৰ্চৰ এটি অমঙ্গলীয়া মুহূৰ্ত্ত। কেবাজনো বন্ধুৰ সতে মহেশো গৈছিল ৰঙিয়াত এখন বিবাহ উৎসৱলৈ। গোটেই দিনটো হাঁহিৰে উপচাই দিয়াৰ পাছত নিশা বৰযাত্ৰীৰ সৈতে মহেশহঁতো আগবাঢ়িছিল কইনা ঘৰলৈ। কিন্তু নিয়তীৰ কি পৰিহাস! মহেশে আৰু কইনা ঘৰ নাপালে। ডুমুনীচকীৰ সেই অভিশপ্ত দলংখনিতেই মহেশহঁতৰ গাড়ীখনিৰ একচিডেণ্ট হ'ল।'

'একচিডেণ্ট ?'

'এৰা, একচিডেণ্ট। যিটো একচিডেণ্ট হেজাৰ জনতাৰ চকুপানীক নেওচি মহেশৰ লগতে তিনিটি ফুলকুমলীয়া ডেকাক অকালতে লৈ গুচি গ'ল।

মহেশ গ'ল। কিন্তু পৰি ৰ'ল তাৰ অপূৰণীয় আশা-আকাংশাবোৰ। কিন্তু তাৰ হৃদয়ৰ বন্ধু অনন্তক দি গ'ল এইখনি হাৰমণিয়ামৰ জঁকা। যিটো জঁকা আজি ছকুৰি বছৰে এই ক্লাৱ ঘৰটিত সযতনে ৰাখিছো। যিটো জঁকাত সিঁচৰিত হৈ আছে দেউতাকৰ লগতে মহেশৰ কপালৰ ঘামৰ উম। হাৰমনিয়ামটো কেতিয়াবাই নবজা হৈছে সঁচা। কিন্তু এইটো স্পৰ্শ কৰাৰ লগে লগে মই যেন মোৰ বন্ধু মহেশৰ আঙুলিৰ মৃদু পৰশ অনুভৱ কৰো। আৰু তেতিয়াই মই মোৰ বন্ধুক লগ পাওঁ হয়তো অলক্ষিতে কোনেও নজনাকৈয়ে।'

ৰজিতাৰ চকুহাল তেতিয়া চলচলীয়া হৈ পৰিছিল অনন্ত ককাৰ লঠঙা আঙুলিৰ কোববোৰে হাৰমনিয়ামৰ জঁকাতো নকঁপাই যেন ৰজিতাৰ হৃদয় তন্ত্ৰীতহে কঁপনি তুলিছিল। বোকাত গজা পদুমৰ সুবাসে হয়তো ৰজিতাক হাত-বাউল দি মাতিছিল।

---

## মহৎ লোকৰ বাণী

মই যুৱকসকলক কব খোজো যে তোমালোকৰ যৌৱনৰ এই সময়খিনি মানব জীৱনৰ সোণালী সময়। যদি তোমালোকে এই সময়খিনিৰ সময়ত গুটি নিসিজা নাইবা গমৰ পৰিবৰ্তে আলু সিচা তেন্তে পিছত ভাল ফল নাপাবা আৰু শেষত বিশেষ একো কৰিব নোৱাৰিবা।

—মনীষী কাৰ্লাইন

অনা অসমীয়াক অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ কোৱাৰ আগতে যি সকলৰ মাতৃভাষা অসমীয়া সেই সকলে অসমীয়া ভাষা ব্যৱহাৰ কৰিব শিকিব লাগে। নিজে মদপী হৈ আনক মদ এৰিবলৈ কোৱাটো বৰ শুদ্ধ নহয়। তেনেকৈ নিজেই ঠেৰু চিগা ভাষা ব্যৱহাৰ কৰি আনক অসমীয়া ভাষা শিকিব লাগে বুলি কোৱাটোও বৰ শুদ্ধ নহয়।

—হেম বৰুৱা

# উপন্যাসিকা : সহযাত্ৰী




শ্ৰীটংকেশ্বৰ বৰুৱা
স্নাতক (বিজ্ঞান)
তৃতীয় বাৰ্ষিক

(এক)

ঘৰৰ ভিতৰখন ক্ৰমে আন্ধাৰ হৈ আহিল। দিবাকৰে বুজিলে—এয়া সন্ধিয়াৰ আগমনৰ আগজাননী। বহি থকা হুইল চেয়াৰখনৰ সোঁপিনে থকা খিৰিকি খনৰ পৰ্দাখন দাঙি সি বাহিৰলৈ চাই পঠিয়ালে। বাহিৰত এতিয়াও বিদায়ী বেলিৰ হেঙুলীয়া আভা। নাই, দিপ্তী এতিয়াও উভতি অহা নাই। আনকালেতো ফুৰিবলৈ গ'লে তাই ইমান বেলি নকৰে। নে কিবা অঘটন …! দিবাকৰ বৰুৱা উদ্বিগ্ন হৈ পৰিল। উদ্বিগ্ন হৈ কৰিবৰ কথাও। যিহে দিন কাল! আনফালে গাভৰু ছোৱালী। দিবাকৰ আৰু ভিতৰত সোমাই থাকিব নোৱাৰিলে। হুইল চেয়াৰখন হাতেৰে ঘূৰাই বাৰান্দালৈ সি ওলাই আহিল। তাৰ মনটো অস্থিৰ হৈ পৰিল। বহুতো নাভাবিবলগীয়া কথা মনলৈ আহিল। যদি তাইৰ কিবা এটা হৈ যায়……! "চিঃ, কি যে অমঙ্গলীয়া কথাটো ভাবিছোঁ :" সি মনটো কিছু ডাঠ কৰিবলৈ চেষ্টা কৰিলে। তাইটো অকলে যোৱা নাই। শোভন নামৰ ল'ৰাজনৰ লগত ওলাই যোৱা সি দেখিছে। আজি কিছুদিনৰ পৰা সি লক্ষ্য কৰিছে ল'ৰাজন সিহঁতৰ ঘৰলৈ প্ৰায়ে আহে। দুয়োৰো মাজত চলা হলি-গলিও তাৰ চকুত নপৰা নহয়। বাধা দিয়া নাই। দিনৰ দিনটো পঙ্গু ককায়েকৰ লগত লাগি থাকি দিপ্তীজনী সঁচাকৈয়ে এটা যেন যন্ত্ৰত পৰিণত হৈছে। শোভনৰ উপস্থিতি আৰু সঙ্গই যদি তাইক হাঁহিবলৈ কিছু সুৰুঙা উলিয়াই দিয়ে, সি কিয় বেয়া পাব। আন দহজনী গাভৰুৰ দৰে দিপ্তীয়ে হয়তো শোভনক লৈ যৌৱনে গৰকা সকলো গাভৰুৱে হয়তো এই সময়ত এনেকুৱা সপোন দেখে। ই প্ৰকৃতিৰ চিৰন্তন ৰীতি। সিওতো এদিন সপোন দেখিছিল। শেৱালী নামৰ ছোৱালীজনীক লৈ কত অলীক কল্পনাৰ বালি ঘৰ সাজিছিল। পাহৰণিৰ ফাঁকে ফাঁকে হেৰাই যাব খোজা অতীতটোৱে তাৰ মনৰ মাজত ভুমুকি মাৰিলেহি—

চহৰ খনৰ নামজ্বলা উকীল মৃদুল কাকতিৰ কনিষ্ঠা কন্যা শেৱালীৰ লগত প্ৰথম চিনাকী হৈছিল কলেজৰ কেন্টিনত। বন্ধু কেইজন মানৰ লগত চাহ খোৱাৰ উদ্দেশ্যে সিহঁত সোমাইছিল কেন্টিনত। ছোৱালী তিনিজনীৰ সন্মুখৰ আসন খনতেই সিহঁত কেইটাও বহি পৰিল। গাভৰুহঁতৰ হাঁহিৰ শব্দই মুখৰিত কৰিছে কেন্টিনৰ কোঠা। হাঁহিৰ

তালে তালে সিহঁতৰ উন্মুক্ত দেহৰ ভাঁজবোৰেও নৃত্য আৰম্ভ কৰি দিছে। পোৱালি নামেৰে পৰিচিত কেন্টিন বয়টোৱে চাহ লৈ আহিল। কোনো এক অসতৰ্ক মুহূৰ্ত্তত তাৰ হাতৰ পৰা চাহ একাপ চিতিকি আহি ওখকৈ লাহি বগী ছোৱালীজনীৰ গাত পৰিল। দামী ধুনীয়া শাৰীখন নষ্ট হৈ গ'ল। সি কিবা এটা ভবাৰ আগতেই তুখন লাহি হাতৰ প্ৰকাণ্ড চৰ দুটা গালত পৰিল। বেচেৰা সেমেনা-সেমেনি কৰি থিয় হৈ থাকিল। দিবাকৰহঁতৰ আগত লাজো পালে। দিবাকৰৰ বেয়া লাগিল তালৈ। হাতবাউলি দি তাক ওচৰলৈ মাতিলে। অপৰাধীৰ দৰে সি দিবাকৰ হঁতৰ সন্মুখত লাজ লাজ ভাবেৰে থিয় দিলে।

ঃ অই, ওই চাহ পেলাবৰ আৰু ঠাই নেপালি। একেবাৰে বগীজনীৰ গাতহে পেলাব পাৰিলি, তাকো একেবাৰে নতুন শাৰীখনত। শাৰীয়ে ঢকা অংশতকৈ দেখোন নঢকা অংশহে বেছি, সেইবোৰত তোৰ চকু নপৰিল?

কথাখিনি কৈ দিবাকৰে যেন কদোৰ বাহতহে হাত দিলে। বগীজনী টিঙিৰি তুলা উৰাদি আহি দিবাকৰহঁতৰ সন্মুখত হাজিৰ।

ঃ কি কলি কুকুৰ, আমাক চিনি পোৱা নাই। আমাৰ যিদৰে ইচ্ছা সেইদৰে কাপোৰ পিন্ধিব পাৰো, ইনচাল্ট কৰিবৰ তই কোন? আৰু বহুতো কথাৰ ফুলজাৰি ফুটাই বগীহঁত ওলাই গ'ল। দিবাকৰে কোনো উত্তৰ দিব নোৱাৰিলে। দিব কি? দোষ তাৰেই।

সেইদিনাই আবেলি। মেজৰৰ শেষৰ ক্লাচটো কৰি দিবাকৰ ওলাই আহিছে। এনেতে পিছফালৰ পৰা মাত যেন পোৱাত ঘূৰি চালে। ৰাতিপুৱা কেন্টিনত গালি পৰা সেই বগীজনী।

ঃ আপুনি ভুল কৰিছে নেকি?

ঃ নাই। আপোনাকে কৈছোঁ।

ঃ মোক!

ঃ হয় আপোনাক। তেতিয়া কেন্টিনত বেয়া পালে নেকি বাৰু?

ঃ সেইটো আপুনি নিজকে সোধক।

ঃ আচলতে আপুনি তেনেকৈ কোৱাত বৰ লাজ পাইছোঁ। বিশেষকৈ পিকুহঁতৰ আগত। আপুনি আচলতে এইদৰে কাপোৰ পিন্ধিলে বেয়া পায় নেকি?

ঃ বেয়া নাপালেও ভাল নাপাও।

ঃ কাৰণ?

ঃ কাৰণ মই কব নোৱাৰো। নাৰী নিৰ্য্যাতনৰ বিৰুদ্ধে শ্লোগান দিয়া মহিলা সকলক সোধক। আপুনি যদি নাৰী মুক্তিৰ বাবে আগ্ৰহী নিজকে সোধক, কিয় আজি বহুতো ফুলকুমলীয়া ল'ৰা পথভ্ৰষ্ট। কিয় আজি বাতৰি কাকত সমূহত ডাঙৰ ডাঙৰ হৰফেৰে প্ৰকাশ হয় নাৰী ধৰ্ষণৰ দৰে জঘন্য অপৰাধৰ কাহিনী। আপুনি ৰাজপথত শ্লোগান দিয়া মহিলা সকলক সোধক. কিমান নিৰীহ পুৰুষ আজি সিহঁতৰ হাতত লাঞ্ছিত। কথাখিনি একে উশাহতে কৈ দিবাকৰ কলেজৰ বাৰান্দাৰে আগুৱাই গ'ল। দিবাকৰৰ পাণ্ডিত্যত অভিভূত হৈ পৰিল ছোৱালীজনী। কোনো এটা কথাৰে উত্তৰ দিব নোৱাৰি তাই বিপৰীত ফালে গুছি গ'ল।

তাৰ পিছত দিবাকৰে তাইক লগ পোৱা নাছিল। নাছিল মানে লগ কৰাৰ কোনো প্ৰয়োজন বোধ কৰা নাছিল। দেখিলেও দূৰতে নেদেখাৰ ভাও ধৰি আঁতৰি যায়। আচলতে ছোৱালীৰ লগত সম্পৰ্ক দিবাকৰৰ একেবাৰে কম। নাৰী বিদ্বেষী নহ'লেও সি ছোৱালীৰ লগত অকাৰণতে মেল মাৰি ভাল নাপায়। সচৰাচৰ ছোৱালীৰ লগত হোৱা আলোচনা বিলাক তুলুঙা হয় বুলি দিবাকৰৰ ধাৰণা। তাৰোপৰি আভিজাত্যৰ চাব-মোহৰ মাৰি ফুৰা ছোৱালী-বোৰক দিবাকৰে সমূলি ভাল নাপায়। যুগৰ বতাহত উৰি গৈ নগ্নপ্ৰায় হোৱা মহিলাবোৰকে সামাজিক বিশৃংখলতাৰ এটা অন্যতম কাৰণ বুলি ভবাত সি কোনো দ্বিধাবোধ নকৰে। সেয়েহে তাৰ ছোৱালীৰ লগত থকা সম্পৰ্কৰ যোগ সূত্ৰডাল তেনেই শীৰ্ণ। সেই দিবাকৰেই যে এদিন শেৱালী নামৰ অত্যাধুনিকা ছোৱালীজনীৰ প্ৰেমত পৰিব সেই কথা তাৰ বন্ধু মহলৰ কোনোৱেও ভবা নাছিল। শেৱালীৰ মৰমৰ উত্তাপত গলি গলি শেষ হৈ গৈছিল দিবাকৰৰ অন্তৰৰ পুৰুষ সুলভ অভিমান। কোনোদিনে ছোৱালীৰ সংস্পৰ্শকে সহজভাৱে লব নোৱাৰা দিবাকৰৰ তুৰন্তমন বন্দী হৈ পৰিল শেৱালীৰ মৰমৰ চাৰিবেৰৰ মাজত। ৰামধেনুৰ সাত ৰঙেৰে ৰাঙলী হৈ পৰিল শেৱালী দিবাকৰৰ প্ৰেম। কোনো এক

দুৰ্বল মুহূৰ্ত্তত দুয়ো দুয়োকে আপোন কৰি লোৱাৰো প্ৰতিজ্ঞা কৰি পেলালে। তেনে সময়তে আহিল অস্তিত্ব ৰক্ষাৰ আন্দোলন। দিবাকৰহঁতো কলেজ এৰি আন্দোলনত নামি পৰিল। বিচ্ছিন্ন হৈ পৰিল দিবাকৰ শেৱালীৰ যোগসূত্ৰ। দুয়ো দুটা অচিন পথত হেৰাই গ'ল। আন্দোলনটোৱে বহুতকে আঁতৰাই নিলে, বহুতো হৈ পৰিল চিৰদিনৰ বাবে পঙ্গু। দিবাকৰকো আন্দোলনটোৱে ৰেহাই নিদিলে। দিবাকৰে ভৰি দুটা হেৰুৱালে। খবৰ পাই দৌৰি আহিল শেৱালী। আগ মুহূৰ্ত্তত ভৰি দুটা কাটি পেলোৱা হৈছিল দিবাকৰৰ। কোনো কথা কব পৰা নাছিল সি। শেৱালীয়েও। এক মুকবেদনাই দুয়োকো বাকৰুদ্ধ কৰি পেলাইছিল। দুহাতে চকুহালি ঢাকি কোঠাটোৰ পৰা আঁতৰি গৈছিল শেৱালী। যি গ'ল আৰু উভতি নাহিল। আহিব আহিব বুলি কৰা দিবাকৰৰ প্ৰতীক্ষা আজিও প্ৰতীক্ষা হৈয়ে ৰ'ল।

: ককাইদেউ। দিপ্তীৰ মাতত দিবাকৰৰ চিন্তাৰ আতডাল হেৰাই গ'ল।

: হো! নিজকে প্ৰকৃতস্থ কৰিবলৈ চেষ্টা কৰিলে দিবাকৰে।

: মোৰ কিছু পলম হ'ল ককাইদেউ। আজি কি হ'ল জানা। এ নালাগে দে পিছত কম। আন্ধাৰেই হ'ল চোন। মই লেম্পটো জ্বলাই দিওঁ। তাই ভিতৰলৈ ঢাপলি মেলিলে।

: শুনচোন বৰ কিবা লাগি আছে। পাৰিলে......। এতিয়াই নালাগে দে তোৰ কষ্ট হব।

: মই জানো ককাইদেউ তোমাৰ নিশ্চয় চাহ একাপৰ প্ৰয়োজন হৈছে! প্ৰকৃত অসমীয়া নাৰীয়ে কষ্টলৈ ভয় নকৰে, জানা ককাইদেউ।

: কেতিয়াবা মোৰ কি ভয় হয় জান। মোৰ আলপৈচান ধৰোতে ধৰোতে তই জানোচা কোনোবা দিনা মৰি থাক। আনন্দতে ওলাই অহা চকুপানীখিনি মচি সি কয়।

: মই মৰিলেও তোমাক মৰিবলৈ নিদিও ককাইদেউ। চাদৰ খনৰ আচলেৰে তাই সিক্ত চকুহালি মচি লয়।

: মোৰ দৰে মৰা লাচ এটি জীয়াই ৰাখি তোৰ কি লাভ হব আকৰি। তাতকৈ মই মৰি গলে... ..।

: সেই কথা মুখত নানিবা ককাইদেউ। মোৰে শপত। দিপ্তীয়ে আহি তাৰ মুখত সোপা দি ধৰে।

আনন্দত তাৰ বুকু ফুলি যায়। ভনীয়েকে তাক ইমান ভাল পায়। সেই কথা ভাবি তাৰ দুচকুৰে দুধাৰি আনন্দাশ্ৰু বৈ আহে। আবেগেৰে তাইৰ মূৰত হাত বুলাই সি কয়—

: ইমান সোনকালে তোৰ ককায়েৰা নমৰে আকৰি। যা এতিয়া তোৰ অমৰ ককায়েৰালৈ চাহ একাপ আনগৈ।

ককায়েকলৈ কেৰাহিকৈ চাই চাহ কৰিবৰ বাবে তাই আঁতৰি যায়।

( দুই )

নানা-চিন্তাই আজি কিছুদিনৰ পৰা দিবাকৰৰ মনটো অশান্ত কৰি তুলিছে। এই চিন্তা নিজৰ বাবে নহয়। এই চিন্তা এজনী ভৰ যৌৱনা গাভৰুৰ ভৱিষ্যতক লৈ। তাৰ বাবে নাৰী জীৱনৰ সকলো আশা আকাঙ্খাক জলাঞ্জলী দিব ওলোৱা ভনীয়েক দিপ্তীৰ চিন্তাৰ দংশনত দিবাকৰৰ মন আজি ক্ষত-বিক্ষত। বাঞ্ছিতজনক হেৰুৱা জ্বলা অতি মাৰাত্মক। সেই অভিজ্ঞতা দিবাকৰৰ আছে। নিজৰ বাঞ্ছিত মানুহজনী আঁতৰি যোৱা সেই মুহূৰ্ত্তলৈ মনত পৰিলে হৃদয়ৰ কোনো এক নিভৃত কোণত বুজাব নোৱাৰা বেদনা অনুভৱ কৰে দিবাকৰে। কিন্তু দিপ্তীয়ে আজি স্ব-ইচ্ছাই সেই বেদনা মূৰ পাতি লব ওলাইছে! কিয় তাই শোভনৰ প্ৰস্তাৱ গ্ৰহণ কৰি নিজকে এগৰাকী গৃহিণীৰূপত সজাব নোৱাৰে? এই সকলোৰে মূলতে জানো সি নহয়? সি জানে পঙ্গু ককায়েকক মৃত্যু মুখলৈ ঠেলি দি দিপ্তী কেতিয়াও সুখী হব নোৱাৰে। তাই সকলো আশা আকাংখা পঙ্গু ককায়েকৰ মৰমৰ জৰীৰে আটি-আটিকৈ বন্ধা। সেয়েহে তাই আজি এটা চিৰন্তন সত্যৰ বিৰুদ্ধে সাহসেৰে থিয় দিব পাৰিছে। কিন্তু সি জানো সেইটো সহজে মানি লব পাৰিব। তাৰ বাবেই এজনী ছোৱালীয়ে নাৰী জীৱনৰ সকলো আশা-আকাংখাক ভৰিৰে গছকি জীৱনটো তিল তিলকৈ নিঃশেষ কৰি দিয়ক, সেই কথা কেতিয়াও সি মানি লব নোৱাৰে। সেয়েহে দিপ্তীৰ প্ৰস্তাৱত সি মান্তি হবলৈ বাধ্য হৈছে। সি জানে, তাৰ দৰে পঙ্গু এজনক বিয়া কৰাই নিজৰ জীৱনটোক লৈ হেতালী খেলিবলৈ কোনো নাৰীয়েই ৰাজী নহব। গতিকে তাৰ বিয়া নোহোৱালৈকে বিয়া নহওঁ বুলি লোৱা

দিপ্তীৰ সিদ্ধান্ত মানি লোৱা মানেই দিপ্তীৰ যে আৰু কোনো-দিন বিয়া কৰোৱা নহব সেইটো ধ্রুৱপ। সেয়েহে দিপ্তীৰ প্রস্তাৱ মানি লৈ সি তাৰ ফালৰ পৰাও এটা চৰ্ত আৰোপ কৰিছে সি বিয়া কৰাব যদিহে সাতদিনৰ ভিতৰত কোনোবা স্ব-ইচ্ছাই তাক বিয়া কৰাবলৈ আগবাঢ়ি আহে। সেই সাত দিনৰ ভিতৰত যদি কোনেও তাক বিয়া কৰাবলৈ ৰাজী নহয় তেনেহ'লে তাই শোভনৰ সৈতে বিয়াত সোমাব লাগিব। দিপ্তীয়ে তাৰ এই চৰ্ত মানি লোৱাত সি স্বস্তিৰ নিশ্বাস পেলাইছে। চৰ্তৰ বান্ধোনেৰে দিপ্তীক বান্ধি পেলাব পৰাত তাৰ গধুৰ মনটো কিছু পাতলিছে। সি আজি বান্ধি দিয়া সময়সীমাৰ শেষ দিন সি নিশ্চিত আজিলৈও নিশ্চয় কোনো আগবাঢ়ি আহি বিয়াৰ প্রস্তাৱ আগ নবঢ়ায়। গতিকে শোভন আৰু দিপ্তীৰ মিলন, তাৰ বিবাহ অবিহনেও নিশ্চিত। বিবাহ কথাটো মনলৈ অহাৰ লগে লগেই তাৰ মনটো আকৌ গধুৰ হৈ পৰিল। তাৰ মানে আৰু কিছুদিন পাছতেই দিপ্তী আনৰ হৈ যাব। দিপ্তীৰ মৰমৰ পৰা সি চিৰদিন বঞ্চিত হব লাগিব। এক অনামী বেদনাই তাৰ বুকুখন মুঁচৰি থৈ গ'ল। এয়ে হয়তো ভাতৃ-ভগ্নীৰ মৰমৰ চিৰন্তন ৰীতি। কিন্তু দিপ্তীৰ লগত তাৰ সম্পর্ক? তাই জানো সঁচাকৈয়ে তাৰ আপোন ভনী? তেনেহ'লে……? কব নোৱাৰাকৈয়ে তাৰ মনটো অতীতলৈ উৰা মাৰিলে……

১৯৮৩ চন। চাৰিওকালে জুই জ্বলিছে। সেই জুইৰ লেলিহান শিখাই আৱৰি পেলাইছে অসমৰ আকাশ। চাৰিও-ফালে মাথো আৰ্তচিৎকাৰ। সেই জুই অসমৰ সকলো জন সাধাৰণৰ অন্তৰতো জ্বলিছে। দেই-পুৰি পেলাইছে সহজ সৰল মানুহৰ অন্তৰবোৰ। সেই জুইত ঘি ঢালিছে কিছু-মান সুবিধাবাদী ৰাজনৈতিক নেতাই। জন সাধাৰণৰ অন্তৰত জ্বলা জুইকুৰাত হাত তপতাইছে সুবিধাবাদী নেতা সকলে। সেই সকলৰ যাদুকৰী হাতৰ নির্দেশত ভাতৃ-ৰক্ত তৃষ্ণাত আতুৰ হৈ পৰিছে ভাতৃৰ হাতৰ তৰোৱাল। বাঙলী হৈছে হাতবোৰ ভাইৰ কলিজাৰ কেঁচা তেজেৰে। ভাতৃৰ ভয়ত ভাতৃ হৈছে গৃহহীন। ভাতৃৰ হাতত ধর্ষিতা ভগ্নীৰ অসহায় আৰ্তচিৎ-কাৰে মুখৰিত কৰি তুলিছে আকাশ, বতাহ। বন্দুক-বাৰুদৰ ধোৱাই ধুঁৱলী-কুঁৱলী কৰি পেলাইছে সহজ সৰল মানুহৰ অন্তৰবোৰ। শান্তিপ্রিয় মানুহবোৰ হৈ পৰিছে অশান্ত, চঞ্চল আৰু উত্তেজিত। আন্দোলনটোৰ নেতা সকলো হৈ পৰিছে অসহায়। অহিংস আন্দোলনটোৱে ক্রমে ক্রমে ঘোৰতৰ হিংসাত্মক ৰূপ ধাৰণ কৰিছে।

দিবাকৰহঁতৰ দৰে অহিংসাত বিশ্বাসী নেতা সকলো ক্রমে ক্রমে জন সাধাৰণৰ পৰা আঁতৰি গৈছে। এনেকুৱা সময়তে আহিল সেই সর্ব্বনাশীয় দিনটো। যিটো দিনত দিবাকৰে হেৰুৱাইছিল মাক দেউতাকৰ লগতে একমাত্র ভনীয়েক জোনালীক। মানুহৰ বর্বৰতাৰ বলি হৈছিল দিবাকৰ-হঁতৰ গাঁৱৰ প্রায়খিনি মানুহ। মাজনিশা কোনো দুৰ্বৃত্তৰ দলে গাওঁখনত জুই লগাই দিছিল। দুই এক লোক কেনে-বাকৈ সাৰিলেও গাওঁখনৰ প্রায়খিনি মানুহ জীৱন্তে দগ্ধ হ'ল। আন্দোলনৰ কামত প্রায়ে বাহিৰত থকা দিবাকৰে মাক, দেউতাক আৰু ভনীয়েকৰ অৰ্ধদগ্ধ মৃতদেহ কেইটিহে দেখা পালে। কোনো দিনে হিংসাক প্রশ্রয় নিদিয়া দিবাকৰৰ অন্তৰত প্রতিশোধৰ জুই জ্বলি উঠিল। দয়া, মমতা, প্রেম-প্রীতিৰ ঠাই ল'লে প্রতিশোধ পিয়াসী ক্রোধে। হত্যা, লুণ্ঠন আৰু অগ্নিকাণ্ডৰ যোগেৰে বিদেশী মুক্ত দেশ গঢ়িবলৈ ওলোৱা চামৰ লগত সিও মিলি গ'ল। আজোককাৰ দিনৰে পৰা ভাই-ভাইৰ দৰে মিলিজুলি থকা মৈৰাবাৰী, আঁখৈবড়ি আদি গাঁৱৰ পমুৱা লোকসকল সিহঁতৰ বাবে হৈ পৰিল চিৰ শত্রু। হিতা-হিত জ্ঞান হেৰুৱাই ইটো দলে সিটো দলৰ ওপৰত চলালে নৃসংশ আক্রমণ। সেই দিনবোৰৰ কথা মনত পৰিলে দিবাকৰৰ নিজকে এতিয়া অমানুহ অমানুহ লাগে। তাৰ ভাৱ হয় সেই পাপ কর্মৰ প্রায়শ্চিত্ত ভোগ কৰিছে তাৰ এই পঙ্গু জীৱনৰ অসহনীয় কষ্টৰ মাজেৰে। তাৰ নিষ্ঠুৰ হাতৰ তৰোৱালখনে ক'ত জনক যে ইহ সংসা-ৰৰ পৰা আঁতৰাই পঠিয়ালে, সেই কথা মনত পৰিলে সি আজিও শিহৰিত হৈ উঠে। তাৰ প্রতিশোধৰ দাবানলত আৰু কিমানজনে জীৱন আহুতি দিব লগীয়া হ'লহেতেন তাৰ ঠিক নাছিল যদিহে দৈব্যক্রমে দিপ্তী তাৰ দৃশ্যপটত আৱির্ভাৱ নহ'লহেতেন। সেইদিনা দিবাকৰহঁতৰ অভিযান চলিছিল মৈৰাবাৰী গাঁৱত। একালৰ পৰা ঘৰবোৰত জুই জ্বলাই গৈছিল সিহঁতৰ দলটোৱে। কোনো এটা প্রাণীও সেইদিনা সাৰি যাব পৰা নাছিল সিহঁতৰ হাতৰ ৰক্ত তৃষ্ণা-তুৰ তৰোৱাল, লাঠি, জোং আদিৰ আগত। সফলতাৰে

অভিযান সামৰি বিজয় গৰ্বেৰে উভতি আহিছিল সিহঁতৰ দলটো।

দলটোৰ পৰা কিছু পিছ পৰি তেজ লগা তৰোৱালখন ধোৱৰ বাবে এটা পুখুৰীৰ ফালে আগবাঢ়ি গৈছিল দিবাকৰ। এনেতে চকুত পৰিল ওচৰতে থকা জোপোহা এটাৰ মাজত কোনোবা এটাই লুকাবলৈ চেষ্টা কৰিছে। হাতৰ তৰোৱালখন জোৰেৰে খামুচি ধৰি দিবাকৰ সন্তৰ্পনে আগুৱাই গ'ল। দিবাকৰে দেখিলে জোপোহাটোৰ আঁৰত কুচি-মুচিকৈ বহি আছে এজনী গাভৰু ছোৱালী। ভয়তে থৰ থৰকৈ কপিছে ছোৱালীজনীৰ যৌৱনপুষ্ট কোমল দেহটো। চকুত ভয়াৰ্ত চাৱনি। দিবাকৰৰ হাতৰ তৰোৱাল খন লালসাত নাচি উঠিল। হাতৰ মুঠিটো ক্ৰমে কঠিন হৈ আহিল। দিবাকৰ আৰু দুখোজমান আগুৱাই গ'ল। কিন্তু এয়া কি! প্ৰাণ ৰক্ষাৰ হেতু জোপোহাৰ আঁৰত কুচি-মুচি লুকুৱাবলৈ ব্যৰ্থ প্ৰয়াস কৰা ছোৱালীজনী দেখোন তাৰ ভনীয়েক জোনালী। সেই মুখ, সেই চকু আস! ইমান মিল জানো সম্ভৱ? দিবাকৰৰ মুৰটো আচন্দ্ৰাই কৰা যেন লাগিল। তাৰ ওপৰৰ আকাশখন যেন চক্ৰাকাৰে ঘূৰিবলৈ ধৰিলে। ভৰি তলৰ মাটিখিনি যেন হঠাতে আঁতৰি গ'ল। তাৰ হাতৰ মুঠিটো শিথিল হৈ আহিল। তাৰ পিছত কি হ'ল সি ক'ব নোৱাৰিলে। যেতিয়া সি জ্ঞান ঘূৰাই পায় তেতিয়া তাৰ ওচৰত সিহঁতৰ দলটোৰ কোনো নাছিল। তাৰ মূৰ শিতানত বহি ত-তকৈ তাৰ মুখলৈ চাই আছে মৈৰামাৰী গাঁৱৰ সেই অজ্ঞাত ছোৱালীজনী। তাক লৰচৰ কৰা দেখিও ছোৱালীজনী আঁতৰি নগে অস্ফুত কণ্ঠেৰে ক'লে—

: ককাইদেউ!

এয়া দিবাকৰে কি শুনিছে! অচিন ছোৱালীজনীৰ মুখত ককাইদেউ শব্দটো শুনাৰ লগে লগে দিবাকৰ আবেগত উথলি উঠিল। সি যেন ঘুৰাই পালে তাৰ হেৰোৱা ভনীয়েক জোনালীক। আৰু সেই ছোৱালীজনীয়েই হৈ পৰিল সেইদিনাৰ পৰা তাৰ আপোনৰো আপোন হিয়াৰ আমঠু। প্ৰতিশোধৰ দাবানলত নিঃশেষ হৈ যাব ধৰা দিবাকৰক ছোৱালীজনীৰ মৰম আৰু আব্দাৰে পুনৰ ঘূৰাই আনিলে। দিবাকৰৰ ঘোৰ অন্ধকাৰ সংসাৰত ছোৱালীজনী দীপশিখা হৈ জ্বলি উঠিল।

এটা চুটাকৈ কেঁহবাটাও ধুমুহা দিবাকৰৰ মূৰৰ ওপৰেৰে পাৰ হৈ গ'ল। "তেজ দিম তেল নিদিও" এই মহামন্ত্ৰেৰে পিকেটিং কৰি ঘূৰি অহাৰ পথত দুৰ্ঘটনাত পতিত বাছখনৰ এজন যাত্ৰী হিচাবে আন বহুতৰ দৰে জীৱনটো হেৰুৱাব লগীয়া নহলেও দিবাকৰে কিন্তু ভৰি দুটা হেৰুৱালে। চিৰদিনৰ বাবে পংগু হোৱাৰ কাৰণে সি হেৰুৱাবলগা হ'ল তাৰ জীৱনৰ অতিকৈ আপোন শেৱালীক। বন্ধু-বান্ধৱ সকলৰ পৰাও অকণমান সহানুভূতিৰ বাহিৰে সি একোৱেই নাপালে। সকলো হেৰুৱালেও সি হেৰুৱাব লগা নহ'ল দিপ্তীৰ মৰম। দিপ্তীৰ মৰমৰ মাজতেই বিচাৰি পালে সি জীয়াই থকাৰ প্ৰেৰণা। দিপ্তীয়েই হ'ল আজি তাৰ পংগু জীৱনৰ সাৰথি। দিপ্তী অবিহনে সি এটা জীয়া মাংসপিণ্ড। দিপ্তীৰ মৰমৰ আব্দালৰ মাজেৰেই পাৰ হৈ যায় তাৰ প্ৰতিদিনৰ দিনলিপি। সেইজনী দিপ্তীয়েই এতিয়া আনৰ হৈ যাব। অজানিতেই এটা হুমুনিয়াহ ওলাই আহিল তাৰ। হুইল চেয়াৰখনত আওজি চকু দুটা মুদি দিলে সি। কোঠাটোৰ ভিতৰত কাৰোবাৰ পদধ্বনি শুনিবলৈ পালে। নিশ্চয় দিপ্তী আহিছে, মনতে ভাবিলে সি। লাহে লাহে চকু দুটা সি মেলি দিলে। চাহৰ ট্ৰেখন হাতত লৈ দণ্ডমান হৈ থিয় হৈ থকা নাৰী গৰাকীত চকু পৰাৰ লগে লগে সি চমকি উঠিল।

: তুমি! আচৰিত হৈ সি সুধিলে।

নাৰী গৰাকীয়ে চাহকাপ মেজখনৰ ওপৰত থৈ লাহে লাহে দিবাকৰৰ ফালে আগুৱাই গ'ল। লাহেকৈ দিবাকৰৰ সন্মুখত মজিয়াত বহি আঠু দুটাৰ মাজত মুখখন গুজি তাই উচুপি উঠিল। কিবা কবলৈ দিবাকৰে ভাষা বিচাৰি নাপালে। সি মাথো ভেবা লাগি চাই ৰ'ল। কিছু সময় উচুপি থকাৰ পিছত নাৰী গৰাকী থিয় হ'ল আৰু দিবাকৰৰ আঠু এটাত খামুচি ধৰি ক'লে—

: কোৱা তুমি মোক ক্ষমা কৰিব পাৰিছা? মই আজি সঁচাকৈয়ে অনুতপ্তা। মই আমাৰ প্ৰেমত কলংক সানিছোঁ।

ঃ কিন্তু এই কথা এতিয়া বহু পুৰণি হৈ গ'ল। মই ভাবো সি এক দুঃস্বপ্ন আছিল। সেইবোৰ ভাবি জানো এতিয়া কিবা লাভ আছে?

ঃ তাৰ মানে এতিয়াও তুমি মোক ক্ষমা কৰিব পৰা নাই?

ঃ মই ভাবো তুমি একো দোষ কৰা নাই। তোমাৰ ঠাইত মই হোৱা হলেও হয়তো তাকেই কৰিলোহেঁতেন। তুমি কিয়, পৃথিৱীৰ কোনো নাৰীয়েও হয়তো মোক স্বামী হিচাবে গ্ৰহণ কৰিব নোৱাৰে।

ঃ মই যদি কওঁ এনে নাৰী এতিয়াও আছে যিয়ে নেকি সকলো চেনেহ ঢালি তোমাৰ পৰিচৰ্য্যাৰ বাবে আগ্ৰহী।

ঃ মই কাৰো চেনেহ ধন্য হব নিবিচাৰোঁ। মোৰ অকৰ্মন্যতাক কোনোৱাই পুতৌ কৰক, সেয়া মই কেতিয়াও হব নিদিওঁ।

ঃ পুতৌ নহয় দিবাকৰ এয়া প্ৰেমৰ কথা। কোনোবাই যদি তোমাক বিয়া কৰাবলৈ আগবাঢ়ি আহে তুমি জানো ৰাজী নহ'বা?

ঃ কিন্তু ই কোন সেই নাৰী?

ঃ তোমাৰ তাহানিৰ মৰমৰ সেই শেৱালী!

ঃ কিন্তু কেনেকৈ সম্ভৱ হব? তোমাৰ জানো......

ঃ শংকাৰ কোনো কাৰণ নাই দিবাকৰ। ইতিমধ্যে আমাৰ বিবাহ বিচ্ছেদ হৈ গৈছে। সাংসাৰিক জীৱনত আমি এজনো সুখী নহয়। দুয়ো স্বামী স্ত্ৰী ক্ৰমে ক্ৰমে আঁতৰি আহি এনেকুৱা এটা অৱস্থাত অৱস্থান কৰিছোঁ যে আমাৰ পুনঃমিলন কেতিয়াও সম্ভৱ নহয়। স্বামীয়ে ইতি-মধ্যে দ্বিতীয় বাৰ বিয়া কৰাইছে।

ঃ কিন্তু!

ঃ কোনো কিন্তু নাই। আমাৰ নিজৰ বাবে নহলেও শোভন আৰু দিপ্তীৰ বাবে আমি এটা সিদ্ধান্তত উপনীত হোৱা উচিত। দুটি মিলন পিয়াসী মনক আমাৰ মিলনৰ দ্বাৰাই আমি এক কৰিব লাগিব।

ঃ কিন্তু তুমি জানো সুখী হব পাৰিবা? মৃত্যু পথৰ যাত্ৰী মই। মোক লৈ তুমি......

ঃ সেই চিন্তা মোক কৰিব দিলেই মই ভাল পাম।

ঃ শুনা শেৱালী, তুমি আজি যি পথ বাছি লৈছা সেই পথ কণ্টকেৰে পৰিপূৰ্ণ। অতিকে দুৰ্গম সেই পথ।

ঃ মই যি পথ বাছি লৈছো সেয়া শুদ্ধ বুলি ভাবিয়েই লৈছোঁ। সেই পথ যিমানেই কণ্টকময় নহওঁক কিয়, হেলাৰঙে মই অতিক্ৰম কৰিব পাৰিম। সেই সাহস মোৰ আছে। মই মাথো তোমাৰ যাত্ৰা পথৰ সহযাত্ৰী হব বিচাৰোঁ। কোৱা, এতিয়াও বিশ্বাস হোৱা নাই তোমাৰ। শেৱালীয়ে দিবাকৰৰ আঠু দুটা জোকাৰি দিলে।

ঃ শেৱালী! মোৰ মৰমৰ শেৱালী। আবেগেৰে শেৱালীৰ মুখটো বুকুত সুমুৱাই সাৱটি ধৰিলে দিবাকৰে। জোৰেৰে আৰু জোৰেৰে।

---

মহৎ লোকৰ বাণী

নাৰীসকলক দুৰ্বল জাতি বুলি কোৱাটো অপমানজনক। ই নাৰীৰ প্ৰতি পুৰুষৰ অন্যায় শক্তিৰ দ্বাৰা যদি জঘন্য শক্তিক বুজাব খোজো তেন্তে নাৰী প্ৰকৃততে পুৰুষৰে—এই বিষয়ত কম শক্তিশালী সচা। কিন্তু শক্তিক যদি আমি নৈতিক শক্তি বুলি বিবেচনা কৰো তেনেহ'লে নাৰী পুৰুষতকৈ বহু গুণে শ্ৰেষ্ঠ।

—গান্ধীজী

একাঙ্কিকা নাটক

# নাম ঃ "আমি বিচৰা বস্তটো"

ৰচোতা ঃ শ্ৰীদীপক কুমাৰ গোস্বামী
মঙ্গলদৈ মহাবিদ্যালয়

চৰিত্ৰাৱলী :— (১) পল — বি. এ.
(২) মানস — বি. ই.
(৩) সুৰেণ — এম. এ.
(৪) খৰ্গ — বি. কম.
(৫) সুশান্ত — এম. এচ. চি

[ **মঞ্চ নিৰ্দেশনা** :— প্ৰথমে মানস, পল, সুৰেণ, খৰ্গ, সুশান্ত দৰ্শকৰ ফালে মুখ কৰি আৰু একালৰ পৰা শাৰী পাতি থিয় হব, পলে এজন এজনকৈ চিনাকী কৰি দিব ]

পল :— এয়া মানস বৰুৱা, বি, ই পাছ (মানসে নমস্কাৰ দিব)
—এয়া সুৰেণ হাজৰিকা, এম, এ পাছ (নমস্কাৰ দিব)
—এয়া খৰ্গ দৈমাৰী, এম, কম ( „ )
—এয়া সুশান্ত লহকৰ, এম. এচ, চি ( „ )
( শেষত নিজৰ চিনাকী দিয়ে )
—মই পল ৰাজখোৱা, বি, এ পাছ। এওঁলোক আজি কিয় এই মঞ্চত উঠিব লগা হ'ল, এই বিষয়ে আপোনালোকক এওঁলোকে কব। চাওঁক।

( পলে কৈ ওলাই যায় আৰু প্ৰত্যেকেই নিজৰ সুবিধা অনুযায়ী স্থান লয় )।

সুশান্ত :— অই, তহঁতে ইনটাৰভিউ দিলি ?

খৰ্গ :— কিহৰ ?

সুশান্ত :— কিহৰ মানে প্ৰত্যেক বিভাগৰে দেখোন বাতৰিত এডভাৰ্টাচ দিছে। মেট্ৰিক পাছৰ পৰা সিফালে এম, এ, এম· কম, এম. এচ. চি, ইঞ্জিনিয়াৰ পাছ সকলোৰে। নে গম পোৱা নাই। নে বাতৰি একেবাৰে নাচাৰ।

মানস :— ( ঠাট্টা কৰি ) ওঁস: বাতৰি চাই ? জন্মৰ পৰা পঢ়ি পঢ়ি এম, এচ. চি পাছ কৰিলি, কিমান আখৰ চালি মনত আছেনে ? নে আৰু বাতৰিৰ আখৰকেইটা চাবলৈহে বাকী আছে। নে বাতৰিটো এম· এচ. চি পাছ কৰা হৈছে।
( ফি: ফি: হাঁহে ঠাট্টা কৰি )

সুশান্ত :— তোৰ ঠাট্টা কৰিবলৈ হ'লনে ? পাগলটো।

মানস :— ঠাট্টা নহয় তহঁতে যি কৰা, কৰা। মই পাগল, মোৰ বাট মুকলিল। মই বাৰু পগলা ফাটেকতে ভাত খাম। তহঁতে ক'ত ভাত খাব তাকে চিন্তা কৰ।

খৰ্গ :— অই সুৰেণ, তই কিবা কঅ'। তই দেখোন চোৰৰ দৰে বহি আছ মনে মনে।

সুৰেণ :— তই দেখোন জানই, মই চোৰৰ দৰে বহি থকা চোৰহে। ( চোৰৰ দৰে বহে ) সেয়ে মোৰ উপায় ওলাল। পৰালৈকে চোৰ কৰি খালো, নোৱাৰা হ'লে থাকিমগৈ জেলৰ ভাত খাই। এতিয়া তহঁতৰ কথাহে চিন্তা কৰ। মানস আৰু মোৰ হ'ল।

খৰ্গ :— তইঁতে লগে লগে দেখোন সদন ত্যাগ কৰিলিয়েই। এনেকে নহব নহয়। ধৈৰ্য্য ধৰ।

মানস :— তইঁতে ধৈৰ্য্য ধৰোতে ধৈৰ্য্যৰ লগতে আঠা লাগি থাকিলি। সুৰেণে ময়ে কিবা এটা নহয় কিবা এটা পথ বাচি ললোৱেই। অঃ তহঁত সকই আছা, দাড়ি-চুলি পকা নাই, মাম্ মাম্ কৰাই আছা। তহঁতৰ ধৈৰ্য্য ধৰাৰ সময় আছে।

(পল সোমাই আহে)

সুৰেণঃ— এয়া দালালৰ পুতাক আহি পালে।

পল : এই সুৰেণ, দালালৰ পুতাকে কাম কৰিলো।

সুৰেণ : কি কাম কৰিলা?

পল : চাৰ্টিফিকেট, মাৰ্কচিট বিলাক বিক্ৰী কৰিলো।

সুৰেণ : কাক বিক্ৰী কৰিলা? (প্ৰত্যেকজনে অবাক হৈ ইটোৱে সিটোৰ মুখলৈ চায়)

পল : মন্ত্ৰী মহোদয়ক।

প্ৰত্যেকে একে লগে :—কিমান টকাত???

পল :— টকা পইচা মই পোৱা নাই।

সুৰেণ :— কি পালা?

পল :— চাকৰি! চাকৰি!

মানসঃ— হেঃ হেঃ চাৰ্টিফিকেট বিক্ৰী কৰি চাকৰি? হেঃ হেঃ (হাহেঁ)

পল :— তই হাঁহিয়েই থাক। হাঁহি হাঁহি পাগল হ।

মানসঃ — অঃ মই পাগল। মোৰ পাগলৰ চাৰ্টিফিকেটো নাই, মোৰ চাকৰিও নাই। মই পাগল হৈ থাকিম। মোৰ এটা ভৱিষ্যৎ আছে। চিন্তা নাই, মোৰ নিশ্চয় পগলা ফাটেকত সোমায় পেটে ভাতে খাই থাকিবলৈ এটাটো বাট আছে। মই আৰু এইবিলাক নিবনুৱা পৰিষদ খুলি থাকিবলৈ দৰকাৰ নাই।

সুৰেণ :— অই, তই কিহৰ পাগলামি কৰি আছ; এই-বিলাক বাজে কথা বাদ দে।

(মানসক উদ্দেশ্যে)

খৰ্গ :— অই সুৰেণ, মানসে কি বাজে কথা ক'লে অ। সি ভাল চিন্তাই কৰিছে। সি নিবনুৱা সমস্যাৰ কথা চিন্তা কৰিয়েইটো কৈছে। তোৰ দৰে বাপেকৰ টকা পইচা চোৰ কৰা নাই।

সুৰেণ :— অঃ মই চোৰেই। মই ঘৰতেই প্ৰেকট্ৰিছ কৰিছো। মোৰো মানসৰ দৰে ভৱিষ্যতৰ সোণালী বাট মুকলি হৈয়ে আছে। ক'ৰবাত চোৰ কৰিয়েই খাই থাকিম। চোৰ কৰিব নোৱাৰিলে ধৰা পৰিম। ধৰা পৰিলে জেলত আৰামত ভাত খাম। আমাৰ তিনিটাৰ দেখোন সংস্থাপন হ'লেই। এতিয়া তহঁতৰহে লেঠা লাগিল।

সুশান্ত :— মই ইমান সময় মনে মনে আছিলো। তহঁতৰ কথাবিলাক মোৰ মনে ধৰা নাই। কাৰণ তহঁত সকলো আত্মকেন্দ্ৰিক। এনেকে নহব নহয়। আমাৰ এই সমস্যাবিলাকৰ গুৰিতেই আছে আমাৰ শিক্ষা ব্যৱস্থা। আমাৰ শিক্ষা-ব্যৱস্থাত মাত্ৰ সৃষ্টি হৈছে নিবনুৱা। কিন্তু সৃষ্টি কৰিব পৰা নাই সুদক্ষ কৰ্মী। মানৱ সম্পদৰ ব্যৱহাৰ প্ৰয়োজন সাপেক্ষে হোৱা নাই।

মানস :— বৰ বঢ়িয়া লেক্‌চাৰ দিছি দেই। (সুৰেণৰ মুখলৈ চাই) ই মন্ত্ৰীৰ লায়েকৰ মানুহ। ইয়াক এই-বাৰ আমাৰ ফালৰ পৰা পঠাও দে।

সুশান্ত :— এই মানস, আকৌ পাগলামি কৰিলিয়েই নে?

মানস :— কি ক'লা? পাগলৰ কি কাম নাজানা? পাগলামি নহয় নেকি?

সুশান্ত :— শুন, আমি আজি কিবা এটা সিদ্ধান্তলৈ আহিব লাগিব। নে কি কোৱা?

সকলোৱে একেলগে :— অঃ অঃ ঠিকেই।

পলঃ— (সুশান্তলৈ আঙুলিয়াই) তই যে ক'লি শিক্ষা-ব্যৱস্থাৰ কাৰণেই আমাৰ সমস্যা। শিক্ষা ব্যৱস্থাই কি দোষ কৰিলে? এই শিক্ষা ব্যৱস্থাতেই মই বেড্-চিটিত পৰীক্ষা দিহে বি. এ. পাছ কৰিলো। আৰু যদি বেলেগ হয়, তেতিয়া অৱস্থা আৰু দেখোন কিবা হবগৈ।

সুশান্ত :— তোৰ মুৰত একোৱেই নাই দে। শিক্ষা-ব্যৱস্থাৰ ভুল। প্ৰথম কথা শিক্ষা লোৱা ছাত্ৰ ছাত্ৰীক বিভাজন কৰা হোৱা নাই। কোন কি বিষয়ৰ প্ৰযোৰ্য্য।

সুৰেণ :— আৰু দ্বিতীয় কথা হ'ল— পাঠ্যক্ৰম বিলাকত

থকা বুৰঞ্জীবিলাক ভুল আৰু তাত থকা অতীত পূৰ্ব্ব-পুৰুষ সকলৰ জীৱনী আমি পঢ়িব পোৱা নাই। সেই কাৰণে আমি ডিচিচন লব নোৱাৰো আমি কাৰ দৰে হম। আমাৰ পূৰ্বপুৰুষ কি আছিল। ৰজা আছিল নে কুমাৰ আছিল নে বেপাৰী আছিল? বাপ চাই বেটা বুলি এষাৰ কথা আছেটো।

পল :— সুৰেণৰ কথাটো ঠিকেই। আমাৰ দেশতটো বহুতো নেতা আছিল। শিৱাজী, লাচিত, সুভাষ বসু, চিলাৰায় আদি।

মানস :— চুপ ; তেনে কথা নকবি। (ঠাট্টাৰ সুৰত) আমাৰ এইখন ধৰ্ম নিৰপেক্ষ দেশ। শিৱাজীৰ বিষয়ে পঢ়িলে এটা সম্প্ৰদায় শক্তিশালী হৈ উঠিব। আকৌ শিৱাজীয়ে ৰাজত্ব কৰিব।

খৰ্গ :— বাদ দে বাদ দে, ধৰ্ম নিৰপেক্ষ দেশ? ধৰ্মক দোহাই দিয়েই আমাৰ দেশ বিভাজন হৈ স্বাধীন হ'ল আৰু আমাক শিকাব নালাগে। সেয়ে আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীৰ পুত্ৰসকলে হাতত অস্ত্ৰ লৈ কটাকটি কৰি মৰিব লাগিছে। বাদ দে দেশৰ কথা। এতিয়া আমাৰ নিজৰ কথালৈ আহ।

সুশান্ত :— পালো, পালো (চিঞৰি চিঞৰি কব)
(সকলো অবাক হৈ ৰ'ব।)

মানস :— (সুশান্তৰ ওচৰলৈ গৈ ক'ব) কি পালা?

সুশান্ত :— আমি বিচৰা বস্তুটো।

মানস :— আমি কি বিচাৰিছিলো?

সুশান্ত :— ধেৎ পাগল, ইমান সোনকালে পাহৰি গ'লানে?

মানস :— আমি এটা বস্তুতে লাগি নাথাকো ; কি পালা কোৱা।

সুশান্ত :— নিবনুৱা সমস্যা সমাধান।

খৰ্গ :— কেনেকৈ?

সুশান্ত :— আমি এতিয়া সকলোৱে ভিক্ষা খুজিম। Standard ভিক্ষাৰী। দৰকাৰ হ'লে মাৰুতি লৈও ঘুৰিম।

মানস :— চাল্লা! ই এজন বৈজ্ঞানিক হব লগা মানুহ আছিল দেই।

সুশান্ত :— আমাৰ যাত্ৰা আৰম্ভ।

সকলোৱে গাব :— ভিক্ষা দে ভিক্ষা দে।
সকলোকে ভিক্ষা দে।।

• ◦ ◦ ◦ ◦ •

বিহুসুৰীয়াকৈ গাব :—

আমি হ'লো ৰাইজৰ ভিক্ষাৰী
থাকো আমি চাৰ্টিফিকেটকে সাৱতি
ঘনে ঘনে মনত পৰে চাকৰি।

(গীত শেষ হোৱাৰ লগে লগে সকলোৱে স্তব্ধ হৈ যাব।)

সুশান্ত :— ৰাইজ! আপোনালোকে চাওঁক এই শিক্ষিত যুৱক কেইজনৰ অৱস্থা। ইহঁতে পোৱা নাই উপযুক্ত সংস্থান, মানে সুস্থ হাত ভৰিনে যোগ্য কাম পোৱা নাই। তাৰ কাৰণে ইহঁতে হাত ভৰিখন কাটি পেলাব নেকি? আপোনালোকে চিন্তা কৰক। কিন্তু আপোনালোকে কব- জীয়াই থকাৰ বহু উপায় আছে আৰু চৰকাৰেও D. I. C. ৰ পৰা বহু সুবিধা দিছে। কিন্তু সেই সুবিধা লবলৈ যাওঁতে কি হৈছে ; ইহঁতে উপযুক্ত শিক্ষা পাইছে মানে ইহঁতে এনেয়ে নিবনুৱা, D. I. C. লৈ অহা যোৱা কৰোতে ইহঁতৰ ভৰিৰ চেণ্ডেল ক্ষই গ'ল আপোনালোকে ভাবিব পাৰে, মই অমূলক লেকচাৰ মৰা বুলি বা অহাবাৰ ইলেকশ্বন খেলাৰ প্ৰয়াসতে আপোনালোকক ভোল নিয়াইছো।

(লগে লগে গণ্ডগোল হয়। কিছুমান শ্লোগান গায়-উপযুক্ত কৰ্ম-সংস্থান লাগে, নহ'লে খেতি কৰা মাটি লাগে।)

সুশান্ত :— বন্ধু সকল! আমাৰ আন্দোলন আৰম্ভ হৈছে। সেয়ে আমি মানসিক ভাৱে প্ৰস্তুত হব লাগে। কোন সময়ত কি হয় কোনো ঠিকনা নাই। কাৰণ এই আন্দোলনে গোটেই বিশ্ব কপাই তুলিছে। সেয়ে পৃথিৱীৰ ডাঙৰ ডাঙৰ বাতৰি প্ৰতিষ্ঠান বিলাকে আমাৰ লগত সাক্ষাতকাৰ কৰিব বিচাৰিব। যাতে সেই সাক্ষাৎ আমি ভালদৰে দিব পাৰো। এতিয়া

আমাৰ আন্দোলনৰ প্ৰথম কাৰ্য্যসূচী হ'ল জনমত গঠন কৰা আৰু প্ৰচাৰ।

(ঘপ্‌কৰে চাৰিজন উঠি চাৰি দিশত থিয় হৈ চিঞৰি চিঞৰি কব।)

"আমি আন্দোলন আৰম্ভ কৰিছো, ৰাইজ যোগ দিয়ক।"

মানস :— আমাৰ আন্দোলনৰ প্ৰথম কাৰ্য্যসূচী আৰম্ভ হ'ল। দ্বিতীয় কাম আমি "ভালকৈ সুখেৰে জীয়াই থকাবোৰ আৰু দুৰ্নীতি কৰা মানুহবোৰক কাটি মাৰি শেষ কৰিব লাগিব।"

খৰ্গ :— ব'ল ব'ল! হাতে হাতে জোং, ডেগাৰ লৈ আহো ব'ল। ব'ল ব'ল।

(লগে লগে সুশান্তই চিঞৰি কব)

সুশান্ত :— ৰাইজ! মোৰ ভুল হৈছে।

(সকলো স্তব্ধ হৈ ৰব, লাহেকৈ মানস সুশান্তৰ ওচৰলৈ আহি ক'ব)

মানস :— ভুল! কি ভুল হ'ল তোৰ?

সুশান্ত :— অঃ ভুল হৈছে! এই ভুল শব্দটো পৃথিৱীৰ পৰা আঁতৰ কৰিব লাগিব। নহ'লে এই ভুল শব্দটোৱে গোটেই পৃথিৱী ধ্বংস কৰি পেলাব।

মানস :— ভুল শব্দই পৃথিৱী ধ্বংস কৰি পেলাব? (চিন্তিত ভাৱে) ঠিক আছে, ভুল কৰিলে ক্ষমা কৰিম।

সুশান্ত :— পালো পালো আৰু এটা পালো।

(চিঞৰি চিঞৰি অবাক হয়)

খৰ্গ :— কি পালা?

সুশান্ত :— ক্ষমা! ক্ষমা পালো। ভুল আৰু ক্ষমা দুয়োটা পালো। ভুল আৰু ক্ষমা এই দুটা শব্দ আমি আঁতৰ কৰিব লাগিব।

(মানসে গাব : দয়া নাই... ক্ষমা নাই।)

খৰ্গ :— কেনেকৈ?

সুশান্ত :— আমি ভুল নকৰো।

খৰ্গ :— ৰাইজ! সুশান্তই সপোন দেখিছে; এইবিলাক সি ভ্ৰম বকিছে।

সুশান্ত :— ৰাইজ! মই সপোন দেখা নাই। মই অন্তৰৰ পৰাই কৈছো। ভুল শব্দটো আঁতৰ কৰিব পাৰিলে আমাৰ দেশৰ সকলো সমস্যা আঁতৰ হব আৰু এটা কথা এই ভুল শব্দটোৰ মাজতেই দুৰ্নীতি, স্বাৰ্থপৰতা আদি সোমাই আছে। আমি ভুল নকৰো মানে এই সকলোবোৰ দুৰ্নীতিৰ পৰা আঁতৰত থকা বুজাব। আপোনালোকে চিন্তা কৰক।

পল :— বাঃ বাঃ ৰবৰহিয়া লেক্‌চাৰ। মন্ত্ৰীৰ লায়েকৰ মানুহ। তোক এইবাৰ মন্ত্ৰীকে কৰি দেও দে।

সুশান্ত :— মন্ত্ৰী হব লাগিলে প্ৰথমে নিৰ্ব্বাচনত জিকিব লাগিব। এয়া গণতন্ত্ৰৰ খেলা আৰু গণতন্ত্ৰৰ খেলা সংখ্যাৰেহে হয়। অসমত যিহে গণতন্ত্ৰৰ খেলা হৈছে, সেই গণতন্ত্ৰৰ খেলা খেলি থাকোতে আৰু কেইবছৰ মান পিছত আমাৰ নাতি ল'ৰাহঁতে অসমীয়া মানুহ ক'ত চাব লাগিব জানা? মিউজিয়ামত চাব লাগিব। আৰু সেই জকাঁটোৰ ওপৰত লিখা থাকিব— "এইটো অসমত পুৰ্বতে ৰাজত্ব কৰা আৰু বাস কৰা অসমীয়া মানুহৰ জকা।"

এতিয়া আমাৰ পৰৱৰ্ত্তী কাৰ্য্যসূচী আৰম্ভ হব। পৰৱৰ্ত্তী কাৰ্য্যসূচীত প্ৰথম কাৰ্য্যসূচী হৈছে সাংবাদিক মেল। সাংবাদিক মেলত টি, ভি ৰিপৰ্টাৰ আৰু "অসম বাতৰি"ৰ সাংবাদিক আহিব। তাৰ পিছত আমাৰ কাৰ্য্যসূচী হৈছে- পতাকা উত্তোলন। তাৰ পিছত সামৰণি।

(এনেতে গাড়ীৰ শব্দ হয়)

সকলোৱে উৎকণ্ঠিত হৈ ক'বঃ— আহিছে, আহিছে সাংবাদিক।

(লগে লগে সকলোৱে আগুৱাই যাব নিজে বনাই যোৱা বাটৰ ফালে। কম পৰিমাণে মঞ্চখন এন্ধাৰ হৈ যাব আৰু এই সুযোগতে খৰ্গ আৰু সুশান্তৰ বাহিৰে আন তিনিজনে সাংবাদিকৰ ৰূপ লব।)

সুশান্ত :— আহক, আহক।

(সাংবাদিক থিয় হৈয়ে প্ৰশ্ন কৰিব। টি ভি সাংবাদিকে টি ভি কেমেৰা আৰু স্পীকাৰ ভঙ্গিমাৰে দেখুৱাব; স্পীকাৰ লোৱাৰ ভঙ্গীমাৰে)

টি. ভি. সাংবাদিক :— মিষ্টাৰ সুশান্ত লহকৰ, আপোনাৰ সংগঠনৰ লিড্‌ আপুনিয়েই লৈছে বুলি গম পাইছো; সেয়ে আপুনিয়েই প্ৰথমে বক্তব্য ৰাখক।

সুশান্ত :— 'অভাৱেই আৱিষ্কাৰৰ মুল'' বুলি এযাৰ কথা আছে। যেতিয়া আমি আনুষ্ঠানিক শিক্ষা শেষ কৰি নিবনুৱা হৈ আছিলো, তেতিয়া আমি অভাৱত ডুব গৈ আছিলো। সেই অভাৱ আমি প্ৰথমে ব্যক্তিগত অভাৱ বুলি ভাবি আছিলো। কিন্তু পিছত গৈ আমি সেই অভাৱ সামূহিক অভাৱলৈ পৰিৱৰ্তন কৰিম বুলিয়েই এই সংগঠনটোৰ জন্ম দিছো।

সাংবাদিক :-- (খৰ্গক উদ্দেশ্যি) মিষ্টাৰ দৈমাৰী, আপুনি কওঁক বাৰু অসমত বৰ্ত্তমান কি বাঢ়ি গৈছে?

খৰ্গ :— অসমত বৰ্ত্তমান শ্বহীদ বাঢ়ি গৈছে। তাৰমানে আপুনি বুজি পাইছেনে? শ্বহীদ কিয় বাঢ়িল? তাৰ মানে দোষাৰোপ, কেৱল দোষাৰোপ। ইটো জাতিয়ে সিটো জাতিক দোষাৰোপ। সকলো মিলি একেলগে ধৰিবলৈ খুটিটো উলিয়াব বিচাৰিছো।

(কৌতুক সুৰত কয়)

(কিছুমানে টি ভি কেমেৰাত ফটো উঠিবলৈ ঠেলা ওপৰা লগায়)

সাংবাদিক :— ঠেলা-ঠেলি নকৰিব। সকলোকে উঠাম।

সাংবাদিক :— (সুশান্তক উদ্দেশ্যি) বাৰু আপোনালোকে সংগঠন চলাবলৈ অৰ্থৰ অভাৱ অনুভৱ কৰা নাইনে?

সুশান্ত :— নাই কৰা, কাৰণ আগতেও আমি এনেকৈয়ে চলি আছিলো। কিন্তু আমি সংঘবদ্ধ হোৱা নাছিলো। সংঘবদ্ধ হ'লেই কিবা অৰ্থৰ অভাৱ হব পাৰে নেকি? এতিয়া আমি সংঘবদ্ধ হৈছো যেতিয়া শ্ৰম কৰি অৰ্থ উপাৰ্জন কৰিম। তাৰমানে আমি এই সংগঠনটো নিজৰ বুলি ভাবি লৈছো। মানে কথাটো এনেকুৱা- "মই ঘৰত কাম কৰিলে মোক দৰ্মহা দিয়ে নেকি?"

সাংবাদিক :— বাৰু আপোনালোকৰ যদি কেতিয়াবা সংকট আহে, তেতিয়া আপোনালোকে অস্ত্ৰ ব্যৱহাৰ কৰিব নেকি?

সুশান্ত :- আমি সংকট নাহিবলৈ সংগঠন কৰিছো। তাত আমাৰ সংকট অহাৰ প্ৰশ্নই আহিব নোৱাৰে। আৰু অস্ত্ৰ ধৰাৰ কথাটো আমি ভুল বুলি ধৰি লৈছো। আমাৰ আন্দোলনৰ মুখ্য উদ্দেশ্য হ'ল ''ভুল'' শব্দটো পৃথিৱীৰ পৰা ধ্বংস কৰা। মানে মানুহে কব পাৰে ভুল হ'লে ক্ষমা কৰিব লাগে। যদি এজন মানুহে ভুলতে এটম বোমাৰ চুইজ টিপি দিলে, তেতিয়া তাক ক্ষমা কৰিবলৈ নেপাওঁতেই দেখোন পৃথিৱীৰ সকলো প্ৰাণী শেষ হৈ যাব। সেয়ে আমাৰ আন্দোলনৰ মুখ্য উদ্দেশ্য হৈছে "ভুল আৰু ক্ষমা'' শব্দ দুটা পৃথিৱীৰ পৰা ধ্বংস কৰা।

সাংবাদিক :— মিষ্টাৰ দৈমাৰী! আপুনি অসমীয়া মানুহ আৰু সংস্কৃতিৰ বিষয়ে কিবা উপদেশ দিব নেকি?

খৰ্গ :— উপদেশ দিবলৈ কিটো আছে। অসমীয়া সমাজখনেই জানাৰ সমাজ। তথাপি অসমীয়া সকল কুকুৰৰ দৰে হোৱাটো ভাল। কাৰণ কুকুৰ যদি আমেৰিকালৈও যায়, তথাপি তাৰ নেজডাল বেকাঁ। কিন্তু, অসমীয়া মানুহ আমেৰিকা পালেই আমেৰিকান হৈ যায়। চাওঁক, এইটো ভুল হোৱা নাইনে? সেয়ে কৈছো- কুকুৰৰ দৰে হবলৈ। ইয়াতে বেয়া পোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। যিহেতু যুধিষ্ঠিৰৰ লগত স্বৰ্গলৈ যোৱা কুকুৰটোৰ নেজডালো স্বৰ্গত বেকাঁ হৈহে আছিল।


সাংবাদিক :-- ঠিক আছে মিষ্টাৰ লহকৰ এন্ড দৈমাৰী। আপোনালোকৰ সংগঠন ঠিকমতে চলি থাকক। আজিলৈ আহো; ধন্যবাদ।

(যাব ওলোৱাৰ লগে লগে মঞ্চত পোহৰ কমি আহিব আৰু খৰ্গই পৰৱৰ্ত্তী পতাকা উত্তোলনৰ কাৰ্য্যসূচী ঘোষণা কৰিব আৰু প্ৰাৰ্থনা। সকলোতকৈ ওখ জন পতাকাৰ দৰে থিয় হব।)

খৰ্গ :— আজিৰ সভাৰ পতাকা উত্তোলন কৰিব আমাৰ সংগঠনৰ সভাপতি মি: সুশান্ত লহকৰে।

(সুশান্ত আগবাঢ়ি যায় পতাকাৰ ওচৰলৈ। সকলোৱে হাত চাপৰি দিয়ে। পতাকা উত্তোলনৰ লগে লগে সকলো একে শাৰীতে থিয় হৈ দৰ্শকৰ ফালে মুখ দিব আৰু সোঁহাতখন বুকুত ভুমিৰ সমান্তৰালকৈ থব। পতাকা উত্তোলনৰ লগে লগে পতাকাৰ দৰে হোৱা ব্যক্তিজনে এখন হাত মাটিৰ সমান্তৰালকৈ লাহে লাহে জোকাৰি থাকিব পতাকা বতাহত লৰাৰ দৰে। লাহে লাহে মঞ্চত এন্ধাৰ নামি আহিব।)

(সমাপ্ত)



অধ্যক্ষৰ কোঠাত বিভিন্ন কামৰ ব্যস্ততাৰ মাজত আমাৰ মহাবিদ্যালয়ৰ
মাননীয় অধ্যক্ষ মহোদয়

**শ্ৰীযুত শিৱকান্ত শৰ্মা**



আমাৰ মহাবিদ্যালয়ৰ অংক শাস্ত্ৰ বিভাগৰ
মূৰব্বী অধ্যাপক হিচাপে সুদীৰ্ঘকাল
অধ্যাপনা কৰি কৰ্মজীৱনৰ পৰা
অৱসৰ গ্ৰহণ কৰা অধ্যাপক

**শ্ৰীযুত সন্তনাথ শৰ্মাদেৱ**



আমাৰ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা
কাৰ্য্যালয় সহায়ক হিচাপে কৰ্মজীৱন আৰম্ভ
কৰি কাৰ্য্যালয়ৰ তদাৰকী সহায়ক
পদৰ পৰা অৱসৰ গ্ৰহণ কৰা

**মঃ মহচিন আলিদেৱ**

## সম্পাদনা সমিতি



ঊষা বৰা
সভানেত্ৰী


ইদ্ৰিছ আলি
উপদেষ্টা


মতিৰাম মেধি
উপদেষ্টা



ঘনকান্ত বৰুৱা
উপদেষ্টা


প্ৰণৱ শৰ্মা
উপদেষ্টা


শচীন্দ্ৰ চহৰীয়া
উপদেষ্টা


ডিম্বেশ্বৰ বৰুৱা
তত্বাবধায়ক


লক্ষ্যধৰ শৰ্মা
সম্পাদক


সঞ্জীৱ কুমাৰ শৰ্মা
সদস্য


লক্ষ্যধৰ ডেকা
সদস্য


দিলীপ কুমাৰ বৰুৱা
সদস্য


যোগমায়া শৰ্মা
সদস্যা


প্ৰণৱ কুমাৰ শইকীয়া
সদস্য


মিনাক্ষী দেৱী
সদস্যা


প্ৰজ্বলিতা বৰা
সদস্যা

# ১৯৯৩-৯৪ বৰ্ষৰ ছাত্ৰ একতা সভা
## মঙলদৈ মহাবিদ্যালয়



ৰাজীৱ বৰুৱা
উপসভাপতি



গণেশ দত্ত
সাধাৰণ সম্পাদক



নৃপেন কুমাৰ শৰ্মা
সহকাৰী সাধাৰণ সম্পাদক



মুকুট কোঁচ
সম্পাদক, ব্যায়ামশালা বিভাগ



ধনদা হাজৰিকা
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা



মনিন্দ্ৰ ডেকা
সম্পাদক, খেল বিভাগ



লক্ষ্যধৰ শৰ্মা
সম্পাদক, আলোচনী বিভাগ



কুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ দেব
সহকাৰী সম্পাদক, খেল বিভাগ




মুকুল চহৰীয়া
সম্পাদক, সমাজ সেৱা বিভাগ



জিন্টুমণি কলিতা
সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ



জীৱন বৰুৱা
সম্পাদক, সাংস্কৃতিক বিভাগ




হিতেশ কলিতা
সহকাৰী সম্পাদক,
সাংস্কৃতিক বিভাগ

## ১৯৯৩ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাত গৌৰৱ কঢ়িয়াই আনে



গিৰিশ চন্দ্ৰ ডেকা
প্ৰথম বিভাগ, ১৬ তম
ভূগোল (G.U.)



চক্ৰধৰ ডেকা
প্ৰথম বিভাগ, ১০ ম
ভূগোল (G.U.)



পবিত্ৰ কুমাৰ নাথ
প্ৰথম বিভাগ, ১৩ তম
ভূগোল (G.U.)



ৰমেশ নাথ
প্ৰথম বিভাগ, ১১ শ
প্ৰাণী বিভাগ (G.U.)



সন্তোষ বৰকাকতি
প্ৰথম বিভাগ, ২ য়
অৰ্থনীতি বিভাগ(G.U.



১৯৯৩-৯৪ চনত 'গোৱা'ত হৈ যোৱা National Trekking Exhibitionত অসমৰ একমাত্ৰ দল হিচাপে অংশ গ্ৰহণ কৰা মঙলদৈ মহাবিদ্যালয়ৰ দলটি ক্ৰমে ঃ বহি - মুকুট আলি (অধ্যাপক), থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে ঃ পাৰবিন চুলতানা, নব শইকীয়া, নব কুমাৰ বৰদলৈ, মামণিদেৱী আৰু গুলবদন আহমেদ।


## মহাবিদ্যালয়ৰ গৌৰৱ



যাদৱ শৰ্মা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱমহোৎসৱত ৰঙীণ ছবি অংকণ প্ৰতিযোগিতাত ৰূপৰ পদক বিজয়ী

শশীন্দ্ৰ নাৰায়ণ কোৱঁৰ ১৯৯৩-৯৪ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুষ্ঠিত যুৱমহোৎসৱত Clay Modellingত ব্ৰঞ্জৰ পদক বিজয়ী





অমূল্য ডেকা
মাৰাথন দৌৰবীৰ



মনোজ মেধি
প্ৰতিমাৰ খনিকৰ



বসন্ত শৰ্মা
তেজপুৰত ১২ জুলাই '৯৪ ত অনুষ্ঠিত N.C.C.ৰ বাৰ্ষিক শিবিৰত Firing Competitionত শ্ৰেষ্ঠ স্থান লাভ কৰে আৰু দিল্লীত ১৮-২৯ অক্টোবৰত অনুষ্ঠিত হোৱা Basic Leadership Campত মঙলদৈ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰিবলৈ সক্ষম হয়।

# মহাবিদ্যালয় সপ্তাহ



মন্টু কলিতা
শ্ৰেষ্ঠ দৌৰবীৰ



বিশ্বজিৎ বৰা
শ্ৰেষ্ঠ কাৰাটে প্ৰতিযোগী



গজেন ডেকা
শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



গুণলতা চহৰীয়া
শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ



মৃদুল কুমাৰ ডেকা
শ্ৰেষ্ঠ কেৰম খেলুৱৈ



ভাস্কৰ জ্যোতি শৰ্মা
শ্ৰেষ্ঠ সাতোঁৰবিদ



হেমন্ত কুমাৰ শৰ্মা
শ্ৰেষ্ঠ তাৰ্কিক, শ্ৰেষ্ঠ একক অভিনেতা
আৰু একেৰাহে দুবছৰ শ্ৰেষ্ঠ মুকাভিনেতা



দীপক কলিতা
শ্ৰেষ্ঠ অভিনেতা



চম্পাৰাণী দেৱী
শ্ৰেষ্ঠা অভিনেত্ৰী




ৰিতুমণি ডেকা
শ্ৰেষ্ঠা গায়িকা



কুশল হাজৰিকা
শ্ৰেষ্ঠ সুকুমাৰ শিল্পী




ৰব্বানী ছাহজাদী বেগম
শ্ৰেষ্ঠা বক্তা



প্ৰেমানন্দ বৰুৱা
শ্ৰেষ্ঠ কৌতুক অভিনেতা



ৰাজু কুমাৰ পাঠক
শ্ৰেষ্ঠ তবলা বাদক



পূব-কামৰূপৰ মহাবিদ্যালয়ত অনুষ্ঠিত Youth Exhibitionত অংশ গ্ৰহণ কৰা ৰাষ্ট্ৰীয়-সেৱা-আঁচনিৰ মঙলদৈ মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱক ভাস্কৰ জ্যোতি শৰ্মা (বহি) অধিনায়ক, কিৰিতি ৰঞ্জন শৰ্মা (সোঁফালে) আৰু পাষাণ কাশ্যপ।




মঙলদৈ মহাবিদ্যালয়ৰ তোৰণৰ একাংশ

# মুখামুখি

মঙলদৈ মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ কেইটামান প্ৰশ্ন লৈ মহাবিদ্যালয়ৰ লগত জড়িত কেইজনমান ব্যক্তিৰ কাষ চাপিছিলো। তেওঁলোকৰ উত্তৰসমূহ (মতামত) সম্পাদক বা সম্পাদনা সমিতিৰ গাত আচোৰ নপৰাকৈ হুবহু তুলি দিয়া হ'ল।

— সাক্ষাৎকাৰ যুগুতালে
শ্ৰীলক্ষ্যধৰ শৰ্মা
শ্ৰীভূপেন নাথ
শ্ৰীসুদৰ্শন শৰ্মা

প্ৰবোধ চন্দ্ৰ গোস্বামী

প্ৰশ্ন : চাৰ, মঙলদৈ মহাবিদ্যালয়ত আপুনি অধ্যক্ষ হিচাপে থকা কালছোৱাত কেনেকুৱা অগ্ৰগতি লাভ কৰিছিল, আমাক অলপ জনাবনে ?

উত্তৰ : প্ৰিয় শ্ৰীমান লক্ষ্যধৰ, স্নেহাস্পদ। মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে থকা কালৰ সম্পৰ্কে প্ৰশ্ন সুধি মোৰ অৱসৰৰ দিনৰ পৰা প্ৰায় ওঠৰ বছৰ পাছতো মোক স্মৰণ কৰাৰ বাবে মই আনন্দিত আৰু কৃতজ্ঞ, আনকি গৌৰবান্বিতও।

মই মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে তাত যোগদান কৰো ১৯৬৬ খৃষ্টাব্দৰ ১১ চেপ্তেম্বৰ তাৰিখে আৰু অৱসৰ লও ১৯৭৮ খৃষ্টাব্দৰ সম্ভৱ জুন মাহত। এঘাৰ বছৰৰ এই অধিক কালত স্বাভাৱিকতে মঙলদৈ মহাবিদ্যালয়ৰ বিশেষ উন্নতি হৈছিল। মই যোগদান কৰা বছৰতে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে মঙলদৈ মহাবিদ্যালয়ত বিজ্ঞান বিভাগ খোলাৰ প্ৰস্তাৱ লৈছিল; আগৰ প্ৰতিস্থাপক অধ্যক্ষ শ্ৰদ্ধেয় পুৰন্দৰ শৰ্মাদেৱৰ অৱসৰৰ কাল উপস্থিত হোৱাত অধ্যক্ষ নিৰ্বাচন কৰা অসম চৰকাৰৰ দ্বাৰা গঠিত কমিটিয়ে মোক অধ্যক্ষ ৰূপে নিৰ্বাচন কৰাত আৰু পাছত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে মোকেই নিযুক্তি দিয়াত মই নলবাৰী মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপকৰ পদ ত্যাগ কৰি মঙলদৈ মহাবিদ্যালয়ত যোগদান কৰো।

সেই সময়ত মঙলদৈ মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থা দুৰ্বল আছিল। ইমানেই দুৰ্বল যে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক আৰু কৰ্মচাৰীক বেতন দিবও অসমৰ্থ আছিল। মহাবিদ্যালয়ৰ চৌহদত পানী জমা হৈ থাকিছিল, চৌহদ সুৰক্ষিত নাছিল, আনকি শ্ৰেণী লবৰ কাৰণে প্ৰয়োজনীয় কোঠাৰো অভাৱ আছিল। বিশ্ববিদ্যালয় অনুদান কমিটিৰ সাহাৰ্য্যত এটা গৃহ নিৰ্মাণ কৰা হৈছিল যদিও মহাবিদ্যালয়ৰ নিজৰ অংশ ধনৰ অভাৱত গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰিব পৰা হোৱা নাছিল; বিজ্ঞান বিভাগৰ বাবে অপৰিহাৰ্য্য গৱেষণাগাৰ আদিৰ ব্যৱস্থাও কৰিব পৰা হোৱা নাছিল। সৌভাগ্যবশতঃ সেইসময়ৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱা আৰু ডি. পি. আই শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱা মঙলদৈ মহাবিদ্যালয়ৰ উন্নয়নৰ প্ৰতি সহানুভূতিশীল আছিল, তেওঁলোক উভয়ে মোকো ভালদৰে জানিছিল আৰু সেয়ে উভয়ৰ সহানুভূতিত মই চৰকাৰৰ পৰা উপযুক্ত আৰ্থিক অনুদান সদায়ে লাভ কৰিছিলো আৰু এইদৰেই মঙলদৈ মহাবিদ্যালয়ৰ সকলো প্ৰকাৰ উন্নয়ন সম্ভৱ হ'ল। সেইসময়ৰ পৰিচালনা সমিতি আৰু সমিতিৰ সভাপতি বৰ্তমানে স্বৰ্গীয় দণ্ডীৰাম দত্তও মোৰ প্ৰতি আস্থাশীল আছিল। স্বৰ্গীয় দত্তদেৱৰ যত্নতে চৰকাৰৰ পৰা আৰ্থিক অনুদান মই সহজে আদায় কৰিব পাৰিছিলো। ইপিনে মহাবিদ্যালয়ৰ সকলো কামেই মিতব্যয় কৰি কৰিছিলো। মোৰ অধ্যক্ষ

কালৰ সমগ্ৰ কালছোৱাত মই ছিলং, গুৱাহাটী আদিলৈ মন্ত্ৰী বা ডি. পি. আইক লগ ধৰাৰ বাবে টি. এ. মাত্ৰ এবাৰহে লৈছিলো। মিতব্যয়িতাৰ ইও এটা উদাহৰণ। পৰীক্ষা পৰিচালনা নিধি আদি মিতব্যয় কৰি নিৰ্মাণ কাৰ্য্যৰ অভাৱ সাময়িক ভাৱে মিটাইছিলো; এই ক্ষেত্ৰত উল্লেখনীয় যে মহাবিদ্যালয়ৰ পুস্তকাগাৰ আৰু মুক্ত সভাকক্ষ এনে ধৰণে মিতব্যয় কৰি ৰাহি কৰা ধনেৰে সম্পূৰ্ণ কৰা হৈছিল। সমাজ সেৱা বিভাগৰ সহযোগত সেইসময়ৰ সেই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ৰূপে নিৰ্বাচিত অধ্যাপক ৰাজেন বৰুৱাৰ বিশেষ সহযোগত চৌহদৰ বহুকাম কৰা হৈছিল প্ৰায় বিনা-ব্যয়ত আৰু এই বিভাগৰ কাৰ্য্যৰ মাধ্যমতে চৰকাৰৰ পৰা পঁচিশ হাজাৰ টকাৰ এটা পুৰস্কাৰ লাভ কৰি চৌহদৰ সীমাবেৰ দিয়া হয়। মহাবিদ্যালয়ৰ সকলো কথাতে মই অধ্যাপক সকলৰ আৰু অন্যান্য কৰ্মচাৰীৰ বিশেষ সহায় পাইছিলো।

**প্ৰশ্ন :** আপোনাৰ দিনত মহাবিদ্যালয়ৰ পৰা অসংখ্য স্বনামধন্য কৃতী ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। সেইসকল ছাত্ৰ-ছাত্ৰীক বৰ্তমান আপুনি কেতিয়াবা লগ পায়নে? যদি পায় লগ পালে কেনেকুৱা ভাৱ হয়?

**উত্তৰ :** দ্বিতীয় প্ৰশ্নৰ উত্তৰত মই আনন্দৰে কওঁ যে মোক লগ পাবলৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ দুই এজন মাজে মাজে আহে আৰু বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলৰ আনকি অধ্যাপক সকলৰ তথা মঙলদৈ চহৰৰ আৰু গাওঁ অঞ্চলৰ দুই এজন মাজে মাজে আহে। তেওঁলোকৰ লগত মই মোৰ নিজৰ বৰ্তমান চলিত কৰ্মৰ বিষয়ে আলোচনা কৰো আৰু দেশৰ নানা সমস্যাবোৰৰ বিষয় আলোচনা কৰি উপকৃত হওঁ।

**প্ৰশ্ন :** আপোনাৰ দিনতকৈ বৰ্তমানৰ শিক্ষা-ব্যৱস্থাৰ আমুল পৰিবৰ্তন হৈছে। এই বিষয়ত আপোনাৰ প্ৰতিক্ৰিয়া কি?

**উত্তৰ :** এই বিষয়ত কওঁ যে মই যি বছৰ মঙলদৈ মহাবিদ্যালয়ত অধ্যক্ষ পদত যোগদান কৰো, সেই সময়তে ভাৰতবৰ্ষত কোঠাৰী কমিচনে কাম কৰি আছিল। কমিচনৰ Report ত যিবিলাক শিক্ষা-সংস্কাৰ সম্পৰ্কে পৰামৰ্শ দিয়া হৈছিল, সেই পৰামৰ্শবোৰৰ মতে শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন হৈছে। এই পৰিবৰ্তনক আমুল পৰিবৰ্তন বুলি কব নোৱাৰি। কিয়নো এই পৰিবৰ্তনবোৰ অকল কোঠাৰী কমিচনৰ পৰামৰ্শক্ৰমীয়েই নহয় তাৰ আগৰো হাণ্টাৰ কমিচনৰ পৰামৰ্শ মতেই চলি আছে।

**প্ৰশ্ন :** বিদ্যালয়-মহাবিদ্যালয় সমূহৰ বছৰেকীয়া মুখপত্ৰখনে ছাত্ৰ-ছাত্ৰীৰ মাজত কেনেকুৱা গঠনমূলক ভূমিকা লোৱাটো বিচাৰে?

**উত্তৰ :** বিদ্যালয়-মহাবিদ্যালয় সমূহৰ মুখপত্ৰ বা আলোচনী সমূহে এই ধৰণৰ মতৰ প্ৰচাৰ কৰিব লাগে যে—"অল্পবিদ্যা ভয়ংকৰী। যি শিকা যায় তাক ভালদৰে শিকিব লাগে, সকলো ফাল চালি জাৰি শিকিব লাগে আৰু অন্যক দোষ দিয়াৰ পৰিবৰ্ত্তে নিজে নিজৰ কৰ্ত্তব্য কৰাত নিয়োজিত হব লাগে। পৰনিৰ্ভৰশীল হোৱাৰ পৰিবৰ্তে আত্মনিৰ্ভৰশীল হব লাগে।

**প্ৰশ্ন :** বৰ্তমানে অসমত নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। আপুনি ইয়াৰ কাৰণ কি বুলি ভাবে? ইয়াৰ নিৰাময়ৰ কাৰণে আপোনাৰ পৰামৰ্শ কেনেকুৱা?

**প্ৰশ্ন :** বৰ্তমান সময়ত সঘনে আলোচিত বিষয়টি হৈছে—ধ্বংসমুখী যুৱ-মানসিকতা। আপুনি ইয়াৰ হেতু কি বুলি ভাবে? যুৱ সমাজলৈ আপোনাৰ পৰামৰ্শ কেনেকুৱা?

**উত্তৰ :** শিক্ষিত নিবনুৱা সমস্যা আৰু যুৱ-মানসিকতা—এই দুয়োটা প্ৰশ্নৰ বিষয়ে মই মোৰ ভাবনাবোৰ "বিকাশ, সজাগতা, বিশ্লেষণ আৰু শিক্ষা-সংস্কাৰ" গ্ৰন্থত আছে। দুয়োটা কথাৰ সুষ্ঠ সমাধান শিক্ষাৰ উপযুক্ত সংস্কাৰ।

**প্ৰশ্ন :** বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয়ৰ লগত আপুনি কেনেভাৱে জড়িত?

**উত্তৰ :** এই প্ৰশ্নৰ উত্তৰত মোৰ বিশেষ কবলগীয়া নাই। কিয়নো মই মহাবিদ্যালয়ৰ লগত কোনোৰূপে পোনপটীয়া ভাৱে জড়িত নহওঁ; কিন্তু আত্মিক ৰূপত এতিয়াও জড়িত-সদায়ে হয়তো জড়িত থাকিম আৰু সদায়ে মঙলদৈ মহাবিদালয়ৰ সৰ্বতোভাৱে মঙ্গলাকাঙ্খী।

**প্ৰশ্ন :** চাৰ, আপুনি চাকৰি জীৱনৰ পৰা অৱসৰ লৈ নিজকে কেনেধৰণে ব্যস্ত ৰাখিছে?

**উত্তৰ :** মই বৰ্ত্তমানে শিক্ষা-বিষয়ক এখন গ্ৰন্থ লিখি উঠিছো,

এখন ইতিমধ্যে প্ৰকাশিত হৈছে আৰু এতিয়া আধ্যাত্মিক শিক্ষা-সম্পৰ্কীয় আন এখন গ্ৰন্থ লিখাত ব্যস্ত. ইয়াৰ উপৰিও দেশৰ ৰাষ্ট্ৰীয় সজাগতা ফলপ্ৰসূ কৰাত অৱদান যোগোৱাৰ সহায়ক "ৰাষ্ট্ৰীয় সমস্যা আৰু জাতীয় সংহতি" নামৰ অন্য এখন গ্ৰন্থও সমাপ্তিৰ পথত।

শেষত কওঁ যে মোৰ অধ্যক্ষ হৈ থকা কালত মহাবিদ্যালয়ৰ যি লক্ষণীয় উন্নতি হৈছিল. তাৰ বাবে মোক সদায়ে সমৰ্থন দিয়া পৰিচালনা সমিতি, অধ্যাপক মণ্ডলী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী-বৃন্দহে আচলতে প্ৰশংসাৰ যোগ্য।

সকলো প্ৰকাৰ মঙ্গল কামনা কৰিছো — ব্যক্তিগত ভাবে আৰু মহাবিদ্যালয়ৰ সামগ্ৰিক ভাৱে।

আপোনাৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰিলো। আহো চাৰ। নমস্কাৰ।

## খৰ্গেশ্বৰ গোস্বামী

**প্ৰশ্ন :** আপুনি সুদীৰ্ঘ কাল মঙলদৈ মহাবিদ্যালয়ত অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰিলে। অধ্যাপনাৰ কালছোৱাত হোৱা অভিজ্ঞতাৰ বিষয়ে দুআষাৰ চমুকৈ কবনে?

**উ :** সুদীৰ্ঘ ২৯।৩০ বছৰ (১৯৬৫-১৯৯৪) একেৰাহে দৰং জিলাৰ উচ্চতম শিক্ষা অনুষ্ঠান মঙলদৈ মহাবিদ্যালয়খনত অধ্যাপনা কৰিছিলো। এই কালছোৱাত লাভ কৰা অভিজ্ঞতাৰ বিষয়ে দুআষাৰত প্ৰকাশ কৰা টান।

তথাপিতো থোৰতে কবলৈ গ'লে, মই কব লাগিব যে কলেজৰ সৰহ সংখ্যক (৮০-৯০%) ছাত্ৰ-ছাত্ৰীৰ গাত থাকিব লগা সৎগুণবোৰ আছে। অতি কম সংখ্যক লৰা-ছোৱালীৰ অধ্যয়ণৰ প্ৰতি আগ্ৰহ দেখা নগৈছিল। কিন্তু এই সংখ্যাক সৰহ সংখ্যকে বশ কৰি থয়। এনে অৱস্থা কেৱল মঙ্গলদৈ কলেজতে ব্যতিক্ৰম নহয়।

কলেজ এখনৰ উন্নতি বিশেষকৈ অধ্যক্ষৰ ওপৰত নিৰ্ভৰ কৰে। মোৰ চাকৰী কালছোৱাত কলেজখনত (স্থায়ী হিচাপে) ৫ জন অধ্যক্ষক লগ পাওঁ। পৰম শ্ৰদ্ধেয় শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীদেৱৰ অধ্যক্ষতাৰ কালছোৱাত এই কলেজখনৰ সুনাম চাৰিওফালে বিয়পি পৰিছিল। সেই সময়ত জিলাখনৰ চুকে কোনে গোস্বামীদেৱ আৰু কলেজ খনক প্ৰশংসা কৰি ইয়াৰ বাইজে গৌৰৱ বোধ কৰিছিল। তেখেতৰ উপদেশ আৰু নীতি সম্পৰ্কে আজিও শিক্ষক সকলে সময়ে, সময়ে কোৱা-কুই কৰে।

অপ্ৰিয় হলেও সত্য যে অভিভাৱক আৰু ৰাইজ কলেজ খনৰ উন্নতিৰ প্ৰতি অমনযোগী। ক্ষিপ্ৰ বিকাশৰ কাৰণে গণতান্ত্ৰিক দেশত ৰাইজৰ সংযোগ বাঞ্চনীয়।

শিক্ষকতা চাকৰী সচাকৈয়ে সুখময় কিন্তু অৱসৰৰ পাছত অতি কষ্টত দিনবোৰ পাৰ কৰিব লগা হয়। ভাল ভাল ল'ৰা-ছোৱালীবোৰৰ কথা আজিও মনত পৰে, তেওঁলোকক লৈ আনৰ ওচৰত গৌৰৱ কৰো। এইটোহে হৈ যায়, আগৰখিনি লুপ্ত হয়। ধনতান্ত্ৰিক দেশত নিৰাপত্তাহীন চাকৰিৰ মূল্য নাই।

ইয়াকে কৈ, আলোচনী বিভাগৰ সম্পাদক প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ প্ৰতি আন্তৰিক ধন্যবাদ জনালো। নকৈ নোৱাৰো যে কলেজৰ মেধা প্ৰবীন ছাত্ৰ (ভুদেৱ বসুমতাৰী, ফতিক দত্ত গোস্বামী, হৰি কাৰ্কি) আদিৰ পৰা মাজে মাজে চিঠি পত্ৰ পাওঁ। বৰ ভাল লাগে। কিছুমান অসৎ ছাত্ৰই হেয় জ্ঞান কৰে। বেয়া লাগে।

০০০

## ফজলুল কৰিম

**প্ৰশ্ন :** আমি জনাত আপুনি মঙলদৈ মহাবিদ্যালয় আলোচনীৰ প্ৰাক্তন সম্পাদক। মঙলদৈ চৰকাৰী (তেতিয়াৰ) হাইস্কুলৰ আলোচনী "পূৰ্ণিমা"ৰো সম্পাদক আছিল। ইয়াৰ উপৰিও মঙলদৈৰ পৰা প্ৰকাশিত "শান্তি" আৰু "সিংহাসন" নামৰ দুখন আলোচনীও সম্পাদনা কৰিছে।

এতিয়া আপুনি এজন প্ৰখ্যাত গীতিকাৰ, নাট্যকাৰ, নাট পৰিচালক, বোলছবি অভিনেতা আৰু কবি। আপুনি কাকতে পত্ৰে, অনাতাঁৰ যোগে গীত, কবিতা আদি প্ৰকাশ কৰি অহাৰ উপৰিও 'নাট' আৰু 'গীতি-নাচ নাটিকা' ৰচনা, পৰিচালনাৰে জনপ্ৰিয়তা অৰ্জন কৰিছে। আপোনাৰ সাহিত্যিক

জীৱনৰ অন্তৰালত আলোচনী সমূহে প্ৰেৰণা যোগাইছে নেকি ? উঠি অহা চামক, বিশেষকৈ মহাবিদ্যালয়ৰ যুৱক-যুৱতীক আলোচনী সম্পৰ্কে কিবা অলপ কব নেকি ?

উত্তৰ : স্কুল কলেজৰ আলোচনীত ছাত্ৰ-ছাত্ৰীয়ে লিখনিৰ দ্বাৰা মনৰ কামনা-বাসনা, ভাব-কল্পনা, গীত-নাট কবিতা, গল্প, প্ৰবন্ধ, ধৰ্মতত্ব, উপন্যাস, পাপ, গ্লানি, ক্লেদ, জীৱন-মৃত্যু, ধ্বংস, সৃষ্টি, ৰূপ-ৰূপান্তৰ, জন্ম-জন্মান্তৰ, সুখ-দুখ, মেধা-শক্তি, জীৱনৰ নৱ নৱ অভিব্যক্তি, চৰাই-চিৰিকতি এই বিনন্দীয়া প্ৰকৃতি, নতুন ৰূপত সজাই-পৰাই, জীৱন যাত্ৰাৰ জয়-পৰাজয় ব্যক্ত কৰি, সংসাৰ মৰুত নোপোৱাৰ বেদনাত, পায়ো হেৰুৱাৰ যাতনাত কিবা পোৱাৰ আশাত থকা জনক শান্তিৰ বাৰিধি ছটিয়াই কোনোবা অচিন স্বপ্নলোকলৈ লৈ যাব পাৰে, কিয়নো চিন্তা ভাবনা, আবেগ-অনুভূতি, ভাষা ছন্দেৰে ৰূপ, বৰ্ণ, সুষমাৰে, ৰচনা কৰা সাহিত্যৰ শক্তি কোনোবা অনামী বীৰৰ তৰোৱালৰ তীক্ষ্ণ ধাৰতকৈ প্ৰখৰ, এই তৰোৱালৰ শক্তি নিমিষৰ বাবেহে, কিন্তু সাহিত্যৰ শক্তি অপৰিসীম, হাজাৰ বছৰ ধৰি ই থাকি যায়, ইয়াক কালেও ম্লান কৰিব নোৱাৰে, সেই শক্তিয়ে মনৰ এলান্ধু আঁতৰায় নৱ নৱ ভাব ভাষা, আদৰ্শৰে উদাৰ আকাশ হৈ জৰাজীৰ্ণ সংকীৰ্ণতাৰ দুৱাৰ ভাঙি অনবদ্য সৃষ্টিৰে জীৱনক নতুনকৈ জাগ্ৰত কৰি জাতিগত, ধৰ্মগত বিভেদ আংশিক ভাৱে হ'লেও দূৰ কৰি মানুহৰ জয় গুণ গান কৰি সাহিত্যৰ সোৱাদ দি আনন্দ দিবলৈ চেষ্টা কৰে, কিয়নো আনন্দই ব্ৰহ্ম আৰু সেই আনন্দতেই সৃষ্টি হৈছে আমাৰ বিশ্ব-ব্ৰহ্মাণ্ড, এই আলোচনী সমূহৰ পাতত ছাত্ৰ-ছাত্ৰীয়ে নিৰানন্দৰ প্ৰতীক অন্যায়, অনিয়ম, অত্যাচাৰ, অ-নীতি শোষণ-পীড়নৰ বিৰুদ্ধে নিজৰ মনৰ ভাব ৰাখি লিখনিৰ মাজেৰে প্ৰকাশ কৰি অহা দেখা যায়, আকৌ কেতিয়াবা বিদ্ৰোহৰ ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰি পুৰণিৰ ধ্বংসৰ মাজত নতুন সৃষ্টিৰ বাবে শান্ত, সৌম্য শিৱমূৰ্ত্তিৰো কল্পনা কৰা দেখা যায়। ই আমাৰ সাহিত্যৰ বাবে আদৰণীয়।

মোৰ বাবে এই আলোচনী সমূহৰ প্ৰেৰণা স্নিগ্ধমধুৰ, এই আলোচনীৰ পাততেই মোৰ সাহিত্যিক জীৱনৰ সাধনাৰ প্ৰথম পৰিচয়। মোৰ গীত, কবিতা, নাটৰ মধু ঝংকাৰ এই আলোচনীৰ পাততেই অনুৰণিত হৈছিল। জীৱনৰ গতি প্ৰবাহৰ মাজত হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে মনৰ কুঞ্জে কুঞ্জে তাক আজিও অনুভৱ কৰো—সেয়াই মোৰ যাত্ৰা পথৰ সমল, তাতেই মোৰ সাৰ্থকতা।

আলোচনী এখন হৈছে ছাত্ৰ ছাত্ৰীৰ মনৰ দাপোন স্বৰূপ। আমাৰ দেশৰ প্ৰায়বোৰ প্ৰখ্যাত সাহিত্যিকৰ প্ৰতিভাৰ অংকুৰ ৰচিত হৈছিল স্কুল কলেজৰ বাৰ্ষিক মুখপত্ৰখনিৰ পাততে। সেয়ে ছাত্ৰ-ছাত্ৰী সকলে বিদ্যায়তনিক দিশৰ পৰাই নহয় সামাজিক দিশৰ প্ৰতিও লক্ষ্য ৰাখি নিজৰ মগজুৰ বিকাশৰ উপৰিও বৌদ্ধিক উৎকৰ্ষ সাধন কৰি উচ্চমানৰ ৰচনা সম্ভাৰ সম্পাদকক যোগান ধৰি এই আলোচনীত প্ৰকাশিত অমূল্য লিখনিৰ দ্বাৰাও চিৰচেনেহী মোৰ ভাষা জননীৰ সেৱা আগবঢ়ায় যেন!

০০০

বিনয় কুমাৰ শৰ্ম্মা বৰুৱা

প্ৰশ্ন : আপুনি মঙলদৈ মহাবিদ্যালয়ৰ এজন প্ৰাক্তন কৃতী ছাত্ৰ বৰ্ত্তমান আপোনাৰ কৰ্মস্থলীও মঙলদৈতে। গতিকে আপুনি নিশ্চয় মঙলদৈ মহাবিদ্যালয়ৰ ৰিজাল্ট বা অন্যান্য খা-খবৰ পাই থাকে। আপোনালোকৰ দিনতকৈ মহাবিদ্যালয়খনিৰ বৰ্ত্তমান প্ৰভেদ কি ?

উত্তৰ : পঢ়াৰ পৰিবেশ আগতকৈ উন্নত হৈছে। বহু কীৰ্তি ছাত্ৰ-ছাত্ৰী বৰ্তমানে মহাবিদ্যালয়খনৰ পৰা ওলাইছে। ছাত্ৰ-ছাত্ৰীৰ মাজত অধ্যয়ন হীনতা আৰু উশৃংখলতা বৃদ্ধি হোৱাতো চিন্তনীয়। ইয়াক দূৰ কৰাৰ কাৰণে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱক সকল সচেষ্ট হোৱাতো বৰ্তমানে অতি প্ৰয়োজন।

০০০

**ধীৰাজ বসুমতাৰী**, উপদেশক, ম ম. ছাত্ৰাবাস

প্ৰশ্ন : বৰ্তমান মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ নিবাসে দূৰণী বটীয়া ছাত্ৰৰ উচ্চ শিক্ষাৰ আশাক বাস্তৱত ৰূপ দিয়াত সহায় কৰিব পাৰিছেনে? আপোনাৰ নিজস্ব মতামত কি?

উত্তৰ : দূৰণীবটীয়া ছাত্ৰই কলেজলৈ অহা যোৱাত অসুবিধা হয় বুলিয়েই ছাত্ৰাবাসত থাকিব লয়। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ আৱাসটো ছাত্ৰৰ অনুপাতে সৰু। তদুপৰি যি কেইজন ছাত্ৰ এই ছাত্ৰাবাসত থাকে তেওঁলোকো অতি কম সুবিধাৰে থাকিবলগীয়া হয়। সেয়ে মঙলদৈ মহা বিদ্যায়ৰ ছাত্ৰাবাসে সকলো ছাত্ৰৰ অভাৱ পূৰণ কৰিছে বুলি কব নোৱাৰি।

আমাৰ ছাত্ৰাবাসৰ আবাসী সকলৰ সমস্যা নোহোৱা নহয়। বিশেষকৈ খোৱা পানীৰ সমস্যাটো আমাৰ প্ৰধান সমস্যা Dining Hall ৰ অৱস্থাও ভাল নহয়। তদুপৰি আৱাস গৃহটো মেৰামতি কৰাৰ অতি প্ৰয়োজন হৈ পৰিছে। আবাসত বিজুলী যোগানো অনিয়মীয়া। আবাসী আৰু আবাসী সকলৰ সামগ্ৰী আৰু ছাত্ৰাবাসৰ সামগ্ৰী সমূহৰ নিৰাপত্তাৰ বাবে ছাত্ৰা-বাসৰ চাৰিওফালে পকী দেৱালৰ প্ৰয়োজন।

এইবোৰ অভাৱ পূৰণৰ বাবে মই অধ্যক্ষ মহোদয়ৰ ওচৰ চাপোতে তেখেতে এইদৰে কয় ছাত্ৰাবাসৰ নামত চৰকাৰৰ পৰা কোনো অনুদান নহাত ছাত্ৰাবাসৰ অভাৱবোৰ পূৰণ কৰিব পৰা নাই, ছাত্ৰাবাসত থকা আবাসী সকলৰ পৰা আবাস উন্নয়নৰ বাবদ লোৱা টকাৰে যি অলপ অভাৱ পূৰণ কৰিব পাৰি সেইখিনি কৰোৱা হব কিন্তু আন ফালৰ পৰা ছাত্ৰাবাসৰ অভাৱ পূৰণ কৰিব পৰা নাযাব।

মঙলদৈ মহাবিদ্যালয়খন গোটেই দৰং জিলাৰ ভিতৰতে সৰ্ব্ববৃহৎ শিক্ষানুষ্ঠান। এই আমাৰ ছাত্ৰাবাস খনো ইয়াৰে এটা অংগ। এই ছাত্ৰাবাসৰ আবাসী সকলৰ পৰীক্ষাৰ ফলাফলো যথেষ্ট ভাল। সেয়ে ইয়াৰ যোগেদি সমূহ আবাসীৰ হৈ অধ্যক্ষ মহোদয়ক অনুৰোধ যে ছাত্ৰাবাসৰ উন্নতিৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ অভাৱবোৰ পূৰণ কৰিব।

○○○

**মিচ নমিতা বৰুৱা**, উপদেশিকা, ম. ম. ছাত্ৰীনিবাস

প্ৰশ্ন : বৰ্তমান মঙলদৈ মহাবিদ্যালয় ছাত্ৰী নিবাসে দূৰণী-বটীয়া ছাত্ৰীৰ উচ্চ শিক্ষাৰ আশা আকাংশা বাস্তৱত ৰূপ দিব পাৰিছেনে এই ক্ষেত্ৰত আপোনাৰ মতামত কি?

উত্তৰ : মঙলদৈ মহাবিদ্যালয় ছাত্ৰী নিবাসে দূৰণীবটীয়া ছাত্ৰীৰ উচ্চ শিক্ষা লাভৰ আশা আকাংশাক বাস্তৱত ৰূপ দিব পাৰিছেনে বুলি প্ৰশ্ন কৰিলে আমি এইটোৱেই কব লাগিব যে পাৰিছে। কিয়নো বৰ্তমান সময়ত প্ৰতিখন কলেজতে ছাত্ৰী নিবাসৰ প্ৰয়োজন হৈ পৰিছে। মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ ভিতৰতে এক উচ্চ শিক্ষানুষ্ঠান। দৰঙৰ বিভিন্ন পিচ পৰা ঠাই গ্ৰামাঞ্চল আৰু যান বাহনৰ সুবিধা নোহোৱা ঠাইৰ প্ৰতিভাবান ছাত্ৰী সকলে এই আবাসতে নিৰাপত্তাত থাকি লগতে অত্যাৱশ্যকীয় সুবিধাবোৰ ভোগ কৰি নিজৰ প্ৰতিভা বিকাশৰ অগ্ৰগতি লাভ কৰিছে। অৱশ্যে হোষ্টেলৰ আসনৰ সংখ্যা বহু পৰিমাণে কম হোৱা বাবে বহুতো দূৰণীবটীয়া ছাত্ৰীয়ে এনে সুবিধাৰ পৰা বঞ্চিত হৈছে। মহাবিদ্যালয় কতৃপক্ষই অধিক সুবিধা দিব পৰা নাই যদিও অত্যাৱশ্যকীয় সুবিধাৰ পৰা কিন্তু ছাত্ৰী সকল বঞ্চিত হোৱা নাই।

পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত আমি উল্লেখ কৰিব পাৰো যে ছাত্ৰী নিবাসৰ ফলাফল অতি উচ্চ মানদণ্ডৰ নহয় যদিও একেবাৰে নিম্নমানৰো নহয়। অৱশ্যে এইটো সচাঁ যে ছাত্ৰী সকলে অধিক পৰিমাণে অধ্যয়নত মনোনিবেশ কৰিলে ছাত্ৰী নিবাসৰ পৰা পৰীক্ষাত আৰু অধিক সুফল আশা কৰিব পাৰিম। মই সমূহ আবাসীৰ হৈ অধ্যক্ষ মহোদয়ক অনুৰোধ জনাও যে ছাত্ৰী নিবাসৰ অভাৱবোৰ পূৰণ কৰিবলৈ তেওঁ যেন যৎপৰোনাষ্টি চেষ্টা কৰিব।

○○○

## ফুলেন্দ্ৰ নাথ চহৰীয়া

প্ৰশ্ন : আপুনি এজন সচেতন অভিভাৱক হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ বিষয়ে আমাক চমুকৈ কবনে ?

উত্তৰ : মঙলদৈ মহাবিদ্যালয় স্বাধীনোত্তৰ কালৰ বহুজনৰ কষ্টোপাৰ্জিত অনুষ্ঠান। পঞ্চাছৰ দশকৰ আদিতে, মঙলদৈৰ দৰে পিছপৰা মহকুমা সদৰত মুষ্টিমেয় শুভবুদ্ধি সম্পন্ন দূৰদৃষ্টি থকা লোকৰ যত্নত ই অতি স্থখী দুখী অৱস্থাৰে গঢ়ি উঠিছিল। প্ৰথম দৰ্শনতে পাঠদানৰ অৰ্হতা নথকা লোকৰ দ্বাৰা পাঠদান কৰা মহাবিদ্যালয় খনেই গুৱাহাটী বিশ্ববিদ্যালয়ত চমক সৃষ্টি কৰিছিল। প্ৰথমবাৰ পৰীক্ষা দিয়েই পঞ্চাছ শতাংশ ছাত্ৰই উত্তীৰ্ণ হোৱাৰ উপৰিও তিনিজনে প্ৰথম বিভাগ পাইছিল।

লাহে লাহে পৰিসৰ বাঢ়ি ১৯৫৭ চনত ই বৰ্ত্তমানৰ স্থান 'গুদামৰখাৰ' (উপহুপাৰা)ত শ্ৰেণী খুলিলে। প্ৰথম ছোৱাৰ ফলাফল বৰ উৎসাহজনক নাছিল। কিন্তু লাহে লাহে উন্নতি হ'ল।

লক্ষ্য কৰিব লগীয়া কথা যে দ্বিতীয়গৰাকী অধ্যক্ষ শ্ৰীযুত প্ৰবোধ গোস্বামী এম, এ ডাঙৰীয়াই কাৰ্য্যভাৰ লোৱাৰ পাছৰে পৰাই মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি সাধিত হয়। প্ৰায়বোৰ প্ৰয়োজনীয় বিভাগ প্ৰায় স্বয়ং সম্পূৰ্ণ হ'ল। একাধিক শিক্ষকৰ দ্বাৰা বিভাগবোৰ শক্তিশালী কৰা হ'ল। শিক্ষা বিষয়তো ইয়াৰ আমুল পৰিবৰ্ত্তন সাধিত হ'ল। ঘৰ, পৰিবেশ উন্নত হ'ল। ছাত্ৰ-ছাত্ৰীৰ আবাস গঢ়ি উঠিল। খেল-পথাৰ হ'ল, চৌহদ হ'ল। লাহে লাহে বিশ্ববিদ্যালয়ৰ পৰীক্ষা সমূহত সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰিব ধৰিলে। পাচৰ শতাংশ বৰ্দ্ধিত হ'ল। দুখীয়া পিছ পৰা মহকুমাটোৰ সৰ্ব্বোচ্চ মহাবিদ্যালয়খন অসমত এখন জাকত জিলিকা অনুষ্ঠান বুলি চিহ্নিত হ'ল।

সাম্প্ৰতিক কালত মঙলদৈ মহাবিদ্যালয়ৰ পুৰ্বৰ সেই ঐতিহ্যৰ কিছু পৰিমাণে ম্লান হোৱা পৰিলক্ষিত হয়। একাদিক বিষয়ত সন্মান শ্ৰেণী খোলা, শেহতীয়া ভাৱে স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা অথবা দুই এজনে কোনো কোনো বিষয়ত সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰিছে যদিও শৈক্ষিক দিশত মঙলদৈ মহাবিদ্যালয়ৰ সামগ্ৰিক গুণগত মানদণ্ড আশা কৰা ধৰণে হোৱা নাই। আজিও মঙলদৈবাসী ৰাইজে একান্তভাৱে ইচ্ছা কৰে সত্তৰৰ দশকৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ পুনৰ গঢ়ি উঠক, ছাত্ৰ-শিক্ষকৰ মহামিলনত এই বিদ্যায়তন এক সঁচা বিদ্যা-মন্দিৰত পৰিণত হওঁক।

পৰিচালনাত বেমেজালি, দুই চাৰি শিক্ষকৰ অমনোযোগী মনোভাৱ, পাঠদানত দুই চাৰি শিক্ষকৰ অনীহা আদি বিষয়লৈ মাজে সময়ে অভিযোগ উঠা দেখা যায়। এই কাৰ্য্যই ছাত্ৰ-ছাত্ৰী সকলৰ আশা ভঙ্গহে কৰিব। এই ক্ষেত্ৰত খেল-ধেমালী, বহিঃ পাঠ্যক্ৰমৰ অনুশীলন চৌহদৰ ৰক্ষণাবেক্ষণৰ তৎপৰত, শিক্ষায়াতনৰ গাম্ভীৰ্য্য ৰক্ষা আদিত, অধ্যক্ষ, শিক্ষক, ছাত্ৰ-ছাত্ৰী, সকলোৰে কৰণীয় আছে, দায়িত্বও আছে বহুখিনি।

০০০০

# মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন

## ১৯৯৩-৯৪চন

দৰং জিলাৰ এখন আগশাৰীৰ মহাবিদ্যালয়খনৰ ছাত্ৰ-একতা সভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰাৰ বাবে প্ৰথমে সমূহ মঙলদৈয়ান বন্ধু-বান্ধৱীলৈ জয় জয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে যি সকল জাতীয় শ্বহীদে দাসত্বৰ শৃঙ্খল চূৰ্ণ কৰিবলৈ চলোৱা অহিংসাৰ সংগ্ৰামত নিজৰ প্ৰাণ আহুতি দি ত্যাগৰ আদৰ্শেৰে মহীয়ান হ'ল।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মোৰ কাৰ্য্যকালত কি কৰিলো আৰু কৰিব নোৱাৰিলো সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত দি মই মাথো এটা কথা ডাঠি ক'ব পাৰো যে এজন উপ-সভাপতিৰ দায়িত্ব আৰু কৰ্ত্তব্য সমূহ সুচাৰুৰূপে পালন কৰিবলৈ মই মোৰ চেষ্টাৰ ত্ৰুটি এৰা নাই। তথাপিতো বহুত কৰিম কৰিম বুলি ভবা কাম ইমান কম সময়ৰ ভিতৰত কৰাটো সম্ভৱ নহয় সেয়া থাকি গ'ল। সেইবোৰ পিছৰ চামলৈ এৰিলো আৰু আশা ৰাখিলো যাতে সেইখিনি সফলৰূপে ৰূপায়ণ কৰাত কৃতকাৰ্য্য হ'ব পাৰে।

আজিকালি আমি ডাঙৰ মেলে মিটিঙে নিজকে এইখন শংকৰদেৱৰ দেশ, আজান ফকিৰৰ দেশ, লাচিতৰ দেশ আৰু কনকলতাৰ দেশ বুলি নিজকে গৌৰৱ কৰি ফুৰো। কিন্তু কেইজন অসমীয়াই ডাঠি ক'ব পাৰিব যে শংকৰদেৱ, আজান ফকিৰৰ ভাবাদৰ্শেৰে অনুপ্ৰাণিত হৈ আনকো অনুপ্ৰাণিত কৰিবলৈ চেষ্টা কৰিছে? কেইজন অসমী আইৰ সন্তানে নিজকে লাচিতৰ দৰে দেশভক্ত বুলি পৰিচয় দিব পাৰিব?

প্ৰতিজন মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ আৰু মঙলদৈ মহাবিদ্যালয়ৰ শুভকাংখীলৈ মোৰ বিনম্ৰ অনুৰোধ জনাও যে আমি সকলোৱে মহা সাধনাৰ এই পুণ্যভূমিক আমি আৰু জাকত জিলিকা কৰি তোলোহঁক।

সদৌ শেষত মোৰ কাৰ্যকালত প্ৰতিটো পদক্ষেপত বিভিন্ন পৰামৰ্শৰে সহায় সহযোগিতা কৰা মাননীয় শিক্ষাগুৰু পৰেশ শৰ্মা, ডিম্বেশ্বৰ বৰুৱা, প্ৰণৱ শৰ্মা চাৰ আৰু বিভাগীয় তত্বাৱধায়ক সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

লগতে বিভিন্ন দিশত সহায় কৰা মোৰ বন্ধু-বান্ধৱী ভূৱনেশ্বৰ, পবিত্ৰ, মৃণাল, চন্দন, গোবিন্দ, নৃপেন, ভৈবৱ, দিলীপ, কল্পনা, কুঞ্জ, কৃষ্ণা, বেণু, হৰেশ্বৰ, বাবুল, জয়ন্ত সমূহ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, প্ৰশান্ত আৰু তুন দালৈ মোৰ আন্তৰিকতা চিৰদিনলৈ থাকি যাব। লগতে ছুয়োখন হোষ্টেলৰ সমূহ আবাসীলৈ।

ধন্যবাদেৰে—
শ্ৰীৰাজীৱ বৰুৱা
উপ-সভাপতি, মঙলদৈ
মহাবিদ্যালয় ছাত্ৰ একতা সভা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ চন

প্ৰতিবেদনৰ পাতনিতে অসম মাতৃ তথা অসমীয়া জাতিৰ হকে যিসকলে প্ৰাণাহুতি দিলে সেই সকল শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা যাচিছোঁ। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক বিপুল ভোটত জয়ী কৰি সাধাৰণ সম্পাদকৰ পদত অধিস্থিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জনাইছো। সাধাৰণ সম্পাদক পদত জয়ী হৈ ১৯৯৩ চনৰ ২০ ডিচেম্বৰ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰি ১৯৯৪ চনৰ ৩ ডিচেম্বৰ তাৰিখে নতুন সমিতিক কাৰ্যভাৰ অৰ্পণ কৰো। এই প্ৰতিবেদনৰ জৰিয়তে আমাৰ কাৰ্যকাল-ছোৱাৰ চমু বিৱৰণী দাঙি ধৰিব খুজিছো।

**মহাবিদ্যালয় সপ্তাহ :—** এইবাৰ ৬ জানুৱাৰীৰ পৰা ১১ জানুৱাৰীলৈ মুঠ ছয়দিনীয়া বিভিন্ন কাৰ্যসূচীৰে "মহাবিদ্যালয় সপ্তাহ" উলহ মালহেৰে উদযাপন কৰা হয়। অৱশ্যে ১১ জানুৱাৰী তাৰিখে "অসম বন্ধ" হোৱাৰ পৰিপ্ৰেক্ষিতত মুকলি সভা ও বঁটা বিতৰণী সভাখন ১২ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ শিৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত খৰিকাজাই কবি হিচাপে খ্যাত ভবানন্দ বাজখোৱা, দৰং জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক ফুলেন্দ্ৰ নাথ চহৰীয়া, দৰং জিলা সাহিত্য সভাৰ সভাপতি খৰ্গেশ্বৰ বৰুৱা আদিয়ে বক্তব্য আগবঢ়ায়। এই সভাতেই ১৯৯৩ চনৰ স্নাতক চুড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ক্ৰমে ভূগোল বিষয়ত পবিত্ৰ নাথ, চক্ৰধৰ ডেকা, গিৰিশ ডেকা, অৰ্থনীতি বিভাগত সন্তোষ বৰ কাকতি আৰু প্ৰাণী বিজ্ঞান বিভাগত ৰমেশ নাথক সম্বৰ্দ্ধনা জনোৱা হয়। এইবেলিৰ মহাবিদ্যালয় সপ্তাহৰ এক উল্লেখযোগ্য দিশ হ'ল ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ স্বতঃস্ফূৰ্ত সহাঁৰি।

**নৱাগত আদৰণি সভা:—** নতুনকৈ নামভৰ্তি কৰা বিদ্যাৰ্থী-সকলক আনুষ্ঠানিক ভাৱে আদৰি লোৱাৰ উদ্দেশ্যরে ২৭ আগষ্টত নৱাগত আদৰণি সভাখন এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত অনুষ্ঠিত কৰা হয়। উক্ত সভাত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিবেশিত বিভিন্ন মনোৰঞ্জনৰ অনুষ্ঠানে সমগ্ৰ মহাবিদ্যালয় চৌহদ আনন্দমুখৰ কৰি তুলিছিল। এই উপলক্ষে দুপৰীয়া অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে অধ্যক্ষ শিৱ শৰ্মাই। প্ৰাক্তন অধ্যক্ষ আব্দুল মজিদে উদ্বোধন কৰা এই সভাত দৰং জিলাৰ উপায়ুক্ত আফতাব আহমেদ, আৰক্ষী অধীক্ষক শৰৎ ফুকন, প্ৰাথমিক শিক্ষা বিষয়া ভৱকান্ত দাস, অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ৰমনী চহৰীয়া আদিয়ে শৈক্ষিক দিশৰ ওপৰত তত্ব গধুৰ বক্তব্য আগবঢ়ায়। এই সভাত ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ দ্বাৰা প্ৰকাশিত কবিতা সংকলন 'প্ৰেৰণা' উন্মোচন কৰে প্ৰাক্তন অধ্যক্ষ ড° পূৰ্ণ চন্দ্ৰ বৰাদেৱে। আনহাতে ১৯৯৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত পেইন্টিঙত ৰূপৰ পদক লাভ কৰোতা যাদব শৰ্মা আৰু ভাস্কৰ্য্যত ব্ৰঞ্জৰ পদক লাভ কৰোঁতা শশীন্দ্ৰ নাৰায়ণ কোঁৱৰৰ লগতে অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত মাৰাথান দৌৰত কৃতিত্ব অৰ্জন কৰা

অমূল্য ডেকাক সম্বৰ্দ্ধনা জনোৱা হয়।

**বিদায় আৰু সম্বৰ্দ্ধনা :—** চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা অৰ্থনীতি বিভাগৰ অধ্যাপক মাননীয় খৰ্গেশ্বৰ গোস্বামী চাৰ আৰু অংক শাস্ত্ৰ বিভাগৰ অধ্যাপক মাননীয় সন্তনাথ শৰ্মা চাৰ আৰু কাৰ্য্যালয়ৰ মুখ্য সহায়ক মহচিন আলি দেৱক বিদায় সম্ভাষণ জনোৱা হয়। আনহাতে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় নগেন্দ্ৰনাথ শৰ্মা চাৰক ডক্তৰেট ডিগ্ৰী লাভ কৰাৰ বাবে আৰু ১৯৯৪ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাত ভূগোল বিষয়ত জয়ন্ত কুমাৰ শৰ্মা প্ৰথম শ্ৰেণীৰ প্ৰথম, জ্যোতিকা লহকৰে ত্ৰয়োদশ, নাৰায়ণ চন্দ্ৰ শৰ্মাই সপ্তদশ আৰু প্ৰাণী বিজ্ঞান বিষয়ত জয়ন্ত শৰ্মাই দ্বাদশ স্থান লাভ কৰাত সম্বৰ্দ্ধনা জনোৱা হয়।

**শোক সভা :—** আমাৰ কাৰ্য্যকালছোৱাৰ ভিতৰত অসম সাহিত্য সভাৰ সভাপতি ড° লীলা গগৈ, বিশিষ্ট সাহিত্যিক গৱেষক ডঃ প্ৰফুল্ল দত্ত গোস্বামী, ডিব্ৰুগড় অসম মেডিকেল কলেজৰ অধ্যক্ষ ডা° হৰিপ্ৰসাদ বৰুৱা, তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ দলিলুন ৰহমান, আমাৰ মহাবিদ্যালয়ৰ বিদ্যাৰ্থী প্ৰতিভা সাহা, প্ৰতাপ কোঁৱৰ আদি বিভিন্ন জনৰ অকাল মৃত্যুত শোক সভা অনুষ্ঠিত কৰি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয়।

**মহাবিদ্যালয়ৰ উন্নতিকল্পে কিছু চিন্তাৰ লেখ :** মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ ভিতৰত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ যদিও বৰ্তমান মহাবিদ্যালয়খন নানান সমস্যাৰে জৰ্জৰিত। এই সন্দৰ্ভত ৩৭ দফীয়া দাবী চনদ প্ৰস্তুত কৰি অধ্যক্ষ, পৰিচালনা সমিতি, উপায়ুক্তক সমস্যাবোৰ সমাধান কল্পে বাৰম্বাৰ দাবী জনাইছো। হয়তো আমি ক'ৰবাত কৃতকাৰ্য্য হৈছিলো, ক'ৰবাত কৃতকাৰ্য্য হোৱাৰ পথত খোজ পেলাইছিলো। আকৌ ক'ৰবাত একেবাৰে নিৰাশ হ'ব লগাত পৰিছিলো। কিন্তু আমি যত্নৰ ত্ৰুটি কৰা নাছিলো। তথাপি আমাৰ কাৰ্য্যকালত হোৱা দুই এটা কাৰ্য্যৰ খতিয়ান এনেধৰণৰ :—

(১) মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ চাইকেল অনুপাতে চাইকেল ৰখাৰ সু-ব্যৱস্থা নথকাৰ বাবে উপায়ুক্তক বিষয়টি বাৰম্বাৰ অৱগত কৰাত এটি বিশ হাজাৰ টকীয়া চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰি দিয়ে।

(২) প্ৰায় পাঁচ বছৰে তলা ওলমি থকা ছাত্ৰ জিৰণী কোঠাটো মেৰামতি কৰি তলা খোলাটোৰ ব্যৱস্থা কৰা হয়। আনহাতে ছাত্ৰী জিৰণী কোঠাটোৰ মজিয়া মেৰামতি কৰা হয়।

(৩) বহুত দিনৰ পৰা দাবী জনাই অহা বুৰঞ্জী বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী মুকলি কৰাৰ আশা কৰি আমাৰ কাৰ্য্যকালত বাস্তৱ ৰূপ দিয়া হয়। আমি আশা কৰো কৰ্তৃপক্ষই অন্যান্য বিষয়টো স্নাতকোত্তৰ শ্ৰেণী মুকলি কৰাত সু-ব্যৱস্থা গ্ৰহণ কৰিব।

(৪) পেক্ষাগৃহৰ মঞ্চ নিৰ্মাণ কৰা হয় যদিও মঞ্চ নিৰ্মাণত কিছু ত্ৰুটি থাকি গ'ল।

(৫) এই বছৰ বহুকেইটা শিক্ষকৰ পদ পূৰণৰ ব্যৱস্থা কৰে যদিও যথাক্ৰমে আৰু অধিক শিক্ষক নিযুক্তিৰ ব্যৱস্থা পৰিচালনা সমিতিয়ে তৎকালেই কৰিব বুলি আশা কৰিলো।

(৬) বহু বছৰ অচল হৈ থকা ফেনবোৰ ঘূৰাৰ ব্যৱস্থা কৰাৰ লগতে চৌহদত পোহৰৰ ব্যৱস্থা কৰা হয়।

(৭) এই শিক্ষা বৰ্ষটোত অধিক পৰিমাণে শ্ৰেণীসমূহ হোৱাৰ লগতে মহাবিদ্যালয় খনত এক সুন্দৰ শৈক্ষিক পৰিৱেশ গঢ়ি উঠে। ইয়াৰ বাবে কৰ্তৃপক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলোৰেই ওচৰত আমি কৃতজ্ঞ।

(৮) শ্বহীদ বেদীৰ জৰাজীৰ্ণ ৰূপৰ প্ৰতি লক্ষ্য ৰাখি সঞ্জীৱ কুমাৰ ডেকা (অপুল) ক মেৰামতি কৰি দিবলৈ কোৱাত তেওঁ কোনো কাৰ্পণ্য নকৰাকৈ মেৰামতি কৰি দিয়ে।

(৯) বহু সমস্যাই জুমুৰি দি থকা ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ সমস্যাৰ তালিকাখন কিছু সমাধান কৰিবলৈ সমৰ্থ হওঁ।

ইয়াৰ বাহিৰেও চৌহদৰ পথ মেৰামতি, ডেস্ক-বেঞ্চ, দৰ্জা, খিৰিকী মেৰামতি, কেন্টিন মেৰামতি, শ্বহীদ বেদীৰ সন্মুখত পতাকা উত্তোলন কৰাৰ বাবে দুটা পকী স্তম্ভ নিৰ্মাণ আদি বিভিন্ন কাম মহাবিদ্যালয় কৰ্তৃপক্ষ, পৰিচালনা সমিতিক বাৰম্বাৰ অৱগত কৰাত সহায় কৰি দিয়ে।

**অন্যান্য :**— ওপৰোক্ত কাৰ্য্যবোৰৰ উপৰিও শ্বহীদ সোঁৱৰণী, সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা, সৰস্বতী পূজা, ফাতেহা ই দোৱাজ দাহম, শংকৰদেৱৰ তিথি, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, ছাত্ৰ সপ্তাৰ কাৰ্য্যসূচীত যোগদান, ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ লগত এখনি আলোচনা সভা, তিনিখন সাধাৰণ আৰু বাৰখন কাৰ্য্যনিৰ্বাহক সভা, আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত যোগদানৰ লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰীৰ তথা অন্যান্যৰ পূৰ্ণ সহযোগত ছাত্ৰাবাস, ছাত্ৰীনিবাস আৰু মহাবিদ্যালয়ৰ পৰা 'ৰেগিং' নামৰ ব্যাধিটো বন্ধ কৰা আদিয়েই প্ৰধান।

শেষত সুচাৰুৰূপে কাৰ্য্যকাল অতিবাহিত কৰাত যি সকলে অৰিহণা আগবঢ়ালে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰি অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি এই নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিলো।

নমস্কাৰন্তে
শ্ৰীগণেশ দত্ত
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
১৯৯৩-৯৪ চন।

---

## মহৎ লোকৰ বাণী

আজি পঢ়িবলৈ সকলোৱে জানে, কিন্তু কি পঢ়িব লাগে তাক কোনেও নাজানে।

—বাৰ্ণাডশ্ব

যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা ; আৰু ওচৰ চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যেতিয়া তুমি পৃথিবী এৰি যোৱা তেতিয়া যেন তুমি হাঁহি যাব পাৰা, আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।

—হেমচন্দ্ৰ গোস্বামী

মই সেইটোকহে উচ্চ শিক্ষা বুলিম, যিটোৱে পৰোপকাৰী, সেৱা ভাৱাপন্ন কৰ্মপটু হব পাৰে।

—গান্ধীজী

সংগ্ৰাহক— শ্ৰীজগত চন্দ্ৰ নাথ ভাৰত
২য় বাৰ্ষিক (কলা)

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৯৩-৯৪ চন

প্ৰতিবেদনৰ প্ৰাৰম্ভণীতে ১৯৯৩-৯৪ বৰ্ষৰ বাবে মোক খেল বিভাগৰ দৰে এক গুৰুত্বপূৰ্ণ বিভাগৰ সম্পাদকৰ আসনত অধিষ্ঠিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ যাচিছোঁ।

কাৰ্য্যভাৰৰ পিছ মুহূৰ্তৰ পৰাই মোৰ কৰ্ত্তব্যৰ অকণো কৃপণালী কৰা নাছিলো ! জটিল বাস্তৱতাৰ মাজতো মই মধুৰ সপোন দেখিছিলো মঙলদৈ মহাবিদ্যালয়ত এখন সুন্দৰ খেল পথাৰৰ। অৱশ্যে খেল সম্পাদক হিচাবে মোৰ বিগত কাৰ্য্যকাল কিমান উপযোগী হ'ল, সেইটো বিচাৰ কৰা মোৰ বাবে অসম্ভৱ।

**মহাবিদ্যালয় সপ্তাহ :**

কাৰ্য্যভাৰ গ্ৰহণৰ মাথোন কেইটামান দিনৰ পাছতেই মহাবিদ্যালয় সপ্তাহ পালন কৰো। এই অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা খেল বিভাগৰ প্ৰথম কাৰ্য্যসূচী- খেল-পথাৰ মুকলি কৰে খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ড° আমানুল হকদেৱে। অৱশ্যে এই কাৰ্য্যসূচীৰ আগত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে উপাধ্যক্ষ ড° দিপ্তী প্ৰসাদ বৰুৱাদেৱে। ক্ৰীড়াঙ্গণীৰ প্ৰাকমুহূৰ্ত্তত অলিম্পিক শিখা প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন খেল সম্পাদক প্ৰশান্ত কুমাৰ শৰ্মাদেৱে। তেখেতৰ লগত শিখা কঢ়িয়াই আনে ছাত্ৰ একতা সভাৰ উপ সভাপতি বাজীৱ বৰুৱা, সহঃ সাঃ সম্পাদক নৃপেন শৰ্মা, সহঃ খেল সম্পাদক ৰাজেন্দ্ৰ নাৰায়ণ দেৱ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ লোহিত, মাধৱে। নিচেই পুৱাতে অনুষ্ঠিত এই কাৰ্য্যসূচী আকৰ্ষণীয় কৰি তুলিছিল অধ্যক্ষ মহোদয়, শিক্ষা-গুৰু আৰু মহাবিদ্যালয়ৰ প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে।

গতানুগতিক ভাবে খেল সমূহ আৰম্ভ হৈছিল দিন যোৱা কাৰ্য্যসূচীৰে। সকলো বিভাগৰ খেলেই প্ৰতিদ্বন্দিতামূলক আৰু উত্তেজনা পূৰ্ণ হৈছিল। প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা তুলনামূলক ভাৱে কম হোৱা নাছিল। যথেষ্ট সংখ্যক প্ৰতিভাৱান খেলুৱৈ থকা সত্বেও মহাবিদ্যালয়ৰ খেল বিভাগৰ শোচনীয় পৰিস্থিতিয়ে মোক বাৰুকৈয়ে আমনি কৰিছিল। উন্নত প্ৰশিক্ষণৰ লগতে খেলুৱৈ সকলৰ কঠোৰ অনুশীলন থাকিলে আমাৰ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবই। এইখিনিতে স্বীকাৰ কৰিছো তেখেত সকলৰ প্ৰয়োজনীয় সা-সুবিধা দিব নোৱাৰাটো। গুৰু খেল বিভাগৰ প্ৰয়োজন অনুসাৰে সামগ্ৰীৰ যোগান নোহোৱা বাবে প'লভল্ট, বক্সৰিলে, বিপদ সংকুল দৌৰ, বাস্কেটবল, হেণ্ডবল, আদি প্ৰতিযোগিতা পাতিব পৰা নগ'ল।

**আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতা :**

যোৱা ১৪।১১।৯৪ তাৰিখৰ পৰা ২৮।১১।৯৪ তাৰিখলৈ এই প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ছাত্ৰাবাস আৰু ছাত্ৰ একতা সভাৰ সুকীয়া দল আদিকে ধৰি আঠটা দ'লৰ মাজত নক আউট ভিত্তিত খেলবোৰ অনুষ্ঠিত হৈছিল। উদ্বোধনী খেলখন অনুষ্ঠিত হৈছিল উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা) বনাম স্নাতক দ্বিতীয় বাৰ্ষিক

(কলা)ৰ মাজত। চুড়ান্ত খেলখন অনুষ্ঠিত হৈছিল ছাত্র একতা সভা বনাম ছাত্ৰাবাসৰ মাজত। ক্ৰীড়ান্তণীৰ আগত অধ্যক্ষ মহোদয়ৰ লগতে আলোচনী আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ক্ৰমে ডিম্বেশ্বৰ বৰুৱা আৰু প্ৰণৱ শৰ্মা দেৱক খেলুৱৈ সকলৰ লগত চিনাকি কৰায় দিয়া হয়। আৰম্ভণীৰে পৰা উত্তেজনাপূৰ্ণ ভাৱে খেলখনৰ সমাপ্তি ঘটিছিল। সুন্দৰ খেল প্ৰদৰ্শনেৰে বিজয়ীৰ সন্মান অৰ্জন কৰে ছাত্ৰাবাস দলে ২–০ গ'লত। প্ৰতিজন খেলুৱৈলৈ গল খুটিলৈ গল নিক্ষেপ কৰিবৰ বাবে দৰ্শকৰ আসনৰ পৰা প্ৰেৰণা আগবঢ়াইছিল অধ্যক্ষ মহোদয়, শিক্ষাগুৰুবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীয়ে।

### কৃতজ্ঞতা স্বীকাৰ ঃ

মোৰ কাৰ্য্যকালৰ প্ৰতিটো মুহূৰ্ত্ততে সহায় সহযোগ আগবঢ়োৱা মোৰ সহপ্ৰাৰ্থী নৱ, ভৰত, ভূপেন, প্ৰণৱ, জিতু, নিলিমা নয়না, নমিতা, লক্ষ্য আৰু জয়ন্তক মই কেতিয়াও পাহৰিব নোৱাৰো। শিক্ষাগুৰু সকলৰ সহযোগিতা আছিল তুলনাবিহীন। বিশেষকৈ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ ড° আমানুল হক দেৱে সুদীৰ্ঘ দিনৰ অভিজ্ঞতাৰে যি সহায় কৰিছিল, সেয়াই আছিল মোৰ কাৰ্য্য পৰিচালনাৰ আশীষ নিৰ্মালি। চাৰে মোক খেল পৰিচালনাৰ জটিলতাবোৰৰ আগতীয়া সম্ভেদ দিছিল। এই খিনিতে তেখেতলৈ ভক্তিভৰা শ্ৰদ্ধা যাচিছো।



### শলাগৰ শৰাই ঃ

তিনিবাৰকৈ অসম ভিত্তিত মাৰাথান দৌৰত মঙলদৈ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি বি, বৰুৱা মহাবিদ্যালয়ত তৃতীয়, মৰাণত ১ ম আৰু শিৱসাগৰত ২য় স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা মহাবিদ্যালয়ৰ ছাত্ৰ অমূল্য ডেকালৈ শলাগৰ শৰাই যাচিছো। লগতে ভৱিষ্যত মঙ্গল কামনা কৰিছো।

### মোৰ একাষাৰ :

মানুহৰ জীৱনত ক্ৰীড়াৰ ভূমিকা সম্পৰ্কে নকলেও হ'ব। আমাৰ সমস্যাৰ ওৰ নপৰে। তথাপিতো সুন্দৰ অনুশীলনৰ দ্বাৰা আমি আমাৰ সফলতা কঢ়িয়াই আনিব লাগিব। সদৌ শেষত বিগত কাৰ্য্যকালৰ মোৰ জ্ঞাত-অজ্ঞাত ভুল-ক্ৰুটি সমূহৰ মাৰ্জ্জনা বিচাৰিছো। আশাবাদী হৈ ৰৈছো দেশৰ গৌৰৱ কঢ়িয়াব পৰা খেলুৱৈৰ জন্ম হওঁক আমাৰ মহাবিদ্যালয়তে। প্ৰতিবেদনৰ মোখনিত আপোনাসবৰ সুৰতেই গাইছোঁ —

জয়তু মঙলদৈ মহাবিদ্যালয়

ধন্যবাদেৰে —

**শ্ৰীমনিন্দ্ৰ ডেকা**

সম্পাদক, খেল বিভাগ।



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৯৩-৯৪ চন

১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে প্ৰতিদ্বন্দ্বিতাত নিৰ্বাচন কৰি মঙলদৈ মহাবিদ্যালয়ৰ কিঞ্চিত সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা দায়িত্ব পালন কৰিবলৈ সাধ্যানুসাৰে চেষ্টা কৰিছিলো। বিশেষকৈ নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি ৰূপে ছাত্ৰ জিৰণি কোঠাৰ ভগ্নাংশবোৰ আঁতৰাই নতুনত্ব আনিবলৈ সক্ষম হওঁ। ইয়াৰোপৰি কোঠাটিৰ ভিতৰত লাইটৰ ব্যৱস্থা কৰা হয় আৰু কোঠাটিৰ লগতে আগফালে এখন আহল বহল বাৰাণ্ডাৰ ব্যৱস্থা কৰা হয়। যিটো নেকি আগতে কোনো বছৰে হোৱা নাছিল।

**মহাবিদ্যালয় সপ্তাহ :—** সঁচাকৈয়ে ১৯৯৩-৯৪ বছৰৰ মহাবিদ্যালয় সপ্তাহ সাতদিনতকৈও অধিক দিন ধৰি চলি আছিল কাৰণ মহাবিদ্যালয় সপ্তাহৰ ভিতৰত অসম বন্ধ পৰে। সেয়ে বিভিন্ন অসুবিধাত পৰিব লগাত পৰিও সাধ্যানুসাৰে মহাবিদ্যালয় সপ্তাহ পাৰ কৰাই নিছিলো। ছাত্ৰ জিৰণি কোঠাৰ বিভাগত অৰ্থাৎ আন্তঃদ্বাৰ খেল বিভাগত বিভিন্ন খেল অনুষ্ঠিত হৈ যায়। সকলোবোৰ খেলেই তীব্ৰ প্ৰতিদ্বন্দ্বিতা মূলক আৰু উত্তেজনামূলক হৈছিল। এই বছৰৰ শ্ৰেষ্ঠ আন্তঃদ্বাৰ খেলুৰৈ ৰূপে মৃদুল ডেকাক নিৰ্বাচিত কৰা হয়। আনহাতে দবা খেলত একেৰাহে তিনিবাৰ খিতাপ অৰ্জন কৰি ধৰ্মেন্দ্ৰ শইকীয়াকে বিশেষ পুৰস্কাৰেৰে পুৰস্কৃত কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ :—** মোৰ এই এবছৰীয়া কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শ তথা উৎসাহ উদ্দীপনা যোগাই অহা পূজনীয় অধ্যক্ষ মহোদয় মাননীয় শ্ৰীযুত শিৱকান্ত শৰ্মা আৰু ভাৰপ্ৰাপ্ত অধ্যাপক মহোদয় মাননীয় শ্ৰীযুত খগেন্দ্ৰ নাথ দেৱৰ ওচৰত মই চিৰঋণী।

মহাবিদ্যালয় সপ্তাহৰ পৰা কাৰ্য্যকালৰ শেষ সময় পৰ্য্যন্ত বিভিন্ন কাম-কাজত দিহা-পৰামৰ্শ আগবঢ়াই অহা মৃদুল, জয়ন্ত, ধবেন্দ্ৰ, পং, মণি, যাদৱ, হংস, শিৱানন্দ, শংকৰ, ফজলুল, হৰেশ্বৰ, কণেশ্বৰ, সোণেশ্বৰ, কামিনি, নৱনিতা আৰু মোৰ বিভিন্ন বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জনাইছো।

**ক্ষমা প্ৰাৰ্থনা :—** এবছৰীয়া এই কাৰ্য্যকালছোৱাত জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছো। শেষত মঙলদৈ মহাবিদ্যালয়ৰ ভৱিষ্যৎ উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদন সামৰণি মাৰিছো।

**শ্ৰীভবেশ চহৰীয়া**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন —১৯৯৩-৯৪ চন

ছাত্ৰী জিৰণি কোঠাৰ ১৯৯৩-৯৪ বৰ্ষৰ সম্পাদিকা হিচাবে প্ৰতিবেদন লিখাৰ আৰম্ভনিতে এই গুৰু দায়িত্ব পালনৰ বাবে যি কেইগৰাকী শুভাকাঙ্খী সতীৰ্থই আঠজনী ছাত্ৰীৰ মাজত মোক নিৰ্ব্বাচিত কৰিলে তেওঁলোকলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা উপচাই দিলো লগতে পৰম শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু মাননীয় ছাৰ বাইদেউ সকলৈলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো লগতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা জনাইছো।

মোৰ বিভাগটিৰ দায়িত্বভাৰ লোৱাৰ পিছৰে পৰা মনলৈ বাৰে বাৰে আহিছিল জিৰণি কোঠাটিত পাই অহা অসুবিধাৰ কথা। ভাবিছিলো এই বছৰত কোঠাটোত কিছু হলেও নতুনত্ব আনিব লাগিব, ভাবিছিলো আৰু বহুত কিবাকিবি কিন্তু আমি যিবোৰ ভাবো সেইবোৰ কৰিব পৰা হ'লে পৃথিৱীখন হয়তো ইমান জটিল নহ'লহেঁতেন। তথাপি মই ছাত্ৰী জিৰণি কোঠাটিৰ উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি গৈছিলো। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ছাত্ৰী জিৰণি কোঠাৰ ফালৰ পৰা অন্তঃদ্বাৰ খেল সমূহ পতা হয়। (বেডমিণ্টন, চাইনিজ চেকাৰ, ডবা, কেৰম) টেবুল টেনিচ প্ৰতিযোগিতা বিশেষ অসুবিধাৰ বাবে পাতিব পৰা নগ'ল। এজন সম্পাদক বা এজনী সম্পাদিকা হোৱাতো সহজ কথা নহয়। সকলো বাবৰে এটা সুকীয়া গুৰু দায়িত্ব আছে। ইয়াক যদি আমি সকলোৱে সুস্থভাৱে পালন কৰি যাওঁ বিভাগটিৰ লগতে মহাবিদ্যালয়ৰ যথেষ্ট উন্নতি হব।

ছাত্ৰী জিৰণি কোঠাৰ নানা ধৰণৰ অভাৱ আছে, এটা অভাৱ পূৰণ হোৱাৰ পিছতে আন এটা অভাৱে মুৰ দাঙি উঠে। ইয়াৰ বাবে মই কৰ্তৃপক্ষক জগৰীয়া কৰা নাই কাৰণ সকলোবোৰ অভাৱ একেলগে পূৰ কৰাটো সম্ভৱ নহয়।

ছাত্ৰী জিৰণি কোঠাৰ দেখা দিয়া খোৱা পানীৰ সমস্যা মই কিছু হলেও আতৰ কৰিবলৈ চেষ্টা কৰিছো। ছাত্ৰী সকলৰ সুবিধাৰ বাবে ফিল্টাৰ, বাল্টি, জগ, মগ, গিলাচ আদি যোগাৰ কৰা হয়। ভঙা মজিয়াখন সম্পূৰ্ণ ভাৱে ভাল কৰা হয়। ছাত্ৰী সকল বহিবৰ বাবে আৰু কেইখনমান আৰাম চকীৰ ব্যৱস্থা কৰা হয়। কোঠাটোৰ বেৰত ফটো লগোৱা হয়।

আমি সকলোৱে নতুনত্ব বিচাৰো আৰু তাৰেই আত বিচাৰি ছাত্ৰী সকলৰ বাবে এখনি মহিলা সম্পৰ্কীয় মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। ইয়াত ছাত্ৰী সকলৰ সহায় সহযোগিতাই সচাঁকৈ আনন্দিত কৰিছিল। কুইজ প্ৰতিযোগিতাৰ বিচাৰকৰ আসনত থাকি মাননীয়া শ্ৰীলীনা শইকীয়া বাইদেউ, প্ৰতিভা নাথ বাইদেউ, ৰূপাবাণী ভূঞা বাইদেউ, মিনতি দেৱী বাইদেউ আৰু বিশেষকৈ অসুখীয়া গাৰে আহি বিদ্যুৎ প্ৰভা দাস বাইদেৱে মোক যথেষ্ট উৎসাহিত কৰিছিল। তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ অজানিত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো। মঙলদৈ মহাবিদ্যালয়ৰ নাম হিৰন্ময়ৰ দৰে উজ্বল হৈ পৰক তাৰ কামনাৰে—

শ্ৰীধনদা হাজৰিকা
সম্পাদিকা
ছাত্ৰী জিৰণি কোঠা

# সাংস্কৃতিক আৰু সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—১৯৯৩-৯৪ চন

মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলে, সাংস্কৃতিক সম্পাদক হিচাপে আপোনালোকে মোৰ যি গধুৰ দায়িত্ব অৰ্পন কৰি ছাত্ৰ-ছাত্ৰীক সেৱা কৰাৰ সুবিধাকণ দিলে তাৰ বাবেও মই চিৰ কৃতজ্ঞ।

সম্পাদক হিচাপে মোৰ এই কম দিনীয়া কাৰ্য্যকাল ছোৱাত মই কিমানখিনি কৰিব পাৰিলো সেইটো বিচাৰ কৰি চোৱাৰ ক্ষমতা আপোনালোকৰ হাতত।

পুৰণি সম্পাদকৰ হাতৰ পৰা কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আমি সন্মুখীন হও মহাবিদ্যালয় সপ্তাহৰ। এই কাৰ্য্যসূচীমতে আমি কেইটামান প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো, তাৰ ভিতৰত আছিল শাস্ত্ৰীয় সংগীত, লোক-গীত, আধুনীক সংগীত, লঘু সংগীত। প্ৰতিটো শাখাক কণ্ঠসংগীত, বাদ্যসংগীত, নৃত্যসংগীতত বিভক্ত কৰাৰ উপৰিও ব্যঙ্গাত্মক নাট, একাংক নাট, কৌতুক অভিনয়, মুকাভিনয়, আদি প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ বাদ্যযন্ত্ৰ নোহোৱাৰ বাবে প্ৰতিযোগিতাসমূহ চলাই নিয়াৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো। এনেদৰে মহাবিদ্যালয় সপ্তাহৰ অন্তদিনাখন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছিল। এই সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিছিল মাননীয় গীতিকাৰ তথা চপাই মৌজাৰ মৌজাদাৰ শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী দেৱে। বিশেষভাৱে মঞ্চ উজ্জ্বল কৰি তুলিছিল অসমৰ সুকণ্ঠ শিল্পী দিলিপ দাস, প্ৰমুখ্যে জীৱেন্দ্ৰমোহনদেৱ শৰ্ম্মা, বিমল কোঁৱৰ, দ্বিজেন্দ্ৰ মোহনদেৱ শৰ্ম্মাই।

১৯৭৭ চনৰ পৰাই জনৈক অজ্ঞান নামা শাস্ত্ৰীয় সংগীত প্ৰেমীয়ে শাস্ত্ৰীয় সংগীতৰ কণ্ঠ, বাদ্য, নৃত্য বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগীজনক একোটিকৈ তিনিটা বিশেষ বটা দিয়াৰ ( অনামী ) প্ৰথা প্ৰতিবছৰে আগবঢ়াই আহিছে।

বহু মানৱৰ মহৎ প্ৰচেষ্টাৰ ফলত আৰু কষ্টৰে অৰ্জা ধন অনুদান দি হাজাৰ হাজাৰ দুখীয়া অভিভাৱকে গঢ়ি তোলা, প্ৰাকৃতিক পৰিবেশেৰে সজোলিত এই মঙলদৈ মহাবিদ্যালয়ৰ খনৰ সৰ্ব্বাঙ্গিন কামনা কৰি, মঙলদৈ তথা সদৌ অসমৰ সাংস্কৃতিক বিকাশ কামনা কৰি সহায় সহযোগ আগবঢ়োৱা সকলক উদ্দেশ্যি মই সকলোৰে ওচৰত প্ৰণিপাত জনালো।

সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা অজানিতে কৰা ভূল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ এই ক্ষুদ্ৰ নিৰৰ্থক প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়।

ধন্যবাদেৰে

**শ্ৰীজীৱন বৰুৱা**

সম্পাদক

সংগীত আৰু সাংস্কৃতিক বিভাগ

মঙললদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৯৩-৯৪ চন

১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নিৰ্বাচিত কৰাৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰ-কৃতজ্ঞ। যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ কাৰ্য্যকালৰ বছৰটিত কাম-কাজত সহায় কৰিলে তেওঁলোকলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। উমৈহতীয়া কিছুমান স্বাৰ্থৰ দোলেৰে সাঙোৰ খাই থকা কিছুমান ব্যক্তিৰ সমষ্টিকে সমাজ আখ্যা দিব পাৰি। সমাজ সেৱা বাইজৰ সেৱা আৰু দেশৰ সেৱাই হৈছে নিষ্পেষিত জনগণৰ অৰ্থনৈতিক মুক্তিৰ হকে চলোৱা পবিত্ৰ সংগ্ৰাম। ই হৈছে দেশৰ মেৰুদণ্ড স্বৰূপ। সেয়েহে ছাত্ৰ অৱস্থাৰ পৰাই নি:স্বাৰ্থভাৱে সমাজৰ সেৱা কৰিব লাগে। কাৰ্য্যভাৱ গ্ৰহণ কৰি প্ৰথমে মহাবিদ্যালয় সপ্তাহৰ আগদিনা অৰ্থাৎ ৫-১-৯৪ তাৰিখে মহাবিদ্যালয় খন ছাফা কৰা আৰু লগতে মহাবিদ্যালয়ৰ চৌহদৰ গছবোৰত চূণ দিওঁ। এই কাম-কাজত অধিক ছাত্ৰ-ছাত্ৰীয়ে সহায় কৰে। আগৰ কেইবছৰৰ দৰে এই বছৰো সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মঃ জামালুদ্দিন আহমেদদেৱৰ দিহা পৰামৰ্শ মতে সমাজ সেৱাৰ কামবোৰ সহজেই কৰিবলৈ সক্ষম হওঁ।

সদৌ শেষত মই মোৰ কাৰ্য্যকালৰ সময়ত অজানিতে কৰা দোষ-ত্ৰুটিৰ বাবে বিদ্যালয়ৰ অধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ কাৰ্য্যকালৰ প্ৰতিবেদন ইতিৰে টানিছো।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শ্ৰীমুকুল চহৰীয়া**

সম্পাদক, সমাজ সেৱা বিভাগ

১৯৯৩-৯৪ চন।

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৯৩-৯৪ চন

জুনুক কৰে বাজিল জুনুকা
চেণীমাৰি বাগিচাৰ চিঠি লৈ কোবাল
খোজেৰে গুছি গ'ল ডাকোৱাল
গছে-পাতে হেপাহৰ ৰঙীন ৰুমাল।

হীৰেণ ভট্টাচাৰ্য্য

দেখাত কিবা অৰ্থ নাই যেন লাগে, পঢ়ি কিন্তু খুব ভাল লাগে ; অনুভুতিৰ অৰ্থবহ প্ৰকাশ আৰু সেয়ে কবিতা। ঠিক তেনেকৈ গভীৰ পৰ্য্যবেক্ষণৰ অন্তিম প্ৰকাশ সাহিত্য, যাৰ দ্বাৰা পশু আৰু মানুহৰ স্বভাৱৰ পাৰ্থক্য পোৱা যায়। সাহিত্যৰ তাত্বিক দিশৰ পৰ্য্যালোচনা যিহেতু আমাৰ প্ৰতিবেদনৰ উদ্দেশ্য নহয় সেয়ে ইয়াক ইমানতে এৰিছো।

মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য বিভাগ নবীন চামৰ সাহিত্য আখৰাৰ এক কঠিয়াতলি হওক এই আশাৰে গ'ত বছৰটোত গতানুগতিকতাক নেওচি কেতবোৰ নতুন পদক্ষেপ লোৱা হৈছিল। তাৰ ভিতৰত উচ্চ মানদণ্ডৰ প্ৰাচীৰ পত্ৰিকা, প্ৰতিযোগিতাৰ লেখনীসমূহ পকাবন্ধা আকাৰে সংৰক্ষণ কৰা, আৰু বছৰটোত মহাবিদ্যালয় ভিতৰ চ'ৰাত কবিতা চৰ্চা কৰা সাহিত্যানুৰাগী সকলক প্ৰতিষ্ঠিত কৰাৰ আশাৰে কবিতা সংকলন "প্ৰেৰণা" প্ৰকাশ অন্যতম। বাকীবোৰ যি কৰিছিলো সেয়া আছিল গতানুগতিক।

কাৰ্য্যকালত বোধকৰো বিভিন্ন অসুবিধাত সহায়ৰ হাত আগবঢ়োৱা প্ৰতিজনলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। তাৰে ভিতৰৰে টঙ্কেশ্বৰ, ললিত, মুকুট, গণেশ, মেঘজ্যোতি, স্মৃতিৰেখা, যামিনী অন্যতম।

পৰবৰ্ত্তী কালত এই অনুষ্ঠানত আৰু অধিক সাহিত্যিকৰ আত্মপ্ৰকাশ ঘটক এই আশাৰে সামৰিলো।

শ্ৰীহিৰণ বৰুৱা
সম্পাদক, সাহিত্য বিভাগ

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ১৯৯৩-৯৪ চন

শ্বহীদক শ্ৰদ্ধাৰে সোঁৱৰিছো। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী কৰি সেৱাকণ কৰিব দিয়া বাবে সকলো বিদ্যাৰ্থীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

তৰ্ক বিভাগৰ সম্পাদক হিচাবে বিগত বছৰটিত কিবা কৰিব পাৰিলো নে নাই তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাততেই দি বিগত বছৰটিত কৰা দুই এটি কাৰ্য্যৰ খতিয়ান তলত দাঙি ধৰাৰ প্ৰয়াস কৰিছো।

**মহাবিদ্যালয় সপ্তাহ ঃ** ৬ জানুৱাৰীৰ পৰা ১১ জানুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহত তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা, স্মৃতি পৰীক্ষা, কুইজ, অসমীয়া কবিতা আবৃত্তি আৰু ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

**তৰ্কৰ বিষয় ঃ** "সদনৰ মতে সাম্প্ৰতিক ভাৰতৰ অৰ্থ-নৈতিক অনগ্ৰসৰতাই উগ্ৰপন্থী মনোভাৱৰ বাবে দায়ী।" আনহাতে বক্তৃতাৰ বিষয় আছিল "দেশৰ ৰাজনৈতিক অস্থিৰতাই ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত বাধাৰ প্ৰাচীৰ হৈ ঠিয় দিছে।"

উক্ত প্ৰতিযোগিতা সমূহত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আৰু শিক্ষক শিক্ষয়িত্ৰীৰ উপস্থিতিয়ে আমাক উৎসাহিত কৰি তুলিছিল।

**২১ চেপ্তেম্বৰ দিনটো ঃ** ২১ চেপ্তেম্বৰ দিনটো আমাৰ কাৰণে এক উল্লেখযোগ্য দিন বুলিয়েই কব লাগিব। কাৰণ এই দিনটোতেই "শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা" অনুষ্ঠিত হৈছিল। অসমৰ ইমুৰৰ পৰা সিমুৰলৈ মুঠ ১৮ খন মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে যোগদান কৰা এই প্ৰতিযোগিতাৰ বিষয় আছিল "সদনৰ মতে বিভিন্ন জনগোষ্ঠীক স্বায়ত্ব শাসন প্ৰদানৰ ফলত অসমৰ ঐক্য সংহতি বিনষ্ট হব"।

আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ডঃ নগেন্দ্ৰ নাথ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰিছিল টংলা মহাবিদ্যালয়ৰ অধ্যাপক কেশৱ চন্দ্ৰ দত্ত, মঙলদৈ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপিকা মানসী ভট্টাচাৰ্য্য, প্ৰাগবচিমিৰ চাকৰিয়াল কাজল শইকীয়া, আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক ডঃ হৰিশ চন্দ্ৰ ডেকাৰ লগতে সময় নিৰূপক হিচাবে আছিল বুদ্ধিন্দ্ৰ নাথ হাজৰিকা। মহাবিদ্যালয়ৰ অধ্যক্ষ শিৱ শৰ্মাই উদ্বোধন কৰা এই প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে ক্ৰমে ছয়দুৱাৰ মহাবিদ্যালয়ৰ জয়ন্ত কৃষ্ণ শৰ্মা, দেৱগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৰূপ কুমাৰ শৰ্মা আৰু দুধনৈ মহাবিদ্যালয়ৰ দিলীপ কুমাৰ নাথে। অৰূপ কুমাৰ শৰ্মা আৰু টুটুমণি বৰাৰে গঠিত দলটিয়ে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।

**কৃতজ্ঞতা :** আমাৰ কাৰ্য্যকালত যিসকল শিক্ষক শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰী কৰ্মচাৰীৰ লগতে যি সকল লোকে সহায় সহযোগৰ লগতে উৎসাহিত কৰিছিল তেওঁলোকলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা এই সুযোগতে জ্ঞাপন কৰিছো।

শেষত অজানিত ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি এই নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিলো।

নমস্কাৰান্তে

**শ্ৰীজিন্টুমণি কলিতা**

সম্পাদক, তৰ্ক ও বক্তৃতা বিভাগ

মঙলদৈ মহাবিদ্যালয়।

# চাৰু-কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ১৯৯৩-৯৪ চন

প্ৰতিবেদনৰ আৰম্ভণিতে মঙলদৈ মহাবিদালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক মৰম যাচিছোঁ। বিনা প্ৰতিদ্বন্দ্বিতাই ছাত্ৰ একতা সভাৰ উক্ত বিভাগলৈ নিৰ্ব্বাচিত হোৱাটোৱেই সমূহ বন্ধু বান্ধৱী সকলৰ মোৰ প্ৰতি থকা গভীৰ আস্থাৰ কথাই প্ৰকাশ কৰে।

আমাৰ মহাবিদ্যালয়ৰ চিৰ নমস্য অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক মহোদয়, অধ্যাপিকা মহোদয়া আৰু সমূহ কৰ্মচাৰীলৈ মোৰ অন্তৰ ভৰা কৃতজ্ঞতা থাকিল।

শিল্প কলা হ'ল অতি পুৰণি কৃষ্টি। বৰ্তমান যুগতো শিল্প কলা সমূহ হৈছে শিক্ষাৰে এটা অবিচ্ছেদ্য অংগ। তথাপিও কব খোজো যে আমাৰ কলেজত কলেজ সপ্তাহক উদ্দেশ্য কৰি হোৱা অনুশীলনক বাদে অন্য সময়ত শিল্প কলাৰ অনুশীলন খুউব সন্তোষজনক নহয়। শিল্প এটা জাতিৰ বুনীয়াদ গঠনৰ আহিলা স্বৰূপ। ইতিহাসে বহণ কৰি আহিছে ইয়াৰ সাক্ষ্য। এটা জাতিৰ অতীত জানিবলৈ হ'লে শিল্প কলাক আমি কম গুৰুত্ব দিব নোৱাৰো। বৰ্তমান সময়ত চৰকাৰে শিল্পকলাৰ বিভিন্ন আঁচনিৰে এই ক্ষেত্ৰত সুযোগ আগবঢ়াইছে।

মই মোৰ কাৰ্য্যকালৰ ভিতৰত আশানুৰূপ ভাৱে কাৰ্য্যসূচীবোৰ বাস্তৱিত কৰিব নোৱাৰিলো; যদিও প্ৰচেষ্টা অব্যাহত ৰাখিছিলো। মই কলেজ সপ্তাহত আগতকৈ কেইটামান নতুন বিষয়ো সন্নিবিষ্ট কৰো। ইয়াৰ উপৰিও প্ৰদৰ্শনীখন আগতকৈ অধিক আকৰ্ষণীয় আৰু দীৰ্ঘলীয়া কৰো। ছাত্ৰীবিলাকৰ কাৰণে থিতাতে নিটিং বিষয়টো নতুনকৈ দিও। কিন্তু মোৰেই দুৰ্ভাগ্য এই বিষয়টোত এজনীও প্ৰতিদ্বন্দী নোলায়। ইয়াৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ১৯৯৪-৯৫ চনৰ যুৱ মহোৎসৱত যোগদান কৰি চাৰুকলা বিভাগৰ পৰা কলেজৰে কৃতি ছাত্ৰ শ্ৰীমান যাদৱ শৰ্ম্মা আৰু শ্ৰীমান শশীন্দ্ৰ নাৰায়ণ কোঁৱৰ দেৱে ক্ৰমে পেইণ্টিং বিভাগত ৰূপৰ পদক আৰু ভাস্কৰ্য্য বিভাগত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও মোৰ কালছোৱাত মই তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীৰ বাবে এখনি শ্বিল্ডৰ ব্যৱস্থা কৰো।

শেষত মোক দিহা পৰামৰ্শ দি সহায় কৰা বিভাগীয় তত্বাবধায়ক শ্ৰদ্ধেয় শ্ৰীযুত মতি মেধি চাৰলৈ মোৰ কৃতজ্ঞতা যাচিলো। তাত বাদেও বিভিন্ন বিষয়ত সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধেয় চাৰ সকলৰ ওচৰতো মোৰ কৃতজ্ঞতা যাচিলোঁ। মোৰ কাৰ্য্যকালৰ প্ৰতিটো খোজতে বন্ধু-বান্ধৱী সকলৰ সহায় সহযোগিতাও কম নাছিল।

মোৰ ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা মাগিছোঁ। শেষত মঙলদৈ মহাবিদ্যালয়ৰ চিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিছো। ধন্যবাদেৰে—

শ্ৰীবিকাশ শৰ্ম্মা
সম্পাদক, চাৰু কলা বিভাগ
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# Editors and Prof. In-Charge of Mangaldai College Magazine During 1958-94.

| Session | Editor | Prof. in-charge |
|---|---|---|
| 1958-59 | Shri Bodheswar Deka | Shri P. Bora |
| 1960-61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961-62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962-63 | Shri Maheswar Kalita | Shri D. Neog |
| 1963-64 | Shri Tuwa Ram Deka | Shri D. Neog |
| 1964-65 | Md. Fazlul Karim | Shri D. Neog |
| 1965-66 | Shri Bashab Ch. Sahariah | Shri D. Neog |
| 1966-67 | Shri Hem Kanta Deka | Shri J. C. Sarma |
| 1968-69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969-70 | Shri Prabhat Kr. Choudhury | Shri J. C. Sarma |
| 1970-71 | Shri Dinabandhu Sarma | Shri J. C. Sarma |
| 1971-72 | Md. Mahiuddin Jiaul Haque | Shri B. Kakati |
| 1972-73 | Shri Premananda Nath | Shri B. Kakati |
| 1973-74 | Shri Bhabendra Ch. Deka | Shri B. Kakati |
| 1974-75 | Shri Juran Ch. Kalita | Shri B. Kakati |
| 1975-76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976-77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977-78 | Shri Pramananda Razbongshi | Miss Naharun Nesha |
| 1978-79 | Shri Sailendra Kr. Sarma Baruah | Shri M. P. Baruah |
| 1979-81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981-82 | Shri Gajendra Baruah | Shri Bharat Sarmah |
| 1982-83 | Shri Biswajeet Goswami | Shri Bharat Sarma |
| 1983-84 | Shri Dulal Baruah | Shri Bharat Sarma |
| 1985-86 | Shri Siba Prasad Barua | Shri Matiram Medhi |
| 1986-87 | Shri Minaram Hazarika | Shri Matiram Medhi |
| 1987-88 | Shri Bhabesh Baruah | Shri Matiram Medhi |
| 1988-89 | Shri Muktananda Sarma | Md. Idrish Ali |
| 1989-90 | Mumtaz Khanom | Shri Buddhin Ch Hazarika |
| 1990-91 | — | — |
| 1991-92 | Babita Kumari Majudeka | Md. Idrish Ali |
| 1992-93 | Aminul Islam | Md. Idrish Ali |
| 1993-94 | Lakhyadhar Sarmah | Sri Dimbeswar Baruah |